# এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্র মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্চল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 48 No. 4**
অষ্টাচত্বাৰিংশ বৰ্ষ ঃ চতুৰ্থ সংখ্যা
জুন ঃ ২০১৭

শিক্ষক, ছাত্র-ছাত্রী, শিক্ষা
প্রতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**


| | | |
|---|---|---|
| ❐ ভাৰতৰ যুৱক-যুৱতী ঃ এটা উদিত শক্তি | ✍ এ কে ডুবে | ৩ |
| ❐ চাকৰি সৃষ্টি ঃ প্রত্যাহ্বান আৰু আগলৈ যোৰা পথ | ✍ অলখ এন শৰ্মা<br>✍ বলৱন্ত সিং মেহতা | ৮ |
| ❐ যুৱক-যুৱতী পৰিৱৰ্তন সাধনৰ এটা কাৰক শক্তি | ✍ সুনীতা সাংঘি | ১৩ |
| ❐ ৰাষ্ট্ৰক নিয়োগকাৰী হিচাপে প্ৰস্তুতকৰণ | ✍ সৌৰভ সান্যাল<br>✍ ৰঞ্জিত মেহতা | ২৩ |
| ❐ ৩য় আন্তৰ্জাতিক যোগ দিৱস ঃ দেহ আৰু মনৰ সমন্বয় সাধন | ✍ ঈশ্বৰ এন আচাৰ্য<br>✍ ৰাজীৱ ৰাষ্ট'গী | ২৮ |
| ❐ নিজৰ স'তে পুনঃ সংযোগ | ✍ ঈশ্বৰ ভি বাসৱাৰেড্ডী | ৩১ |
| ❐ ভাৰতত দূৰণিৰ তথা অন্‌লাইন উদ্যোগী বিষয়ক শিক্ষা | ✍ অমিত কুমাৰ দ্বিবেদী | ৩৪ |
| ❐ সেৰা সামগ্ৰী কৰ ঃ এটা পৰিৱৰ্তনকামী ব্যৱস্থা | ✍ ডি এছ মালিক | ৪০ |
| ❐ ভাৰতীয় যুৱশক্তি-সবলীকৰণৰ পথে মৌলিক বিজ্ঞান আৰু মানৱতা বিষয়ত গুণগত শিক্ষা | ✍ ড° ৰাকেশ কে ৰাট্‌ছ,<br>✍ ড° মীনু ৰাটছ | ৪৪ |
| ❐ অসমত যোগ শিক্ষাৰ প্ৰসাৰ | ✍ গায়ত্ৰী চাংকাকতী | ৪৯ |
| ❐ আপুনি জানেনে? | | ৫১ |
| ❐ ডিজিটেল সাক্ষৰতা | ✍ উৎপলা কোঁৱৰ | ৫২ |
| ❐ প্ৰকাশন বিভাগৰদ্বাৰা ৰাষ্ট্ৰপতি ভৱন লানিৰ গ্ৰন্থ প্ৰকাশ | | ৫৬ |


পয়োভৰাত প্রকাশিত
প্রবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

# যুৱ প্ৰজন্ম ঃ ভৱিষ্যতৰ আশা

এটা জাতিৰ যুৱ প্ৰজন্ম উত্তৰ প্ৰজন্মৰ ন্যাসৰক্ষী। উন্নত বিশ্বৰ অধিকসংখ্যক দেশেই বয়সস্থ জনসংখ্যাৰ দেশ হোৱাৰ বাবে আগবঢ়াৰ সময়ত ভাৰত ২০২০ চনৰ ভিতৰত বিশ্বৰ আটাইতকৈ যুৱ শক্তিৰ দেশ হিচাপে পৰিগণিত হোৱাৰ দিশে আগবাঢ়িছে। ভাৰতৰ জনসংখ্যাৰ প্ৰায় ৪০ শতাংশ এই যুৱ শক্তি অত্যন্ত উজ্জীৱিত আৰু গতিশীল অংশ আৰু ৰাষ্ট্ৰৰ অতি মূল্যৱান মানৱ সম্পদ। ভাৰতৰ জনসংখ্যাৰ লভ্যাংশ বিশ্বজুৰি অৰ্থনতিবিদ আৰু পৰিকল্পনাবিদসকলৰ বাবে আলোচনাৰ বিষয়। ৰাষ্ট্ৰৰ ভৱিষ্যৎ হিচাপে, ৰাষ্ট্ৰ গঠনৰ কামত যুৱ প্ৰজন্মৰ এটা ডাঙৰ ভূমিকা আছে। তেওঁলোকৰ সৃষ্টিশীল সম্ভাৱনা তেওঁলোকৰ আশা, শক্তি, বহুমুখী কৰ্মশক্তি একলগ হৈ এখন দেশৰ বাবে আশ্চৰ্যজনকভাৱে কাম কৰিব পাৰে।

অভিযন্তা, চিকিৎসক, আইনজ্ঞ, বেংককৰ্মী, শিল্পোদ্যোগী, ক্ৰীড়াবিদ হিচাপে সকলো খণ্ডতে ৰাষ্ট্ৰক নেতৃত্ব দিবলৈ যুৱপ্ৰজন্মৰ বহু সম্ভাৱনা আছে। প্ৰয়োজন মাথোঁ তেওঁলোকক সঠিক নিৰ্দেশনাৰে সবল কৰি বিকাশৰ বাবে বৰ্ধন কৰাটো। ইয়াৰ প্ৰথম খোজটো হৈছে এটা শিশুৱে স্বাস্থ্যবান হ'বলৈ আৰু উপযুক্ত শিক্ষা লাভ কৰাৰ বাবে সুন্দৰ ঘৰুৱা পৰিৱেশ গঢ়ি তোলা। এই ব্যৱস্থা নিশ্চিতকৰণৰ বাবে ব্যাখ্যা আগবঢ়োৱাৰ ক্ষেত্ৰত শিক্ষাৰ অধিকাৰ ২০০৯ অন্যতম। চৰকাৰে সৰ্বশিক্ষা অভিযান, ই-পাঠশালা, উড়ান আদি সকলো স্তৰতে গুণগত শিক্ষা আগবঢ়োৱা কাৰ্যসূচী আৰু ভাল শিক্ষা আগবঢ়াবলৈ সমস্যা হোৱা দেশৰ পাৰ্বত্য আৰু দুৰ্গম অঞ্চলৰ বাবে দূৰ শিক্ষা পাঠ্যক্ৰমে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। যুৱ প্ৰজন্মলৈ আগবঢ়োৱা দূৰ শিক্ষা পাঠ্যক্ৰম ব্যৱস্থা এতিয়া স্বীকৃত হৈছে। জ্ঞান, স্বয়ম আৰু ৰাষ্ট্ৰীয় ডিজিটেল লাইব্ৰেৰী আদি কিছুমান কাৰ্যসূচীৰ জৰিয়তে শিক্ষাত প্ৰৱেশ কৰাৰ বাবে প্ৰযুক্তি বিজ্ঞান ব্যৱহাৰ কৰা হৈছে। সি যি কি নহওঁক, শিক্ষিত যুৱক-যুৱতীসকলে বিশেষ কিছুমান চাকৰিৰ বাবে উপযুক্ত কৌশলেৰে নিজক প্ৰশিক্ষিত কৰাৰ প্ৰয়োজন। যথোপযুক্ত আৰু পৰ্যাপ্ত দক্ষতা বিকাশ আৰু প্ৰশিক্ষণৰ অতি প্ৰয়োজন, যিটোৱে এই শক্তিক কাৰিকৰী দক্ষতাসম্পন্ন মানৱ শক্তিৰ বৃহৎ উৎসলৈ পৰিণত কৰিব পাৰে। চৰকাৰে প্ৰৱৰ্তন কৰা দক্ষ ভাৰত (স্কীল ইণ্ডিয়া) এনে এটা উদগণি যিটো নিয়োগ বজাৰত চাহিদা অনুসৰি যুৱ শক্তিয়ে নিজৰ দক্ষতা উন্নীত কৰাত সহায় কৰাৰ বাবে এটা দীৰ্ঘ অভিযান। এই অভিযানে ২০২২ চনৰ ভিতৰত ৪০ কোটিৰো অধিক লোকক দক্ষ কৰি তোলা আৰু তেওঁলোকৰ পছন্দ অনুযায়ী প্ৰশিক্ষণ দি নিয়োগযোগ্য কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই কাৰ্যসূচীৰ অধীনত দূৰ শিক্ষা পাঠ্যক্ৰমৰ জৰিয়তেও দক্ষতা বিভাগৰ প্ৰশিক্ষণ দিয়া হয়।

সৰ্বশেষত, মুঠতে যুৱ সবলীকৰণ হ'ল লাভদায়ক নিয়োগ। নিয়োগবিহীন যুৱশক্তি এখন ৰাষ্ট্ৰৰ অৰ্থনীতিৰ বাবে উন্নতিৰ অন্তৰায় আৰু সমাজৰ বাবে ভাবুকি। সেয়েহে চৰকাৰৰ শেহতীয়া প্ৰয়াসে স্মাৰ্ট আপ ইণ্ডিয়া আৰু ষ্টেণ্ড্ আপ ইণ্ডিয়া কাৰ্যসূচীৰ জৰিয়তে উৎসাহিত কৰিব। মুদ্ৰা (এম ইউ ভী আৰ এ), সেতু (এছ ই টী ইউ), এইম (অটল ইন'ভেশ্যন মিশ্যন) অভিযোজন আৰু উদ্যোগক সংস্কৃতি উৎকৰ্ষৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

যুৱসকল হ'ল ৰাষ্ট্ৰগঠনৰ খুঁটা বা স্তম্ভ। ভাগ্য পৰিৱৰ্তন কৰাৰ ক্ষমতা তেওঁলোকৰ হাতত আছে। ভাগ্য সলনি কৰাৰ হেঁপাহ থকা যিকোনো দেশৰেই এই আশ্চৰ্যকৰ সম্পদৰ শক্তি আৰু উচ্চাভিলাষ আহৰণ কৰাৰ বাবে পথ আৰু উপায় নিশ্চয় থাকিব লাগিব। ফ্ৰেংকলিন ৰুছভেল্টে এবাৰ কৈছিল— 'আমি সদায় আমাৰ যুৱ প্ৰজন্মৰ ভৱিষ্যৎ গঢ়িব নোৱাৰো, কিন্তু ভৱিষ্যতৰ বাবে আমি যুৱ প্ৰজন্মক গঢ়িব পাৰো।'

# ভাৰতৰ যুৱক-যুৱতী ঃ এটা উদিত শক্তি

**এ কে ডুবে***

**জনগাঁথনিৰ লাভাংশ উপযুক্তভাৱে পাবৰ বাবে যুৱক-যুৱতীসকলক হিত সাধন আৰু গঠনমূলক উপাদানৰ এটা পৰিৱেশত উপনীত কৰা আৱশ্যক। গোলকীয় স্তৰত ভাৰতক এখন শক্তিশালী ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাত সহায় কৰিবলৈ যুৱ সম্প্ৰদায়ক নীতিবিশেষৰ উন্মেষ সাধন তথা সমৰ্থনেৰে অনুপ্ৰাণিত কৰিব লাগিব।**

ইউনেস্কোই দাঙি ধৰা ব্যাখ্যা অনুযায়ী 'যুৱ' বুলিলে ল'ৰালি কালৰ নিৰ্ভৰশীল অৱস্থাৰপৰা প্ৰাপ্তবয়স্কৰ স্বতন্ত্ৰ অৱস্থালৈ পৰ্যৱসিত হোৱা এটা কাল ৰূপে বুজা যায় আৰু সেই কালছোৱাতেই এখন সমাজৰ সদস্য ৰূপে আমাৰ স্বতন্ত্ৰতা সম্বন্ধে চেতনা জাগে। এই যুৱ কাল এটা নিৰ্দিষ্ট বয়স-গোটতকৈ অধিক নমনীয় আৰু শিথিল হয়।

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ বাৰ্ষিক প্ৰতিবেদন, ২০১৬-১৭ৰ মতে প্ৰশাসনৰ অৰ্থে যিকোনো প্ৰতিষ্ঠানৰ বাবে যুৱ সম্প্ৰদায় অতি উৎসাহী শ্ৰেণীত পৰিণত হয় আৰু এনে স্পন্দিত আৰু গতিশীল ধৰণ-কৰণেৰে ভাৰতক এখন তৰুণ ৰাষ্ট্ৰ ৰূপে অভিহিত কৰাৰো পথ মুকলি কৰে— যাৰ জনসংখ্যাৰ ৬৫ শতাংশ ৩৫ অনূৰ্দ্ধ বয়সত পৰে। বাৰ্ষিক প্ৰতিবেদনৰ আনুমানিক হিচাপ মতে ২০২০ চনৰ ভিতৰত গড় হিচাপে ভাৰতৰ লোকৰ মজলীয়া বয়স-গোট ২৮ বছৰৰ হ'ব। কিন্তু ইয়াৰ তুলনাত অন্য দক্ষিণ এছিয়াৰ দেশবোৰ তথা চীনৰ ক্ষেত্ৰত সেই বয়স-গোট হ'ব ৩৮ বছৰ। ভাৰতত ১৫-২৯ বয়স-গোটৰ তলৰ জনসংখ্যা মুঠ জনসংখ্যাৰ ২৭.৫ শতাংশ। সেয়ে ভাৰতত ই এটা অনুকূল জনগাঁথনিৰ ছবি প্ৰতিফলিত হোৱাটোকে বুজায়।

এই জনগাঁথনিৰ লাভাংশ উপযুক্ত-ভাৱে পাবৰ বাবে যুৱক-যুৱতীসকলক হিত সাধন আৰু গঠনমূলক উপাদানৰ এটা পৰিৱেশত উপনীত কৰা আৱশ্যক। গোলকীয় স্তৰত ভাৰতক এখন শক্তিশালী ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাত সহায় কৰিবলৈ যুৱ সম্প্ৰদায়ক নীতিবিশেষৰ উন্মেষ সাধন তথা সমৰ্থনেৰে অনুপ্ৰাণিত কৰিব লাগিব। যুৱকসকল এনে আহিলা নহয় যে লাগ বুলিলেই কামত লগাব পাৰি নতুবা এটা পৰীক্ষাগাৰ নহয়— যাৰদ্বাৰাই দেশখনৰ চালিকা শক্তিৰ কোনো এটা সূক্ষ্ম পদাৰ্থক পৰীক্ষা কৰিব পাৰি। বৰং তেওঁলোক হ'ল এনে বৈচিত্ৰ্যপূৰ্ণ সমাহাৰবিশেষ যাক সমসাময়িকভাৱে প্ৰাসঙ্গিকতা থকা দক্ষতাৰ ওপৰত ভিত্তি কৰা নতুন সুযোগ-সুবিধা সৃষ্টি কৰিবৰ কাৰণে কামত লগাব পাৰি আৰু সেইটোকে কৰা উচিত।

মাইকেল গ্ৰীণে তেওঁৰ "ইয়ুথ এজ এক্টিভ এজেণ্টছ অৱ ছ'চিয়েল চেঞ্জ" নামৰ পুথিত এইদৰে মন্তব্য কৰিছে— "যুৱক-যুৱতীৰ বিকাশ সাধনৰ ক্ষেত্ৰত যি ইতিবাচক দিশৰ উন্মোচন হৈছে সি এটা বিস্তাৰিত তথা প্ৰভাৱশীলভাৱে আন্দোলনৰ গতি লাভ কৰিছে; তেনে ক্ষেত্ৰত ঘাটি বৈ যোৱা বিষয়বোৰতকৈ সন্মুখত আহি পৰা কাৰ্যবিশেষৰ সঠিক পথৰ বিষয়ে ভবা উচিত আৰু সেয়ে তেনে আন্দোলনৰ গতিময়তাই সমস্যা-সমূহ উদ্ভাসিত কৰি তোলা দৃষ্টিভঙ্গীৰ পৰা সমস্যা সমাধান দৃষ্টিভঙ্গীলৈ পৰ্যৱসিত হোৱাৰ শক্তি আৰু মনোযোগৰ ওপৰত আলোকপাত কৰাকে সূচায়।"

সামাজিক, ৰাজনৈতিক কিম্বা সাধাৰণ জনতাৰ আন্দোলনত তৰুণ-সকল কেন্দ্ৰীভূতভাৱে জড়িত থাকে। এল জি বি টি কিউ আন্দোলনৰ পৰা মহিলাৰ সমান অধিকাৰ বিষয়ক আন্দোলন তথা পৰিৱেশমূলক চিন্তিত বিষয়ৰ পৰা মানৱ অধিকাৰ ৰক্ষা কৰা আন্দোলনতকৈ যুৱকসকল জনজীৱনৰ

***লেখক এ কে ডুবে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ যুৱ পৰিক্ৰমা সচিব। তেওঁ কেৰালা আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন পদত সেৱা আগবঢ়াইছে। বিভিন্ন বিষয়ত তেওঁ পেছাদাৰী আলোচনীত প্ৰবন্ধ-পাতি লিখে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— ইণ্ডিয়ান জাৰ্ণেল অৱ্ পাব্লিক এডমিনিষ্ট্ৰিচন, জাৰ্ণেল ফৰ ৰুৰেল ডেভেলপমেণ্ট, কুৰুক্ষেত্ৰ ইত্যাদি।**

বিভিন্ন ক্ষেত্ৰ সামৰি লোৱাকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু প্ৰায়ে সমাধানযোগ্য সঁহাৰি বিচাৰি হেঁচা প্ৰয়োগ কৰা গোট ৰূপেও অৱতীৰ্ণ হয়। বিস্তাৰিতভাৱে তেওঁলোকৰ মনোযোগ আৰু চিন্তাৰ বিষয়বোৰ প্ৰকাশৰ অৰ্থে নতুন মাধ্যমৰ আহিলাসমূহক নিৰন্তৰ আৰু ব্যাপকভাৱে ব্যৱহাৰ কৰাৰ সুবিধা লয়— যাতে সামাজিক মাধ্যমে মতামত প্ৰচাৰ আৰু উপস্থাপন কৰি এটা সম্ভাব্য সিদ্ধান্তত উপনীত হোৱাত সহায় কৰিব পাৰে। যুক্তি-তৰ্কও অৱতাৰণা কৰা হয় আৰু জনতাৰ মতামত প্ৰচাৰ কৰা হয়। এই মাধ্যমৰ আহিলাপাতিয়ে কেৱল চিন্তাধাৰাৰ গঢ়-গতি দিয়াতেই সহায় নকৰে, তদুপৰি ভাববিশেষক যোগাযোগ কৰাতো সহায় কৰে আৰু মূৰকত সেই ভাবক বহুলভাৱে এটা নিজস্ব স্থিতি অটুট ৰখাত সহায় কৰে। এনেদৰে যুৱকসকল অৰ্থনৈতিক কিম্বা সামাজিক দিশৰ অৰ্থপূৰ্ণ কাম-কাজৰ মধ্যমণি স্বৰূপ হোৱাৰ কাৰণ হ'ল পৰিৱৰ্তনশীল সামাজিক বিষয়বোৰৰ ক্ষেত্ৰতো নিজকে খাপ খুৱাই ল'ব পৰাৰ সামৰ্থ্য তেওঁলোকৰ আছে।

তৰুণ-তৰুণীয়ে দুটা প্ৰজন্মৰ মাজত এডাল সাঁকো ৰূপে আদৰ্শজনকভাৱে কাম কৰিব পাৰে। ই হ'ল এটা বয়সৰ স্থিতি যি অৱস্থাত ভালদৰে বুজাই দিলে শিথিল পন্থা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজিব পাৰে; আৰু সেই প্ৰয়োজনীয়তাৰ বিষয় হ'ল নিজৰ বিকাশ আৰু অগ্ৰগতি সাধনৰ গতি মসৃণ কৰি তোলা। আদৰ্শগত ভাবধাৰাত সময় সাপেক্ষে শিথিলতাক পিঠি দি কেৱল কঠিনতাকেই অৱলম্বন কৰা আৰু পাশ্চাত্য সংস্কৃতিক নভবা-নিচিন্তাকৈ নকল কৰা— এই দুই ভাবৰ সঠিক মাত্ৰাৰ অৱলম্বনে দীৰ্ঘ কালৰ বাবে ৰাষ্ট্ৰৰ ওপৰত কোনো ইতিবাচক প্ৰভাৱ নেপেলায়। আজিৰ যুৱ প্ৰজন্মই এইটো বুজি পায় যে একমাত্ৰ অবিকল পথ কিম্বা স্বতন্ত্ৰতা অৱলম্বনেই সকলো সমস্যাৰ সমাধানৰ উপায় উলিয়াব নোৱাৰে। তাৰ বাবে বিষয়সমূহৰ নিবিড় সম্পৰ্ক স্থাপনেৰে উদ্ভাসিত হোৱা উপায় অনুক্ৰমে কাম কৰিব লাগিব— যিটো এটা সামগ্ৰিক ৰূপত কাৰ্য সাধনৰ বাবে সুচল কৰিব। তৰুণ-তৰুণীসকল হ'ল মূলতঃ নতুন সামাজিক চিন্তাধাৰা, অৰ্থনৈতিক বিকাশ আৰু ৰাজনৈতিক কাম-কাজৰ কাৰক শক্তি।

আজি-কালি তৰুণ প্ৰজন্ম এনে অৱস্থাত আছে যে তেওঁলোকে লাভ কৰা অভিজ্ঞতাৰাজিৰ ভালখিনি অৰ্থপূৰ্ণ উদ্দেশ্যৰ বাবে কামত খটাবলৈ পিছ হোঁহকি নাযায়। বৰঞ্চ ভাৰতীয় গণতান্ত্ৰিক পৰিধিৰ ভিতৰত ঠাই নোপোৱা অথবা বহিৰ্ভূত হৈ থকা বিষয়ৰাজিৰ পটভূমিত বিচলিত নহৈ সবল স্থিতি গ্ৰহণ কৰাৰ মানসিকতা তেওঁলোকৰ আছে।

কঠিন সামাজিক পদ্ধতিৰ ক্ষেত্ৰত নিজস্ব স্থিতি গ্ৰহণ কৰাৰ মূলতে হ'ল তাৰ যুক্তিযুক্ততা আৰু যিবোৰ বিষয় উদ্ঘাটন হোৱা নাই সেইবোৰ পোহৰলৈ অনাৰ প্ৰবৃত্তি তেওঁলোকৰ মনত জাগি উঠে। আজিৰ যুৱক-যুৱতীয়ে খোৱা-বোৱা আৰু আন্তঃসম্প্ৰদায় বিবাহ অৰ্থাৎ একেটা সম্প্ৰদায়ৰ নহৈ অন্য সম্প্ৰদায়ৰ সৈতে কৰা বিবাহৰ ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰি থকা নাই। অন্য লোকৰ প্ৰতি যিসকলে হীনমনা আৰু চেতনাবিহীন দৃষ্টিভঙ্গীৰে চায় সেইসকলক বৰং প্ৰশ্ন কৰিবলৈ কুণ্ঠাবোধ নকৰে তেনে ভিত্তি আৰু কাৰণ কি আৰু এনে স্থিতি গ্ৰহণত জাত, শ্ৰেণী আৰু লিঙ্গৰ বিষয়ক ঠাই নিদিয়ে। এয়া যদিও ব্যাপক আকাৰত নহয়, তথাপি এনে ধৰণৰ ক্ষুদ্ৰ পদক্ষেপ দৃঢ়ভাৱে সঠিক দিশতেই লোৱা হয়।

এটা অন্যতম অতি গুৰুত্বপূৰ্ণ কাৰণ হ'ল যিটোৱে তৰুণসকলক মূল শিপা উলিওৱাত সহায় কৰিছে সেয়া হ'ল প্ৰযুক্তিৰ ব্যৱহাৰ আৰু তাৰ ওপৰত প্ৰদান কৰা গুৰুত্ব। নগদ ধনবিহীন অৰ্থনীতি আৰু ডিজিটেল ইণ্ডিয়াৰ দৰে ব্যৱস্থাৰে ডিজিটেল কৰিবলৈ লোৱা চৰকাৰৰ প্ৰয়াসৰ ফলত অৰ্থব্যৱস্থাৰ বিষয়বোৰ সমাধান কৰিবলৈ কৰা সকলোবোৰ প্ৰয়াসে এটা উপযুক্ত বিকল্প ৰূপে প্ৰকাশ লাভ কৰিছে। প্ৰযুক্তিৰ বিষয়ে আমি যিখিনি জানো আৰু তাকেই আমাৰ দৈনন্দিন জীৱনত কামত লগোৱাটো হ'ল আগবাঢ়ি যোৱাৰ এটা ইতিবাচক উপায়। প্ৰযুক্তিয়ে মানৱ জাতিক দেখাত অসম্ভৱ লগা কামকো লাভ কৰাত সহায় কৰিছে আৰু আমি প্ৰতিদিনে নতুন কিবা এটাৰ ক্ষেত্ৰত নতুনত্ব প্ৰদান কৰিবলৈ চাওঁ। জীৱনৰ মঙ্গল সাধনৰ বাবে প্ৰযুক্তি ব্যৱহাৰ কৰা হয় আৰু তাৰ গুৰুত্ব বিকাশশীল দেশৰ বাবে অধিক।

ভাৰতত যি ডিজিটেল পৰিৱেশ গঢ়ি উঠিছে সেইটোৱে যুৱকসকলক বিশ্বত অধিক দৃঢ়ভাৱে থিয় হ'বৰ কাৰণে শক্তি প্ৰদান কৰিছে। ই ক্ষিপ্ৰতৰ যোগাযোগ আৰু সোনকালে জ্ঞান আহৰণ কৰাৰ পথ মুকলি কৰে; আৰু এখন উমৈহতীয়া মঞ্চতেই ভৌগোলিকভাৱে দূৰণিত অৱস্থিত দুখন ঠাইক সংযোগ সাধন কৰাৰ পথো প্ৰশস্ত কৰে। ই একে মনৰ ভাবৰাজিক সংগ্ৰহ কৰি তাৰ পিছত সম্ভাব্য সমাধান আৰু ফল লাভ কৰাতো ক্ৰিয়া কৰে। এটা বুটাম টিপিলেই আমি বিভিন্ন ভাবৰাজিৰ অংশীদাৰ হ'ব পাৰো, আলাপ-আলোচনা কৰিব পাৰো, সহযোগ কৰিব পাৰো আৰু তেনেদৰে সেই ভাব-চিন্তা

পৰিধিৰ ভিতৰত ৰাখি কাৰ্য ৰূপ দিব পাৰো। চকুৰে যি দেখা যায় তাতোকৈ বহু বেছি প্ৰযুক্তিৰ ভূমিকা। এজন ছাত্ৰই দূৰণিৰ অধ্যয়ন সামগ্ৰী পাব পাৰে আৰু বিশেষত্ব থকা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠানৰ বাবে আবেদন কৰিব পাৰে। প্ৰযুক্তিয়ে সমান সা-সুবিধা লাভ কৰিবলৈ সমৰ্থৱান কৰি তুলিছে অন্ততঃ সুচল প্ৰৱেশ ঘটাৰ ক্ষেত্ৰত। এই প্ৰযুক্তিৰ ক্ষেত্ৰত যুৱক-যুৱতীৰেই কৃতিত্ব বুলি ক'ব লাগিব, কিয়নো তেওঁলোক জ্ঞান অৰ্জন আৰু নতুন প্ৰযুক্তিৰ বিকল্প অৱলম্বন কৰাৰ ক্ষেত্ৰত আগশাৰীত আছে।

যুৱকসকলৰ বৃহৎ সফলতা আৰু প্ৰযুক্তি অৱলম্বন কৰাৰ ক্ষেত্ৰত বিপদ অৱস্থাত ব্যৱস্থা গ্ৰহণ আৰু আৰম্ভণিতেই তাৰ বৃদ্ধি সাধন কৰিব পৰা এটা শক্তিস্বৰূপ বুলি ক'ব পৰা যায়। অধিকতৰ নিৰ্দিষ্ট লক্ষ্য আৰু কৌশল অৱলম্বনৰ প্ৰয়াসেৰে এই আৰম্ভণিৰ যাত্ৰাই উদ্যোগ আৰম্ভ কৰা আৰু সেৱা যোগান ধৰাৰ ক্ষেত্ৰত মুষ্টিমেয় সম্ভ্ৰান্ত লোকসকলৰ প্ৰভূত্ব বিস্তাৰকৰণ স্বভাৱক চূৰ্ণ কৰিছে। যুৱকসকলৰ দৃঢ়তা আৰু প্ৰযুক্তিৰ সহায়ত শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জনত গোলকীয়ভাৱে সুচল প্ৰৱেশ ঘটাইছে।

চৰকাৰে যুৱ পৰিক্ৰমা তথা ক্ৰীড়া মন্ত্ৰণালয়ৰ জৰিয়তে দেশৰ তৰুণসকলৰ হিত সাধনৰ অৰ্থে বিকাশ আৰু অগ্ৰগতি সাধনৰ দিশসমূহৰ ওপৰত নিৰন্তৰভাৱে চকু ৰাখে। ইয়াৰ লগতে নিয়মীয়াকৈ কৰা পৰ্যালোচনাৰ উপৰি নতুন প্ৰয়াস, কাৰ্যসূচী আৰু কৰ্মশালা আয়োজন কৰাৰ ব্যৱস্থা কৰিছে। এইবোৰ নিয়মীয়া প্ৰশিক্ষণ আৰু নেতৃত্বদানৰ দক্ষতা অৰ্জনৰ উদ্দেশ্যে কৰা হৈছে।

২০১৬-১৭ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন মতে ৰাষ্ট্ৰীয় যুৱ নীতি ২০১৪ত যুৱক-সকলৰ সৰ্ব দিশৰ বিকাশৰ প্ৰতি সমগ্ৰ দেশখনৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে— যাতে এই তৰুণ-তৰুণী-সকলে নিজৰ সম্ভাৱনাপূৰ্ণ গুণৰাশিক উপলব্ধি কৰিব পাৰে আৰু ৰাষ্ট্ৰ গঢ়া প্ৰক্ৰিয়াত ফলপ্ৰসূভাৱে বৰঙণি যোগাব পাৰে।

"২০১৪ চনত তৈয়াৰ কৰা ৰাষ্ট্ৰীয় যুৱ নীতিত ভাৰতৰ যুৱ প্ৰজন্মৰ বাবে এটা সৰ্বাত্মক দৃষ্টিভংগীৰ কল্পচিত্ৰ অংকন কৰাৰ বিষয়ে প্ৰস্তাৱ কৰা হয় আৰু সেই চিত্ৰত যুৱকসকলৰ অন্তৰ্নিহিত গুণাৱলীক যথাৰ্থভাৱে বিকাশ হ'বল ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হয়— যাতে তেনেদৰে সক্ষম হৈ উঠা যুৱকসকলৰ জৰিয়তে ভাৰতক ৰাষ্ট্ৰসমূহৰ মাজত এটা সঠিক স্থানত উপনীত হোৱাত সমৰ্থৱান কৰি তোলে।"

এই নীতিৰ লক্ষ্য আৰু গুৰুত্ব প্ৰদান কৰিবলগীয়া বিষয়সমূহ এনেধৰণৰ—

(১) এটা উৎপাদনমূলক কৰ্মবাহিনী সৃষ্টি কৰা যি ভাৰতৰ অৰ্থনৈতিক বিকাশ সাধনৰ ক্ষেত্ৰত নিৰন্তৰভাৱে বৰঙণি যোগাব পাৰে।
ইয়াৰ বাবে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহ হ'ল—
- ❒ শিক্ষা
- ❒ শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জন
- ❒ নিয়োগ আৰু দক্ষতাৰ বিকাশ

(২) এটা শক্তিশালী আৰু সুস্থ প্ৰজন্মৰ বিকাশ— যি ভৱিষ্যৎ প্ৰজন্মক গতি দান কৰিবলৈ সজ্জিত হ'ব পাৰে আৰু তেনে কাম তলত দিয়া মাধ্যমেৰে কৰিব লাগিব—
- ❒ স্বাস্থ্য— স্বাস্থ্যকৰ জীৱনধাৰা
- ❒ খেলা-ধূলা

(৩) যুক্তিসঙ্গত নিজস্ব স্থিতিক গঢ় দিবলৈ সামাজিক মূল্যবোধৰ ওপৰত গুৰুত্ব প্ৰদান কৰক আৰু সমূহীয়া সেৱাক উৎসাহিত কৰক। ইয়াৰ কাৰ্য সম্পাদন কৰা আহিলা হ'ল—
- ❒ সামাজিক মূল্যবোধৰ উত্তৰণ
- ❒ সমূহীয়াভাৱে কাম-কাজত ন্যস্ত থকা

(৪) প্ৰশাসনৰ সকলো কেন্দ্ৰতেই অংশ-গ্ৰহণৰ সুবিধা আৰু নাগৰিকসকলে ব্যস্ত থাকিব পৰা ব্যৱস্থা— যাক তলত উল্লিখিত উপায়ৰদ্বাৰা কৰিব লাগিব।
- ❒ ৰাজনীতি আৰু প্ৰশাসনৰ বিষয়ত অংশগ্ৰহণ
- ❒ যুৱকক কাম-কাজত জড়িত কৰা

(৫) আশংকাযুক্ত অৱস্থাত যুৱকসকলক সমৰ্থন কৰক আৰু সকলো অসুবিধাগ্ৰস্ত তথা সীমামূৰীয়া অৱস্থাত থকা যুৱকসকলৰ বাবে সমান সুযোগ-সুবিধাৰ সৃষ্টি কৰক। গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল সৰ্বাত্মক দিশ সামৰি লোৱা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা।

বৰ্তমানৰ চৰকাৰখনে বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লৈছে আৰু ইয়াৰ বাবে যুৱক-যুৱতীসকলক অংশগ্ৰহণ কৰিবৰ বাবে আহ্বান জনাইছে। সামগ্ৰিকভাৱে যুক্তিসঙ্গত বিকাশ সাধনৰ সুবিধাৰো দিহা কৰিছে। উদাহৰণ স্বৰূপে নেহৰু যুৱ কেন্দ্ৰ সংগঠনক ৰাষ্ট্ৰ নিৰ্মাণ কাম-কাজত যুৱকসকলক ন্যস্ত কৰিবলৈ আৰু বিকাশৰ কামত জড়িত কৰিবলৈ দায়িত্ব দিয়া হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে স্বেচ্ছামূলক সামাজিক সেৱাৰ জৰিয়তে নৈতিক আৰু মানৱীয় ব্যক্তিত্বৰ বিকাশ সাধিছে।

যুৱ আৰু কিশোৰ-কিশোৰী বিকাশ বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীও আছে। এই

কাৰ্যসূচীত ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ আৰু বটা প্ৰদান বিষয়ো আছে। যুৱকসকলক উৎসাহিত কৰিবলৈকে এনেবোৰ ব্যৱস্থা হাতত লোৱা হৈছে।

২০১১ চনৰ পিয়ল অনুসাৰে ভাৰতৰ প্ৰায় ৪১ শতাংশ জনসংখ্যা ২০ বছৰৰ তলৰ। এই বয়সৰ সীমাবদ্ধতা ব্যক্তিত্ব বিকাশৰ দিশৰ পৰা বৰ গুৰুত্বপূৰ্ণ। কিয়নো ইয়াতেই নিহিত আছে সঠিক দিক্ দৰ্শন, নতুন পৰিৱেশ বা কামৰ লগত খাপ খাই পৰা আৰু পৰিচালনাৰ বিষয়। পিছে আজিৰ যুৱচাম খৰতকীয়াকৈ বৃদ্ধি পোৱা চহৰৰ কৃত্ৰিম পৰিৱেশৰ কু-প্ৰভাৱৰদ্বাৰা আক্ৰান্ত হয় আৰু জীৱন ধাৰণৰ বাবে আনকি অপৰাধ জগতত সাঙুৰ খাই পৰে। এই নেতিবাচক দৃষ্টিভংগীৰ বাবে এটা ডাঙৰ কাৰণ হ'ল প্ৰাপ্তি আৰু সুচল প্ৰৱেশৰ মাজত থকা অসমতা। চৰকাৰে হাতত লোৱা কাৰ্যসূচী আৰু প্ৰয়াস অব্যাহত থাকিব পাৰে, কিন্তু সেইবোৰ লাভ কৰাৰ প্ৰক্ৰিয়া অথবা উপায় সহজ নহয়। এই সা-সুবিধাবোৰ লাভ কৰাৰ ক্ষেত্ৰত ঘাই বাধা হ'ল 'বিত্তীয় বাধ্যবাধকতা' অথবা 'সামাজিক গাঁথনি'। তদুপৰি যুৱ সংকটৰ ক্ষেত্ৰত সজাগতাহীন আৰু সংকট দূৰীকৰণৰ ক্ষেত্ৰত উপযুক্ত ভূমিকা গ্ৰহণ কৰিব নোৱাৰাৰ ডাঙৰ কাৰণ হ'ল বিস্তাৰিত শৈক্ষিক পেনেলত তেনে ধৰণৰ বিষয়বোৰৰ সমাধান সূত্ৰ বিচাৰি উলিওৱাৰ অপাৰগতা। কাৰণ শিক্ষাই হ'ল মূল ভেটি— যাৰ ওপৰত নিৰ্ভৰ কৰি নতুন প্ৰজন্মৰ জ্ঞানৰ বিকাশ সাধন হয় আৰু তেনে জ্ঞানৰ সহায়তেই বাস্তৱ ক্ষেত্ৰত উদ্ভৱ হোৱা সংকট অথবা সমস্যাৰাজিৰ মুখামুখি হোৱাৰ সামৰ্থ্য থাকে। কিন্তু শিক্ষা প্ৰতিষ্ঠান আৰু তাৰ দায়িত্বত থকাসকল সম্পূৰ্ণ ৰূপে সজাগ নহয়। কিন্তু শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত আন্তঃশৃংখলা দৃষ্টিভঙ্গী আৰোপ কৰাৰ অন্তৰ্ভুক্তিয়ে উপকাৰ সাধিব পাৰে। 'যুৱ পৰিচয়'ৰ সংকট অৱস্থা দূৰ কৰাত ই অৱশ্যেই সহায়ক হ'ব। সেয়ে যুৱ মনৰ কাম-কাজক চিহ্নিত কৰি গ্ৰহণ আৰু প্ৰশংসা কৰাৰ প্ৰয়োজন আছে আৰু এনে চিহ্নিতকৰণ তথা স্বীকৃতি যুৱক-সকলৰ আকাংক্ষিত মনোভাৱৰ পৰা সম্পূৰ্ণ ৰূপে বেলেগ হ'ব লাগিব। বৰং এই ক্ষেত্ৰত ভিন্নতাৰ দিশক ঠাই দিব লাগিব— যিটো আলাপ-আলোচনা আৰু অন্য প্ৰয়াসেৰে যুৱকসকলৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিব পাৰি। বহুলভাৱে প্ৰশংসিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বাহিৰেও নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ অধীনত অধিক বিশেষ ধৰণৰ কাৰ্যসূচী আছে যিবোৰে বিভিন্ন উপায়েৰে সমস্যা সমাধান কৰিবলৈ বিচাৰে।

ৰাষ্ট্ৰীয় যুৱ নীতি, ২০১৪ৰ সফল কাৰ্যকৰণৰ বাবে মন্ত্ৰণালয়ৰ বাৰ্ষিক প্ৰতিবেদনত (২০১৬-১৭) উল্লেখ কৰা মতে যিবোৰ গুৰুত্বপূৰ্ণ অঞ্চলত হাত দিয়া হয়, তদুপৰি পৰামৰ্শ প্ৰদান কৰা অনুযায়ী হস্তক্ষেপ কৰা হয়, তাৰ এখন তালিকা আছে আৰু সেই তালিকাখনৰ কাৰ্যসমূহ সবল কৰিবৰ বাবে অন্য কিছুমান বিষয়ো অন্তৰ্ভুক্ত কৰা হয়। সেই বিষয়বোৰ হ'ল এনেধৰণৰ—

- ❒ পদ্ধতিসমূহৰ গঢ় দিয়া ক্ষমতা আৰু শিক্ষাৰ গুণগত দিশ গঢ়ি তোলা।
- ❒ নিয়োগ আৰু দক্ষতাৰ বিকাশৰ ক্ষেত্ৰত পদ্ধতি তথা সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহৰ মাজত যোগসূত্ৰ স্থাপন কৰি যুৱক-যুৱতীসকলৰ সুবিধাৰ্থে ব্যৱস্থা গ্ৰহণ।
- ❒ শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জনৰ ক্ষেত্ৰত পৃষ্ঠপোষকতামূলক কাৰ্যসূচী।
- ❒ স্বাস্থ্য খণ্ডত সেৱা প্ৰদান ব্যৱস্থাৰ উন্নীতকৰণ।

আৰ ওৱাই এছ কে সংগঠনে এতিয়া অধিক যুক্তিসঙ্গতভাৱে সামগ্ৰিক বিকাশ সাধন কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। তাৰ কাৰণ হ'ল এতিয়া ই খণ্ডবিশেষে কৰাতকৈ আন্তঃশৃংখলা অটুট ৰাখি সামগ্ৰিক দৃষ্টিভঙ্গী আৰোপ কৰিবলৈ লৈছে।

চৰকাৰৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰচেষ্টাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

(১) **দক্ষতাৰ মান উন্নীতকৰণ প্ৰশিক্ষণ কাৰ্যসূচী ঃ** ইয়াৰ লক্ষ্য হ'ল প্ৰশিক্ষিত ব্যক্তিৰ সহায়েৰে বুনিয়াদী প্ৰশিক্ষণ প্ৰদানৰ কৌশল বিকাশ কৰা— যাতে সুকীয়া উপাৰ্জন উদ্ৰেক আৰু আত্মবিশ্বাস গঢ়ি তোলাত সহায়ক হ'ব পাৰে।

এই কাৰ্যসূচীয়ে থলুৱা আৱশ্যকতা চিহ্নিত কৰিবলৈ লক্ষ্য ৰাখিছে— যাৰদ্বাৰাই বুনিয়াদী শিক্ষাৰ প্ৰসাৰতা সাধন কৰিব পাৰি।

(২) **লোক কলা, সংস্কৃতি আৰু যুৱ কৃতীৰ উৎসাহ প্ৰদান ঃ** পাশ্চাত্যৰ বিষয়ে আমনি লগা প্ৰজন্মৰ বাবে এই কাৰ্যসূচী অতি প্ৰয়োজনীয় উপচাৰ ৰূপে পৰিগণিত হয়— যাৰদ্বাৰাই গ্ৰাম্য যুৱকক নিজস্ব কলাশৈলী প্ৰদৰ্শন কৰাত সুবিধা আগবঢ়ায় আৰু তেওঁলোকৰ সংস্কৃতি তথা মেধা শক্তিৰ উত্তৰোত্তৰ বিকাশ সাধন কৰাতো সুচল হয়।

(৩) **মহাত্মা গান্ধী যুৱ স্বচ্ছ অভিযান আৰু শ্ৰমদান কাৰ্যক্ৰম ঃ** এই কাৰ্যক্ৰমে স্বচ্ছতা অভিযান আৰু জল সংৰক্ষণৰ ক্ষেত্ৰত বৰঙণি যোগাবলৈ জনগণক সজাগ কৰা আৰু তাৰ বাবে কামত ন্যস্ত হোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিয়ে।

দেশখনত বিৰাজ কৰা অসমতা আৰু কাম-কাজত কম সংখ্যকৰ

অংশগ্ৰহণলৈ চাই বহু দিশ সামৰি লোৱা কেইখনমান কাৰ্যসূচীয়ে চৰকাৰৰ সু-অভিপ্ৰায়ৰ বিষয়ে পৰিস্ফূট কৰিছে আৰু সামাজিক তথা সৰ্বাত্মক ৰূপৰ বিকাশ সাধন নীতিৰ ওপৰত গুৰুত্ব দিছে। তাৰ ভিতৰত কেইটামান গুৰুত্বপূৰ্ণ বিষয় হ'ল এনেধৰণৰ—

**কিশোৰ-কিশোৰীৰ বাবে জীৱন দক্ষতা (লাইফ স্কীল) প্ৰশিক্ষণ**

ই হ'ল এটা গুৰুত্বপূৰ্ণ আৰু বৃহৎ প্ৰয়াস কাৰ্যসূচী। কিয়নো ই যুৱকসকলৰ মানসিক বিপথগামিতাৰ বিষয়ে আলোকপাত কৰে আৰু তেওঁলোকক প্ৰশিক্ষণ প্ৰদান এনেধৰণে কৰা হয় যে যিটোৱে তেওঁলোকক চাপ দি ৰখা সমস্যাৰ সন্মুখীন হ'বলৈ সমৰ্থৱান কৰি তোলে আৰু তাৰ জৰিয়তে সুস্থ জীৱনৰ পথ মুকলি কৰে। এই আঁচনিখনে যুৱক-সকলক পুনঃপ্ৰজনন যৌন স্বাস্থ্যৰ বিষয়ে সজাগ কৰাৰ বিষয়ে আলোকপাত কৰিবলৈ লক্ষ্য কৰিছে। সমস্যা সমাধানৰ বাবে এটা সহমত গঢ়ি তোলাও ইয়াৰ লক্ষ্য।

ভৌগোলিক আৰু সামাজিক বাধাৰ মাজত থকা প্ৰভেদক জোৰা লগাই দুটা কাৰ্যসূচীৰ ওপৰত আলোকপাত কৰিব পাৰি। তাক তলত দিয়া হ'ল—

(১) **জনজাতি যুৱক বিনিময় কাৰ্যসূচী** ইয়াৰ লক্ষ্য হ'ল বাওঁপন্থী সন্ত্ৰাসবাদ আক্ৰান্ত জনজাতীয় এলেকাৰপৰা উজ্জ্বল সম্ভাৱনা থকা যুৱকসকলক উলিয়াই আনি দেশখনৰ অন্য ভাগত ভ্ৰমণ কৰোৱা। ইয়াৰদ্বাৰাই তেওঁলোকৰ মানসিক দৃষ্টিভংগী সংকীৰ্ণ থলুৱা আদৰ্শৰ প্ৰভাৱ পৰিব নোৱাৰাকৈ বিকাশ সাধনত সমৰ্থৱান কৰি তোলা। এই বিনিময় কাৰ্যসূচীয়ে এটা সুযোগ আগবঢ়ায়— য'ত অভিজ্ঞতাৰদ্বাৰা শিকি-বুজি উঠা কাৰ্যক সংশ্লিষ্ট জনজাতীয় গৃহ চহৰবোৰত অভ্যাসত পৰিণত কৰিব পাৰে। এনে চহৰৰ যুৱকে উন্নয়ন, আন্তঃগাঁথনি-মূলক বৃদ্ধি আৰু দক্ষতা বিকাশৰ যাদুকৰী ৰূপ দেখিব পাৰে।

(২) **উত্তৰ-পূব যুৱ বিনিময় কাৰ্যসূচী ঃ** নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ অধীনত যুৱ পৰিক্ৰমা মন্ত্ৰণালয় আৰু গৃহ মন্ত্ৰণালয়ৰ যুটীয়া প্ৰয়াসত মহাৰাষ্ট্ৰৰ যুৱকৰ স'তে উত্তৰ পূৰ্বাঞ্চলৰ যুৱকৰ সহযোগ স্থাপন কৰাই হ'ল লক্ষ্য— যাৰদ্বাৰাই আৰ্থ-সামাজিক বিকাশ আৰু স্বকীয় সংস্কৃতিৰে গঢ় লৈ উঠা বিভিন্ন জীৱন ধাৰাৰ গতি-প্ৰকৃতি সম্বন্ধে বুজি উঠিব পাৰে আৰু এটা পৰিচয়ো লাভ কৰিব পাৰে।

এনেধৰণৰ এটা প্ৰথম কাৰ্য হ'ল তামিলনাডুৰ শ্ৰীপেৰুমবুদুৰত স্থাপন কৰা ৰাষ্ট্ৰীয় গুৰুত্বৰ এটা প্ৰতিষ্ঠান। ইয়াক যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনত বিকাশ কৰা হৈছে।

২০১২ চনত আইন প্ৰণয়ন ক্ৰমে ৰাজীৱ গান্ধী নেচনেল ইন্‌ষ্টিটিউট অব ইয়ুথ ডেভেলপমেণ্ট প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ লক্ষ্য হ'ল যুৱ বিকাশৰ ক্ষেত্ৰত গোলকীয়ভাৱে প্ৰশংসিত পাৰদৰ্শিতা বিষয়ক শিক্ষা কেন্দ্ৰ ৰূপে গঢ়ি তোলা।

এই ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানটোৱে বিভিন্ন বিষয়ৰ শিক্ষা কাৰ্যসূচী আগবঢ়ায়। তাৰ ভিতৰত ঘাইকৈ উল্লেখ কৰিব পাৰি বিজ্ঞান বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰী, সামাজিক অভিযোজন তথা শিল্পোদ্যোগত এম এ, উন্নয়নমূলক নীতি আৰু অনুশীলন বিষয়ত কলা শাখাৰ স্নাতকোত্তৰ ডিগ্ৰী। আন্তঃশৃংখলা বিষয়ত ডক্টৰেট ডিগ্ৰী লাভৰ বাবে শিক্ষা অৰ্জনৰ সুবিধা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানত কৰা হৈছে।

অৰ্থনৈতিক দিশৰ পৰা সম্ভৱপৰ, সামাজিকভাৱে বিশ্বাসযোগ্য আৰু সহজে পাব পৰা থকা-মেলাৰ সুবিধাৰ কাৰণে চৰকাৰে ঐতিহাসিক আৰু সাংস্কৃতিকভাৱে চহকী ঠাইত অৱস্থিত চহৰত বিভিন্ন ধৰণৰ যুৱ আবাসগৃহৰ ব্যৱস্থা কৰিছে। পৰ্যটন দিশৰ পৰাও গুৰুত্বপূৰ্ণ চহৰৰ কেন্দ্ৰস্থলত অৱস্থিত তেনে আবাসগৃহ বিদ্যুৎ আৰু জল যোগানেৰে সুসজ্জিত কৰা হয়। এনে পদক্ষেপ গ্ৰহণ কৰাৰ উদ্দেশ্য হ'ল দেশব্যাপি থকা বিভিন্ন কৃষ্টি-সংস্কৃতিৰ অভিজ্ঞতা যুৱকসকলে লাভ কৰা আৰু ভাব-বিনিময়ৰ সুবিধা প্ৰদান কৰা।

চৰকাৰে বিভিন্ন উপায়েৰে প্ৰতিজন যুৱকৰ অন্তৰ্নিহিত গুণাৱলী আৰু সামৰ্থ্যক প্ৰস্ফুটিত কৰিবলৈ যথেষ্ট প্ৰয়াস কৰিছে। তেনে কাৰ্যৰদ্বাৰা যুৱকসকলৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰাতেই সহায় নকৰিব, তদুপৰি গোলকীয়ভাৱে প্ৰাধান্য বিস্তাৰ কৰিব পৰা কণ্ঠস্বৰ নিগৰাতো বৰঙণি যোগাব। এনেদৰে ৰূপান্তৰিত হোৱা যুৱকসকল অধিক সচেতনশীল আৰু সঙ্গতিপূৰ্ণ বিশ্বৰ আলোক ধ্বজাৰ বাহক হ'ব।

সামৰণিত যুৱকসকলৰ গুৰুত্ব আৰু অদম্য শক্তিৰ সন্দৰ্ভত স্বামী বিবেকানন্দই কৰা মন্তব্যই বৈশিষ্ট্যপূৰ্ণ আৰু প্ৰাসঙ্গিক হ'ব। আৱেগিকভাৱে কোৱা তেওঁৰ কণ্ঠস্বৰ হ'ল এনেধৰণৰ— "জাগা! আৰু নৰ'বা— যেতিয়ালৈকে লক্ষ্য লাভ কৰা নহয়।" ❒

# চাকৰি সৃষ্টি ঃ প্ৰত্যাহ্বান আৰু আগলৈ যোৱা পথ

**অলখ এন শৰ্মা***
**বলৱন্ত সিং মেহতা***

**চৰকাৰে আগভাগ লোৱা কামবোৰ হ'ল নিৰ্দিষ্ট দিশৰ— যাৰদ্বাৰাই ইপ্সিত লক্ষ্যত উপনীত হ'বলৈ প্ৰয়াস কৰে। পিছে ইয়াতকৈ আৰু বহু বেছি কৰিব লগা আছে। নিয়োগ সৃষ্টি বহল পৰিধিৰ তথা অন্য অৰ্থনৈতিক নীতিৰ অংশস্বৰূপ হোৱা আৱশ্যক। ভাৰতীয় অৰ্থনীতিয়ে যথেষ্টভাৱে চাকৰি সৃষ্টি কৰা নাই। সেয়ে চাকৰি সৃষ্টিৰ প্ৰক্ৰিয়া বৃদ্ধি কৰিবৰ কাৰণে বিভিন্ন মন্ত্ৰণালয়ে নিজাববীয়াকৈ হাতত লোৱা সকলো কাৰ্যসূচী আৰু নীতিসমূহ চাকৰি সৃষ্টিৰ বিষয়টো অন্তৰ্ভুক্ত কৰা প্ৰয়োজন।**

বিশ্বৰ সৰ্বাধিক তৰুণ প্ৰজন্মৰ লোক ভাৰতত আছে— যাৰ সংখ্যা হ'ল বিশ্বৰ মুঠ তৰুণ জনসংখ্যাৰ প্ৰায় এক-পঞ্চমাংশ। ভাৰতীয় তৰুণ লোকসকলে অধিক অৰ্থনৈতিক বৃদ্ধি সাধনত বৰঙণি যোগাব পাৰে যদিহে তেওঁলোকক উপযুক্তভাৱে শ্ৰমিক বজাৰত সামৰি লোৱা হয়। ভাৰতৰ জনসংখ্যাৰ আধা ভাগতকৈ অধিক (৬০.৩ শতাংশ) ১৫-৫৯ বছৰৰ কাম কৰিব পৰা বয়স-শ্ৰেণীৰ ভিতৰত পৰে আৰু প্ৰায় এক-চতুৰ্থাংশ (২৭.৫ শতাংশ) ১৫-২৯ বছৰৰ বয়স-শ্ৰেণীৰ ভিতৰত পৰে (২০১১ বৰ্ষৰ ভাৰতৰ লোকপিয়লৰ তথ্য মতে)। ভাৰতত তৰুণ-তৰুণীৰ সংখ্যা সামগ্ৰিক জনসংখ্যা বৃদ্ধিৰ তুলনাত (১.৬ শতাংশ) বছৰি অধিক হাৰত (২ শতাংশ) বৃদ্ধি পায়। এয়া ২০০১ আৰু ২০১১ বৰ্ষৰ মাজৰ কালছোৱাৰ বৃদ্ধি গতি। ফলস্বৰূপে ভাৰতে প্ৰায় ১০ নিযুত যুৱকক প্ৰতিবছৰে শ্ৰমিক বজাৰত যোগ দিয়ে। এনেদৰে দেশখনে যুৱকৰ ক্ষেত্ৰত অধিকভাৱে সংখ্যাৰ পিনৰ পৰা বৃদ্ধি হোৱাৰ অভিজ্ঞতা অনুভৱ কৰে আৰু এয়া অধিককৈ পৰিলক্ষিত হয় দেশখনৰ উত্তৰ আৰু পূবৰ পাছপৰা ৰাজ্যবোৰত। পিছে প্ৰতিবছৰে যিমান সংখ্যক চাকৰি সৃষ্টি হয়, সেয়া এই বৰ্দ্ধিত সংখ্যাৰ যুৱকসকলক কৰ্মক্ষেত্ৰত সামৰি ল'বলৈ যথেষ্ট নহয়। কেন্দ্ৰীয় চৰকাৰে এই সমস্যা সমাধান কৰিবৰ কাৰণে বহুতো নিয়োগ উদ্ৰেক আঁচনি প্ৰচলন কৰিছে। তেনেবোৰ আঁচনি হ'ল— প্ৰধান মন্ত্ৰী নিয়োগ সঞ্চাৰ কাৰ্যসূচী, স্বৰ্ণজয়ন্তী গ্ৰাম ৰোজগাৰ যোজনা, স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা, 'মেইক্ ইন ইণ্ডিয়া' আৰু 'স্কীল ইণ্ডিয়া'।

এনেধৰণৰ প্ৰয়াস অব্যাহত থাকিলেও নিয়োগ ক্ষেত্ৰখনত যুৱক-সকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহক কিদৰে গ্ৰহণ কৰিছে সেইটো লক্ষ্যণীয় বিষয়। এই প্ৰবন্ধটোত তেনে প্ৰত্যাহ্বানৰ আকাৰ সম্বন্ধে স্পষ্টভাৱে দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে আৰু লগতে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে এটা ৰূপৰেখা দাঙি ধৰা হৈছে। প্ৰবন্ধটোত ব্যৱহাৰ কৰা তথ্যপাতি পঞ্চম বাৰ্ষিক নিয়োগ জৰীপৰ পৰা লোৱা হৈছে। উক্ত জৰীপ ভাৰত চৰকাৰৰ শ্ৰম ব্যুৰোৱে ২০১৫-১৬ বৰ্ষৰ কালছোৱাত সমাপন কৰিছিল। এটা উল্লেখনীয় বিষয় হ'ল সাধাৰণতে তৰুণ জনসংখ্যা ১৫-২৯ বছৰ বয়সৰ ব্যক্তিৰে গঠিত, কিন্তু ইয়াত আমি ১৮-২৯ বছৰ বয়স-গোটৰ ব্যক্তিকহে বিবেচনা কৰিছো। ইয়াৰ কাৰণ হ'ল ১৫-১৭ বছৰৰ বয়স-গোটৰ অতি কম সংখ্যক লোকেহে শ্ৰমিক বজাৰৰ ক্ষেত্ৰখনত নিজকে চাকৰিপ্ৰাৰ্থী ৰূপে থিয় কৰায়। সেয়ে নিয়োগ বিষয়ৰ প্ৰত্যাহ্বান ঘাইকৈ ১৮-২৯ বছৰ বয়সৰ যুৱকসকলৰ ক্ষেত্ৰতহে জড়িত আছে।

### কৰ্মীৰ অংশগ্ৰহণৰ হাৰ

কৰ্মীৰ অংশগ্ৰহণৰ হাৰে মুঠ জনসংখ্যাৰ ভিতৰত কৰ্মী/নিয়োজিত ব্যক্তিৰ সমানুপাতক সূচায়। ২০১৫-১৬ বৰ্ষৰ কালছোৱাত ৩০ বছৰ তথা ততোধিক বয়স-গোটৰ লোকসকলৰ

*লেখক অলখ এন শৰ্মা নতুন দিল্লীৰ ইনষ্টিটিউট অব হিউমেন ডেভেলপমেণ্টৰ অধ্যাপক আৰু সঞ্চালক। তেওঁ কেবাখনো গ্ৰন্থৰ লিখক। ইণ্ডিয়ান জাৰ্ণেল অব লেবাৰ ইক'নকিমকৰ তেওঁ সম্পাদক। ড° বলৱন্ত সিং মেহতাই সম্প্ৰতি নতুন দিল্লীৰ মানৱ সম্পদ বিকাশ প্ৰতিষ্ঠানত "ফেল্লো" ৰূপে কাম কৰি আছে। তেওঁৰ কেইবাখনো গ্ৰন্থ প্ৰকাশ হৈছে।

অংশগ্ৰহণ হাৰ ৫৭.৩ শতাংশৰ বিপৰীতে তাৰ তলৰ বয়সৰ যুৱকসকলৰ অংশগ্ৰহণৰ হাৰ আছিল ৩৯.২ শতাংশ (১নং তালিকা দ্ৰষ্টব্য)। এনে হোৱাটো আশা কৰা যায়। কিয়নো ১৮-২৯ বছৰৰ বয়সৰ যথেষ্টসংখ্যক ব্যক্তিয়ে শিক্ষা প্ৰতিষ্ঠানসমূহত উপস্থিত থাকে। ১নং তালিকাৰপৰা এইটোও দেখা যায় যে গ্ৰাম্য এলেকাসমূহত কৰ্মীৰ অংশগ্ৰহণৰ হাৰ চহৰাঞ্চলতকৈ বহু বেছি। তদুপৰি ১৮-২৯ বছৰৰ বয়সৰ তৰুণীসকলৰ তুলনাত তৰুণসকলৰ কৰ্মী হিচাপে অংশগ্ৰহণৰ হাৰ ৩.৫ গুণ অধিক।

১৮-২৯ বছৰ বয়সৰ প্ৰায় দুই-পঞ্চমাংশ কৰ্মী স্ব-নিয়োজিত আৰু আনপিনে প্ৰায় আধাভাগ কৰ্মী ৩০ বছৰৰ ওপৰ বয়সৰ (২নং তালিকাৰ দ্ৰষ্টব্য)। ২নং তালিকাৰপৰা এইটো অনুমান কৰিব পৰা যায় যে একাধিক সংখ্যক যুৱক নিয়মীয়া আৰু নৈমিত্তিক বেতন কৰ্মী ৰূপে শ্ৰমিক ক্ষেত্ৰখনত যোগদান কৰে। এই গতিধাৰা গ্ৰাম্য আৰু চহৰ এলেকা উভয়তে পৰিলক্ষিত হয়।

### উদ্যোগ ক্ষেত্ৰত কৰ্মীসকলৰ উপস্থিতিৰ ধাৰা

উদ্যোগ ক্ষেত্ৰত কৰ্মীসকলে ন্যস্ত হোৱা স্থিতিৰ পৰা পৰিলক্ষিত হয় যে ১৮-২৯ বছৰ বয়সৰ সৰহ সংখ্যক লোক কৃষি আৰু সংশ্লিষ্ট কাম-কাজত নিয়োজিত হয় (৩৮.১ শতাংশ) আৰু তাৰ পিছতেই বাণিজ্য, হোটেল তথা ৰেস্তোৰাঁবোৰত ১৯.৪ শতাংশ লোক নিয়োজিত হয়। নিৰ্মাণ তথা অন্য কাম-কাজত নিয়োজিত সেই বয়সৰ লোকৰ শতাংশ হাৰ হ'ল ১৫.১, প্ৰস্তুত খণ্ড আৰু অন্যান্য কাম-কাজত ১৩.১। ৩০ বছৰ আৰু ততোধিক বয়স-গোটৰ লোকৰ স'তে তুলনা কৰি চালে এইটো স্পষ্ট হয় যে তাৰ তলৰ বয়সৰ তৰুণসকলে অ-কৃষি খণ্ডত যোগদান কৰে। অধিক সংখ্যক তৰুণে যোগদান কৰা তেনে খণ্ডবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— নিৰ্মাণ, প্ৰস্তুত আৰু বাণিজ্য তথা তেনে সম্পৰ্কীয় কাম-কাজ। কৃষিৰ পৰা এইবোৰ খণ্ডলৈ অহাৰ কাৰণ হ'ল কৃষিয়ে অধিক শ্ৰমিকক ন্যস্ত কৰিবলৈ সমৰ্থ নহয় আৰু ভাল লাভজনক চাকৰিৰ বাবে নতুনকৈ কৰ্মক্ষেত্ৰত যোগদান কৰা তথা শিক্ষাৰ পিনৰ পৰা কিছু সফলতা লাভ কৰাসকলক আশাপ্ৰদজনকভাৱে আগুৱাই যাবলৈ সহায় নকৰে।

### নিবনুৱা হাৰ

নিবনুৱাৰ হাৰ বয়স অনুপাতে কম-বেছি হোৱা দেখা যায়। কিছুমান কাম কৰিবলৈ সাজু, কিন্তু কাম নাপায়। তেওঁলোকে নিজৰ পছন্দৰ কাম বিচাৰিয়েই থাকে। ২০১৫-১৬ বৰ্ষৰ কালছোৱাত তথ্য মতে ১৮-২৯ বছৰ বয়সৰ যুৱকৰ ক্ষেত্ৰত নিবনুৱা হাৰ আছিল ১৩.২ শতাংশ (৩নং তালিকা দ্ৰষ্টব্য)। এয়া ৩০ বছৰীয়া আৰু ততোধিক বয়সৰ কৰ্মীসকলৰ নিবনুৱা হাৰতকৈ (১.৬ শতাংশ) ৮ গুণ বেছি। যুৱতীসকলৰ নিবনুৱা হাৰ আছিল ২০.০ শতাংশ। এয়া যুৱকসকলৰ হাৰতকৈ (১১.৩ শতাংশ) প্ৰায় দুগুণ। নিবনুৱাৰ হাৰ গ্ৰাম্য এলেকাতকৈ চহৰ অঞ্চলত অধিক আৰু পুৰুষৰ তুলনাত মহিলাৰ হাৰ বেছি। চহৰ অঞ্চলত যুৱতীসকলৰ ক্ষেত্ৰত নিবনুৱা হাৰ চকু কপালত উঠাৰ দৰে। এই হাৰ আছিল ২৮ শতাংশ (কিন্তু ইয়াৰ বিপৰীতে যুৱকৰ ক্ষেত্ৰত এনে শতাংশ হাৰ আছিল ১১.৫)। আন এটা মন কৰিবলগীয়া বিষয় হ'ল যদিও ১৫-১৭ বছৰ বয়স-গোটৰ কম সংখ্যক যুৱকে চাকৰি বিচাৰে, সেই অনুযায়ী কামত নিয়োজিত হ'বলৈ নাপায়। সেয়ে এই বয়স-গোটৰ যুৱকৰ নিবনুৱা হৈ থকা স্থিতি ১৮-২৯ বছৰ বয়সৰ তৰুণৰ দৰে অধিক। গ্ৰাম্য আৰু চহৰ এলেকাৰ ক্ষেত্ৰত পৰিস্থিতি একেই। তৰুণ-তৰুণীৰ মাজত এনে স্থিতিৰ কোনো প্ৰভেদ নাই।

শিক্ষাৰ স্তৰ বৃদ্ধি পোৱাৰ লগে লগে যুৱকসকলৰ মাজত নিবনুৱাৰ স্তৰ ভীষণ ধৰণে বৃদ্ধি পাইছে (৪নং তালিকা দ্ৰষ্টব্য)। যিসকল যুৱকৰ নিম্ন স্নাতক স্তৰত

**১নং তালিকা ঃ বিভিন্ন বয়স-গোটৰ কামত অংশগ্ৰহণৰ হাৰ, ২০১৫-১৬**

| খণ্ড | ১৫-১৭ বছৰ | | | ১৮-২৯ বছৰ | | | ৩০+ বছৰ | | |
|---|---|---|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | লোক | পুৰুষ | মহিলা | লোক | পুৰুষ | মহিলা | লোক |
| গ্ৰাম্য | ১১.১ | ৪.৩ | ৮.০ | ৬৩.১ | ১৯.১ | ৪২.৩ | ৮৯.০ | ২৯.৮ | ৬০.১ |
| চহৰ | ৪.০ | ১.৪ | ২.৮ | ৪৮.৬ | ১১.৮ | ৩০.৭ | ৮২.৬ | ১৬.৭ | ৫০.৪ |
| মুঠ | ৯.৩ | ৩.৬ | ৬.৭ | ৫৯.৩ | ১৭.১ | ৩৯.২ | ৮৭.১ | ২৬.০ | ৫৭.৩ |

**উৎস ঃ শ্ৰমক ব্যুৰো, যুৱ নিয়োগ আৰু নিবনুৱা দৃশ্যপট বিষয়ক প্ৰতিবেদন**

**২নং তালিকা ঃ বিভিন্ন বয়স-গোটৰ কৰ্মীসকলৰ কাম অনুসৰি বিতৰণ, ২০১৫-১৬**

| খণ্ড | ১৫-১৭ বছৰ | | | ১৮-২৯ বছৰ | | | ৩০ বছৰ তথা ওপৰৰ | | |
|---|---|---|---|---|---|---|---|---|---|
| | গ্ৰাম্য | চহৰ | গ্ৰা + চ | গ্ৰাম্য | চহৰ | গ্ৰা + চ | গ্ৰাম্য | চহৰ | গ্ৰা + চ |
| স্ব-নিয়োজিত | ৪০.৮ | ৩০.৯ | ৩৯.৭ | ৪০.৫ | ৩৩.৩ | ৩৯.০ | ৫১.২ | ৪৩.৪ | ৪৯.২ |
| মজুৰি/দৰমহা পোৱা কৰ্মচাৰী | ৫.১ | ১৮.১ | ৬.৫ | ১৪.১ | ৩৭.৬ | ১৯.০ | ১০.৫ | ৩৩.৮ | ১৬.৫ |
| ঠিকাভিত্তিক কৰা কৰ্মী | ৩.৬ | ৭.৭ | ৪.০ | ৪.৬ | ৮.৪ | ৫.৪ | ২.৪ | ৪.৯ | ৩.০ |
| নৈমিত্তিকভাৱে কাম কৰা কৰ্মী | ৫০.৬ | ৪২.৬ | ৪৯.৭ | ৪০.৮ | ২০.৭ | ৩৬.৬ | ৩৫.৯ | ১৭.৯ | ৩১.০ |
| মুঠ | ১০০ | ১০০ | ১০০ | ১০০ | ১০০ | ১০০ | ১০০ | ১০০ | ১০০ |

**উৎস ঃ লেবাৰ ব্যুৰো**

**৩নং তালিকা ঃ বিভিন্ন বয়স-গোটৰ কাম অনুযায়ী কৰ্মীৰ উপস্থিতি**

| উদ্যোগ | ১৫-১৭ বছৰ | ১৮-২৯ বছৰ | ২৯+ বছৰ |
|---|---|---|---|
| কৃষি আৰু সংশ্লিষ্ট খণ্ড | ৫৩.৪ | ৩৮.১ | ৪৭.২ |
| খনিজ আৰু কুৰেৰি | ১.৯ | ০.৯ | ১.১ |
| প্ৰস্তুত | ১৪.৫ | ১৩.২ | ৯.৬ |
| বিদ্যুৎ, গেছ আৰু জল যোগান | ০.২ | ০.৬ | ০.৬ |
| নিৰ্মাণ | ১৪.৮ | ১৫.১ | ১০.০ |
| বাণিজ্য, হোটেল, ৰেস্তোৰাঁ | ১২.২ | ১৯.৪ | ১৭.৫ |
| পৰিবহণ, মজুত আৰু যোগাযোগ | ১.১ | ৩.৭ | ৩.৯ |
| বিত্তীয়, বীমা, ৰিয়েল ইষ্টেট, বণিক সেৱা | ১.৪ | ৮.৩ | ৯.২ |
| সমূহীয়া, সামাজিক আৰু ব্যক্তিগত সেৱা | ০.৬ | ০.৭ | ০.৮ |
| মুঠ | ১০০.০ | ১০০.০ | ১০০.০ |

**উৎস ঃ যুৱ নিয়োগ আৰু নিবনুৱা দৃশ্যপট বিষয়ক প্ৰতিবেদন**

চাৰ্টিফিকেট পাঠ্যক্ৰম আছিল অথবা স্নাতক স্তৰত ডিপ্লোমা আছিল সেইসকলৰ মাজত নিবনুৱাৰ হাৰ হ'ল ২৩ শতাংশ। কিন্তু স্নাতক ডিগ্ৰী আৰু তাৰ ওপৰৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰা সকলৰ ক্ষেত্ৰত এই নিবনুৱা হাৰ প্ৰায় ৩৫ শতাংশ বৃদ্ধি পায়। আন এটা মন কৰিবলগীয়া কথা হ'ল, শিক্ষিত যুৱতীসকলৰ ক্ষেত্ৰত শিক্ষিত যুৱকসকলৰ তুলনাত নিবনুৱাৰ স্তৰ যথেষ্টভাৱে অধিক।

নিম্ন স্নাতক আৰু স্নাতক মহলাত চাৰ্টিফিকেট পাঠ্যক্ৰম কিম্বা ডিপ্লোমা ডিগ্ৰী সম্পূৰ্ণ কৰা ১৮-২৯ বছৰ বয়সৰ এক-তৃতীয়াংশতকৈ অধিক শিক্ষিত যুৱতী নিবনুৱা হৈ থাকে। স্নাতক আৰু ইয়াৰ ওপৰ স্তৰৰ তৰুণীসকলৰ অৱস্থা অধিক বেয়া। এই শ্ৰেণীৰ নিবনুৱা হাৰ হ'ল প্ৰায় ৪৮ শতাংশ। ইয়াৰ মানে হ'ল ভাৰতীয় শ্ৰমিক বজাৰখনে কেৱল অপাৰ্যপ্তভাৱে চাকৰিয়েই সৃষ্টি কৰা নাই, তদুপৰি মকৰল কৰাৰ ক্ষেত্ৰত মহিলা— অৰ্থাৎ তৰুণীসকলৰ সন্দৰ্ভত বৈষম্যও বিৰাজ কৰে। অন্য এটা অতিৰিক্ত কাৰণ হ'ব পাৰে এই যে মহিলাসকলৰ বাবে উপযুক্ত হোৱা চাকৰি সৃষ্টি কৰা নহয় কিম্বা উপযুক্ত আন্তঃগাঁথনিমূলক সা-সুবিধাৰ অভাৱ। তেনে সা-সুবিধাসমূহ হ'ল— পৰিবহণ, ক্ৰেচৰ ব্যৱস্থা— যিটোৱে মহিলাসকলে চাকৰি কৰিবৰ কাৰণে সুচলতা আগবঢ়ায়। মুঠৰ ওপৰত ক'বলৈ গ'লে ভাৰতে তৰুণ লোকসকলৰ বাবে যথেষ্ট চাকৰি সৃষ্টি কৰিবলৈ সমৰ্থ হোৱা নাই। চহৰৰ কম বয়সীয়া মহিলাসকলৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বান বিশেষকৈ অধিক।

**চৰকাৰৰ শেহতীয়া প্ৰয়াস**

যুৱকসকলৰ বাবে নিয়োগৰ সা-সুবিধা পোৱা আৰু তেনে কাৰ্যক উৎসাহিত কৰিবৰ বাবে পূৰ্বতে চৰকাৰে বহু স্ব-নিয়োজন আঁচনি প্ৰচলন কৰিছিল; কিন্তু তাৰ ফলাফল সিমান সন্তোষজনক নহয়। সেই বাবে সাম্প্ৰতিক বছৰবোৰত বহুতো নতুন আঁচনি প্ৰচলন কৰা হয়— যাতে যুৱকসকলৰ মাজত শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জন কৰাৰ ভাৱধাৰা গঢ় লৈ উঠে। তেনে আঁচনিবোৰ হ'ল— "ষ্টাৰ্ট আপ ইণ্ডিয়া", "ষ্টেণ্ড্ আপ

**৪নং তালিকা ঃ নিম্ন বয়স-গোটৰ নিবনুৱা হাৰ, ২০১৫-১৬**

| খণ্ড | ১৫-১৭ বছৰ | | | ১৮-২৯ বছৰ | | | ৩০+ বছৰ | | |
|---|---|---|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | লোক | পুৰুষ | মহিলা | লোক | পুৰুষ | মহিলা | লোক |
| গ্ৰাম্য | ১৮.৪ | ২২.৮ | ১৯.৫ | ১১.২ | ১৭.৯ | ১২.৭ | ০.৯ | ৩.৭ | ১.৬ |
| চহৰ | ২২.১ | ২১.৪ | ২২.০ | ১১.৫ | ২৭.৯ | ১৫.১ | ০.৭ | ৫.৩ | ১.৫ |
| মুঠ | ১৮.৮ | ২২.৭ | ১৯.৮ | ১১.৩ | ২০.০ | ১৩.২ | ০.৯ | ৪.০ | ১.৬ |

**উৎস ঃ লেবাৰ ব্যুৰো**

**৫নং তালিকা ঃ শিক্ষাৰ স্তৰ আৰু বিভিন্ন বয়স-গোটৰ নিবনুৱা হাৰ**

| শিক্ষা | ১৮-২৯ বছৰ | | | ৩০+ বছৰ | | |
|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | লোক | পুৰুষ | মহিলা | লোক |
| শিক্ষিত নহয় | ৪.০ | ৬.২ | ৪.৯ | ০.৬ | ১.০ | ২.২ |
| প্ৰাথমিক স্তৰৰ তলৰ | ৪.৮ | ৫.৮ | ৫.১ | ০.৬ | ১.৯ | ১.৬ |
| প্ৰাথমিক | ৫.৫ | ৮.০ | ৬.২ | ০.৬ | ২.৩ | ১.০ |
| মজলীয়া/মাধ্যমিক/উচ্চতৰ | ৯.২ | ১২.১ | ১০.৪ | ০.৭ | ৪.৮ | ১.৬ |
| নিম্ন স্নাতক স্তৰত চাৰ্টিফিকেট পাঠ্যক্ৰম | ২১.৩ | ৩১.৩ | ২৩.৫ | ০.৬ | ১১.২ | ২.৪ |
| স্নাতক স্তৰত ডিপ্লোমা | ২০.৯ | ৩৩.১ | ২৩.০ | ১.০ | ৭.৬ | ১.৪ |
| স্নাতক আৰু তাৰ ওপৰৰ | ২৯.৭ | ৪৭.৭ | ৩৪.৮ | ২.৩ | ১৩.৫ | ৬.২ |
| সৰ্ব | ১১.৩ | ২০.০ | ১৩.২ | ০.৯ | ৪.০ | ১.৬ |

**উৎস ঃ শ্ৰমিক ব্যুৰো**

ইণ্ডিয়া”, “প্ৰধান মন্ত্ৰী মুদ্ৰা যোজনা”, “ইয্ অব ডুয়িং বিজনেছ”, “ষ্টাৰ্ট্ আপ ভিলেজ এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ প্ৰ’গ্ৰাম” ইত্যাদি। এই আঁচনিবোৰৰ বিষয়ে চমু পৰিচয় তলত দিয়া হ’ল—

**“ষ্টাৰ্ট্ আপ ইণ্ডিয়া” তথা “ষ্টেণ্ড্ আপ ইণ্ডিয়া”**

চৰকাৰে এই দুয়োখন আঁচনি শিল্প-উদ্যোগ বিষয়ক জ্ঞান আহৰণ কাৰ্যক উৎসাহিত কৰিবৰ কাৰণে ২০১৬ চনৰ জানুৱাৰীত আৰম্ভ কৰে। এই ক্ষেত্ৰত সহায় হিচাপে কৰ লাভৰ ব্যৱস্থা কৰা হয় আৰু ১০,০০০ কোটি টকাৰ এটা বৃহৎ আৰম্ভণি পুঁজিও প্ৰদান কৰা হয়। তদুপৰি সহজতে বেপাৰ-বাণিজ্য কৰিবৰ কাৰণে চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। তাৰ ভিতৰত উল্লেখযোগ্য হ’ল— পঞ্জীকৰণ ন্যায়িক ব্যৱস্থা, কৰ ৰেহাই, নিয়ামক ব্যৱস্থাৰ নিয়ন্ত্ৰণ আদিৰ ক্ষেত্ৰত এটা উদাৰ দৃষ্টিভঙ্গী আৰোপ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। ২০১৬ চনৰ ডিছেম্বৰলৈকে ৪,৭০০ ষ্টেণ্ডআপ আঁচনিৰ দিহা কৰা হয়। পিছে এই আঁচনিবোৰে ইপ্সিত ফল প্ৰদান কৰিব নোৱাৰিলে। এবছৰৰ ভিতৰতে দুশতকৈ অধিক এনে আঁচনি বন্ধ কৰা হয়। এই ক্ষেত্ৰত যুক্তি দৰ্শোৱা হয় যে এয়া স্বাভাৱিক ফল আৰু অধিক প্ৰতিযোগিতামূলক বজাৰত টিকি থাকিব পৰা ষ্টেণ্ড্-আপ আঁচনি ২০ শতাংশতকৈ অধিক নহয়। তথাপি তাৰ সাৰ্থক ৰূপ দানৰ বাবে অধিক মনোযোগ দিয়াৰ প্ৰয়োজন আছে। সীমামুৰীয়া অৱস্থাত থকা গোটসমূহৰ মাজত শিল্প-উদ্যোগ বিষয়ক ভাবধাৰা জগাই তোলাই আঁচনিখনৰ লক্ষ্য। তেনে গোটসমূহ হ’ল— অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু মহিলা। ২০১৬ চনৰ ডিছেম্বৰলৈকে “ষ্টেণ্ড্ আপ ইণ্ডিয়া” আঁচনিৰ অধীনত যিমান সংখ্যক লোকক ঋণ প্ৰদান কৰা হয় তাৰ মুঠ সংখ্যা হ’ল ১৫৩৪১। ইয়াৰ ভিতৰত ২০৫৫ গৰাকী মহিলা, ২৫৬৮ গৰাকী অনুসূচিত জাতি আৰু ৭১৮ গৰাকী অনুসূচিত জনজাতিৰ লোক আছে।

**প্ৰধান মন্ত্ৰী মুদ্ৰা যোজনা**

চৰকাৰে প্ৰধান মন্ত্ৰী মুদ্ৰা যোজনা ২০১৫ চনৰ এপ্ৰিল মাহত প্ৰচলন কৰে। ইয়াৰ উদ্দেশ্য হ'ল অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ ব্যৱসায় কৰা গোটসমূহক প্ৰতিষ্ঠানমূলক বিত্তৰ প্ৰতি সুচল প্ৰৱেশ ঘটোৱা। এই যোজনাৰ অধীনত তিনি ধৰণৰ ঋণ মঞ্জুৰ কৰিব পৰা যায়— যিটোৱে গোটসমূহৰ বৃদ্ধি/বিকাশ আৰু পুঁজিৰ আৱশ্যকতাৰ ক্ষেত্ৰত বৈশিষ্ট্য বহন কৰে। এই তিনি ধৰণৰ ঋণ হ'ল— শিশু (৫০,০০০ টকা), কিশোৰ (৫০,০০০ টকাৰ পৰা ৫,০০,০০০ টকা পৰ্যন্ত) আৰু তৰুণ (৫,০০,০০০ টকাৰ পৰা ১০,০০,০০০ টকালৈকে)। মুদ্ৰা যোজনাৰ অধীনত প্ৰদান কৰা ঋণৰ সৰ্বমুঠ ধনৰাশিৰ পৰিমাণ ১.২৫ ট্ৰিলিয়ন টকা ২০১৬ চনৰ মাৰ্চত অতিক্ৰম কৰে। ৩২.৭ নিযুত ঋণ লওঁতাৰ ভিতৰত ৩০.৩ নিযুত ঋণ লওঁতা লোক শিশু শ্ৰেণীৰ ভিতৰত পৰে।

**ষ্টাৰ্ট্-আপ ভিলেজ এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ প্ৰ'গ্ৰাম**

গ্ৰাম্য এলেকাসমূহত শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জনক উৎসাহিত কৰিবলৈ চৰকাৰে "ষ্টাৰ্ট্-আপ ভিলেজ এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ প্ৰ'গ্ৰাম" কৰাৰ বিষয়ে পৰিকল্পনা কৰিছে। এই কাৰ্যসূচীৰ উদ্দেশ্য হ'ল অৰ্থনৈতিক বৃদ্ধি সাধন কাৰ্যক সুনিয়াৰি কৰি শক্তিশালী কৰা। তাৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা গঠনমূলক কাম-কাজৰ ওপৰত গুৰুত্ব দিয়া আৱশ্যক আৰু এই তৃণমূল পৰ্যায় হ'ল গাঁওসমূহ— য'ত নিৰন্তৰ স্ব-নিয়োজনৰ সা-সুবিধা সৃষ্টি কৰাৰ কথা ভাবিব লাগিব। এই কাৰ্যসূচীয়ে প্ৰায় ১.৮২ লাখ গ্ৰাম্য উদ্যোগ সৃষ্টি কৰাৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়াবলৈ আশা কৰিছে। চাৰি বছৰৰ ভিতৰত অৰ্থাৎ ২০১৫-১৯ বছৰ কালছোৱাত ২৪ খন ৰাজ্যত ১২৫টা খণ্ডক সামৰি লোৱাৰ কথা আছে। ইয়াৰদ্বাৰাই প্ৰায় ৩.৭৮ লাখ লোকৰ বাবে নিয়োগ সৃষ্টি কৰিবলৈ আশা কৰা হৈছে। যদি এই কাৰ্যসূচী উপযুক্ত-ভাৱে ৰূপায়ণ কৰা হয়, তেনেহ'লে শিল্প-উদ্যোগ বিষয়ৰ কাম-কাজ বহুলভাৱে আৰম্ভ কৰিবলৈ গ্ৰাম্য যুৱকসকলক অনুপ্ৰাণিত কৰিব।

**সামৰণি**

ভাৰতে জনগাঁথনিৰ এটা পৰিৱৰ্তিত স্তৰৰ পিনে গতি কৰিছে— যাৰ বাবে মুঠ জনসংখ্যাৰ ভিতৰত তৰুণ প্ৰজন্মৰ সমানুপাত বৃদ্ধি পাইছে। সেয়ে বৰ্দ্ধিত সংখ্যক যুৱকৰ ভাল শিক্ষা তথা স্থিৰভাৱে ভাল চাকৰি সৃষ্টি হোৱা প্ৰয়োজন। উপৰোক্ত বিশ্লেষণৰ পৰা এইটো দেখা গৈছে যে সন্মুখত যি প্ৰত্যাহ্বান স্থিত হৈছে সেয়া বাস্তৱিকতেই বৃহৎ, বিশেষকৈ শিক্ষিত যুৱকসকলৰ কাৰণে। এইটো দুৰ্ভাগ্যজনক যে এহাতে বিশ্বৰ ভিতৰত মহিলাসকলৰ কাৰণে ভাৰতত অংশগ্ৰহণৰ হাৰ অন্যতম নিম্ন অৱস্থাত আছে আৰু আনহাতে শ্ৰমিক শক্তিত যোগদান কৰা তথা মহিলা-সকলৰ মাজত নিবনুৱা হাৰো বহুত বেছি। ইয়াৰ সমাধানৰ বাবে চৰকাৰে যি প্ৰয়াস কৰিছে সেয়া আকাংক্ষিত দিশৰ পিনেই গতি কৰা। তথাপি ইয়াতকৈ আৰু অধিক কৰাৰ প্ৰয়োজন আছে। নিয়োগ সৃষ্টি বিশাল পৰিধিৰ তথা অৰ্থনৈতিক নীতিসমূহৰ অংশবিশেষ হোৱা প্ৰয়োজন। ভাৰতীয় অৰ্থনীতিয়ে যথেষ্ট চাকৰি সৃষ্টি কৰা নাই। এই সৃষ্টি প্ৰক্ৰিয়া বৃদ্ধি কৰিবলৈ বিভিন্ন মন্ত্ৰণালয়ে নিজাববীয়াকৈ গ্ৰহণ কৰা সকলোবোৰ নীতি আৰু কাৰ্যসূচীত বিষয়টো অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজন আছে। এইখিনিতে আন এটা উল্লেখযোগ্য বিষয় হ'ল মধ্য আৰু পূব ভাৰতৰ এটা বৃহৎ অংশত বিকাশ সাধন আৰু নিয়োগ সৃষ্টিৰ অভিজ্ঞতা পশ্চিম আৰু দক্ষিণ ভাৰতৰ লোকৰ দৰে লাভ কৰিবলৈ সমৰ্থবান হোৱা নাই। এনে ধৰণৰ আঞ্চলিক অসমতাক সংশোধন কৰা আৱশ্যক— যাতে থলুৱাসকলে নিজ নিজ অঞ্চলতেই নিয়োগ পাবলৈ সমৰ্থ হয়। তদুপৰি উপযুক্ত নীতি আৰু কাৰ্যসূচী তৈয়াৰ কৰা আৱশ্যক— যাৰদ্বাৰাই অধিক সংখ্যক মহিলাই নিয়োগ লাভ কৰিব পাৰে। এই সকলোবোৰ দিশ-কোণলৈ চাই দেশখনে অধিক খৰতকীয়াকৈ আগবাঢ়ি যাব লাগিব আৰু তেতিয়াহে জনগাঁথনিৰ লাভাংশ উপলব্ধি কৰিব পাৰিব। আৰু যদি অপাৰগ হয় তেনেহ'লে জনগাঁথনিৰ লাভাংশ দুৰ্যোগলৈ ৰূপান্তৰিত হ'ব। ❒

*পয়োভৰা ৰাইজৰ আলোচনী—*
*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*
*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# যুৱক-যুৱতী পৰিৱৰ্তন সাধনৰ এটা কাৰক শক্তি

সুনীতা সাংঘি*

**যুৱক-যুৱতীসকলক পৰিৱৰ্তন সাধনৰ এটা কাৰক শক্তিস্বৰূপ কৰি গঢ়ি তোলাৰ ইপ্সিত লক্ষ্য প্ৰাপ্তিৰ বাবে বিভিন্ন প্ৰয়াস তথা কাৰ্যসূচী আৰু তাৰ লগতে দক্ষতা বিকাশ ক্ষেত্ৰসমূহৰ অন্তৰ্নিহিত উত্তম অভ্যাসৰাজিক অৱলম্বন কৰি ৰাজ্যসমূহত সফলতাৰে তাৰ প্ৰতিফলন ঘটাব পাৰি।**

"দক্ষতা সাধনেই হ'ল উত্তম ভাৰত গঢ়ি তোলাৰ এটা শক্তি। বিকাশৰ দিশৰ পিনে যদি আমি ভাৰতক আগবঢ়াই নিব লাগে, তেনেহ'লে দক্ষতাৰ বিকাশ সাধন আমাৰ পৰম নিষ্ঠাৰ এটা কাৰ্য হ'ব লাগিব।"— প্ৰধান মন্ত্ৰী (২০১৪ চনৰ ১৫ আগষ্টত কৰা উক্তি।)

ভাৰত জনগাঁথনি স্থিতিৰ এটা পৰিৱৰ্তিত ক্ষণত আছে— য'ত ৬৫ শতাংশ জনসংখ্যা কাম কৰাৰ সক্ষম অৱস্থাত আছে। এই কৰ্ম বয়স হ'ল ১৫-৫৯ বছৰৰ ভিতৰত। ই এনে ধৰণৰ এটা অনন্য সুবিধা আগবঢ়াইছে যাৰদ্বাৰাই দেশখনৰ অৰ্থব্যৱস্থাক পুনৰুজ্জীৱিত কৰি তুলিবৰ বাবে প্ৰয়োজন হোৱা দক্ষ জনশক্তিৰ চাহিদা পূৰণ কৰিব পাৰে; আৰু তাৰদ্বাৰাই বিশ্বত এটা দক্ষ লোকৰ উপস্থিতিৰে সমৃদ্ধ হোৱা দেশ ৰূপে পৰিগণিত হ'ব পাৰে। ৰাষ্ট্ৰসমূহত যি গ্ৰহণযোগ্য মানৰ দক্ষ লোকৰ বিকাশ সাধন কৰা হয় তাৰ স'তে সামঞ্জস্য ৰাখি আমাৰ দেশখনেও উপযুক্তভাৱে দক্ষতাৰ বিকাশ সাধন কাৰ্যত মনোনিৱেশ কৰিব পাৰে।

ৰাষ্ট্ৰীয় যুৱ নীতি, ২০১৪ৰ মতে ১৫-২৯ বছৰ বয়সৰ সকলো তৰুণ লোকেই বিভিন্ন গোটৰে গঠিত আৰু তেওঁলোকৰ প্ৰয়োজনীয়তা, আশা-আকাংক্ষাও ভিন ভিন ধৰণৰ। ২০১১ বৰ্ষৰ লোক পিয়ল অনুযায়ী জনসংখ্যাৰ ভিতৰত ২৮ শতাংশ তৰুণে ভাৰতৰ মুঠ ৰাষ্ট্ৰীয় উপাৰ্জনত প্ৰায় ৩৪ শতাংশ বৰঙণি যোগায়। তেনেদৰে মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰতো তেওঁলোকৰ বৰঙণি বৃদ্ধি কৰিব পৰা যায়। তাৰ বাবে প্ৰয়োজন যুৱ শ্ৰমিক শক্তিৰ অংশগ্ৰহণ আৰু উৎপাদনশীল কাম-কাজত সক্ৰিয়ভাৱে ভূমিকা গ্ৰহণ। সেয়ে এতিয়া সময়ৰ আহ্বান হ'ল যুৱকসকলৰ পূৰ্ণ সম্ভাৱনাৰাজিক পাবৰ কাৰণে সবল কৰি তোলা— যাৰদ্বাৰাই দক্ষ শ্ৰমিক শক্তি যোগান ধৰাৰ ক্ষেত্ৰত ভাৰত এখন আগশাৰীৰ দেশ হ'ব পাৰে।

ভাৰতে জনগাঁথনিৰ ক্ষেত্ৰত যি সুবিধা ভোগ কৰিছে সেয়া সকলোতে সমানভাৱে প্ৰতিফলন হোৱা নাই। দাক্ষিণাত্য আৰু মধ্য ভাৰতৰ মাজত বিভেদ আছে। তামিলনাডু, কৰ্ণাটক, কেৰালা আৰু অন্ধ্ৰপ্ৰদেশৰ স্থিতি সুকীয়া। পশ্চিম বঙ্গকো এই ক্ষেত্ৰত ধৰিব পাৰি। আনপিনে মধ্য প্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশৰ স্থিতি বেলেগ ধৰণৰ। বিহাৰকো ইয়াত সাঙুৰি ল'ব পাৰি। উল্লিখিত আগৰ ৰাজ্যকেইখনৰ ধৰণ-কৰণ চীন আৰু কোৰিয়াৰ লগত কিছু মিলে। শ্ৰমিক শক্তিৰ খৰতকীয়া বৃদ্ধি পায়, কিন্তু তেনেদৰে কাম কৰা বয়সৰ লোকৰ সংখ্যাও দীৰ্ঘ দিন টিকি নাথাকে। এটা অৱনমিত গতিয়ে সোনকালেই গা কৰি উঠে। ইপিনে ৰাজস্থান, উত্তৰ প্ৰদেশ, বিহাৰ আদিৰ দৰে ৰাজ্যবোৰত তুনামূলকভাৱে কৰ্মঠ শক্তিৰ স্থিতি বেচ আশাপ্ৰদজনক। এনে গতিশীলতাত বৰঙণি যোগাই কিছু কালৰ বাবে হ'লেও এটা বৰ্দ্ধিত কৰ্ম শক্তিৰ জনসংখ্যাই আৰু তেনে স্থিতিত শতিকাটোৰ মাজভাগলৈকে তাৰ প্ৰভাৱ বৰ্তি থকাৰেই সম্ভাৱনা অধিক। সেয়ে জনগাঁথনিৰ দিশৰ পৰা চাবলৈ গ'লে ভাৰতৰ দুটা স্থানে ক্ৰিয়া কৰে— যাৰ বাবে নীতিবিশেষৰ প্ৰাসঙ্গিকতালৈ চাই সঁহাৰি জনোৱাৰ প্ৰয়োজন আছে। এটা স্থান হ'ল সোনকালে বয়সে আৱৰি থকা সমুদ্ৰতটীয় ভাৰত— য'ত তেওঁলোকৰ প্ৰতি অধিক মনোযোগ দিয়াৰ আৱশ্যক হ'ব আৰু আনটো হ'ল সামুদ্ৰিক অঞ্চলৰ বহু দূৰত অৱস্থিত ৰাজ্যসমূহ— য'ত শিক্ষা, দক্ষতা আৰু নিয়োগ সা-

*সুনীতা সাংঘি নিটি আয়োগৰ উপদেষ্টা

১নং তালিকা ঃ

**বিভিন্ন বয়স-গোটৰ যুৱকৰ মাজত শ্ৰমিক শক্তিৰ অংশগ্ৰহণৰ হাৰ (শ্ৰ শ অ) কৰ্মীৰ সমানুপাত হাৰ আৰু নিবনুৱা হাৰ**

| গ্ৰামাঞ্চলৰ পুৰুষ | | | | | | |
|---|---|---|---|---|---|---|
| বয়স গোট | ১৯৯৯-২০০০ | | | ২০১১-২০১২ | | |
| | শ্ৰ শ অ হাৰ | কৰ্মীৰ সমানুপাত হাৰ | নিবনুৱা হাৰ | শ্ৰ শ অ হাৰ | কৰ্মীৰ সমানুপাত হাৰ | নিবনুৱা হাৰ |
| ১৫-১৯ | ৫৩২ | ৫০৩ | ৬.৫ | ৩৩৩ | ৩০৩ | ১১.৪ |
| ২০-২৪ | ৮৮৯ | ৮৪৪ | ৬.২ | ৭৮৮ | ৭৪২ | ৬.৯ |
| ২৫-২৯ | ৯৭৫ | ৯৫০ | ৩.২ | ৯৬৩ | ৯৪২ | ২.৮ |
| ১৫-২৯ | — | ৭৪১ | ৫.১ | — | ৬১৬ | ৬.১ |
| সৰ্ব | ৫৪০ | ৫৩১ | — | ৫৫৩ | ৫৪৩ | — |
| গ্ৰামাঞ্চলৰ মহিলা | | | | | | |
| ১৫-১৯ | ৩১৪ | ৩০৪ | ৩.১ | ১৬৪ | ১৫৬ | ৮.০ |
| ২০-২৪ | ৪২৫ | ৪০৯ | ৪.৯ | ২৯৭ | ২৭৮ | ৯.৯ |
| ২৫-২৯ | ৪৯৮ | ৪৯১ | ২.৪ | ৩৬৯ | ৩৫৭ | ৫.৮ |
| ১৫-২৯ | — | ৪০০ | ৩.৭ | — | ২৫৮ | ৭.৮ |
| সৰ্ব | ৩০২ | ২৯৯ | — | ২৫৩ | ২৪৮ | — |
| গ্ৰামাঞ্চলৰ পুৰুষ | | | | | | |
| ১৫-১৯ | ৩৬৬ | ৩১৪ | ১৫.৪ | ২৫৬ | ২২৩ | ১৪.৪ |
| ২০-২৪ | ৭৫৫ | ৬৫৮ | ১৩.৯ | ৬৬৪ | ৫৯৪ | ১১.৬ |
| ২৫-২৯ | ৯৫১ | ৮৮৩ | ৭.৫ | ৯৫১ | ৯০৬ | ৫.৩ |
| ১৫-২৯ | — | ৫৯৩ | ১১.৫ | — | ৫৫৮ | ৮.৯ |
| সৰ্ব | ৫৪২ | ৫১৮ | — | ৫৬৩ | ৫৪৬ | — |
| গ্ৰামাঞ্চলৰ মহিলা | | | | | | |
| ১৫-১৯ | ১২১ | ১০৫ | ১৫.৫ | ৮৯ | ৭৮ | ১৫.৩ |
| ২০-২৪ | ১৯১ | ১৫৫ | ২৫.৮ | ১৯৭ | ১৬০ | ২১.৯ |
| ২৫-২৯ | ৩১৪ | ১৯৪ | ১৫.৮ | ২৫৩ | ২৩১ | ১০.৮ |
| ১৫-২৯ | — | ১৪৯ | ১৯.৯ | — | ১৫৭ | ১৫.৬ |
| সৰ্ব | ১৪৭ | ১৩৯ | — | ১৫৫ | ১৪৭ | — |

**উৎস ঃ** এন এছ এছ অ'ৰ নিয়োগ আৰু নিবনুৱা জৰীপ সংক্ৰান্তীয় বিভিন্ন পৰিসংখ্যা

সুবিধা যোগান ধৰাৰ ক্ষেত্ৰত নিশ্চয়েই আলোকপাতৰ বিষয় হ'ব লাগিব।

পিছে এইবোৰ ৰাজ্যত বুনিয়াদী শিক্ষা আৰু দক্ষতা বিকাশ সাধনৰ বাবে যুৱকসকলক একত্ৰিত কৰাটো কঠিন কাম। তাৰ কাৰণ হ'ল অন্য ঠাইলৈ যোৱাৰ অনিচ্ছুকতা, প্ৰশিক্ষণৰ বাবে ধনৰ যোগান কৰাৰ অসমৰ্থতা, নিয়োগ-কৰ্তাসকলৰ নিশ্চিত আশ্বাস প্ৰদানৰ অভাৱ, নিম্ন সাক্ষৰতা স্তৰ, সজাগতাৰ অভাৱ ইত্যাদি। যুৱকসকলক সবলীকৰণ কৰা বিষয়টোত শ্ৰমিক বজাৰত তেওঁলোকৰ অংশগ্ৰহণৰ স্থিতি কেনে-ধৰণৰ, সেই সম্পৰ্কে চোৱাৰ প্ৰয়োজন আছে।

**যুৱক আৰু শ্ৰমিক বজাৰ**

শ্ৰমিক বজাৰৰ লেখ সম্বন্ধে ১নং তালিকাত উল্লেখ কৰা হৈছে। শ্ৰমিক শক্তিৰ অংশগ্ৰহণৰ হাৰ কিমান (নিয়োজিত কিম্বা কামৰ সন্ধানত থকা) কৰ্মীসকলৰ অংশগ্ৰহণৰ সমানুপাতৰ হাৰ তথা নিবনুৱা হাৰ সম্পৰ্কেও ভাৰতৰ তৰুণসকলৰ বাবে শ্ৰমিক বজাৰৰ অৱস্থাৰ এটা গুৰুত্বপূৰ্ণ লেখ ১নং তালিকাত দিয়া হৈছে।

১নং তালিকাৰপৰা এইটো পৰিলক্ষিত হয় যে সকলো বয়স-গোটৰ ক্ষেত্ৰত— সেয়া যি লিঙ্গই নহওক— শ্ৰমিক শক্তিৰ অংশগ্ৰহণৰ হাৰত অৱনতি ঘটিছে। পিছে গ্ৰামাঞ্চলৰ মহিলাৰ সন্দৰ্ভত এই অৱনতি অধিক। তাৰ কাৰণ হ'ব পাৰে গ্ৰাম্য অঞ্চলসমূহত কাম-কাজৰ সুযোগ সুবিধা নাই অথবা সামাজিক কিম্বা ধৰ্মীয় আচাৰ পদ্ধতিৰ দায়বদ্ধতা হেতু। আনপিনে গ্ৰাম্য আৰু চহৰ উভয় এলেকাত কম বয়সৰ, তৰুণ বয়স-গোটৰ এনে অৱনমিত গতিয়ে অন্য দিশৰ আধিক্য আৰোপ কৰা কথাটোৰহে ইঙ্গিত বহন কৰে। সেই দিশটো হ'ল শ্ৰমিক বজাৰখনত প্ৰৱেশ কৰাৰ পূৰ্বে এই তৰুণসকলে শিক্ষাৰ জগতখনত শিক্ষা অৰ্জনৰ ক্ষেত্ৰত লিপ্ত হয় আৰু তেনে অধ্যয়ন আৰু ব্যস্ততাই তেওঁলোকে দক্ষতা অৰ্জন কৰাত সহায়ক হয়। ১৫-২৯ বয়স-গোটৰ যুৱকসকলৰ কৰ্মবাহিনীত অংশগ্ৰহণৰ ধাৰা শ্ৰমিক বাহিনীত অংশগ্ৰহণৰ দৰেই একে।

নিবনুৱাৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ লোকৰ বাবে বিভিন্ন বয়স-গোটৰ হাৰ ৬.১ শতাংশৰপৰা ১৫.৬ শতাংশৰ মাজত থাকে। চহৰৰ মহিলাসকলৰ ক্ষেত্ৰত (১৫-২৯ বয়স-গোটৰ) সৰ্বাধিক নিবনুৱাৰ হাৰ হ'ল ১৫.৬ শতাংশ। মহিলাসকলক প্ৰদান কৰা পৰিয়ালৰ সমৰ্থনেই সম্ভৱতঃ তেনে কাৰণ হ'ব পাৰে। বিভিন্ন তৰুণ বয়স-গোটৰ ক্ষেত্ৰত নিবনুৱাৰ হাৰ ১৫-২৯ বছৰত ভৰি দিয়া সকলৰ মাজত অধিক আৰু বয়স বাঢ়ি যোৱাৰ লগে লগে সেই হাৰৰ গতি অৱনমিত হোৱাৰ উপক্ৰম হয়। কিন্তু ৰাষ্ট্ৰীয় গড় হাৰতকৈ ই অধিক হৈ থাকে।

যুৱকসকল নিবনুৱা হৈ থকাৰ সংখ্যা অধিক— বিশেষকৈ শিক্ষিত যুৱকসকলৰ মাজত এইটো পৰিলক্ষিত হয়। ফলস্বৰূপে জনগাঁথনিৰ ক্ষেত্ৰত যি সুবিধা আছে তাৰ সুফল লাভ কৰাত তেওঁলোক সফলকাম নহয়। ৰাষ্ট্ৰীয় ছেম্পল ছাৰ্ভেৰ নিয়োগ বিষয়ক ২০১১-১২ বৰ্ষৰ পৰিসংখ্যা মতে শিক্ষিত যুৱকসকলৰ মাজত অধিক নিবনুৱা হাৰৰ বিষয়টোৱে ভাল চাকৰি আশা কৰাৰ সংখ্যা বৃদ্ধি হোৱাটোকে বুজায়; আৰু চাকৰি তথা যি ধৰণে আশা কৰা যায় তাৰ মাজত বিসঙ্গতিৰ দিশটোকে স্পষ্ট কৰে। ২নং তালিকাত এইটো পৰিষ্কাৰ হয় যে নিবনুৱা হাৰ কেৱল আনুষ্ঠানিক-ভাৱে শিক্ষা গ্ৰহণ কৰা শিক্ষিত যুৱকসকলৰ মাজতেই অধিক নহয়, তদুপৰি বুনিয়াদী বিষয়ত অৰ্হতা অৰ্জন কৰাসকলৰ মাজতো এই হাৰ অধিক। তেনে ধৰণৰ অৰ্হতা, ডিপ্লোমা তথা চাৰ্টিফিকেটৰ গৰাকীৰ ক্ষেত্ৰত ক'ব পৰা যায়।

ওপৰত কৰা বিশ্লেষণৰ পৰা এইটো পৰিষ্কাৰ যে স্থিতি এনেধৰণৰ য'ত সামঞ্জস্যৰ অভাৱ। এফালে তৰুণসকলে চাকৰি বিচাৰে আৰু আনফালে উদ্যোগবোৰে দক্ষ জনশক্তিৰ সন্ধানত থাকে। কিন্তু মূৰকত তৰুণসকলেও চাকৰি নাপায় আৰু উদ্যোগেও তেনে জনশক্তি নাপায়। এই দক্ষতা সন্দৰ্ভৰ সামঞ্জস্য নথকা বিষয়টোৱে যুৱক-সকলক নিয়োগৰ অযোগ্য কৰি তোলে আৰু তাৰ কাৰণ হ'ব পাৰে বিশেষ ধৰণৰ দক্ষতাৰ প্ৰয়োজন— যিটো সততে পাবলৈ কঠিন। দক্ষতালৈ চাই বেতনৰ মিল নাথাকিব পাৰে কিম্বা অৰ্হতাৰ স্তৰ সুকীয়া অথবা তেনে চাকৰি উপযুক্তভাৱে কৰিবলৈ যি অৰ্হতা লাগে তাৰ পৰা তেনে অৰ্হতাৰ প্ৰভেদ আছে। শিক্ষাগত অৰ্হতা আৰু উপযুক্ত চাকৰিত যোগ দিয়াৰ ক্ষেত্ৰত যি গুণৰ আৱশ্যক হয় তাৰ মাজত মিল নাই কিম্বা প্ৰযুক্তিগত উন্নতি সাধনৰ হেতু তেনে দক্ষতাৰ বিষয়টো অচল হৈ পৰে।

ভাৰতত যি মুঠ নিবনুৱাৰ সংখ্যা আছে তাৰ প্ৰায় ৪৯ শতাংশ চাকৰিৰ সন্ধানত থকা তৰুণে পূৰণ কৰে আৰু যি ৯৩ শতাংশ চাকৰি পোৱা যায় সেয়া নীতি বহিৰ্ভূত খণ্ডৰদ্বাৰা যোগান ধৰা হয়। আৰু এটা বিষয় মন কৰিব লাগে যে ভাৰতত সু-শিক্ষিত যুৱকৰ এটা বুজন অংশ হয় নিবনুৱা, নহয় উপযুক্তভাৱে নিয়োগ নোপোৱা, কিম্বা চাকৰি বিচাৰি

ফুৰে অথবা যি কামৰ ব্যৱস্থা কৰে সেয়া সুৰক্ষিত নহয়। ভাৰতৰ দক্ষ বিষয়ক ২০১৭ বৰ্ষৰ শেহতীয়া প্ৰতিবেদন মতে প্ৰায় ৪০ শতাংশ শিক্ষিত যুৱক নিয়োগযোগ্য। নিঃকিনভাৱে কাম কৰি থকাসকলৰ সমস্যা কেনেদৰে সমাধান কৰা যায় সেয়া হ'ল এটা প্ৰত্যাহ্বানৰ বিষয়। তেনেদৰে কৰ্মস্থানত থকা অসুৰক্ষিতজনক ব্যৱস্থা, চলিত বজাৰৰ প্ৰয়োজন অনুসাৰে দক্ষতা সঙ্গতিহীন, দক্ষতাৰ বিকাশ কেনেদৰে সাধন কৰা যায় তাৰ প্ৰতি নিঃকিন ভাবধাৰা আদি বিষয়বোৰো প্ৰত্যাহ্বানজনক। তাক সমাধান কৰাটো বাঞ্ছনীয়। ওপৰত উল্লেখ কৰা বিষয়ৰ সন্দৰ্ভত যি চকুত ধৰি দিছে তাৰ প্ৰতি মনোযোগ দিয়াৰ প্ৰয়োজন আছে আৰু সেয়া হ'ল— (১) দক্ষতাৰ বাবে সম্প্ৰতি যি চাহিদাৰ উদ্ৰেক হয় তাক যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ; (২) পৰিৱৰ্তনৰ স'তে খাপ খাবলৈ কৰ্মী আৰু উদ্যোগসমূহক সহায় কৰা; আৰু (৩) শ্ৰমিক বজাৰৰ ভৱিষ্যতৰ প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে উপযুক্ত ব্যৱস্থাৰ দিহা কৰা আৰু তাৰ গতিময়তা অটুট ৰখাৰ আৱশ্যকতা আছে। কিন্তু প্ৰশ্ন হ'ল নিয়োগযোগ্য কৰি তোলাৰ ক্ষেত্ৰত অৱলম্বন কৰিব লগা কৌশলৰাজিৰ কেনেকৈ উন্নতি সাধন কৰিব পাৰি।

**নিয়োগযোগ্য কৰি তোলাৰ প্ৰয়াস**

জনগাঁথনিৰ সুবিধা গ্ৰহণ আৰু যুৱকসকলক নিয়োগৰ উপযুক্ত কৰি তুলিবৰ বাবে ২০১৫ চনত ৰাষ্ট্ৰীয় পৰ্যায়ত কাৰ্যসূচী প্ৰচলন কৰা হয়। সেই কাৰ্যসূচী হ'ল দক্ষতা বিকাশ তথা উদ্যোগী বিষয়ক নতুন ৰাষ্ট্ৰীয় নীতিৰ লগতে ৰাষ্ট্ৰীয় দক্ষতা বিকাশ অভিযান। এই অভিযানৰদ্বাৰা দক্ষ লোক গঢ়ি তোলাৰ ক্ষেত্ৰত আলোকপাত কৰা হয় আৰু দক্ষতাৰ গুণাৱলীক যথাবিহিত ৰূপত প্ৰস্ফুটিত হ'বলৈ সুযোগ-সুবিধা অনুযায়ী কামত লগোৱা হয়— যাতে চাহিদা অনুযায়ী তাক যোগান ধৰিব পাৰি। ৰাষ্ট্ৰীয় দক্ষতা-অৰ্হতা বিষয়ক পৰিকাঠামোৰ প্ৰতিও মনোযোগ দিয়া হয়, যাতে উমৈহতীয়া তথা বিশ্ব মানৰ প্ৰমাণীকৃত নথি লাভ কৰাত সহায়ক হয়। যোগান আৰু চাহিদাৰ মাজত তাল-মিল আৰু উদ্যোগী মনোভাবক উজ্জীৱিত কৰাৰ প্ৰতিও মনোযোগ দিয়া হয়। এই অভিযানৰ অন্য বিষয়বোৰৰ ভিতৰত আছে বিভিন্ন মন্ত্ৰণালয়ে হাতত লোৱা প্ৰয়াস আৰু কাৰ্যসূচীৰ ওপৰত আলোকপাত কৰি প্ৰাসঙ্গিক গুৰুত্বৰে সেইবোৰক আগুৱাই লৈ যোৱা, গোলকীয় অংশীদাৰিত্ব তথা বহল পৰিসৰত সমন্বিত যোগাযোগ প্ৰযুক্তিৰ ব্যৱহাৰ। প্ৰশিক্ষণৰ মান উন্নত কৰিবৰ অৰ্থে প্ৰশিক্ষণ দিওঁতাসকলকো প্ৰশিক্ষণ প্ৰদান কৰা আৰু অসুবিধাগ্ৰস্ততাত ভোগা বিভিন্ন গোটসমূহে যাতে তেনে কাৰ্যসূচীবোৰৰ ইতিবাচক ফল লাভ কৰিব পাৰে তাৰ প্ৰতিও মনোযোগ দিয়া হয়।

বুনিয়াদী শিক্ষাৰ বাবে অধিক গুৰুত্ব প্ৰদান কৰা হয়; আৰু এই ক্ষেত্ৰত গুণগত মানৰ উন্নতি সাধনৰ বিষয়টো প্ৰথমে আহি পৰে। তাৰ বাবে নৱম শ্ৰেণীৰপৰা স্কুলীয়া শিক্ষাত বুনিয়াদী বিষয়ক সহজভাৱে বিন্যাস সাধন কৰি আটাইৰে গ্ৰহণযোগ্য কৰিবলৈ লোৱা হয়— যাতে তাৰ ওপৰত আধাৰ কৰিয়েই ভৱিষ্যতে দৃঢ় মনোভাবেৰে আগবাঢ়ি যাব পাৰে। পাঠ্যক্ৰমত উদ্যোগৰ বিষয়টো অন্তৰ্ভুক্ত, হাতে-কামে কৰি দেখুওৱা প্ৰশিক্ষণ আৰু শিক্ষকসকলৰ বাবেও প্ৰশিক্ষণৰ সুবিধা কৰা হয়। ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানবোৰৰ সংস্কাৰ সাধন— য'ত উদ্যোগৰ গুৰুত্ব থকা পাঠ্যক্ৰমে ঠাই পায়। উদ্যোগৰ অংশীদাৰসকলৰ স'তে বুজা-বুজি চুক্তি, বিতৰণৰ ক্ষেত্ৰত প্ৰযুক্তিৰ অধিক ব্যৱহাৰ আৰু খণ্ড পৰ্যায়ৰ দক্ষতা সম্পৰ্কে আলাপ-আলোচনাৰ জৰিয়তে সমুচিত কাৰ্যব্যৱস্থা গ্ৰহণ মন কৰিবলগীয়া বিষয়। নবিচ ৰূপে থকা অৱস্থাত প্ৰশিক্ষণৰ ওপৰত আলোকপাত আৰু ৱেব পোৰ্টেলৰ সুযোগ-সুবিধাৰে জ্ঞানৰ পৰিধি প্ৰসাৰিত কৰাৰ বিষয়েও চিন্তা কৰা হয়। উদ্যোগৰ স'তে ভাল সংযোগ সাধন আৰু ভিন ভিন কামৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে যি পৰিৱৰ্তন হৈ থাকে তাৰ চাহিদা পূৰণ কৰিবৰ বাবে দক্ষতাৰ প্ৰয়োজনীয় দিশবোৰ সমাধানাৰ্থে চৰকাৰী-বেচৰকাৰী অংশীদাৰিতাৰে বহুমুখী দক্ষতাৰ নতুন প্ৰতিষ্ঠান খোলাৰ বিষয়েও চিন্তা কৰা হয় আৰু সেয়ে দক্ষতাৰ বিষয় সম্বলিত প্ৰতিষ্ঠানসমূহক বিশ্ববিদ্যালয়ৰ অধীনলৈ আনি সেৰা আগবঢ়োৱাৰ কথা ভবা হৈছে— যাতে বৃহৎসংখ্যক অৰ্হতাপূৰ্ণ নিৰ্দেশক গঢ়ি তুলিব পাৰি। পাঠ্যক্ৰমত গৱেষণাৰ বিষয় হাতত লোৱা আৰু বুনিয়াদী শিক্ষাত অধিক বিশ্লেষণাত্মক দৃষ্টিকোণৰ সম্যক চিত্ৰৰ প্ৰতিফলন ঘটাৰ বিষয়ো নিহিত আছে। দক্ষতা বিষয়ক প্ৰতিষ্ঠানসমূহৰ ওপৰত সমুচিতভাৱে চকু দিয়াৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়।

কেন্দ্ৰীয় মন্ত্ৰণালয়ে যিবোৰ প্ৰয়াস হাতত লৈছে তাক বহুলভাৱে সাধাৰণ কাৰ্যসূচী, নিৰ্দিষ্ট অঞ্চল তথা খণ্ডবিশেষৰ কাৰ্যসূচীৰূপে শ্ৰেণীবদ্ধ কৰিব পাৰি। ২০টা মন্ত্ৰণালয় ইয়াত জড়িত আছে। দক্ষতা, বিকাশ আৰু

এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ মন্ত্ৰণালয়কো ইয়াত ধৰা হৈছে। যুৱকসকলক অধিকভাৱে নিয়োগযোগ্য কৰি তোলাই হ'ল ইয়াৰ উদ্দেশ্য। ভিন্ন দক্ষ বিষয়ৰ আৱশ্যকতা পূৰণ কৰিবৰ অৰ্থে ১৩,০০০তকৈ অধিক প্ৰতিষ্ঠান, প্ৰায় ৪,০০০ পলিটেক্‌নিক আৰু ২০,০০০তকৈ অধিক বুনিয়াদী প্ৰশিক্ষণৰ যোগান ধৰোঁতা প্ৰতিষ্ঠান আছে। এইবোৰে ব্যক্তিসকলক নিজৰ পূৰ্ণ সম্ভাৱনাৰাশি উপলব্ধ কৰিবলৈ সুবিধা আগবঢ়ায় আৰু তাৰ বাবে জীৱনজোৰা শিক্ষা গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত থাকে— যাতে নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিব পাৰে। এই যোগ্যতাৰ সমলবোৰ হ'ল, যেনে— কাৰ্যকালত লাভ কৰা উপযুক্ত প্ৰমাণ পত্ৰ, প্ৰশংসা পত্ৰ আৰু বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান আদিত চাকৰি কৰিবলৈ বদলি কৰা ক্ৰমে আৰ্জিত প্ৰচুৰ অভিজ্ঞতা-ৰাজি। আৰু এটা বিষয় মন কৰিব-লগীয়া যে বৃহৎসংখ্যক কৰ্মীক সীমিত দক্ষতা গুণেৰে অনানুষ্ঠানিক খণ্ডত নিয়োগ কৰিলে তেওঁলোক কাম-কাজত কিমান অভিজ্ঞ হৈ উঠিছে তাৰ প্ৰমাণীকৰণৰ বাবে সকলোবোৰ বিষয় নিৰ্দ্ধাৰণ কৰাৰ প্ৰয়োজন হয়। সেয়ে চাকৰিৰ পূৰ্বে জ্ঞান কিমান অৰ্জন কৰিলে তাক প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনাৰ অধীনত স্বীকৃতি প্ৰদান কৰাটো তেনে কৰ্মীৰ বাবে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। এই ব্যৱস্থাৰ জৰিয়তে তেনে লোক নিয়োগৰ পূৰ্বে দক্ষতাৰ মান উন্নীত কৰা তথা যিবোৰ বিষয়ত শিকিবলৈ বহুখিনি বাকী থাকে তাক পূৰ্ণ কৰি নিজক সক্ষম কৰাৰ এটা ভাল ব্যৱস্থা। প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনাই হাইস্কুলত পঢ়িবলৈ এৰা সকলৰ বাবে নিয়োগযোগ্য দক্ষতাসহ শ্ৰমিক বজাৰত প্ৰৱেশ কৰিবৰ কাৰণে দ্বিতীয় সুযোগ আগবঢ়ায়। অৱশ্যে ইয়াৰ বাবে নিজকে সক্ষম কৰি তুলিবৰ বাবে দৃঢ় মানসিকতাৰ দৰকাৰ হয়— যাৰদ্বাৰাই দক্ষতাৰ প্ৰশিক্ষণ শ্ৰমিক বজাৰৰ অৰ্থে উপযোগী হ'ব পাৰে। সংস্থাই প্ৰয়াস অব্যাহত ৰাখে। ৰাষ্ট্ৰীয় কৌশল বিকাশ নিগমে আন্তঃগাঁথনি সবল কৰিবৰ অৰ্থে ব্যক্তিগত খণ্ডৰ প্ৰয়াসক সহায়-সমৰ্থন জনায় আৰু প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ প্ৰতিও

২নং তালিকা ঃ

**২০১১-১২ বৰ্ষৰ শিক্ষা স্তৰ অনুযায়ী সচৰাচৰ স্থিতিৰ নিবনুৱা হাৰ**

| সাধাৰণ শিক্ষা স্তৰ | নিবনুৱা হাৰ (১৫-২৯ বছৰ বয়সৰ) | | | |
|---|---|---|---|---|
| | গ্ৰাম্য | | চহৰ | |
| | পুৰুষ | মহিলা | পুৰুষ | মহিলা |
| অনাক্ষৰ | ২.৩ | ০.৮ | ২.৫ | ১.৬ |
| সাক্ষৰ তথা প্ৰাথমিক স্তৰলৈকে | ৩.২ | ০.৬ | ৪.৮ | ৪.৩ |
| মজলীয়া স্কুল | ৪.২ | ৪.৬ | ৫.১ | ৫.৮ |
| মাধ্যমিক | ৪.৬ | ৮.৬ | ৫.৫ | ১৫.১ |
| উচ্চ মাধ্যমিক | ৬.৫ | ১৩.৮ | ১২.০ | ১৪.৬ |
| ডিপ্লোমা/চাৰ্টিফিকেট | ১৫.৯ | ৩০.০ | ১২.৫ | ১২.৩ |
| স্নাতক আৰু তাৰ ওপৰৰ | ১৯.১ | ২৯.৬ | ১৬.৩ | ২৩.৪ |
| সৰ্ব | ৫.০ | ৪.৮ | ৮.১ | ১৩.১ |

ৰাষ্ট্ৰীয় কৌশল বিকাশ সংস্থাই তেনে কাৰ্যক আগুৱাই নিবৰ কাৰণে পদ্ধতিগতভাৱে প্ৰচেষ্টা চলায়। তাৰ ভিতৰত ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা গাঁথনিৰ কথা ক'ব পাৰি। এই পৰিকাঠামোৱে সমুচিত গতি প্ৰদানৰ ব্যৱস্থা কৰে আৰু তাৰ ফলস্বৰূপে দক্ষতা অৰ্জনৰ পথ মুকলি হয়। তেনেদৰে খৰচ, সময়-কাল আৰু পাঠ্যক্ৰমৰ সন্দৰ্ভতো কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা পৰিচালিত বিভিন্ন কাৰ্যসূচীৰ বাবে উমৈহতীয়া বিধি-ব্যৱস্থা আছে। বিভিন্ন বিষয়ত জড়িত হ'ব বিচৰাসকলৰ কাৰণে সঠিক তথ্যৰ ভিত্তিত কাৰ্য সাধনৰ বাবে শ্ৰমিক বজাৰৰ তথ্য পদ্ধতিয়ে সহায় কৰে। দেশখনৰ ভিতৰত দক্ষতাৰ বিষয়ত কিমান অগ্ৰগতি সাধন হৈছে তাক পৰ্যবেক্ষণ কৰিবৰ বাবেও উক্ত ৰাষ্ট্ৰীয় বিকাশ মনোযোগ দিয়ে— যাতে ২০১৫ বৰ্ষৰ নীতিত বান্ধি দিয়া লক্ষ্যত উপনীত হ'বলৈ সমৰ্থৱান হ'ব পাৰে। খণ্ড স্তৰৰ কৌশল বিকাশ পৰিষদসমূহে চাহিদাৰ স'তে প্ৰশিক্ষণৰ যোগসূত্ৰ স্থাপন কৰাৰ ব্যৱস্থা লয়। তাৰ বাবে পাঠ্যক্ৰমৰ প্ৰয়োজনভিত্তিক বিকাশ কাৰ্যসূচীৰ জৰিয়তে মান নিৰ্দ্ধাৰণ আৰু প্ৰমাণীকৰণ কাৰ্যত সহায় কৰে। চৰকাৰে দক্ষতা আহৰণৰ বাবে ঋণ প্ৰদান কৰা ব্যৱস্থাও কৰিছে। ইয়াৰ উদ্দেশ্য হ'ল দক্ষতা বিকাশ কাৰ্যসূচী গ্ৰহণ কৰা দুখীয়া ছাত্ৰসকলক সহায় কৰা।

কোৱা বাহুল্য যে আৱশ্যকীয় নীতি আৰু কাৰ্যসূচী হাতত লোৱা হৈছে ঠিকেই, কিন্তু অৰ্থনৈতিক বিকাশ সাধনৰ বাবে উপযুক্ত দক্ষতা অৰ্জনৰ ব্যৱস্থাৰে

যুৱশক্তিক অধিকভাৱে কৰ্মক্ষম কৰিবলৈ বহুত কাম কৰিবলগা আছে। যুৱশক্তিক উন্নত স্তৰত উপনীত কৰিবৰ কাৰণে মূল প্ৰয়োজনীয় বিষয় সম্পৰ্কে তলত আলোচনা কৰিবলৈ লোৱা হৈছে।

**যুৱশক্তিৰ উন্নীতকৰণ**

**যুৱকসকলৰ আশা-আকাংক্ষাৰ সম্যক চিত্ৰ**

আৰ্থ-সামাজিক ক্ষেত্ৰৰ সৰ্বদিশ স্পৰ্শ কৰিবৰ কাৰণে সুন্দৰ নিয়োগ সা-সুবিধা পোৱাৰ ক্ষেত্ৰত যি দক্ষতা বিকাশ সাধন ব্যৱস্থা গ্ৰহণ কৰা হয় তাৰ পৰা কি আশা কৰিব পাৰি তাৰ এটা সম্যক চিত্ৰৰ পৰিচয় লাভ কৰাটো গুৰুত্বপূৰ্ণ বিষয়। কাৰণ তেনে পৰিচয় লাভৰ জৰিয়তেহে নিৰ্দিষ্ট লক্ষ্যত আগবাঢ়ি যাব পাৰি আৰু যি অভাৱ পৰিলক্ষিত হয় তাৰ বাবেও উচিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। প্ৰশিক্ষণৰ বাবে পোৱা পৰিসংখ্যাৰ (২০১১-১২ বৰ্ষৰ) বিশ্লেষণে গ্ৰাম্য আৰু চহৰ এলেকাৰ কিছুমান বাণিজ্য অথবা বিষয়ৰ সন্দৰ্ভত আগস্থান দিয়াৰ সংকেত বহন কৰিছে। তাৰ ভিতৰত উল্লেখ কৰিব পাৰি এইকেইটা বাণিজ্যৰ সম্পৰ্কত— ২২.৩ শতাংশ পুৰুষে 'গাড়ী চালনা আৰু মটৰ মেকানিক কাম'ত আনুষ্ঠানিক বুনিয়াদী প্ৰশিক্ষণ লাভ কৰে। চহৰ এলেকাৰ পুৰুষৰ মাজত ২৬.৩ শতাংশই "কম্পিউটাৰ বাণিজ্য"ত প্ৰশিক্ষণ লাভ কৰে। তেনেদৰেই গ্ৰাম্য মহিলাৰ মাজত ৩২.২ শতাংশই বস্ত্ৰ সম্পৰ্কীয় কাম-কাজত প্ৰশিক্ষণ লাভ কৰে। চহৰ এলেকাৰ মহিলাৰ মাজত কম্পিউটাৰ বাণিজ্য অতি আকৰ্ষণীয় বিষয়। ইয়াৰ শতাংশ হাৰ হ'ল ৩০.৪। ৰাষ্ট্ৰীয় কৌশল বিকাশ নিগমৰ প্ৰতিবেদনত প্ৰয়োজন আৰু প্ৰাপ্তিৰ মাজত প্ৰভেদ পৰিলক্ষিত হয় আৰু তেনে অমিল তথ্য হ'ল উল্লিখিত বাণিজ্যসমূহৰ বাবে যিমান লোকৰ প্ৰয়োজন সেইমতে প্ৰশিক্ষণ প্ৰতিষ্ঠানবোৰৰপৰা প্ৰশিক্ষিত লোক ওলোৱা নাই। নিগমৰ প্ৰতিবেদন মতে অধিক নিয়োগ সঞ্চাৰ কৰা খণ্ডবোৰে দক্ষ জনশক্তি আকৰ্ষণ কৰাত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পাৰে। এই নিগমৰ 'স্কীল গেপ ৰিপোৰ্টছ'ৰ ওপৰত ভিত্তি কৰি "এছপাইৰেচন মেট্ৰিক্স"-এ ইয়াক সমৰ্থন জনায় আৰু চাহিদা তথা যোগানৰ মাজত উপযুক্তভাৱে সামঞ্জস্য ৰাখিবৰ বাবে আগন্তুক কালৰ সম্যক পৰিচয় দাঙি ধৰাৰ আৱশ্যকতাৰ ওপৰত আলোকপাত কৰে। প্ৰকাশিত সূচীত এইটো দেখুওৱা হয় যে সৰহভাগ ৰাজ্যতে কিছুমান খণ্ডৰ ক্ষেত্ৰত অধিক চাহিদা আছে। সেই খণ্ডবোৰ হ'ল— নিৰ্মাণ, পৰিবহণ আৰু তেনে সম্পৰ্কিত খণ্ড তথা কৃষি আৰু সংশ্লিষ্ট কাম-কাজৰ খণ্ডসমূহ। এই পিছৰ খণ্ডত খাদ্য সংসাধনকো অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু খাদ্য সংসাধনৰ ক্ষেত্ৰত চাহিদা প্ৰায়ভাগ ৰাজ্যতেই কম।

সেই কাৰণে চাহিদা আৰু যোগানৰ মাজত মিল তথা অৰ্থনৈতিক প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে ভৱিষ্যৎ গতিধাৰাৰ সম্যক পৰিচয় লাভ কৰাটো গুৰুত্বপূৰ্ণ বিষয়। এইটো অনুভৱ কৰা হয় যে দক্ষতাৰ ক্ষেত্ৰত পাৰদৰ্শিতাৰ স্বীকৃতি তথা পুৰস্কাৰ প্ৰদানে যুৱক-সকলক দক্ষতা অৰ্জনৰ প্ৰশিক্ষণৰ বাবে মানসিক পৰিৱৰ্তন আৰু উৎসাহ জগাব। কোমল বয়সৰ পৰাই শ্ৰমৰ মৰ্যাদাৰ বিষয়ে সজাগতা সৃষ্টিয়ে বাবুগিৰি চাকৰি কৰাৰ মানসিকতা পৰিৱৰ্তন কৰাত সহায় কৰিব। দক্ষতা অৰ্জনৰ কাৰ্যসূচী জনপ্ৰিয় কৰা তথা আশা-আকাংক্ষা সৃষ্টিৰ বাবে বিভিন্ন ধৰণৰ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। ইয়াৰ ফলত গতিময়তা লাভ কৰাত সহায়ক হ'ব।

**ওপৰলৈ যোৱাৰ একত্ৰিত প্ৰয়াস**

ৰাষ্ট্ৰীয় দক্ষতা বিকাশ আৰু শিল্পোদ্যোগ নীতি, ২০১০ অনুযায়ী ভাৰতক ২০২২ বৰ্ষৰ ভিতৰত ১১০ নিযুত লোকক দক্ষ আৰু ২৯০ নিযুতক পুনৰ দক্ষ/উচ্চ স্তৰৰ দক্ষ কৰি তোলাৰ আৱশ্যক। এই বৃহৎ কামৰ বাবে সমগ্ৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱকক একত্ৰিত কৰাৰ আৱশ্যক। দক্ষতা বিষয়ক প্ৰশিক্ষণ কাৰ্যসূচীৰ সফলতা নিৰ্ভৰ কৰে আমি কিমান ভালদৰে এনে যুৱশক্তি একত্ৰিত কৰিবলৈ সমৰ্থ হ'ব পাৰোঁ। চলিত দৃশ্যপটত এজন প্ৰাৰ্থীক গোটোৱা কাৰ্য প্ৰশিক্ষণ যোগান ধৰোঁতালৈ এৰি দিয়া হয়। একত্ৰিত কিম্বা সংগ্ৰহকৰণত যি শোচনীয় স্থিতিয়ে দেখা দিয়ে তাৰ কাৰণ হ'ল কিছুমান তথ্য আৰু সম্ভেদ সমুচিতভাৱে দাঙি ধৰিব নোৱাৰাটো। বুনিয়াদী পাঠ্যক্ৰম কি, শ্ৰমিক বজাৰৰ ফল কেনে ধৰণৰ, তাক সঠিকভাৱে বুজাই ক'ব নোৱাৰাটো হ'ল এটা নেতিবাচক দিশ। তেনে আন কিছুমান বিষয়ো আছে; যেনে— বুনিয়াদী পাঠ্যক্ৰমৰ বহন-যোগ্যতা, প্ৰব্ৰজন অৰ্থাৎ এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ অনিচ্ছুকতা প্ৰকাশ, পুৰণিকলীয়া পাঠ্যক্ৰম ইত্যাদি। এতিয়া সময়ৰ আৱশ্যকতা হ'ল এটা নিৰ্দিষ্ট কৌশল অৱলম্বন কৰা— যাৰ জৰিয়তে সম্ভাব্য প্ৰশিক্ষাৰ্থীসকলক সংগ্ৰহ কৰিব পৰা যায়। মহাৰাষ্ট্ৰ চৰকাৰৰ 'স্কীল সাথী মডেল' হ'ল এনে এটা ব্যৱস্থা য'ত দক্ষতা বিকাশ কাৰ্যসূচীৰ কাৰণে মহিলাসকলক একত্ৰিত কৰিবৰ বাবে সমাজৰ তৰুণী মহিলাসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। থলুৱাভাৱে পৰিৱৰ্তন সাধন কৰাৰ ক্ষেত্ৰত এয়া হ'ল এটা নতুন পথ। দক্ষতা বিকাশৰ কাৰ্যক্ৰমণিকা আগবঢ়াই নিবৰ কাৰণে সমাজৰ লোকক জড়িত কৰা এটা প্ৰেৰণাদায়ক বিষয়। এনেকি থলুৱা

## আশান্বিত সূচীনামা

| জনগাঁথনিৰ দিশত সুবিধাজনক ৰাজ্য | খণ্ডসমূহত জনশক্তিৰ চাহিদা | যুৱকসকলৰ আশা-আকাংক্ষা | | |
|---|---|---|---|---|
| | | উচ্চ | গড় হিচাপত | নিম্ন |
| উত্তৰ প্ৰদেশ | বিল্ডিং, নিৰ্মাণ আৰু ৰিয়েল ইষ্টেট, সংগঠিত পাইকাৰী আৰু বেংকিং, বিত্তীয় সেৱা তথা বীমা | আই টি/আই টি ই এছ, সংগঠিত পাইকাৰী আৰু মিডিয়া তথা বিনোদন | বি এফ এছ আই, স্বাস্থ্য যতন, হোমিওপেথী আৰু খাদ্য সংসাধান | বিল্ডিং আৰু নিৰ্মাণ, পৰিবহণ, কৃষি আৰু আনুষঙ্গিক, বস্ত্ৰ, অন্যান্য প্ৰস্তুতকৰণ, ফাৰ্মাচিউটিকেল |
| দিল্লী | পাইকাৰী, নিৰ্মাণ, পৰিবহণ, ঘৰুৱা সহায়, আই টি তথা আই টি ই এছ, শুশ্ৰূষা, স্বাস্থ্য ৰক্ষা, শিক্ষা আৰু বেংকিং, বিত্তীয় সেৱা তথা বীমা | পাইকাৰী, আই টি তথা বি পি অ', শিক্ষা, অটো এণ্ড অটো পাৰ্টছ, ৰাজহুৱা প্ৰশাসন, বিদ্যুৎ সা-সৰঞ্জাম, বস্ত্ৰ আৰু সাজ-পোছাক, ইলেক্ট্ৰনিক তথা হাৰ্ডৱেৰ | নিৰ্মাণ, পৰিবহণ, শুশ্ৰূষা, বি এফ এছ আই, অটো মেইনটেনেন্স, স্বাস্থ্য ৰক্ষা, মিডিয়া আৰু বিনোদন, ধাতৱ সামগ্ৰী, ছপা আৰু প্ৰকাশ, খাদ্য সংসাধন, ৰসায়ন আৰু ফাৰ্মাচিউটিকেল | ঘৰুৱা সহায়, নিৰাপত্তা ৰক্ষক, সমুদায় বিক্ৰী বেহা, কাঠ আৰু চকী-মেজ আদি, ৰিয়েল ইষ্টেট ছাৰ্ভিচেছ |
| ঝাৰখণ্ড | বিল্ডিং আৰু নিৰ্মাণ, পৰ্যটন আৰু ভ্ৰমণ, বেপাৰ-বাণিজ্য, খাদ্য সংসাধন, বেংকিং আৰু বিত্ত, অভিযান্ত্ৰিক সামগ্ৰী আৰু পৰিবহণ | খাদ্য সংসাধন, বেংকিং আৰু বিত্ত, অভিযান্ত্ৰিক সামগ্ৰী, বস্ত্ৰ আৰু সাজ-পোছাক, অটোম'বাইল, স্বাস্থ্য ৰক্ষা, শিক্ষা আৰু দক্ষতাৰ বিকাশ তথা আই টি - আই টি ই এছ | পৰ্যটন, অতিথি শুশ্ৰূষা, ভ্ৰমণ আৰু বাণিজ্য, ৰিয়েল ইষ্টেট আৰু ব্যৱসায়িক সেৱা, মিডিয়া আৰু যোগাযোগ, বিদ্যুৎ, গেছ আৰু জলযোগান | বিল্ডিং আৰু নিৰ্মাণ, খনিজ, হস্ততাঁত, হস্তশিল্প, সংগঠিত পাইকাৰী ব্যৱসায়, চামৰা সামগ্ৰী, ৰসায়ন আৰু ফাৰ্মাচিউটিকেল |
| মধ্য প্ৰদেশ | নিৰ্মাণ, পাইকাৰী, কৃষি আৰু আনুষঙ্গিক কাম-কাজ, বস্ত্ৰ, পৰিবহণ আৰু খনিজ সংসাধন | আই টি - আই টি ই এছ, স্বাস্থ্য ৰক্ষা, শিক্ষা, দক্ষতা বিকাশ, অটো আৰু অটো সামগ্ৰী, মিডিয়া আৰু বিনোদন | অতিথি শুশ্ৰূষা, বেংকিং আৰু বিত্তীয় সেৱা, বস্ত্ৰ, পৰিবহণ আৰু খনিজ সংসাধন | নিৰ্মাণ, পাইকাৰী, কৃষি আৰু আনুষঙ্গিক কাম, বস্ত্ৰ, পৰিবহণ, খনিজ সংসাধন |
| ৰাজস্থান | ইলেক্ট্ৰিচিয়ান, কম্পিউটাৰ ভিত্তিক একাউণ্টেচি আৰু আই টি, ম'বাইল ৰিপেয়াৰিং, ওৱাইৰিং তথা ৰিপেয়াৰিং (ঘৰুৱা), অটোম'বাইল মেকানিক, কোৰিয়াৰ ডেলিভাৰী, বিক্ৰী আৰু বিপণন, মণি-মুকুতা আৰু গহনা-পাতি, হস্তশিল্প তথা হস্ততাঁত | ইলেক্ট্ৰিচিয়ান | হস্তশিল্প আৰু হস্ততাঁত | ম'বাইল ৰিপেয়াৰিং, কম্পিউটাৰ-ভিত্তিক একাউণ্টেচী, আই টি, ওৱাইৰিং আৰু ৰিপেয়াৰিং (ঘৰুৱা), কোৰিয়াৰ ডেলিভাৰী, বিক্ৰী আৰু বিপণন, মণি-মুকুতা আৰু গহনা-পাতি |

| জনগাঁথনিৰ দিশত সুবিধাজনক ৰাজ্য | খণ্ডসমূহত জনশক্তিৰ চাহিদা | যুৱকসকলৰ আশা-আকাংক্ষা | | |
|---|---|---|---|---|
| | | উচ্চ | গড় হিচাপত | নিম্ন |
| পশ্চিম বঙ্গ | নিৰ্মাণ, পাইকাৰী, কৃষি আৰু আনুষঙ্গিক, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ, মজলীয়া উদ্যোগ, মৰাপাট, বস্ত্ৰ, কৃষি-খাদ্য সংসাধন | আই/আই টি ই এছ, স্বাস্থ্য ৰক্ষা, বেংকিং আৰু বিত্তীয় সেৱা, মেৰামতি আৰু তদাৰক, ইঞ্জিনীয়াৰিং, অটো, শিক্ষা আৰু প্ৰশিক্ষণ, মণি-মুকুতা আৰু গহনা-পাতি | পৰ্যটন, ভ্ৰমণ আৰু অতিথি শুশ্ৰূষা, পৰিবহণ, যোগাযোগ, ৰবৰ আৰু প্লাষ্টিক, ইলেক্ট্ৰনিক তথা হাৰ্ডৱেৰ | নিৰ্মাণ, পাইকাৰী, কৃষি আৰু আনুষঙ্গিক, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, মৰাপাট-বস্ত্ৰ আৰু কৃষি খাদ্য সংসাধন |
| মহাৰাষ্ট্ৰ | আই টি - আই টি ই এছ, সংগঠিত পাইকাৰী, নিৰ্মাণ, কৃষি আৰু আনুষঙ্গিক, ৰসায়ন আৰু ফাৰ্মাচিউ-টিকেল, মণি-মুকুতা আৰু গহণা-পাতি | আই টি/আই টি ই এছ, সংগঠিত পাইকাৰী, পৰ্যটন, ভ্ৰমণ আৰু অতিথি শুশ্ৰূষা, খাদ্য সংসাধন, অটো আৰু অটো সামগ্ৰী | মিডিয়া আৰু বিনোদন, বি এফ এছ আই, পৰিবহণ আৰু আনুষঙ্গিক, স্বাস্থ্য ৰক্ষা, শিক্ষা আৰু দক্ষতাৰ বিকাশ, বস্ত্ৰ | বিল্ডিং আৰু নিৰ্মাণ, অন্যান্য প্ৰস্তুত কাৰ্য, কৃষি আৰু আনুষঙ্গিক, ৰসায়ন আৰু ফাৰ্মাচিউটিকেল, মণি-মুকুতা আৰু গহনা-পাতি |
| তামিলনাডু | নিৰ্মাণ, পাইকাৰী তথা ভ্ৰমণ আৰু অতিথি শুশ্ৰূষা, পৰ্যটন, বি এফ এছ আই আৰু অটোম'বাইল, | অটোম'বাইল, আই টি/আই টি ই এছ, পৰ্যটন, ভ্ৰমণ আৰু অতিথি শুশ্ৰূষা, পাইকাৰী, বি এফ এছ আই, ইলেক্ট্ৰনিকছ, হাৰ্ডৱেৰ আৰু শিক্ষা | বস্ত্ৰ, মিডিয়া আৰু বিনোদন, পৰিবহণ, স্বাস্থ্যৰক্ষা, ৰিয়েল ইষ্টেট | চামৰা, নিৰ্মাণ, খাদ্য সংসাধন, মণি-মুকুতা আৰু গহণা-পাতি, ৰসায়ন তথা ফাৰ্মাচিউটিকেল, চকী-মেজ আদি, কৃষি, হস্ততাঁত আৰু হস্তশিল্প |

**উৎস ঃ** এন এছ ডি চি স্কীল গ্ৰুপৰ প্ৰতিবেদনৰ (২০১২) ওপৰত ভিত্তি কৰি যুগুতোৱা হৈছে।

সামাজিক কামত জড়িত থকা সংস্থাবোৰ পৰিৱৰ্তনৰ বাহক হ'ব পাৰে আৰু তৰুণ প্ৰজন্মৰ বিকাশ ক্ষেত্ৰ সৃষ্টি কৰাত সহায় কৰিব পাৰে। তেনে আধাৰ গঢ়ি উঠিলে নিয়োগযোগ্য দক্ষতা প্ৰশিক্ষণৰ বাবে সেই যুৱকসকলৰ চেতনা জাগি উঠিব। প্ৰয়োজনীয় তথ্যপাতি উপস্থাপন কৰিবৰ বাবে এছ এছ ডি এম পোৰ্টেল ব্যৱহাৰ কৰিব পাৰে। লগতে আধাৰ কাৰ্ড, ভোটদাতাৰ পৰিচয় তথা বেংক একাউণ্টৰ সৈতে এই পোৰ্টেলৰ যোগসূত্ৰ স্থাপন কৰি ভৱিষ্যতৰ দিশ উন্মোচন কৰিব পাৰে— যিটোৱে নিজকে সক্ষম কৰি তোলাত সহায় কৰিব। উক্ত সংস্থাবোৰক প্ৰতি ঘৰলৈ গৈ নিবনুৱা যুৱকসকলে দক্ষতা অৰ্জনৰ প্ৰশিক্ষণ গ্ৰহণ কৰিবৰ বাবে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ অতিৰিক্ত দায়িত্ব প্ৰদান কৰিব পাৰে। সংস্থাৰ লোকে ঘৰৰ অভিভাৱকসকলক লগ ধৰি তাৰ গুৰুত্বৰ বিষয়েও সৰলভাৱে বুজাই দিব পাৰে।

যোগাযোগ কাৰ্যসূচীকে ধৰি এটা ৰাষ্ট্ৰীয় সজাগতা অভিযানৰ ব্যৱস্থা ক্ৰমে সমগ্ৰ বিষয়টোৰ গুৰুত্ব অধিক বৃদ্ধি পাব। স্কুল, কলেজ আৰু অন্য শিক্ষা প্ৰতিষ্ঠানসমূহত শ্ৰমিক বজাৰৰ সুফল কি সেই বিষয়ে সদৰি কৰিলে তাৰ প্ৰতি বহুতেই আকৃষ্ট হ'ব আৰু প্ৰশিক্ষাৰ্থীসকল বিভিন্ন খণ্ডত নিয়োগ লাভ কৰিবলৈ তৎপৰ হৈ উঠিব।

**ভিন্নতাৰ সমাধান**

ভাৰতীয় শ্ৰমিক বজাৰত খণ্ড পৰ্যায়, লিঙ্গ আৰু অন্য ধৰণৰ ভিন্নতা দেখা যায়। ইয়াত

নীতিবহিৰ্ভূত নিয়োগৰ আধিপত্য স্পষ্ট (৯৩ শতাংশ) আৰু মাত্ৰ প্ৰায় ৮ শতাংশ লোকহে বিধিগত খণ্ডত কাম কৰে। উভয় খণ্ডৰ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা সুকীয়া ধৰণৰ। নীতিবহিৰ্ভূত খণ্ডৰ শ্ৰমিক বিভাগত বিশেষ দক্ষতা থকা লোকৰ অভাৱ পৰিলক্ষিত হয় আৰু শিকি-বুজি নিজকে খাপ খুৱাই লওঁতে সময় লাগে, আৰু সেইটোৱে উৎপাদনশীল গতিত বাধা জন্মায়। এই খণ্ডটোত কৰ্মীসকলৰ শিক্ষা তেনেই কম আৰু দক্ষতাৰ স্তৰো নিম্ন মানৰ। সেয়ে ভাল দক্ষ জনশক্তি লাভ কৰিবৰ বাবে যি ৰাষ্ট্ৰীয় নবিচ কাৰ্যসূচী আছে তাক ভাল ধৰণে ব্যৱহাৰ কৰা উচিত।

মহিলাসকলে মুঠ জনসংখ্যাৰ প্ৰায় ৪৮ শতাংশ অধিকাৰ কৰে, কিন্তু শ্ৰমিক শক্তিত তেওঁলোকৰ অংশগ্ৰহণ হ'ল মাত্ৰ প্ৰায় ২২ শতাংশ। এই ক্ষেত্ৰত প্ৰধান মন্ত্ৰীৰ এষাৰ উক্তি স্মৰ্তব্য। তেওঁ কৈছিল— "মহিলাসকলৰ যি সামৰ্থ্য আৰু ক্ষমতা আছে তাক যদি ভালদৰে গঢ় দিয়া হয় আৰু বিকাশ প্ৰক্ৰিয়াৰ স'তে তেওঁলোকক সংযোগ কৰা হয়, তেনেহ'লে যিকোনো দেশৰেই উন্নতি ক্ষিপ্ৰতৰ হৈ উঠিব।" সেয়ে সময়ৰ আহ্বান হ'ল মহিলাসকলক দক্ষ কৰি তোলাৰ ওপৰত আলোকপাত কৰা যাতে শ্ৰমিক বজাৰৰ ক্ষেত্ৰখনত যোগ দিবলৈ সক্ষম কৰি তুলিব পাৰি। মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰিবৰ বাবে নিৰ্দিষ্ট ধৰণৰ নীতি-ব্যৱস্থা হাতত লোৱা প্ৰয়োজন। তাৰ বাবে পৰ্যাপ্তভাৱে যুক্তিসংগত সহায়-সমৰ্থন প্ৰদান কৰা আৱশ্যক আৰু দক্ষতা অৰ্জন কৰাৰ ওপৰত বিশেষভাৱে মন দিয়া দৰকাৰ। লগতে নিয়োগকৰ্তাসকলে মহিলাক নিয়োগ কৰিবলৈ সাজু থাকিব লাগে আৰু তেনে স্থিতিত তেওঁলোকক সুযোগ-সুবিধাও প্ৰদান কৰা আৱশ্যক— যাতে কাৰ্মিক জনসংখ্যাৰ এটা অংশস্বৰূপ হৈ উঠিব পাৰে। লিঙ্গ বিষয়ক চলিত যি গতিধাৰা অব্যাহত আছে সেইটো মহিলাসকলে অংশগ্ৰহণ কৰিবৰ বাবে ভংগ কৰিব লাগিব আৰু কাম-কাজ তথা দক্ষতাৰ ক্ষেত্ৰখনত ভাগ ল'বলৈও উৎসাহিত কৰিব লাগিব। চিৰাচৰিত ধৰণ-কৰণৰ পৰা এনেবোৰ কাৰ্যৰ পাৰ্থক্যই তেওঁলোকক সবল কৰি তোলাত সহায় কৰিব। এই ক্ষেত্ৰত হাৰিয়ানা চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰিব পাৰি। তাৰ তীখা খণ্ডৰ কাম-কাজত মহিলাসকলৰ অংশগ্ৰহণে নিজকে সমৰ্থৱান কৰি তোলাত সহায় কৰিছে। জিন্দাল ষ্টীলছ নামৰ উদ্যোগ প্ৰতিষ্ঠানে সেই কাৰ্যত সহায় কৰি এটা উত্তম দৃষ্টান্ত দাঙি ধৰিছে।

উত্তৰ আৰু উত্তৰ-পূব অঞ্চলত কেৱল খণ্ড পৰ্যায়ৰ তথা লিঙ্গ বিষয়ক তাৰতম্যই নাই, তদুপৰি আন্তঃগাঁথনিৰ ক্ষেত্ৰতো প্ৰভেদ আছে। আনপিনে দাক্ষিণাত্য আৰু পশ্চিম অঞ্চলত সেই গতিধাৰা সুকীয়া ধৰণৰ। এই পিছৰ দুই অঞ্চলত ৬৭ শতাংশ বেচৰকাৰী আৰু চৰকাৰী আই টি আই প্ৰতিষ্ঠানে জনসংখ্যাৰ ৫১ শতাংশ লোকৰ প্ৰয়োজনীয়তা পূৰণ কৰে আৰু এইবোৰত আসনৰ ক্ষমতা হ'ল ৬০ শতাংশ। ইপিনে উত্তৰ আৰু পূব মণ্ডলত মাত্ৰ ৩৩ শতাংশ আই টি আই প্ৰতিষ্ঠানে ৪৯ শতাংশ জনসংখ্যাক সুবিধা প্ৰদান কৰে। সেইবোৰ প্ৰতিষ্ঠানৰ আসনৰ ক্ষমতা হ'ল ৪০ শতাংশ। কেৱল সেয়াই নহয় প্ৰতিটো মণ্ডলৰ ভিতৰতে ৰাজ্য ভিত্তিত যথেষ্ট তাৰতম্য আছে। সেই কাৰণে এই অঞ্চলবোৰত আন্তঃগাঁথনি সৃষ্টি কৰাৰ ওপৰত আলোকপাত কৰা দৰকাৰ আৰু য'তেই সম্ভৱ হয় পশ্চিম আৰু দক্ষিণ অঞ্চলৰ দৰেই প্ৰব্ৰজন কৰাসকলক দক্ষ আৰু অধিক দক্ষ কৰি তুলিবৰ বাবে উন্নত সা-সুবিধা সৃষ্টি কৰা দৰকাৰ। নিয়োগৰ সা-সুবিধা থকা ঠাইবোৰলৈ যাব খোজাসকলৰ যাতে তেনে দক্ষতা অৰ্জনৰ বাবে কোনো অসুবিধা নহয়, তেনে প্ৰতিষ্ঠানৰ দিহা কৰা বাঞ্ছনীয়। এই ক্ষেত্ৰত উৎস আৰু লক্ষ্য নিৰূপিত ৰাজ্য উভয়ৰে সমৰ্থনসূচক সঁহাৰি জনোৱাৰ আৱশ্যক হয়। ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে উপযুক্তভাৱে যাতে প্ৰশিক্ষণ আদি প্ৰদান কৰিব পাৰে আৰু তাৰ স্তৰ উচিত মানৰ হয় তাৰ প্ৰতিও মনোযোগ দিয়া উচিত। "কৰ্পোৰেট সামাজিক দায়িত্ববোধৰ" দৃষ্টিকোণৰ এনে স্তৰ হ'লে ভাল হয় অথবা আন্তঃগাঁথনি বিকাশৰ ক্ষেত্ৰত পোনপটীয়া অংশগ্ৰহণৰ ভূমিকা থাকিলে ভাল হয় আৰু সেয়া চাকৰিৰ প্ৰশিক্ষণ, নবিচ কালৰ প্ৰশিক্ষণ, প্ৰশিক্ষণ দিওঁতাসকলৰ প্ৰশিক্ষণ আৰু ভৱিষ্যৎ কামৰ বাবে সক্ষম কৰ্মবাহিনী সৃষ্টিৰ অৰ্থে পাঠ্যক্ৰমৰ পুনৰবৰ্দ্ধিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

### পুনৰ দক্ষ আৰু অধিক দক্ষ কৰি তোলাৰ সুবিধা

বৃহৎ সংখ্যক যুৱকে মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰাৰ আগতেই পঢ়িবলৈ এৰি দিয়ে। দশম পৰিকল্পনা মতে (২০১২-১৭) ৪৭ শতাংশ ছাত্ৰই এনেদৰে স্কুল পৰিত্যাগ কৰে। কিন্তু তাৰ ফলত তেওঁলোকে কঠিনতাৰ সন্মুখীন হ'ব লগা হয়। শ্ৰমিক বজাৰৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰাৰ লগে লগে কৰ্ম-কৌশলৰ জ্ঞান অতি নিম্ন স্তৰৰ হোৱাৰ বাবে তেওঁলোকে কম মজুৰিতেই চাকৰি কৰিব লগা হয়। সেয়ে তেনে লোকৰ দক্ষতাৰ স্তৰ উন্নত কৰাৰ সুযোগ দিয়া

আৱশ্যক। যি শিকিছিল তাতকৈ অধিক আৰু উচ্চ মানৰ দক্ষতাৰ গুণ আহৰণ কৰিবলৈ অনুপ্ৰাণিত কৰা দৰকাৰ। ইয়াৰ বাবে ৰাজ্য আৰু কেন্দ্ৰ উভয়তে বহুত কাৰ্যসূচী আছে— যাৰদ্বাৰাই উপযুক্ত-ভাৱে নিয়োগযোগ্য কৰি তুলিব পৰা যায়। কিন্তু এনে কাৰ্যসূচীৰ ভিতৰত দক্ষতাৰ সন্দৰ্ভত এটা স্পষ্ট ভাবধাৰা থাকিব লাগে— যাৰদ্বাৰাই ৰাষ্ট্ৰীয় নীতিত উল্লেখ কৰা নিৰ্দিষ্ট লক্ষ্যৰ ইঙ্গিত ফল পাব পাৰি। তাৰ বাবে দক্ষতা, পুনৰ দক্ষতা আৰু অধিক দক্ষতাৰ ওপৰত শিক্ষা প্ৰদান নিৰ্দিষ্ট কৰিব লাগিব। কিন্তু ইয়াৰ বাবে এনে কৰ্মীক চিহ্নিত কৰাটো হ'ল এটা প্ৰত্যাহ্বানৰ বিষয়। সেয়ে দক্ষতা সন্দৰ্ভৰ প্ৰভেদ বিশ্লেষণ পদ্ধতিৰ দিহা কৰা আৱশ্যক। কৌশল বিকাশৰ কাৰণে বিষয়বস্তুৰ বিকাশৰ প্ৰতিও মনোযোগ দিব লাগিব আৰু সময় পূৰ্তিৰ লগে লগে ক্ষেত্ৰস্থলতে তাৰ শ্ৰেণীকৰণ নিৰ্ণয় কৰিব লাগিব— যিটোৱে সঠিক পৰিচয় দাঙি ধৰাত সহায়ক হ'ব। দক্ষতাৰ প্ৰশিক্ষণক সম্পূৰ্ণ ৰূপে বুজি উঠিবৰ বাবে মূল্যাংকন কৰাও আৱশ্যক। কাৰণ তেনে ব্যৱস্থাৰ-দ্বাৰাইহে প্ৰশিক্ষণৰ বাবে প্ৰদান কৰা পুঁজি উচিত মতে ব্যৱহাৰ কৰিবলৈ সুবিধা হ'ব আৰু তেনে প্ৰশিক্ষণৰদ্বাৰাই চাকৰি, বেতন, উন্নত জীৱন ধাৰা আৰু উৎপাদনশীলতাৰ ক্ষেত্ৰত নিজস্বভাৱে, সময়-কাল অনুযায়ী এটা ইতিবাচক ফল পোৱা আশা কৰিব পৰা যায়।

পূৰ্বতে শিকি-বুজি লোৱা সকলক স্বীকৃতি প্ৰদান কৰা আৱশ্যক— বিশেষকৈ যিসকলে শ্ৰমিক ক্ষেত্ৰখনত যোগদান কৰে আৰু কাম কৰি অভিজ্ঞ হৈ উঠিছে; কিন্তু তাৰ বাবে কোনো প্ৰমাণ-পত্ৰ নাই; আৰু সেইসকল লোককো স্বীকৃতি দিয়া উচিত যিসকলে এটা পুৰুষৰপৰা আনটো পুৰুষলৈ বাগৰি অহা কৰ্মশৈলীৰে পুষ্ট হৈ দক্ষতা লাভ কৰিছে। এই ক্ষেত্ৰত ঘাইকৈ কমাৰ-কুমাৰ আৰু হস্তশিল্পত ন্যস্ত থকা কৰ্মীসকলৰ কথা ক'ব পাৰি। তেনে স্বীকৃতি প্ৰদান ব্যৱস্থাই তেনে লোকক উন্নত স্তৰৰ যোগ্য কৰি তোলাৰ সামৰ্থ্য আছে। গতিশীলতা প্ৰদান কৰাৰ উপৰি চাকৰি জীৱনত ন ন অভিজ্ঞতাৰ সমাৱেশ ঘটোৱা, সমাজৰ সৰ্বদিশৰ প্ৰতি সচেতন আৰু নিজৰ অস্তিত্বক অটুট ৰাখিবৰ বাবেও অনুপ্ৰাণিত কৰিব পাৰে। ভাৰতত এনে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে— বিশেষকৈ যেতিয়া ২৯৮.২৫ নিযুত কৰ্মীক পুনৰ দক্ষ আৰু অধিক দক্ষ কৰি তুলিব লাগে। কৌশল বিকাশৰ ৰাষ্ট্ৰীয় নীতি বিষয়ক মন্ত্ৰণালয়ে ইয়াৰ ওপৰত আলোকপাত কৰিছে আৰু সেই কাম সমাধানৰ বাবে প্ৰয়াস অব্যাহত আছে। কিন্তু পূৰ্বতে শিকি-বুজি কাম কৰা লোকক স্বীকৃতি প্ৰদান কৰিবলৈ চিহ্নিত কৰাটো এটা কঠিন বিষয়। অৰ্হতাপূৰ্ণ লোক আৰু সকলো পৰিস্থিতিৰ বাবে উপযুক্ত হোৱা এনে আৰ্হি নাই। বৰং সুকীয়া সুকীয়া খণ্ডই সুকীয়া ধৰণৰ আৰ্হি উপস্থাপন কৰে। এনে স্বীকৃতি উপযুক্তভাৱে কাৰ্যকৰী কৰিবলৈ স্ব-প্ৰণোদিত নীতি থাকিব লাগিব— বাহিৰৰ পৰা ধাৰ কৰিলে তেনে স্থিতি খাপ খাই নপৰিব। এনে 'আৰ পি এল'ৰ সফলতা নিৰ্ভৰ কৰে তাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ ওপৰত। উপযুক্ত বুনিয়াদী বিষয়ৰ তদাৰকতা আৰু দিহা-পৰামৰ্শ সেৱা; ন্যায়িক আৰু নিয়ামক পৰিকাঠামো— যাৰদ্বাৰাই তেনে শিক্ষা আৰু প্ৰশিক্ষণ পদ্ধতি সঠিক দিশত আগবাঢ়ি যাব পাৰে। এনে কামত সম্পৰ্ক থকা সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সক্ৰিয় অংশগ্ৰহণ; উপযুক্ত প্ৰতিষ্ঠান-মূলক পৰিগাঁথনি; কাম কৰাৰ মান আৰু অৰ্হতাৰ মান মিল (এই সামঞ্জস্য পূৰ্ণ পৰ্যায়ৰ অৰ্হতাৰ নহ'লেও অন্ততঃপক্ষে আংশিক স্তৰত হোৱা উচিত); নিৰ্দিষ্ট লক্ষ্যৰ গোটসমূহৰ প্ৰসঙ্গত উপযুক্ত নিৰ্দ্ধাৰণ আহিলা আৰু পদ্ধতিৰ প্ৰয়োগ; আৰ পি এলৰ বাবে সম পুঁজিৰ ব্যৱস্থা আৰু প্ৰাৰ্থীসকলৰ প্ৰতি দক্ষতাৰ মান উন্নীত কৰাৰ অৰ্থে সুযোগ-সুবিধা প্ৰদান ইত্যাদি।

**স্কুলৰপৰা কৰ্ম অৱস্থাৰ স্থিতিৰ জৰীপ**

যুৱকৰ বাবে শ্ৰমিক ক্ষেত্ৰৰ তথ্যৰ মাত্ৰা আৰু গুণগত দিশ উন্নত কৰাৰ প্ৰয়োজন হয়। ১৫-২৯ বছৰ বয়স-গোটৰ যুৱককেই এই শ্ৰেণীত ধৰা হয়। শ্ৰমিক শক্তিৰ সন্দৰ্ভত কৰা জৰীপে নিয়োগ, নিবনুৱা আৰু শ্ৰমিক শক্তিৰ বাহিৰত থকা সম্পৰ্কে তথ্যৰ যোগান ধৰে আৰু লগতে নিৰ্ণায়ক দিশ সঞ্চাৰ কৰিবৰ বাবেও সুবিধা আগবঢ়ায়। তেনে নিৰ্ণয়সূচক তথ্য হ'ল— নিবনুৱা হৈ থকাৰ কাল-অৱধি, নিয়োগ স্থিতি, উদ্যোগ, প্ৰতিষ্ঠান আদিৰদ্বাৰা কৰা নিযুক্তি। পিছে কামত সন্তুষ্টি লাভ কৰিছেনে, স্কুল এৰি অথবা স্কুলীয়া শিক্ষাৰ অন্তত কাম কৰিবলৈ গৈ ব্যস্ত থকা কালছোৱা সহজ নে কঠিন সেই বিষয়ে ই তথ্যৰ যোগান নধৰে। কিন্তু "স্কুলৰপৰা কৰ্ম অৱস্থাৰ স্থিতিৰ জৰীপ" অৰ্থাৎ স্কুল এৰি অথবা স্কুলীয়া শিক্ষাৰ অন্তত কামত যোগদান কৰা সন্দৰ্ভত হাতত লোৱা জৰীপ ব্যৱস্থাই ৰাষ্ট্ৰীয় নিয়োগ কাৰ্যসূচীৰ আকাৰ-প্ৰকাৰ সঠিক দিশৰ তথা ৰূপায়ণৰ বাবে প্ৰাসঙ্গিকতা থকা শ্ৰমিক বজাৰৰ তথ্য সময়মতে যোগান ধৰিব। এই তথ্যত তৰুণ পুৰুষ আৰু মহিলাই নিয়োগ লাভৰ ক্ষেত্ৰত সন্মুখীন হোৱা নিৰ্দিষ্ট প্ৰত্যাহ্বানবোৰকো সামৰি ল'ব। ফলস্বৰূপে ই স্পৰ্শকাতৰ

**(২৭ পৃষ্ঠাত চাওক)**

# ৰাষ্ট্ৰিক নিয়োগকাৰী হিচাপে প্ৰস্তুতকৰণ

**সৌৰভ সান্যাল***
**ৰঞ্জিত মেহতা***

ভাৰতত প্ৰতি বছৰে ১০ নিযুত (অৰ্থাৎ ১ কোটি) চাকৰিৰ আৱশ্যক। বিশ্বজোৰা তথ্যই দেখুৱায় যে কোনো বৃহৎ উদ্যোগে নহয়, বৰং ষ্টাৰ্ট-আপসমূহেহে যিকোনো দেশত বৃহৎ সংখ্যক নতুন চাকৰি সৃষ্টি কৰিব পাৰে। ষ্টাৰ্ট-আপ হ'ল উদ্ভাৱনাৰ কেন্দ্ৰ আৰু অৰ্থনৈতিক ব্যৱস্থাত নিযুক্তি সৃষ্টিৰ বাবে প্ৰকৃষ্ট উপায়। মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ২০১৬ চনৰ ১৬ জানুৱাৰীত 'ষ্টাৰ্ট-আপ ইণ্ডিয়া' আনুষ্ঠানিকভাৱে মুকলি কৰে নতুন দিল্লীৰ বিজ্ঞান ভৱনত। এই পদক্ষেপৰ লক্ষ্য হ'ল উদ্যমিতাৰ পৃষ্ঠপোষকতা কৰা আৰু উদ্ভাৱনী শক্তিক উৎসাহিত কৰি ষ্টাৰ্ট-আপৰ উদ্যমীসকলৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰা। ইয়াৰ মূল উদ্দেশ্য নিযুক্তিৰ সন্ধানত থকা লোকৰ ৰাষ্ট্ৰতকৈ ভাৰতক নিযুক্তি সৃষ্টিকাৰী দেশৰূপে গঢ়ি তোলা। ভাৰতৰ উদ্যমীসকলৰ মাজত প্ৰধান মন্ত্ৰীৰ 'ষ্টাৰ্ট-আপ ইণ্ডিয়া' পদক্ষেপে ইতিমধ্যে বহু আশা আৰু ইতিবাচক চিন্তাৰ সঞ্চাৰ কৰিছে। এই পদক্ষেপৰ ফলত ভাৰতক উদ্ভাৱন, ডিজাইন আৰু ষ্টাৰ্ট-আপৰ ভূমিৰূপে প্ৰতিষ্ঠা কৰিবলৈ ভাৰত চৰকাৰৰ দায়বদ্ধতা প্ৰতিপন্ন কৰাত যথেষ্ট সহায়ক বিবেচিত হ'ব।

'ষ্টাৰ্ট-আপ কোম্পানী' বা 'ষ্টাৰ্ট-আপ' বা 'ষ্টাৰ্ট-আপ' হ'ল এটা কনিষ্ঠ বা নতুন কোম্পানী যি বিকাশৰ পথত অগ্ৰসৰ হোৱাৰ বাবে আৰম্ভ কৰিছে। ষ্টাৰ্ট-আপসমূহ সাধাৰণতে ক্ষুদ্ৰ পৰিসৰৰ হয় আৰু আৰম্ভণিতে কেইজনমান উদ্যমী বা এজন ব্যক্তিৰ উদ্যোগত বিনিয়োগ বা পৰিচালিত হয়। এই কোম্পানীসমূহে এনে সামগ্ৰী বা সেৱা আগবঢ়ায় যি প্ৰচলিত বজাৰত কোনোৰেই দিব পৰা নাই বা ইয়াত প্ৰতিষ্ঠাতাসকলৰ মতে বজাৰত এনে ধৰণৰ নিম্ন মানৰ সামগ্ৰী বা সেৱাহে চলি আছে। আৰম্ভণিৰ কালছোৱাত ষ্টাৰ্ট-আপ কোম্পানীসমূহৰ ব্যয় তেওঁলোকে সংগ্ৰহ কৰা ৰাজহতকৈ অধিক হোৱা পৰিলক্ষিত হৈছিল, কাৰণ কোম্পানীসমূহে উন্নয়ন, পৰীক্ষণ আৰু বিপণনৰ ক্ষেত্ৰত কিছু ধন খৰচ কৰিছিল। সেইবাবে তেওঁলোকক প্ৰায়েই বিনিয়োগৰ প্ৰয়োজন হৈছিল। পৰম্পৰাগত ক্ষুদ্ৰ ব্যৱসায়িক ঋণ (বেংক বা ঋণদান সমিতিৰ পৰা), স্থানীয় বেংকৰপৰা চৰকাৰী পৃষ্ঠপোষকতাত ক্ষুদ্ৰ ব্যৱসায়িক প্ৰশাসন ঋণ বা অলাভজনক সংগঠন আৰু ৰাজ্য চৰকাৰৰপৰা অনুদানযোগে ষ্টাৰ্ট-আপ পুঁজি সংগ্ৰহ কৰিব পৰা যায়।

ষ্টাৰ্ট-আপ মূলতঃ দুই ধৰণৰ— প্ৰথমবিধ হ'ল ইতিপূৰ্বে বজাৰত নথকা বা আন কোনেও নভবা, চমক লগাব পৰা ধৰণৰ। এই ধৰণৰ ষ্টাৰ্ট-আপ সৃষ্টি কৰাটো কঠিন যদিও এবাৰ আৰম্ভ কৰিলে অভূতপূৰ্ব বিকাশ পৰিলক্ষিত হয়। দ্বিতীয় বিধ ষ্টাৰ্ট-আপ ঘাইকৈ পৰম্পৰাগত বা নতুনকৈ উদ্ভাৱন কৰিব নলগা ধৰণৰ। এয়া পুৰণি মদ নতুন বটলত ভৰোৱা প্ৰকাৰৰ নতুন আৰু উদ্ভাৱনীমূলক।

উদ্যমিতা আৰু ষ্টাৰ্ট-আপ দেশৰ বাবে সম্পূৰ্ণ নতুন। ষ্টাৰ্ট-আপ কৰাটো কঠিন আৰু প্ৰত্যেক দেশেই এই ক্ষেত্ৰত সাফল্যতকৈ ব্যৰ্থতাৰহে সন্মুখীন হৈছে। এগৰাকী উদ্যমী ব্যক্তিয়ে ব্যৰ্থতা আৰু অভূতপূৰ্ব কঠিনতাৰ মুখামুখি হ'বলৈ সাজু থকা প্ৰয়োজনীয়। দৰাচলতে উদ্যমিতাৰ বাবে উৎসাহ-উদ্দীপনাৰ আৱশ্যক আৰু যিখিনি সমাজে ব্যৱসায়িক ব্যৰ্থতা সহজে মানি নলয়, তাত কোনো নতুন ধৰণৰ কাম বা সৃষ্টিশীল বা উদ্ভাৱনী পদক্ষেপ আৰম্ভ কৰাটো কঠিন হৈ পৰে। ষ্টাৰ্ট-আপৰ প্ৰাৰম্ভিক ব্যৰ্থতা মানি লৈ ইয়াক সহজভাৱে গ্ৰহণ কৰা উচিত; কাৰণ ব্যৰ্থতাই এগৰাকী উদ্যমীক প্ৰায়েই শিকায় কি কৰিব লাগে আৰু কি কৰিব নালাগে।

ষ্টাৰ্ট-আপত সহযোগী প্ৰতিষ্ঠাতা থাকিব পাৰে, কিন্তু এগৰাকী উদ্যমীৰ ব্যৱসায়িক দক্ষতা থকাটো জৰুৰী নহয়। চমৎকাৰ ধাৰণা থকাটোৱে নুবুজায় যে ই ব্যৱসায়িক সাফল্য প্ৰদান কৰিব। ষ্টাৰ্ট-আপৰ বাবে পথ প্ৰদৰ্শক থকাটো বৰ

***লেখক সৌৰভ সান্যাল বাণিজ্য আৰু উদ্যোগৰ পি এইছ ডীৰ সচিব প্ৰধান আৰু ৩৩ বছৰ কাল ধৰি সশস্ত্ৰ বাহিনী আৰু ক'ৰ্পৰেট খণ্ডত কাম কৰাৰ অভিজ্ঞতা আছে। ৰঞ্জিত মেহতা নতুন দিল্লীৰ বাণিজ্য আৰু উদ্যোগৰ পি এইছ ডীৰ সঞ্চালক।**

গুৰুত্বপূৰ্ণ, যি ইতিপূৰ্বে ষ্টাৰ্ট-আপৰ একে প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়ি গৈছে বা যাৰ ব্যৱসায়িক অভিজ্ঞতা আছে। অভিজ্ঞ পথ প্ৰদৰ্শকৰ মূল্যৱান পৰামৰ্শই ব্যৰ্থতা আৰু সাফল্যৰ ব্যৱধান গঢ়ি দিব পাৰে। অৱশ্যে সম্প্ৰতি ভাৰতত ষ্টাৰ্ট-আপৰ পথ প্ৰদৰ্শন কৰিবলৈ আনুষ্ঠানিক ব্যৱস্থা বা পদ্ধতি নাই। ব্যৱসায়িক পৰামৰ্শদান সাধাৰণতে অস্থায়ী ভিত্তিতহে হোৱা দেখা যায়। পুঁজি সংগ্ৰহ কৰা ষ্টাৰ্ট-আপৰ বাবে পোনতে পথ প্ৰদৰ্শক ওলায় যদিও সৎ, নিৰপেক্ষ আৰু ভাল ব্যৱসায়িক পথ প্ৰদৰ্শক ব্যৱসায়িক যাত্ৰাৰ কালছোৱাত বৰ কম পোৱা যায়। ষ্টাৰ্ট-আপৰ বাবে ব্যৱসায়িক গুৰু পোৱাটো বৰ জটিল কাম।

**ভাৰতৰ ষ্টাৰ্ট-আপৰ সন্মুখত থকা প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ উপায় ঃ**

দেশজুৰি প্ৰথমবাৰৰ বাবে ব্যৱসায় আৰম্ভ কৰা উদ্যমীসকলে ভাৰত চৰকাৰে 'ষ্টাৰ্ট-আপ ইণ্ডিয়া' শীৰ্ষক পদক্ষেপৰ শলাগ লৈছে আৰু তেওঁলোকৰ ব্যৱসায়িক প্ৰচেষ্টাৰ বাবে ই সহায়ক বিবেচিত হৈছে; কিন্তু পুঁজি সংগ্ৰহ, পেটেণ্ট আৰু বৌদ্ধিক সম্পদ সৃষ্টিৰ ক্ষেত্ৰত প্ৰত্যাহ্বান আহি পৰে। একেদৰে পেটেণ্টৰ পঞ্জীয়নৰ বাবে সুদীৰ্ঘ প্ৰক্ৰিয়া, গৱেষণা আৰু উন্নয়নৰ বাবে পৰ্যাপ্ত সুবিধা নথকা আদি হ'ল অন্যতম অন্তৰায়। এইবিলাক কাৰণতে বহু উদ্যমীয়ে দেশৰ বাহিৰলৈ যোৱাটো পছন্দ কৰে। চৰকাৰী তথ্য অনুসৰি ২০১৫ চনৰ ১ নৱেম্বৰলৈ দেশত ২,৪৬,৪৯৫ খন পেটেণ্ট আবেদন আৰু ৫,৩২,৬৮২ খন ট্ৰেডমাৰ্ক আবেদন-পত্ৰ চৰকাৰী ফাইলত আবদ্ধ হৈ আছে।

ষ্টাৰ্ট-আপৰ প্ৰায় ৯০ শতাংশ পুঁজি সম্প্ৰতি বৈদেশিক মূলধনৰ পৰা আহে। দেশীয় বিনিয়োগকাৰীয়ে উদ্ভাৱনৰ প্ৰকৃতি সলনি কৰি দিব পাৰে। গ্ৰাণ্ট থৰ্নটনৰ অধ্যয়ন অনুসৰি ২০১৫ চনত এনে ৬ শতাধিক কোম্পানীয়ে বিনিয়োগ লাভ কৰিছে। পি ই আৰু ভি চি ফাণ্ডৰ তৰফৰ পৰা ২ বিলিয়ন ডলাৰতকৈ অধিক ধন বিনিয়োগ কৰা হৈছে।

শেহতীয়া এটা জৰীপ অনুসৰি, নতুন ব্যৱসায়ৰ ৯৪ শতাংশ প্ৰথম বছৰৰ কালছোৱাতে ব্যৰ্থ হয়। পুঁজিৰ অভাৱেই উমৈহতীয়া কাৰণসমূহৰ ভিতৰত এটা কাৰণ। ব্যৱসায়ৰ প্ৰাণসুঁতি হ'ল ধন। ধাৰণাৰ পৰা ৰাজহ অৰ্জনকাৰী ব্যৱসায়লৈ এই সুদীৰ্ঘ কষ্টদায়ক যাত্ৰাৰ ইন্ধন হ'ল মূলধন। সেই কাৰণে, ব্যৱসায়ৰ প্ৰায় প্ৰতিটো স্তৰতে উদ্যমীসকলে এই প্ৰশ্নৰ উত্তৰৰ সন্ধানত থাকে— মই মোৰ ষ্টাৰ্ট-আপৰ বাবে কেনেকৈ মূলধন গোটাম? বজাৰত ষ্টাৰ্ট-আপৰ বাবে পুঁজি বিনিয়োগৰ বিভিন্ন ব্যৱস্থা আছে।

ষ্টাৰ্ট-আপৰ বাবে কেইটমান পুঁজি সংগ্ৰহৰ বিকল্প আছে— যি তেওঁলোকৰ ব্যৱসায়ৰ বাবে মূলধন আহৰণ কৰাত সহায় কৰিব পাৰে।

(১) 'প্ৰধান মন্ত্ৰী মাইক্ৰ' ইউনিট্ছ ডেভেলপমেণ্ট এণ্ড ৰিফাইনেন্স এজেন্সী লিমিটেড' (MUDRA মুদ্ৰা)ৰ অধীনত প্ৰাৰম্ভিক মূলধনী পুঁজি (২০ হাজাৰ কোটি টকা) আৰম্ভ কৰা হয় যাতে প্ৰায় ১০ লাখ ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যমীসকল লাভৱান হ'ব পাৰে। কোনো উদ্যমীয়ে ব্যৱসায়িক পৰিকল্পনা দাখিল কৰাৰ পিছত অনুমোদিত হ'লে ঋণ মঞ্জুৰ কৰা হয়। তেতিয়া এখন মুদ্ৰা কাৰ্ড প্ৰদান কৰা হয়, এইখন ঠিক ক্ৰেডিট কাৰ্ডৰ দৰে, যিখন কেঁচা সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত বা অন্য কোনো ব্যয় কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। এই প্ৰতিশ্ৰুতিসম্পন্ন আঁচনিৰ অধীনত শিশু, কিশোৰ আৰু তৰুণ— এই তিনিটা শ্ৰেণীত ঋণসমূহ ভাগ কৰা হৈছে।

(২) **আত্ম-বিনিয়োগ ঃ** কোনো ব্যৱসায় আৰম্ভ কৰাৰ মুহূৰ্তত আত্ম-বিনিয়োগ হ'ল ষ্টাৰ্ট-আপৰ বিনিয়োগৰ এটা কাৰ্যকৰী উপায়। ব্যৱসায় পৰিকল্পনা প্ৰদৰ্শন নকৰালৈ প্ৰথমবাৰলৈ ব্যৱসায় কৰিবলৈ আগবঢ়া উদ্যমীয়ে পুঁজি সংগ্ৰহ কৰাত অসুবিধাৰ সন্মুখীন হয়।

(৩) **ৰাজহুৱা পুঁজি সংগ্ৰহ ঃ** ৰাজহুৱা পুঁজি সংগ্ৰহ হ'ল এনে এটা পুঁজি যাক একাধিক ব্যক্তিৰ পৰা একে সময়তে ঋণ, আগতীয়া যোগানৰ নিৰ্দেশ বা অৰিহণা ৰূপে গ্ৰহণ কৰা হয়। এই ষ্টাৰ্ট-আপত উদ্যমীগৰাকীয়ে ৰাজহুৱা পুঁজি সংগ্ৰহ মঞ্চত তেওঁৰ ব্যৱসায়ৰ সবিশেষ বিৱৰণ দাঙি ধৰে। তেওঁ ব্যৱসায়ৰ লক্ষ্যৰ বিষয়ে উল্লেখ কৰে; কেনেকৈ ব্যৱসায়টো কৰি লাভৰ মুখ দেখিব, সেই সম্পৰ্কে পৰিকল্পনা উপস্থাপন কৰাৰ লগতে তেওঁক কিমান পৰিমাণৰ পুঁজিৰ দৰকাৰ আৰু কিয় সেই বিষয়ে স্পষ্টকৈ জানিবলৈ দিয়ে আৰু উপভোক্তাই সেই সমূহ পঢ়ি যদি ধাৰণাটো ভাল পায়, তেন্তে পুঁজি বিনিয়োগ কৰে। বিনিয়োগকাৰীসকলে অনলাইন প্ৰতিশ্ৰুতি দিয়ে যে তেওঁলোকে সামগ্ৰীবিধ কিনিব বা অৰিহণা আগবঢ়াব। কোনো ব্যৱসায়ত সহায় কৰিবলৈ আগবঢ়া যিকোনো লোকে সেই কথাক আস্থাত লৈ অৰিহণা আগবঢ়াব পাৰে। এই ক্ৰাউড ফাণ্ডিং বা ৰাজহুৱা পুঁজি সংগ্ৰহ ৱেবছাইটসমূহৰ ভিতৰত জনপ্ৰিয় হ'ল indeigogo, wishberry, ketto, fundlined আদি।

(৪) **এঞ্জেল ইনভেষ্টমেণ্ট ঃ** 'এঞ্জেল' বিনিয়োগকাৰী হ'ল উদ্বৃত্ত ধনৰ

গৰাকী যাৰ উদীয়মান ষ্টাৰ্ট-আপত বিনিয়োগ কৰিবলৈ বৰ আগ্ৰহ থাকে। এই বিনিয়োগকাৰীয়ে একোটা গোট তৈয়াৰ কৰি সমূহীয়াকৈ প্ৰস্তাৱসমূহ পৰীক্ষা কৰে আৰু তাৰপাছত বিনিয়োগৰ বাবে আগবাঢ়ে। 'এঞ্জেল' বিনিয়োগ-কাৰীয়ে বহুকেইটা প্ৰখ্যাত কোম্পানীৰ ষ্টাৰ্ট-আপত সহায় কৰিছিল; সেইবোৰৰ ভিতৰত গুগ্‌ল, য়াহু আৰু আলিবাবা অন্যতম। এই ধৰণৰ বিকল্প বিনিয়োগ সাধাৰণতে কোম্পানীৰ বিকাশৰ প্ৰথম স্তৰত ঘটে আৰু বিনিয়োগকাৰীসকলে ৩০ শতাংশলৈ অংশীদাৰিত্ব বিচাৰে। তেওঁলোকে উচ্চ হাৰৰ লাভৰ বাবে বিনিয়োগত অধিক 'ৰিস্ক' বা বিপদশংকা ল'বলৈ আগবাঢ়ে।

(৫) **ভেন্‌চাৰ কেপিটেল ঃ** ই হ'ল পেছাদাৰীভাৱে পৰিচালিত পুঁজি যি বিশাল সম্ভাৱনা থকা কোম্পানীত বিনিয়োগ কৰে। তেওঁলোকে সাধাৰণতে 'ইকুইটি'ৰ বিপৰীতে বিনিয়োগ কৰে আৰু তেওঁলোকে উপাৰ্জন কৰিব পৰা ধন ঘূৰাই পালে ওলাই যায়। ভেন্‌চাৰ কেপিটেলে পথ প্ৰদৰ্শন কৰাৰ লগতে বিশেষ অভিজ্ঞতা বা নৈপুণ্য প্ৰদান কৰে আৰু ব্যৱসায়িক প্ৰতিষ্ঠান বা কোম্পানী কোন দিশে আগবাঢ়ি যাব সেই সন্দৰ্ভত দিশ নিৰ্দেশনা আগবঢ়োৱাৰ উপৰি বহন ক্ষমতা আৰু কোম্পানীটোৰ ভৱিষৎ সাফল্য কিমান হ'ব বা কিমান দূৰ আগুৱাব সেই বিষয়ে মূল্যায়ন কৰে।

(৬) **ব্যৱসায়িক অনুকূল পৰিৱেশ আৰু বেগবৰ্দ্ধক ঃ** ব্যৱসায়ৰ প্ৰাৰম্ভিক স্তৰত ব্যৱসায়িক অনুকূল পৰিৱেশ আৰু বেগবৰ্দ্ধক কাৰ্যসূচী বিনিয়োগৰ বিকল্প ৰূপে ল'ব পৰা যায়। ভাৰতৰ প্ৰায়-কেইখন প্ৰধান চহৰত এই কাৰ্যসূচীসমূহে শতাধিক ষ্টাৰ্ট-আপ ব্যৱসায়ক সহযোগ কৰে। 'ইনকিউবেটৰ' বা ব্যৱসায়িক অনুকূল কাৰ্যসূচী পিতৃ-মাতৃয়ে সন্তানক লালন-পালন কৰাৰ দৰে, যি ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় সামগ্ৰী, প্ৰশিক্ষণ বা নেটৱৰ্ক গঢ়ি তোলে। বেগবৰ্দ্ধক কাৰ্যসূচীসমূহো প্ৰায় একেধৰণৰ। 'ইনকিউবেটৰে' ব্যৱসায়টো থিয় কৰোৱাত সহায় কৰে; আনহাতে 'একচিলাৰেটৰ' বা বেগবৰ্দ্ধক কাৰ্যসূচীয়ে ব্যৱসায়টোক নিৰ্দিষ্ট গতি বা ৰূপ প্ৰদান কৰে।

(৭) **মাইক্ৰ'ফাইনেন্স বা ক্ষুদ্ৰ বিনিয়োগ যোগানকাৰী বা এন বি এফ চীজ ঃ** যি উদ্যোগী প্ৰচলিত বেংক সেৱাৰ সুবিধাৰ পৰা বঞ্চিত, তেওঁলোকে ক্ষুদ্ৰ পুঁজি যোগানৰ সুবিধা গ্ৰহণ কৰিব পাৰে। যাৰ প্ৰয়োজন সীমিত তেওঁলোকৰ বাবে ই ক্ৰমান্বয়ে জনপ্ৰিয় হৈ পৰিছে। তদুপৰি ক্ৰেডিট ৰেটিঙে বেংকসমূহক সন্তুষ্ট কৰিব নোৱাৰিলে ক্ষুদ্ৰ পুঁজি যোগানৰ শৰণাপন্ন হোৱাৰ গত্যন্তৰ নাই। একেদৰে এন বি এফ চীজ অৰ্থাৎ 'নন-বেংকিং ফাইনেন্সিয়েল কৰ্প'ৰেচন' হ'ল এনে এটা সংস্থা যি বেংকৰ আইনী সংজ্ঞা বা প্ৰয়োজন অবিহনেই বেংকৰ সুবিধাসমূহ প্ৰদান কৰিব পাৰে।

**ষ্টাৰ্ট-আপক উৎসাহিত কৰিবলৈ ভাৰত চৰকাৰৰ পদক্ষেপ ঃ**

ষ্টাৰ্ট-আপ কাৰ্যকৰী পৰিকল্পনা হ'ল ১৯ দফীয়া কাৰ্যসূচী। ইয়াত কিছুমান উদগনিমূলক দফা সংযুক্ত কৰা হৈছে। সেইবোৰৰ অন্যতম হ'ল শ্ৰম আৰু পৰিৱেশ বিধি মানি চলাৰ বাবে আত্ম-প্ৰত্যয়ন, পেটেণ্ট আৰু বৌদ্ধিক সম্পদৰ বাবে আবেদন কৰাৰ বাবে সহায় আগবঢ়াবলৈ বিশেষজ্ঞৰ দল গঠন কৰা, ব্যৱসায় আৰম্ভ কৰিবলৈ বিনিয়োগ কৰা ধনৰ কৰ ৰেহাই প্ৰদান কৰা, মূলধনী লাভ আৰু তিনি বছৰলৈ কৰ মাফ কৰাৰ লগতে চাৰি বছৰলৈ বিনিয়োগ পুঁজিৰ বাবে ১০ হাজাৰ কোটি টকাৰ পুঁজিৰে সহযোগিতা আগবঢ়োৱা।

**ষ্টাৰ্ট-আপ ইণ্ডিয়াৰ ১৯ দফীয়া কাৰ্যকৰী পৰিকল্পনা ঃ**

বিধি-নিয়ম মানি চলাৰ প্ৰমাণ পত্ৰ নিজেই দাখিল কৰা।

'ষ্টাৰ্ট-আপ ইণ্ডিয়া হাব'ৰ জৰিয়তে এবাৰতে সকলো চৰ্ত পূৰণ কৰিব পৰা ব্যৱস্থা।

ম'বাইল এপ আৰু পৰ্টেলসহ প্ৰক্ৰিয়া সৰলীকৰণ (পঞ্জীয়ন, বিধি-নিয়ম মানি চলিবলৈ আৰু তথ্য প্ৰাপ্তিৰ বাবে আবেদন কৰা)।

আইনী সাহায্য, দ্ৰুত প্ৰক্ৰিয়া আৰু পেটেণ্ট পঞ্জীয়ন মাচুলত ৮০ শতাংশলৈ ৰেহাই।

ৰাজহুৱা পুঁজি সংগ্ৰহৰ বাবে শিথিল বিধি।

সহজ আৰু দ্ৰুত নিয়ন্ত্ৰণ।

মূলধনী পুঁজিৰ বাবে গঠিত ১০ হাজাৰ কোটি টকাৰ সমূহীয়া পুঁজিৰে বিনিয়োগৰ বাবে সহযোগিতা আগবঢ়োৱা।

ঋণ নিশ্চিত পুঁজি বিনিয়োগ।

মূলধনী লাভত কৰ ৰেহাই।

আয়কৰত প্ৰথম ৩ বছৰলৈ ৰেহাই।

উচিত বজাৰ মূল্য (এফ এম ভি)ৰ উৰ্দ্ধত কৰা বিনিয়োগত কৰ ৰেহাই।

বাৰ্ষিক ষ্টাৰ্ট-আপ উৎসৱ (ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়)।

অটল উদ্ভাৱন অভিযান (এ আই এম)ৰ অধীনত বিশ্বমানৰ উদ্ভাৱন কেন্দ্ৰ মুকলি।

দেশজোৰা ‘ইনকিউবেটৰ নেটৱৰ্ক’ স্থাপন।

ইনকিউবেচন আৰু গৱেষণা আৰু উন্নয়ন বৃদ্ধি কৰিবলৈ উদ্ভাৱন কেন্দ্ৰ স্থাপন।

উদ্ভাৱনৰ গতি প্ৰদানৰ বাবে ‘ৰিচাৰ্ছ পাৰ্ক’ স্থাপন।

জৈৱ প্ৰযুক্তিত উদ্যমিতালৈ উৎসাহ প্ৰদান।

শিক্ষাৰ্থীসকলৰ বাবে উদ্ভাৱন নিবিষ্ট কাৰ্যসূচী।

বাৰ্ষিক ‘ইনকিউবেটৰ গ্ৰেণ্ড চেচলেইঞ্জ’।

১) **আত্ম-প্ৰামাণীকৰণ ঃ** নিয়ন্ত্ৰণ-কাৰীসকলৰ কামৰ বোজা হ্ৰাস কৰিবলৈ ষ্টাৰ্ট-আপত আত্ম-প্ৰামাণীকৰণ পদ্ধতি ব্যৱহাৰ হয়। গ্ৰেচুইটি পৰিশোধ, শ্ৰমিক চুক্তি, ভৱিষ্যনিধি ব্যৱস্থাপনা, পানী আৰু বায়ু প্ৰদূষণকে ধৰি বিভিন্ন আইনৰ ক্ষেত্ৰত আত্ম-প্ৰামাণীকৰণ প্ৰযোজ্য হয়।

২) **ষ্টাৰ্ট-আপ ইণ্ডিয়া হাব ঃ** ভাৰতত ষ্টাৰ্ট-আপ গঠনৰ বাবে একক কাৰ্যকৰী কেন্দ্ৰৰে সৰ্বভাৰতীয় স্নায়ুকেন্দ্ৰ সৃষ্টি কৰা হৈছে যি উদ্যমীসকলক জ্ঞান বিনিময় আৰু বিত্তীয় সাহায্য প্ৰদানত সহায় কৰিব।

৩) **এপৰ জৰিয়তে পঞ্জীয়ন ঃ** ষ্টাৰ্ট-আপ গঠনৰ বাবে পঞ্জীয়নত সহায় কৰিবলৈ ম’বাইল এপ্লিকেচনৰ আকৃতিত এটা অন্‌লাইন প’ৰ্টেল আৰম্ভ কৰা হৈছে।

৪) **পেটেণ্ট সুৰক্ষা ঃ** কম ব্যয়ত পেটেণ্ট পৰীক্ষাৰ বাবে দ্ৰুতগতিৰ পদ্ধতি এটা কেন্দ্ৰীয় চৰকাৰে স্থিৰ কৰিছে। এই পদ্ধতিয়ে ষ্টাৰ্ট-আপ গঠনৰ বাবে সজাগতা বৃদ্ধি আৰু বৌদ্ধিক সম্পদ অধিকাৰ (আই পি আৰ) গ্ৰহণৰ ক্ষেত্ৰত উৎসাহ প্ৰদান কৰে।

৫) **১০ হাজাৰ কোটি টকাৰ পুঁজি ঃ** কেন্দ্ৰই উদীয়মান ষ্টাৰ্ট-আপ উদ্যমীসকলক উৎসাহ প্ৰদান কৰিবলৈ ২,৫০০ কোটি টকাৰ প্ৰাৰম্ভিক পুঁজি আৰু ৪ বছৰৰ ভিতৰত মুঠ ১০হাজাৰ কোটি টকাৰ বিশাল মূলধনী পুঁজি গঠন কৰিব। এই মূলধনী পুঁজি গঠন কৰাত ভাৰতীয় জীৱন বীমাই উল্লেখনীয় ভূমিকা পালন কৰিব। ষ্টাৰ্ট-আপ উদ্যোগৰপৰা নিৰ্বাচিত ব্যক্তিগত পেছাদাৰী ব্যক্তিৰ এখন সমিতিয়ে এই পুঁজি পৰিচালনা কৰিব।

৬) **ৰাষ্ট্ৰীয় জমাধন নিশ্চয়তা নিধি কোম্পানী ঃ** ‘নেচনেল ক্ৰেডিট গেৰাণ্টী ট্ৰাষ্টকোম্পানী’ (এন চি জি টি চি) নামৰ সংস্থা এটা অহা ৪ বছৰৰ ভিতৰত বছৰি ৫০০ কোটি টকাৰ বাজেটেৰে ষ্টাৰ্ট-আপৰ পুঁজিৰ অবিৰত সোঁতলৈ সহযোগিতা আগবঢ়াবলৈ গঠন কৰা হ’ব।

৭) **মূলধনী লাভ কৰ মাফ ঃ** সম্প্ৰতি ‘ভেনচাৰ কেপিটেল ফাণ্ড’ৰ জৰিয়তে বিনিয়োগ কৰা পুঁজি মূলধনী লাভ কৰৰ পৰা ৰেহাই দিয়া হৈছে। একেই নীতি ষ্টাৰ্ট-আপৰ প্ৰাথমিক স্তৰৰ বিনিয়োগৰ ক্ষেত্ৰতো প্ৰযোজ্য।

৮) **তিনি বছৰলৈ আয়কৰ ৰেহাইঃ** ষ্টাৰ্ট-আপৰ বাবে প্ৰথম তিনি বছৰলৈ আয়কৰ ৰেহাই প্ৰদান কৰা হৈছে। এই নীতিয়ে ভৱিষ্যতে ষ্টাৰ্ট-আপ বিকাশত গতিৰ ক্ষেত্ৰত বিপ্লৱ আনিব।

৯) **উচ্চ মূল্যৰ বিনিয়োগক কৰ ৰেহাই ঃ** বজাৰ মূল্যতকৈ অধিক মূল্যৰ বিনিয়োগৰ ক্ষেত্ৰত কৰ ৰেহাই প্ৰদান কৰা হ’ব।

১০) **উদ্যমী তৈয়াৰ কৰা ঃ** দেশৰ ৫ লক্ষাধিক বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে উদ্ভাৱনৰ সৈতে জড়িত শৈক্ষিক পৰিকল্পনা প্ৰৱৰ্তন কৰা। তদুপৰি বিশ্বমানৰ ‘ইনকিউবেটৰ’ গঢ়ি তুলিবলৈ বাৰ্ষিক ‘ইনকিউবেটৰ গ্ৰেণ্ড চেলেঞ্জ’ অনুষ্ঠিত হ’ব।

১১) **অটল ইন’ভেচন অভিযান ঃ** ‘অটল ইন’ভেচন অভিযান’ বা অটল উদ্ভাৱন অভিযান’ উদ্ভাৱন আৰু প্ৰতিভাৱান যুৱকক উৎসাহ প্ৰদান কৰিবলৈ আৰম্ভ কৰা হ’ব।

১২) **ইনকিউবেটৰ স্থাপন কৰা ঃ** ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহত ৩৫টা নতুন ইনকিউবেটৰ আৰু ৩১টা উদ্ভাৱন কেন্দ্ৰ স্থাপনৰ বাবে ব্যক্তিগত-ৰাজহুৱা অংশীদাৰিত্ব আৰ্হি বিবেচনা কৰি থকা হৈছে।

১৩) **গৱেষণা কেন্দ্ৰ ঃ** ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি)ত ছটা আৰু ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান (আই আই এছ চি) চৌহদত এটা কেন্দ্ৰসহ প্ৰতিটোতে চৰকাৰে ১০০ কোটি টকাৰ বিনিয়োগেৰে সাতটা গৱেষণা কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰিছে।

১৪) **জৈৱ প্ৰযুক্তি উদ্যমিতা ঃ** চৰকাৰে অতিৰিক্ত পাঁচটা জৈৱ-প্ৰযুক্তি বেষ্টনী, ৫০টা জৈৱ-ইনকিউবেটৰ, ১৫০টা প্ৰযুক্তি স্থানান্তৰ কাৰ্যালয় আৰু ২০টা জৈৱ-সংযোগী কাৰ্যালয় স্থাপন কৰিব।

১৫) **বিদ্যালয় গৃহত উৎসৰ্গীকৃত কাৰ্যসূচী ঃ** চৰকাৰে ৫ লক্ষাধিক বিদ্যালয়ত উদ্ভাৱনৰ সৈতে জড়িত কাৰ্যসূচী প্ৰৱৰ্তন কৰিব।

১৬) **আইনী সহযোগিতা ঃ** পেটেণ্ট আবেদন আৰু অন্যান্য চৰকাৰী নথিপত্ৰ দাখিল কৰাত সাহায্য বা আইনী সহযোগিতা আগবঢ়াবলৈ এটা দল গঠন কৰা হ’ব।

১৭) **ৰেহাই ঃ** পেটেণ্ট আবেদন পূৰ কৰাৰ সময়ত উদ্যমীসকলক সমুদায় মূল্যৰ ৮০ শতাংশ ৰেহাই প্ৰদান কৰা হ’ব।

১৮) **সহজ বিধি-নিয়ম ঃ** ৰাজহুৱা বিনিয়োগ সংগ্ৰহ আৰু ব্যৱসায় কৰাৰ বিধি-নিয়ম ষ্টাৰ্ট-আপৰ বাবে সৰল কৰি তোলা হৈছে।

১৯) **সহজ নিষ্কাসন বা প্ৰস্থান ঃ** যদি কোনো ষ্টাৰ্ট-আপ ব্যৰ্থ হয়— তেন্তে চৰকাৰে সেই উদ্যমীক সমস্যাৰ উপযুক্ত সমাধান উলিয়াবলৈ সহযোগিতা আগবঢ়াব। তাৰ পাছতো ব্যৰ্থতাৰ ধাৰা অব্যাহত থাকিলে সহজ নিষ্ক্ৰমণৰ পথৰ সন্ধান দিব।

ষ্টাৰ্ট-আপৰ বাবে ভাৰতত ২০১৬ চনৰ প্ৰথম ত্ৰৈমাসিকত সম্পন্ন হোৱা ৮১৫ খন চুক্তিত ৩.৫ বিলিয়ন ডলাৰ এঞ্জেল বা ভেন্‌চাৰ কেপিটেল বিনিয়োগ কৰা হৈছে। এই ধনৰ পৰিমাণ একে সময়ছোৱাৰ বাবে যোৱা বছৰ বৰ বেছিকৈ হ্ৰাস পায়। 'ইয়ৰষ্ট'ৰী ৰিচাৰ্হ'ৰ তথ্য অনুসৰি ২০১৫ চনৰ জানুৱাৰীৰ পৰা ছেপ্তেম্বৰলৈ ৬৩৯ খন চুক্তিৰ বিপৰীতে ৭.৩ বিলিয়ন ডলাৰ বিনিয়োগ কৰা হয়। এই বছৰ চুক্তিৰ সংখ্যা ২৭ শতাংশ বৃদ্ধি পায় যদিও চুক্তি মূল্য আৰু টিকেট আকাৰ হ্ৰাস পায়। ২০১৪ চনৰ সমগ্ৰ বৰ্ষটোত মাথোঁ ৩০০ ভেন্‌চাৰ আৰু এঞ্জেল চুক্তিহে সম্পন্ন হয়।

সামৰণিত ক'বলৈ গ'লে অৰ্থনৈতিক ব্যৱস্থাটোত নতুন প্ৰতিযোগিতামূলক দিশ প্ৰদান কৰা হৈছে— ষ্টাৰ্ট-আপ কোম্পানীসমূহ হ'ল বজাৰৰ আটাইতকৈ গতিশীল অৰ্থনৈতিক সংস্থা যিহেতু এইবিলাকে যিকোনো অৰ্থনৈতিক ব্যৱস্থাত প্ৰতিযোগিতামূলক পৰিৱেশৰ সূচনা কৰে। কোম্পানীসমূহে পৰিৱৰ্তনৰ অনুঘটকৰূপে কাম কৰে আৰু ই শৃংখল প্ৰতিক্ৰিয়াৰূপে কাম কৰে। এটা ব্যৱসায় আৰম্ভ হ'লেই ঔদ্যোগীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হয়। কোনো এটা উদ্যোগ বা ব্যৱসায় আৰম্ভ হোৱাৰ লগে লগে বিভিন্ন গোটসমূহৰ চাহিদাৰ প্ৰয়োজন হয়। অঞ্চলটোত চাহিদা বৃদ্ধিৰ লগতে নতুনকৈ আৰু বহু গোট স্থাপন হ'বলৈ ধৰে আৰু উন্নয়নৰ গতি ত্বৰান্বিত হয়। দেশীয় ষ্টাৰ্ট-আপৰ বাবে তেওঁলোকৰ কম ব্যয়সাপেক্ষ আৰু সুলভ সেৱাৰ বাবে স্থানীয় ৰাইজৰ জীৱন যাপন সুখপ্ৰদ হৈ উঠে আৰু ইয়াৰ লগতে ভাৰতীয় অৰ্থনীতিৰো উন্নয়ন আৰু প্ৰগতি পৰিলক্ষিত হয়। আমি বিশ্বাস কৰোঁ যে 'ষ্টাৰ্ট-আপ ইণ্ডিয়া'ই দেশলৈ সমৃদ্ধি কঢ়িয়াই আনিব। বহু উদ্যোগী যুৱকে তেওঁলোকৰ সপোনক বাস্তৱ ৰূপ দিবলৈ পুঁজিৰ অভাৱত ভোগে। ইয়াৰ ফলস্বৰূপে তেওঁলোকৰ ধাৰণা, প্ৰতিভা আৰু দক্ষতাৰ পৰীক্ষা নহয় আৰু দেশখনে সম্পদ সৃষ্টি, আৰ্থিক বিকাশ আৰু নিযুক্তিৰ ক্ষেত্ৰত জটিলতাৰ সন্মুখীন হ'ব পাৰে। 'ষ্টাৰ্ট-আপ ইণ্ডিয়া'ই উদ্যমিতা আৰু অৰ্থনৈতিক উন্নয়নত সহায় কৰে। উদ্ভাৱনৰ বাবে সম্ভাৱনাপূৰ্ণ আৰু নিজৰ ব্যৱসায়ৰ বাবে সক্ষম যুৱকসকলক বিভিন্ন স্তৰত সক্ৰিয় আৰু প্ৰত্যক্ষ সহযোগিতা আৰু উদ্দীপনাৰে উজ্জীৱিত কৰি তোলা হয়। ❐

---

**(২২ পৃষ্ঠাৰ পৰা)**

গোটসমূহক চিহ্নিত কৰাত সহায় কৰিব— যাৰদ্বাৰাই নীতি তৈয়াৰ কৰোঁতাসকলে সঠিক লোকসকলক নিৰ্দিষ্ট কৰি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। এই জৰীপে নেচনেল কেৰিয়াৰ ছাৰ্ভিচক নিজৰ কাম হাতত ল'বলৈ সুচল কৰিব— যিটোৱে তৰুণ-তৰুণীসকলক অধিক সন্তোষজনক আৰু নিৰাপদমূলক চাকৰিলৈ পৰ্যৱসিত হোৱাত সহায় কৰিব। ই শ্ৰমিক বজাৰৰ বিভিন্ন বিষয়বোৰ সমাধান কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাত সুচল কৰিব আৰু চৰকাৰে উদ্যোগসমূহৰ কাৰণে কিছু উদগনিমূলক ব্যৱস্থাৰ দিহা কৰাৰ বিষয়ে আলোকপাত কৰিব পাৰে। ইয়াৰ ফলত কৰ্মচাৰী-সকলৰ কাৰণে প্ৰশিক্ষণৰ দিহা কৰিবলৈ উদ্যোগ অনুপ্ৰাণিত হ'ব। এই ক্ষেত্ৰত সাধাৰণতে তেনে সুবিধা নোপোৱা-সকলৰ বাবেই বিশেষভাৱে সহায়ক হ'ব বুলি আশা কৰিব পাৰি। তদুপৰি এনে ব্যৱস্থা গ্ৰহণে ঔদ্যোগিক বিপ্লৱৰ হেতু গা কৰি উঠা ভৱিষ্যৎ চাকৰিৰ প্ৰত্যাহ্বান-সমূহক সমাধান কৰাত সুবিধাজনক স্থিতিৰ সৃষ্টি কৰিব।

সামৰণিত এইটো কোৱা সমীচীন হ'ব যে ক্ষিপ্ৰ অৰ্থনৈতিক পৰিৱৰ্তন আৰু ভৱিষ্যতৰ চাকৰিৰ দৃশ্যপটে যুৱক-সকলক এটা ভাল জীৱন যাপন কৰিবৰ কাৰণে তেওঁলোকৰ নিয়োগযোগ্যতা দৃঢ় কৰাত প্ৰত্যাহ্বানো আনি দিয়ে আৰু সুযোগ-সুবিধাও আগবঢ়ায়। দৃঢ়তৰ নিয়োগযোগ্যতাই চাকৰিৰ সুৰক্ষা প্ৰদান তথা জীৱিকা বৃত্তিৰ অগ্ৰগতি সাধন নিশ্চিত কৰিব আৰু তাৰদ্বাৰাই অৰ্থনৈতিক বৃদ্ধি সাধন কৰাত বৰঙণি যোগাবলৈ যুৱকসকলক সক্ষম কৰি তুলিব তথা এই বিকাশ সাধনৰ পৰা নিজেও উপকৃত হ'ব। দক্ষতা বিকাশৰ ক্ষেত্ৰত বহু প্ৰচেষ্টা আৰু কাৰ্যসূচীৰ লগতে ভাল অভ্যাসৰাজিৰ অৱলম্বনক অনুধাৱন কৰিব পৰা যায় আৰু ৰাজ্যসমূহতো তাৰ প্ৰতিফলন ঘটাব পাৰি। ইয়াৰ ফলত যুৱক-যুৱতীসকলক পৰিৱৰ্তনৰ কাৰক শক্তি কৰি তোলাৰ ইপ্সিত লক্ষ্যত উপনীত হ'ব পাৰি। ❐

# ৩য় আন্তৰ্জাতিক যোগ দিৱস
# দেহ আৰু মনৰ সমন্বয় সাধন

**ঈশ্বৰ এন আচাৰ্য***
**ৰাজীৱ ৰাষ্ট'গী***

**পাতনি ঃ**

যোগে বৰ্তমান বিশ্বজুৰি জনপ্ৰিয়তা লাভ কৰিছে। ই অঞ্চল, ধৰ্ম, সম্প্ৰদায়, বৰ্ণ আৰু ৰাষ্ট্ৰীয়তাৰ সীমা পাৰ হৈ গৈছে। স্বাস্থ্যৰক্ষা, ৰোগ প্ৰতিৰোধ আৰু জীৱনশৈলীৰ লগত সম্পৰ্কিত ভালেমান ৰোগ সফলতাৰে ব্যৱস্থাপনা কৰাত ইয়াৰ চিকিৎসাজনিত ভূমিকাৰ বাবে যোগে বৰ্তমান বিশ্বব্যাপি খ্যাতি লাভ কৰিছে। যোগ আধ্যাত্মিক এটা শৃঙ্খলাও, যিটোৰে দেহ আৰু মনৰ নিখুঁত ঐক্য আনিব পাৰে।

বৰ্তমানৰ যুগটো প্ৰযুক্তি বিজ্ঞানৰ বিকাশৰ বাবে জনাজাত, যিটোৰে আমাৰ জীৱন আৰামদায়ক কৰি তুলিছে। সি যি কি নহওক, অশুদ্ধ জীৱনশৈলী, পাৰিৱেশিক কাৰণ, প্ৰদূষণ, আধুনিক কৰ্ম সংস্কৃতি আদিয়ে জীৱন জটিল কৰি তুলিছে। ই জীৱনৰ দৈহিক, মানসিক, বৌদ্ধিক আৱেগিক, সামাজিক আৰু আধ্যাত্মিক আদি বিভিন্ন দিশত ব্যক্তিক দ্বিধাগ্ৰস্ত কৰি সমস্যাৰ সৃষ্টি কৰিছে। যোগেই জীৱনৰ সকলো দিশতে সঠিক নিৰ্দেশনা প্ৰদান কৰিবলৈ প্ৰচেষ্টা চলায়। ইয়াৰ সহজসাধ্যতাই আন পৰম্পৰাগত চিকিৎসা ব্যৱস্থাৰ উপৰি আন চিকিৎসা পদ্ধতিৰ চিকিৎসকসকলেও ৰোগীসকলক যোগ চিকিৎসাৰ পৰামৰ্শ দিয়ে।

২০১৪ চনৰ ২৭ ছেপ্টেম্বৰৰ দিনা ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৬৯ সংখ্যক সন্মিলনত দিয়া ভাষণত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল যে, "যোগ আমাৰ প্ৰাচীন পৰম্পৰা, এটা অমূল্য অৱদান। ই দেহ আৰু মনৰ ঐক্য ভাব আৰু কৰ্ম, নিয়ন্ত্ৰণ আৰু পৰিপূৰ্ণ সন্তুষ্টি, মানৰ আৰু প্ৰকৃতিৰ মাজত ঐক্য, স্বাস্থ্যৰ বাবে ঐকান্তিক প্ৰচেষ্টা আৰু কুশলতা আদি সংগঠিত কৰে। যোগ কেৱল এটা ব্যায়াম নহয়— পৃথিৱী আৰু প্ৰকৃতিৰ মাজত— আমাৰ লগত এক ভাবৰ আৱিষ্কাৰো। আমাৰ জীৱনশৈলীৰ পৰিৱৰ্তন আৰু সচেতনতা সৃষ্টি কৰি বতৰৰ পৰিৱৰ্তনৰ লগত মোকাবিলা কৰিবলৈ ই সহায় কৰে। আন্তৰ্জাতিক যোগ দিৱসৰ প্ৰতিপালন কৰাৰ বাবে আমি কাম কৰো আহক।"

সন্মানীয় প্ৰধান মন্ত্ৰীয়ে যোগৰ সুন্দৰকৈ গ্ৰহণ কৰা আৰু যোগৰ উপযোগিতা উত্তম ৰূপত ব্যৱহাৰ কৰা গুণৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বতে ইয়াক জনপ্ৰিয় কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ৰাষ্ট্ৰসংঘই পাছত ১৭৭ খন দেশৰ সমৰ্থনত ২১ জুন তাৰিখটো "আন্তৰ্জাতিক যোগ দিৱস হিচাপে ঘোষণা কৰে। এতিয়া সমগ্ৰ বিশ্বই পূৰ্ণ আশা আৰু উদ্দীপনাৰে আন্তৰ্জাতিক যোগ দিৱস পালন কৰিছে। ভাৰতত আন্তৰ্জাতিক যোগ দিৱস পালনৰ অৰ্থে আন মন্ত্ৰণালয়ৰ সহযোগত যথোপযুক্ত ৰীতিৰে কাৰ্যসূচী যুগুত কৰিকবলৈ আয়ুস মন্ত্ৰণালয়ক দায়িত্ব দিয়া হৈছে। এই বছৰ আমি তৃতীয় আন্তৰ্জাতিক যোগ দিৱস পালন কৰিম।

**যোগ কি?**

যোগ হ'ল ভাৰতৰ প্ৰাচীন ঋষি-মুনিসকলৰদ্বাৰা উদ্ভূত এটা আধ্যাত্মিক বিজ্ঞান। ভাৰতৰ পৰম্পৰা আৰু সংস্কৃতিত প্ৰোথিত এটা নৈষ্ঠিক জীৱন যাপনৰ পদ্ধতি। ঋষি-মুনিসকলৰদ্বাৰা যোগ হাজাৰ হাজাৰ বছৰৰ পূৰ্বে ভাৰতত বিকশিত হৈছিল। প্ৰায় সকলো প্ৰাচীন ধৰ্মগ্ৰন্থত যোগ সাহিত্যৰ বিষয়ে পোৱা যায়। যোগৰ সম্পদশালী উৎস মধ্যযুগ, আধুনিক আৰু সমসাময়িক সাহিত্যতো পোৱা যায়। পতঞ্জলিৰ যোগশাস্ত্ৰ (খ্ৰীঃপূঃ ৪০০) যোগৰ বিষয়ক প্ৰথম শৃংখলাবদ্ধ গ্ৰন্থ বুলি কোৱা ভালেমান ধাৰা ভাষ্যকাৰে মন্তব্য আগবঢ়াইছে। পতঞ্জলিয়ে যোগৰ আঠটা পথ আগবঢ়াইছে যিটো অষ্টাংগ যোগ হিচাপে সৰ্বপৰিচিত। এই অষ্টাংগ যোগেই এজন লোকৰ সকলো দিশৰে প্ৰতি মনোযোগ দিয়ে।

যোগ হ'ল ঔষধবিহীন উপশম, স্বাস্থ্য যতন আৰু স্বাস্থ্যকৰ জীৱন যাত্ৰাৰ বাবে এটা ব্যৱস্থা। স্বাস্থ্য আৰু যোগৰ বিষয়ে ইয়াৰ নিজৰ ধাৰণা আছে। ইয়াৰ প্ৰধান

---

***ঈশ্বৰ এন আচাৰ্য নতুন দিল্লীৰ যোগ আৰু প্ৰাকৃতিক চিকিৎসা বিষয়ক গৱেষণাৰ কেন্দ্ৰীয় পৰিষদৰ সঞ্চালক। ৰাজীৱ ৰাষ্ট'গী একে প্ৰতিষ্ঠানৰ সহকাৰী সঞ্চালক।**

গুৰুত্ব আৰোপৰ দিশবোৰে জীৱনৰ দৈহিক, মানসিক, নৈতিক, সামাজিক, আৰেগিক আৰু আধ্যাত্মিক দিশবোৰ সামৰি লয় আৰু ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন সৰল আৰু সহজ অভ্যাসৰ পৰামৰ্শ দিয়া হয়— যিবোৰ দৈনন্দিন জীৱনত প্ৰয়োজনীয় হিচাপে সুসংহত কৰিব পাৰি। যোগ চিকিৎসা অন্য চিকিৎসা ব্যৱস্থাৰ লগতো কৰিব পাৰি।

মানৱ জাতিৰ প্ৰয়োজন আৰু পৰিৱৰ্তিত স্বাস্থ্য সেৱা লাভ কৰাৰ কাৰণে বৰ্তমান যোগ অভ্যাস গৱেষক আৰু অভ্যাসকাৰীসকলে ব্যাপকভাৱে ব্যৱহাৰ কৰিছে। যোগে বৰ্তমান বিশ্ববাসীৰ দৃষ্টিও আকৰ্ষণ কৰিছে। স্বাস্থ্যৰ উৎকৰ্ষৰ বাবেই নহয়, বিভিন্ন ৰোগৰ ব্যৱস্থাপনাৰ বাবেও সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত যোগ সাধনৰ প্ৰতি সজাগতা বৃদ্ধি পাইছে। বহু যোগ গুৰু আৰু চিকিৎসকে যৌগিক জীৱনশৈলী কাৰ্যসূচী চাপ নিয়ন্ত্ৰণ আৰু মনস্তাত্বিক বিকাৰ আদিৰ চিকিৎসাতো ব্যৱহাৰ কৰিছে।

যৌগিক অভ্যাসে স্বাস্থ্য, ৰোগ প্ৰতিৰোধ, মনস্তাত্বিক বিকাৰৰ সফল ব্যৱস্থাপনাৰ ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰাৰ লগতে উচ্চ পৰ্যায়ৰ সচেতনাতো উত্তম বুজাবুজিৰ সৃষ্টি কৰাত সহায় কৰে। যোগ চিকিৎসা ব্যৱস্থাই এজন লোকৰ সামগ্ৰিক চিকিৎসাত বিশ্বাস কৰে।

যোগৰ জনপ্ৰিয় অভ্যাসসমূহ হ'ল— ক্ৰিয়া (বিশুদ্ধিকৰণ প্ৰক্ৰিয়া), সূৰ্য নমস্কাৰ, আসন (দৈহিক ভংগীমা), প্ৰাণায়ম (উশাহ-নিশাহৰ পদ্ধতি), বিশ্ৰামৰ পদ্ধতি, বন্ধ আৰু মুদ্ৰা, ধ্যান ইত্যাদি।

**সূৰ্য নমস্কাৰ ঃ**

সূৰ্য নমস্কাৰ (সূৰ্য প্ৰণাম) হ'ল যৌগিক অভ্যাসসমূহৰ ভিতৰত এবিধ অতি উপকাৰী আৰু জনপ্ৰিয় শৈলী। ইয়াত ১২টা দেহভংগীমা আছে আৰু পুৱাতে উদিত সূৰ্যৰ ফালে মুখ কৰি এই অভ্যাস কৰা হয়। এই অভ্যাসে দেহৰ সমগ্ৰ স্নায়ুগ্ৰন্থী, স্নায়ুপেশীক উজ্জীৱিত কৰে। ইয়াৰ নিয়মিত অভ্যাসে মানৱ দেহৰ সকলো তন্ত্ৰৰ নিখুঁত ঐক্য আৰু তেজলৈ অম্লজানৰ যোগান নিশ্চিত কৰে।

**আসন (দৈহিক ভংগীমা)**

দেহ আৰু মনৰ স্থিৰতাৰ বাবে আসন হ'ল বিশেষ দেহ ভংগীমা। আসনৰ লক্ষ্য হ্‌ল মাংসপেশীৰ উন্নতি সাধন কৰা। দেহ ভংগীমাৰ মৌলিক নীতিয়ে দেহৰ লগতে মন-স্নায়ু আদিকো সামৰি লয়, আসন কষ্টহীনভাৱে নিৰ্দিষ্ট সময়ৰ ভিতৰত আৰামদায়কভাৱে কৰিব লাগে।

**প্ৰাণায়ম**

প্ৰাণায়মৰ অভ্যাসে শ্বাসযন্ত্ৰৰ ওপৰত নিয়ন্ত্ৰণ আনে। এটা নিৰ্দিষ্ট সময়ৰ কাৰণে আৰামদায়কভাৱে উশাহ ধৰি ৰখাটো যৌগিক শ্বাসনৰ এটা আৱশ্যকীয় পদ্ধতি। এই শ্বসন প্ৰণালীৰ প্ৰধান উদ্দেশ্য হ'ল ইয়াৰ প্ৰভাৱেৰে স্বয়ংচালিত স্নায়ু ব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ লাভ কৰা আৰু মানসিক কাৰ্যকলাপক শাসন আৰু নিয়ন্ত্ৰণত ৰখা। ধ্যানৰ দৰে উচ্চ পৰ্যায়ৰ যৌগিক অভ্যাসত ই উপকাৰী।

**ধ্যান**

ধাৰাবাহিকভাৱে মনক এটা দিশত নিৱিষ্ট কৰি ৰখাটোৱেই হ'ল ধ্যান। ধ্যানৰ মৌলিক নীতিয়েই হ'ল অন্তৰ্মুখী সচেতনতাৰ বিকাশ কৰা। এই অভ্যাসেৰে বাহ্যিক জগতৰ পৰা চেতনাক আঁতৰাই আনি মনৰ অভ্যন্তৰৰ বিকাশ কৰা। ই এজন ব্যক্তিয়ে অভিজ্ঞতাৰ প্ৰতি মনোযোগ দিয়াৰ চেষ্টাক শুহি লোৱা এটা প্ৰক্ৰিয়া। ধ্যানৰ নিয়মিত অভ্যাসে এজন লোকৰ দৈহিক শক্তি, মানসিক সামৰ্থ্য, সৃষ্টিশীলতা, শান্ত স্বভাৱ, স্মৃতি, বৌদ্ধিক, মনস্তাত্বিক শক্তি আৰু ধাৰণা শক্তি বৃদ্ধি হোৱাত সহায় কৰে।

**স্বাস্থ্য কি ?**

স্বাস্থ্য সম্পৰ্কে ভালেমান ব্যাখ্যা আছে আৰু এই ক্ষেত্ৰত সবাতোকৈ উদ্ধৃত আধুনিক ব্যাখ্যাটো হ'ল— বিশ্ব স্বাস্থ্য সংস্থাৰ সংবিধানৰ প্ৰস্তাৱনাত সময়ত যুগুত কৰা আৰু ১৯৪৬ চনৰ ১৯-২২ জুনত নিউ ইয়ৰ্কত আন্তৰ্জাতিক স্বাস্থ্য সন্মিলনে গ্ৰহণ কৰা তথা ১৯৪৬ চনৰ ২২ জুলাই তাৰিখে ৬১ খন দেশৰ প্ৰতিনিধিৰ (বিশ্ব স্বাস্থ্য সংস্থাৰ চৰকাৰী নথি নং-২, পৃঃ ১০০) দ্বাৰা স্বাক্ষৰিত আৰু ১৯৪৮ চনৰ ৭ এপ্ৰিলৰ পৰা বলৱৎ হোৱা ব্যাখ্যাটো তলত উল্লেখ কৰা হ'ল—

"স্বাস্থ্য শব্দটোৱে ৰোগহীন বা দুৰ্বল অৱস্থা নোহোৱাটোকে নুবুজায়, ই এজন লোকৰ সম্পূৰ্ণ দৈহিক, মানসিক আৰু সামাজিক নিৰোগী অৱস্থাক বুজায়"'

**যোগ আৰু যৌৱন**

যোগক স্বাস্থ্যসন্মত জীৱন যাপনৰ কলা হিচাপে বিবেচনা কৰা হয়। ই ৰোগৰ পৰা আঁতৰি থাকি স্বাস্থ্যৱান হৈ থাকিব খোজা সকলো লোকৰ বাবে। যোগে অন্যান্য উপকাৰ সাধন কৰাৰ উপৰি আভ্যন্তৰীণ দক্ষতা আৰু বিশ্বাসৰ স্তৰ উৎকৰ্ষ সাধন কৰাৰ এটি পথ। ইয়াক জীৱনশৈলীৰ সম্পূৰ্ণ সংস্কাৰ হিচাপে বিবেচনা কৰিব পাৰি। বৰ্তমান যুৱ প্ৰজন্মৰ বাবে যোগৰ প্ৰয়োজন। যুৱক-যুৱতীসকলে জীৱনত শিক্ষা আৰু জীৱিকা সম্পৰ্কীয় ভালেমান চাপৰ সন্মুখীন হ'বলগীয়া হয়, যোগে

তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰত্যাহ্বানসমূহ সফলতাৰে অতিক্ৰম কৰি প্ৰকৃত যোগী হোৱাত সহায় কৰিব পাৰে। যোগে দৈহিক, মানসিক, সামাজিক, নৈতিক, আবেগিক, আধ্যাত্মিক আদি ব্যক্তিত্বৰ সকলো দিশকে একে সময়তে উৎকৰ্ষ সাধন কৰি এজন লোকৰ পৃথক ব্যক্তিত্বৰ গঢ় দিয়ে। ই মানৱৰ সমগ্ৰ ব্যৱস্থাকে প্ৰভাৱিত কৰে আৰু মনোযোগ কেন্দ্ৰীভূতকৰণ, ধৈৰ্যশীল হোৱাত সহায় কৰে যিটো আজিকালিৰ দৈনন্দিন জীৱনত অতি লাগতিয়াল।

১২৫ কোটিতকৈ অধিক জন-সংখ্যাৰ ভাৰত এখন বৃহৎ ৰাষ্ট্ৰ আৰু দেশৰ বিকাশ বহু পৰিমাণে স্বাস্থ্যৰ ওপৰত নিৰ্ভৰ কৰে। দেশবাসীৰ স্বাস্থ্য বেয়া হ'লে বিকাশো স্থবিৰ হ'ব আৰু এটা বুজন পৰিমাণৰ শক্তি আৰু সম্পদ যথোপযুক্ত স্বাস্থ্য ব্যৱস্থাপনাৰ বাবে বিনিয়োগ কৰিব লাগিব। কিন্তু যদি দেশবাসী বিশেষকৈ যুৱক-যুৱতীসকলৰ স্বাস্থ্য ভাল আৰু সবল হয় তেনেহ'লে দেশে ভাগৰ অনুভৱ নকৰাকৈ বহুদূৰ আগবাঢ়ি যাব পাৰিব। সেই বাবে যুৱক-যুৱতীসকলৰ স্বাস্থ্যৰ দিশত সবাতোকৈ গুৰুত্ব প্ৰদান কৰা হৈছে।

যোগ সুস্থ জীৱন যাপন কলা হোৱাৰ উপৰি দৰ্কাৰী আধ্যাত্মিক বিজ্ঞানো। ইয়াৰ ৰোগ প্ৰতিৰোধ কৰিব পৰা ক্ষমতাৰ লগতে স্বাস্থ্যৰ উৎকৰ্ষ সাধনৰ বহু সম্ভাৱনা আছে। জীৱনৰ সকলো পদক্ষেপতে যোগৰ নৈষ্ঠিক সাধনাই ঐক্য আনে আৰু আমাৰ দৈনন্দিন জীৱনত প্ৰভাৱ পেলায়। ইয়াৰ নিয়মিত অভ্যাসে আচৰণগত দিশত ইতিবাচক পৰিৱৰ্তন আনে আৰু ব্যক্তিৰ মাজত সম্পৰ্কৰ উন্নতি ঘটোৱাৰ লগতে অভ্যাসকাৰীৰ ঘৰ, সমাজৰ লগতো সু-সম্পৰ্ক গঢ়ি উঠে। যোগৰ চিকিৎসা-জনিত লাভসমূহ বিজ্ঞানী গৱেষক-সকলে বিশ্বজুৰি কৰা গৱেষণাত প্ৰকাশ পাইছে। শাৰীৰিক আৰু মনোদৈহিক ৰোগকে ধৰি জীৱনশৈলী বিষয়ক ভালেমান ৰোগৰ ব্যৱস্থাপনা আৰু প্ৰতিৰোধত ইয়াৰ শক্তিৰ বাবে যোগ বৰ্তমান অতি জনপ্ৰিয় হৈ উঠিছে।

**যোগ আৰু গৱেষণা**

বিভিন্ন মনোদৈহিক আৰু জীৱনশৈলী বিষয়ক অসুস্থতা সফল পদ্ধতিৰে ব্যৱস্থাপনা কৰাৰ বিষয়ত চিকিৎসাজনিত গৱেষণাসমূহে যোগৰ চিকিৎসা সম্বন্ধীয় সম্ভাৱনাবোৰ প্ৰকট কৰিছে। বৰ্তমান অসংক্ৰামক ৰোগৰ ব্যৱস্থাপনাত যোগক চিকিৎসাত গ্ৰহণ কৰা হৈছে। এই ৰোগসমূহ দৈনন্দিন জীৱনত জীৱন শৈলীৰ পৰিৱৰ্তন ঘটাই ইতিবাচক শৈলীৰে প্ৰতিৰোধ কৰিব পাৰি। সৎকৰ্ম, আসন, সূৰ্য নমস্কাৰ, প্ৰাণায়াম, ধ্যান আদি যৌগিক অভ্যাস আৰু উপবাস চিকিৎসা, খাদ্য চিকিৎসা, বোকা, জল, মালিচ, বায়ু চিকিৎসা আদি প্ৰাকৃতিক চিকিৎসাৰে ৰোগ মুক্ত, নিৰোগী আৰু সুখী জীৱন নিশ্চিত কৰিব পাৰি।

বৰ্তমান যুৱ প্ৰজন্মৰ মাজত উচ্চ ৰক্তচাপ, হৃদপিণ্ডৰ ৰোগ, মধুমেহ, চাপ, অৱসাদ, অনিদ্ৰা আদি কিছুমান ৰোগ সাধাৰণতে দেখা যায়। এই দিশত কৰা গৱেষণাই যোগৰ উপকাৰী দিশবোৰ আৰু যোগে ইয়াৰ বিপদ শংকা হ্ৰাস কৰাটো দেখুওৱা হৈছে। মানছন্দা ইট এলে দেখুৱাইছে যে, অতি প্ৰবল অৱস্থাত থকা এডভান্সড্ কৰ্নৰি আৰ্টেৰি সমস্যাত ভোগা ৰোগীকো যোগ জীৱনশৈলী হস্তক্ষেপ কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰিব পাৰি। যৌগিক জীৱনশৈলীয়ে ক'ৰ'নেৰী বাইপাছ ছাৰ্জাৰি বা এজিঅ'প্লাছ প্ৰক্ৰিয়াৰ প্ৰয়োজনীয়তা হ্ৰাস কৰে। সেয়েহে যৌগিক জীৱন চৰ্য্যাত এড্‌ভান্সড্ ক'ৰ'নেৰি অৰ্টেৰী ৰোগত ব্যয়সফল হস্তক্ষেপ বুলি ক'ব পাৰি।

দৈনন্দিন জীৱন চৰ্য্যাত যোগক জীৱনশৈলী কাৰ্যসূচী হিচাপে সফল ব্যৱস্থাপনাৰে ক'ৰ'নেৰি অ'টেৰী, উচ্চ ৰক্তচাপ আদি অসংক্ৰামক ৰোগসমূহ প্ৰতিৰোধ কৰিব পাৰি। যুৱক-যুৱতীসকলৰ স্বাস্থ্যৰ ক্ষেত্ৰত খাদ্যয়ো এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আচাৰ্য আৰু ৰোষ্টগীয়ে (২০১৬) "যোগ ঃ স্বাস্থ্যবান আৰু চাপমুক্ত জীৱন" শীৰ্ষক পত্ৰত খাদ্য সম্পৰ্কীয় অভ্যাস স্বাস্থ্যকৰ নহয় বুলি গুৰুত্ব প্ৰদান কৰিছিল। সংৰক্ষিত খাদ্য, ফাষ্ট ফুড, জাংক ফুড, ধূমপান, সুৰা, ড্ৰাগছ আদি উচ্চ কেলৰিযুক্ত খাদ্য, উপযুক্ত জিৰণি আৰু শাৰীৰিক ব্যায়ামৰ অভাৱে বহুমূত্ৰ, উচ্চ ৰক্তচাপ, আৰ্থাইটিছ, পিঠিৰ বিষ আদি ৰোগৰ সৃষ্টি কৰাত অৰিহণা যোগায়। এইবোৰ কাৰণতে আজিকালি মানসিক ৰোগো বৃদ্ধি পাইছে। সুৰা আৰু ড্ৰাগছ ব্যৱহাৰৰ ফলত বৃহৎ সংখ্যক লোকে হতাশা, স্কীজ'ফ্ৰেনিয়া আদি ৰোগত ভোগা দেখা গৈছে। আসন, প্ৰাণায়ম, সৎকৰ্ম, সূৰ্য নমস্কাৰ আৰু ধ্যানৰ জৰিয়তে যোগ অভ্যাস শৈলীয়ে এজন ব্যক্তিৰ দেহ আৰু মন উভয়ৰে সফলভাৱে চিকিৎসা আগবঢ়াব পাৰে।

সামৰণিত সেয়েহে ক'ব পাৰি যে যোগ হ'ল যুৱক-যুৱতীসকলে তেওঁলোকৰ স্বাস্থ্য সমস্যা এৰাই চলাৰ বাবে উপযুক্ত মাধ্যম আৰু ই এইদৰেই সবল জাতি গঠন প্ৰচেষ্টাৰ অংশ হ'ব পাৰে। যোগে ইতিবাচক স্বাস্থ্য আৰু ইতিবাচক মনোভাৱৰ উৎকৰ্ষ সাধন কৰে। দেহ আৰু মনৰ ঐক্য নিখুঁতভাৱে নিৰোগী কৰি ৰাখিবৰ বাবে যৌগিক অভ্যাস এটা সঠিক পথ। ❒

# নিজৰ স'তে পুনঃ সংযোগ

**ঈশ্বৰ ভি বাসৰাৰেড্ডী***

যুৱ সৱলীকৰণ হ'ল শিশু আৰু যুৱক যুৱতীসকল নিজৰ জীৱনৰ দায়িত্ব ল'বলৈ উৎসাহিত কৰা। নিজৰ পৰিৱেশ অনুযায়ী তেওঁলোকে এইটো কৰে আৰু তাৰপিছত ব্যক্তিগত গুণাৱলীৰ বিকাশ সাধনৰ বাবে কাম কৰে আৰু নিজৰ বিশ্বাস, মূল্যবোধ আৰু মনোভাবৰ জৰিয়তে বিচাৰবোধৰ পৰিৱৰ্তন সাধন কৰে। যুৱ সৱলীকৰণৰ লক্ষ্য হ'ল যুৱ সবলীকৰণ কাৰ্যসূচীৰ জৰিয়তে জীৱনৰ মান উন্নত কৰা।

যুৱ সৱলীকৰণ আৰু যুৱ বিকাশৰ মাজত পাৰ্থক্য আছে। কাৰণ বিকাশে ব্যক্তিৰ বিকাশৰ দিশটোত কেন্দ্ৰীভূত কৰে, কিন্তু সবলীকৰণে যুৱসকলৰ স্বায়ত্ব আৰু স্ব-দৃঢ়তাৰ মৰ্যাদা বৃদ্ধি কৰে আৰু সমূহৰ মাজত নিজৰ আগ্ৰহ দায়িত্বশীল আৰু স্বদৃঢ়তাৰে প্ৰতিনিধিত্ব কৰাত সহায় কৰে।

যুৱ সবলীকৰণৰ তত্বটো ব্যক্তিগত সবলীকৰণ, সাংগঠনিক সবলীকৰণ আৰু সমূহীয়া সবলীকৰণ আদি তিনিটা ভাগত ভাগ কৰা হৈছে।

**১. ব্যক্তিগত সবলীকৰণ**

যুৱ বা প্ৰাপ্তবয়স্কসকলে নিয়ন্ত্ৰণ সক্ৰিয় কৰা আৰু অৰ্হতাৰ উৎকৰ্ষ সাধনৰ লগতে নিৰ্ণায়ক সচেতনতা বৃদ্ধি কৰাৰ বাবে দক্ষতা বিকাশ কৰে যাতে সংগঠন আৰু সমূহীয়াৰ ভালৰ বাবে সফলভাৱে সহযোগিতা কৰিব পাৰে।[১]

**২. সাংগঠনিক সবলীকৰণ**

উত্থাপিত অস্তিত্ব নিজৰ জীৱনৰ ওপৰত নিয়ন্ত্ৰণ, জীৱিকাৰ ব্যৱস্থাৰ কাৰণে বিকল্প আগবঢ়োৱাৰ বাবে যুৱ বা প্ৰাপ্তবয়স্কসকললৈ সুযোগ লাভৰ লগতে নীতি নিৰ্দ্ধাৰণত প্ৰভাৱ বিস্তাৰৰ কাৰণে দক্ষতাৰ প্ৰয়োজন।[২]

**৩. সমূহীয়া সবলীকৰণ**

সমূহীয়াৰ উৎকৰ্ষৰ বাবে প্ৰচেষ্টা, জীৱনৰ মানলৈ অহা ভাবুকিৰ প্ৰতিক্ৰিয়া আৰু স্থানীয়, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত নাগৰিকৰ অংশগ্ৰহণৰ বাবে সহায় আগবঢ়োৱা।[৩]

## যুৱসকলক আক্ৰান্ত কৰা সচৰাচৰ স্বাস্থ্য বিষয়সমূহ

উপলব্ধ হোৱা প্ৰমাণসমূহৰ প্ৰদৰ্শন আৰু ইংগিত মতে যুৱসকলৰ ব্যক্তিগত পছন্দ, পৰিৱেশৰ প্ৰভাৱ আৰু জীৱনশৈলীৰ পৰিৱৰ্তনকে ধৰি সংক্ৰামক আৰু অসংক্ৰামক অসুস্থতা আৰু আঘাত আদি সমস্যাৰ প্ৰৱণতা আছে। যুৱসকলে সন্মুখীন হোৱা সমস্যাবোৰ সামাজিক আৰু অৰ্থনৈতিকেই নহয়— মনস্তাত্বিক দিশো আছে। সম্পৰ্কৰ বান্ধোন আৰু বেদনাদায়ক নিসংগতাৰ ফলত তেওঁলোকে নিচাযুক্ত দ্ৰব্য আৰু সুৰাৰ আশ্ৰয় লয়। তেওঁলোকৰ আন প্ৰধান সমস্যাসমূহ হ'ল— সহপাঠীৰ চাপ, পৰিয়ালৰ দায়িত্ব আৰু কামৰ বোজা, উপযুক্ত পৰামৰ্শ। যত্ন আদিৰ অভাৱত এই বয়সৰ ল'ৰা-ছোৱালীয়ে জীৱনৰ অন্ত পেলাবলৈও প্ৰণোদিত হয়।

**যুৱক-যুৱতীসকলে সততে সন্মুখীন হোৱা সমস্যাসমূহ হ'ল—**

★ অতি ওজন আৰু মেদবহুলতা
★ চাপ
★ উদ্বিগ্নতা আৰু হতাশা
★ যুৱসকলৰ মাজত ব্যক্তিগত হিংসা
★ আত্মহত্যাৰ প্ৰৱণতা
★ ধঁপাত সেৱন
★ সুৰা আৰু নিচাজাতীয় দ্ৰব্যৰ আসক্তি
★ অসংক্ৰামক ৰোগ (এন চী ডী)

## যোগ আৰু যুৱ সবলীকৰণ

আসন আৰু প্ৰাণায়ামে শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ দিশত কাম কৰে। ইয়াৰ ফলত দেহে শক্তি লাভ কৰে, দেহৰ পৰা দূষিত পদাৰ্থ বাহিৰ কৰে, দেহ আৰু মন শিথিল কৰে, চাপ কমায় আৰু ছিম্‌পেথেটিক আৰু পেৰ্‌ছিম্‌পেথেটিক স্নায়ুতন্ত্ৰৰ মাজত ভাৰসাম্য প্ৰতিষ্ঠা কৰে আৰু এইদৰে বিভিন্ন অসংক্ৰামক ৰোগ ৰোধ কৰে। আসন আৰু প্ৰাণায়মে সহায় কৰা দিশবোৰ হ'ল—

★ চাপ আৰু উদ্বিগ্নতাৰ পৰা সকাহ দিয়ে
★ ইতিবাচক শক্তি আৰু মনোভাবৰ সঞ্চাৰ কৰে
★ ৰক্তচাপ স্বাভাৱিক হোৱাত সহায় কৰে

*লেখক ঈশ্বৰ ভি বাসৰাৰেড্ডী ভাৰত চৰকাৰৰ আয়ুস (এ ৱাই ইউ এছ এইছ) মন্ত্ৰণালয়ৰ মোৰাৰজী দেশাই নেশ্বনেল ইন্সটিটিউট অৱ যোগৰ সঞ্চালক।

- ★ আশে-পাশে থকা মাংসপেশীবোৰ মালিচৰদ্বাৰা পৰিপাক শক্তি দ্ৰুততৰ কৰে
- ★ শান্ত আৰু কুশলতাৰ ভাব বৃদ্ধি কৰে
- ★ চাপ প্ৰতিক্ৰিয়া ৰোধ কৰিব পাৰে সেয়ে সঞ্চিত চাপৰ ফলাফলৰ বিৰুদ্ধে প্ৰতিৰোধ চক্ৰ গঢ়ি তোলে
- ★ হৃৎপিণ্ডৰ হাৰ হ্ৰাস কৰে আৰু উশাহ-নিশাহে ৰক্তচাপ স্বাভাৱিক কৰে
- ★ অম্লজান অতি সফলভাৱে ব্যৱহাৰ হয়
- ★ এড্ৰিনেল গ্ৰন্থিয়ে কম কৰ্টিচল উৎপন্ন কৰে
- ★ প্ৰতিৰোধ ব্যৱস্থাৰ উৎকৰ্ষ সাধন কৰে

**চাপৰ বাবে যোগ**

চাপে পেৰ্‌ছিম্‌পেথেটিক স্নায়ুতন্ত্ৰৰ কাম হ্ৰাস আৰু ছিম্‌পেথেটিক স্নায়ুতন্ত্ৰৰ কাম বৃদ্ধি কৰি স্বতন্ত্ৰ স্নায়ু তন্ত্ৰৰ ভাৰসাম্য বিঘ্নিত কৰে। পৰিস্থিতিৰ দাবী আৰু ব্যক্তিৰ সামৰ্থ্যৰ লগত খাপ নোখোৱা ব্যৱস্থাই হ'ল চাপ, ই বাহ্যিক পৃথিৱীৰ সৈতে এজন ব্যক্তিৰ আবেগিক আৰু মানসিক প্ৰতিক্ৰিয়া। এজন ব্যক্তিয়ে যেতিয়া ধাৰাবাহিকভাৱে চাপৰ সন্মুখীন হয় আৰু সেই চাপ প্ৰকৃতেই হওক বা ধাৰণাই হওক তেওঁৰ স্নায়ু তন্ত্ৰই ছিম্‌পেথেটিক স্তৰলৈ গতি কৰে। এই স্তৰত এপাইনফ্ৰিন নিঃসৰণ কম হৈ ছিন্‌পেথেটিক স্নায়ুতন্ত্ৰৰ কাম হ্ৰাস কৰে, কিন্তু কৰ্টিক'ষ্টাৰঅয়ড অবিৰত নিঃসৰণৰে স্বাভাৱিক স্তৰৰ ওপৰত সক্ৰিয় হৈ থাকে। এনে পৰ্যায়ত ব্যক্তিগৰাকীয়ে নিজে যে চাপযুক্ত অৱস্থাত আছে সেইটোও আনকি চিনাক্ত কৰিব নোৱাৰে।

যোগ অভ্যাসে পেৰ্‌ছিমপেথেটিক স্নায়ুতন্ত্ৰক সংবেদনশীল কৰি স্বয়ংক্ৰিয় স্নায়ুতন্ত্ৰলৈ সুস্থ ভাৰসাম্য আনে। আমাৰ দেহ আৰু মনটোৱে ভয় বা চাপ অনুভৱ কৰাৰ সময়ত লাগিলে সেইটো 'ইতিবাচক' বা 'নেতিবাচক' যিয়েই নহওক, ছিম্‌পেথেটিক স্নায়ুতন্ত্ৰ বা 'জৰুৰী প্ৰতিক্ৰিয়া তন্ত্ৰ সক্ৰিয় হৈ উঠে। ইয়াৰ পলায়ন বা যুঁজ প্ৰতিক্ৰিয়াই জৰুৰী প্ৰয়োজনৰ ৰক্ত প্ৰবহন আৰু জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় পৰিপাক যন্ত্ৰৰ কাম হ্ৰাস কৰে।

যোগ অভ্যাসৰদ্বাৰা হাইপ'থেলামাছ, পিটুইটেৰি আৰু এড্ৰিনেলৰ সমন্বয় আৰু ছিম্‌পেথেটিক স্নায়ুতন্ত্ৰৰ নিয়ন্ত্ৰণ কৰি সুফল লাভ কৰিব পাৰি। চাপৰ ফলত সৃষ্ট শিথিলকৰণ আৰু যোগাৰদ্বাৰা মনটো শান্ত কৰি ৰক্তচাপ, নাড়ী স্পন্দন আৰু শ্বাসক্ৰিয়াৰ হাৰ কমাব পাৰি। ইয়াৰ ফলত মনোৰোগৰ কাৰক হিচাপে চিহ্নিত উপাদানবোৰ মনস্তাত্বিক সংঘাত, অৱদমন আৰু ৰক্তচাপ হ্ৰাস হয়। যোগ অভ্যাসৰদ্বাৰা মেলাট'নিন স্তৰ, মনস্তাত্বিক আৰু হৃদস্পন্দনৰ ক্ৰিয়া উন্নত হয়।

**আসক্তৰ বাবে যোগ**

যোগে এজন নিচাসক্ত লোকৰ দেহ, মন আৰু আত্মাৰ সংহতৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ চিকিৎসা আগবঢ়ায়। দেহ শক্তিশালী কৰে, মনটো শিথিল কৰে, দেহ আৰু আধ্যাত্মিক সচেতনতা বৃদ্ধি কৰে, চাপমুক্ত কৰে আৰু যথোপযুক্ত শ্বাস পদ্ধতিয়ে ভংগীমা সচেতনতা বঢ়ায়, দক্ষতাৰ লগত খাপ খাব পৰা শক্তি উন্নত কৰে আৰু দৃঢ় আৰু মন কেন্দ্ৰীভূতকৰণত উৎসাহ যোগায়। ইয়াৰ গভীৰ অভ্যাসে যুৱক-যুৱতীসকলক বৰ্তমান মুহূৰ্তৰ প্ৰতি সচেতন হোৱাত সহায় কৰে আৰু তললৈ হাউলাৰ ভংগীমাই দেহৰ সন্মুখৰ ভাগটো উন্মুক্ত কৰে আৰু তাৰ ফলত এজন লোক আবেগিকভাৱে সচেতন হ'ব আৰু ই মধ্যচ্ছদাত অনুভত হয়।[৪]

**মেদবহুলতাৰ বাবে যোগ**

যোগৰ ভিত্তি হ'ল সুষম খাদ্যৰ লগত আসনৰ উচিত অভ্যাস আৰু শ্বাস গ্ৰহণৰ কৌশল। মেদবহুল লোকে কেতিয়াবা গাঁঠিৰ বিষত ভোগে। যোগে কচকা খোৱা, দেহৰ ওজনৰ বাবে গাঁঠিত হোৱা বিষ আদি হ্ৰাস কৰি স্বাস্থ্যৰ উন্নতি ঘটায়। ই শক্তি আৰু শিথিলতা প্ৰদান কৰে। যোগ অভ্যাসে দৈহিক সক্ষমতা আৰু মানসিক উত্তৰণ ঘটাই মনত প্ৰফুল্ল ভাব জগায়। নিয়মিত যোগাভ্যাসে মেদবহুল লোকৰ ওপৰত সুপ্ৰভাৱ পেলায়। ই ওজন হ্ৰাস কৰাৰ ক্ষেত্ৰত আন আন কৌশলসমূহৰ তুলনাত স্থায়ী। মেদবহুলতাৰ চিকিৎসা হিচাপে সূৰ্য নমস্কাৰ অতি উত্তম চিকিৎসা। সূৰ্য নমস্কাৰ হ'ল এটা পূৰ্ণাঙ্গ আসন— ই এনডক্ৰিন আৰু স্নায়ুতন্ত্ৰৰ ওপৰত অন্যান্য প্ৰভাৱ পেলায় আৰু ইয়াৰ ফলত মেদবহুলতা সৃষ্টি কৰা বিপাক ক্ৰিয়াত সহায় কৰে। মেদবহুলতা হ্ৰাসৰ বাবে ভ্ৰষ্টিকা, কপালভাটি আদি কৰিবলৈ পৰামৰ্শ দিয়া হয় যিটোৱে বিপাক ক্ৰিয়াৰ ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰে।

**যুৱাসকল আৰু অসংক্ৰামক ৰোগ**

যৌৱনাৱস্থা হ'ল জীৱনৰ এটা অতি গুৰুত্বপূৰ্ণ সময়— ই শৈশৱ আৰু প্ৰাপ্তবয়স্ক অৱস্থা লাভ কৰাৰ মাজৰ সময়ছোৱা। বাহ্যিক ভাৱমূৰ্তি, সজীৱতা, শক্তি, উদ্যম আদিৰে বৈশিষ্ট্যপূৰ্ণ সময়ক যৌৱনাৱস্থা হিচাপে ব্যাখ্যা কৰিব পাৰি।

অসংক্ৰামক ৰোগ (এন চী ডী) আচৰণ আৰু জীৱনশৈলীৰ লগত

সম্পৰ্কিত। ভাৰতত যুৱক-যুৱতীসকলে পৰিপুষ্টি সম্পৰ্কীয় পৰিৱৰ্তনৰ মাজেৰে আগবাঢ়িছে আৰু ইয়াৰ ফলত প্ৰাপ্তবয়স্ক ৰক্তচাপ, চাপ, বহুমূত্ৰ, সঞ্চিত হাওঁফাওঁ ৰোগ আদি অসংক্ৰামক ৰোগৰ প্ৰাবল্য দেখিবলৈ পোৱা যায়।

**অসংক্ৰামক ৰোগ ৰোধৰ বাবে যোগ**

বৰ্তমান ধঁপাত সেৱন, বহুত সময় ধৰি কৰা কাম, নিয়মিত ব্যায়ামৰ অভাৱ, অস্বাস্থ্যকৰ আহাৰ আৰু সঞ্চিত মনো-সামাজিক চাপকে ধৰি বিভিন্ন জীৱনশৈলী অসংক্ৰামক ৰোগৰ কাৰক হৈ পৰিছে। সঞ্চিত দাহ্য আৰু চাপ এই অসংক্ৰামক ৰোগসমূহৰ সাধাৰণ উপাদান আৰু এইবোৰ ক্ষেত্ৰত যোগাভ্যাস অত্যন্ত লাভজনক হিচাপে বিবেচিত হৈছে। শেহতীয়া গৱেষণা-সমূহৰ মতে গভীৰ মনোযোগেৰে কৰা যোগ অনুশীলনে দেহত চেনিৰ মাত্ৰাৰ স্তৰ নিয়ন্ত্ৰণ কৰাত সহায় কৰে আৰু হৃদযন্ত্ৰ সম্পৰ্কীয় তন্ত্ৰ নিৰোগী কৰি ৰাখে। যোগৰদ্বাৰা লাভ কৰা গুৰুত্বপূৰ্ণ মনস্তাত্বিক লাভ হ'ল— ই সতৰ্কতা বৃদ্ধি কৰে।

যোগাভ্যাসে এজন লোকক নিজৰ লগত পুনঃ সংযোগত সহায় কৰে। ব্যক্তিৰ দেহত ৰোগৰ আৰম্ভণি হ'লে যোগাভ্যাসে সমগ্ৰ দেহতে চিকিৎসা আগবঢ়ায়। যোগ অভ্যাসে এজন লোকৰ তেওঁৰ চৌপাশে থকা পৃথিৱীৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰাত সহায় কৰে আৰু জীৱনৰ প্ৰত্যাহ্বানৰ বিভিন্ন পৰিপ্ৰেক্ষাৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰিবলৈ শিকাব পাৰে। মনটো শান্ত কৰি আৰু নিজৰ অভ্যন্তৰৰ লগত সংযোগ সাধন কৰি বৰ্তমানৰ মূহুৰ্তলৈ আনিবলৈ যোগাভ্যাসে সহায় কৰে। সৰ্বশেষত ব্যস্ত পৃথিৱীত সৃষ্টি হোৱা চাপ আৰু হেঁচাৰ পৰা মুক্ত হ'বলৈ আৰু অসংক্ৰামক ৰোগ প্ৰতিৰোধ কৰিবলৈ ই সহায় আগবঢ়াব পাৰে।

**টিপ্পনী**

১। যিমাৰমেইন, মাৰ্ক এ আৰু জুলিয়ান ৰেপ্পপেৰ্ট, "নাগৰিক অংশগ্ৰহণ, বোধ নিয়ন্ত্ৰণ আৰু মনস্তত্ব সবলীকৰণ"। আমেৰিকান জাৰ্ণেল অৱ কমুনিটি ছাইক'লজি, ভল্ইউম ১৬, নম্বৰ ৫, ১৯৬৬।

২। যিমাৰমেইন, হেণ্ডবুক, ২০০০।

৩। আইচিড.... মেৰেডিথ্ মিংকলাৰ— "ইমপ্ৰ'ভিং হেল্থ থ্ৰ' কমুনিটি অৰ্গেনাইজেশ্বন"। হেল্থ বিহেভিয়াৰ এণ্ড হেল্থ এডুকেশ্বন ঃ থিয়'ৰি, ৰিছাৰ্চ আৰু শিক্ষা, চানফ্ৰাঞ্চিচক', চী এ; জ'ছি— বেছ, ১৯৯০।

৪। মধ্যচ্ছদা পাকস্থলী ক্ষেত্ৰত অৱস্থিত যোগ দেহতত্ত্বত সাতটা চক্ৰ বা শক্তি কেন্দ্ৰ আছে। এই কেন্দ্ৰসমূহে আমাৰ সচেতনতা আৰু আবেগিক সামৰ্থ্যৰ স্তৰত সমতা স্থাপন কৰে বুলি ভবা হয়। ❐


**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

**বিষয় সম্ভাৰ**

জুলাই ২০১৭— **সামাজিক সুৰক্ষা**

আগষ্ট ২০১৭— **সামগ্ৰী আৰু সেৱা কৰ**

ছেপ্তেম্বৰ ২০১৭—**সকলোৰে বাবে গৃহ**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**

পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ভাৰতত দূৰণিৰ তথা অন্‌লাইন উদ্যোগী বিষয়ক শিক্ষা

অমিত কুমাৰ দ্বিবেদী*

সাংগঠনিক প্ৰক্ৰিয়াৰে গঢ় লৈ উঠা প্ৰতিষ্ঠানৰ গতিশীল পৰিৱেশত চাকৰি কৰা লোকসকলে তেওঁলোকৰ দক্ষতাৰ মান উন্নত কৰাটো যে আৱশ্যক তাক প্ৰায়েই অনুভৱ কৰে আৰু সেই বাবে শিল্প-উদ্যোগ বিষয়ক শিক্ষা আৰু প্ৰশিক্ষণত বিনিয়োগ কৰাৰ আৱশ্যক। তাৰ কাৰণে মুক্ত তথা দূৰণিৰটীয়া শিক্ষা অৰ্জনৰ মঞ্চক কামত লগোৱা উচিত। আগন্তুক দশকবোৰত জনগাঁথনিয়ে আগবঢ়োৱা সুবিধাৰাজিৰ সুফল উপলব্ধ কৰাৰ আশান্বিত স্বপ্নক যদি ভাৰতে বাস্তৱায়িত কৰিব লাগে, তেনেহ'লে আমি তৰুণ প্ৰজন্মৰ শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জনৰ মানসিকতা অধিকভাৱে গঢ় দিবলৈ প্ৰয়াস কৰিব লাগিব আৰু মনোযোগো দিব লাগিব।

কাৰিকৰী শিক্ষা বিষয়ক সৰ্বভাৰতীয় পৰিষদৰ মতে "দূৰণিৰ শিকন ব্যৱস্থা হ'ল শিক্ষাৰ এনে এটা ক্ষেত্ৰ যি সোঁ-শৰীৰে উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰাৰ লক্ষ্যৰে প্ৰযুক্তি আৰু দিহা-পৰামৰ্শমূলক পদ্ধতিৰ ওপৰত আলোকপাত কৰে।" দূৰণিৰ শিক্ষা হ'ল শিকিবৰ বাবে সুবিধা প্ৰদান কৰা এটা প্ৰক্ৰিয়া যেতিয়া তথ্যৰ উৎস আৰু শিকোঁতাসকলক সময় আৰু দূৰত্ব অথবা দুয়োটাৰদ্বাৰা পৃথক কৰি ৰখা হয়। ই এই প্ৰক্ৰিয়াক শিকাৰুসকলৰ প্ৰতি 'সমানভাৱে গুণগত মূল্যৰ' এটা শিক্ষাগত অভিজ্ঞতা সৃষ্টি কৰাটোকে বুজায় (সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ, ২০১৪)। যদিও ই প্ৰচলিত শিক্ষা পদ্ধতিৰ সমানেই মুক্ত আৰু দূৰণিৰ শিক্ষা পদ্ধতিয়ে কাম কৰিবলৈ বিচাৰে বাস্তৱ ৰূপত ইয়াক সদায়েই দ্বিতীয় শ্ৰেষ্ঠ ব্যৱস্থা ৰূপে গণ্য কৰা হয়। দূৰণিৰ শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা এই মিশ্ৰিত কাৰ্য আশা আৰু বাস্তৱৰ মাজৰ প্ৰভেদক সংযোগ সাধন কৰা উপায় স্বৰূপ হৈ পৰিছে। তথ্য আৰু যোগাযোগ আহিলাপাতি তথা মুক্ত শিক্ষামূলক বিষয়ৰ সম্পদৰাজি শিকাৰু-সকলক দিহা-পৰামৰ্শ আৰু ব্যক্তিগত-ভাৱে যোগাযোগ কৰাৰ সময়ত ভালদৰে কামত লগোৱা হয়। এনেধৰণৰ প্ৰয়াসে এজন ছাত্ৰক স্ব-উপদেশমূলক উপাদান-সমূহৰ জৰিয়তে শিকিবলৈ সমৰ্থৱান কৰি তোলে আৰু লগতে দিক্ দৰ্শন তথা নিজকে আশ্বস্ত কৰি তুলিবলৈ ভাব বিনিময় কৰাৰ প্ৰতিও হাবিয়াস জগায়।

বিভিন্ন শ্ৰেণীৰ লোকক সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত আৰু এইসকলৰ ভিতৰত সৰহ ভাগৰেই আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ সুচল প্ৰৱেশ ঘটা নাই— তালৈ চাই ভাৰতত মুক্ত আৰু দূৰণিৰ শিক্ষা প্ৰদান পদ্ধতি এটা সুবিধাজনক ব্যৱস্থা ৰূপে প্ৰকাশমান হৈ উঠিছে। ই শিথিলজনক আৰু নিৰ্ভৰ কৰিব পৰা এটা বিকল্পও। যোৱা ছয় দশক কালৰ দূৰণিৰ শিক্ষা অভিজ্ঞতা আৰু বিকাশ সাধনে জনগণক গুণমান শিক্ষা প্ৰদান কৰাৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'বলৈ নতুন আশাৰ সঞ্চাৰ কৰে। তথ্য আৰু যোগাযোগ প্ৰযুক্তিয়ে শ্ৰেণীকোঠাৰ পৰিধিৰ ক্ষণস্থায়ীভাৱে হ'লেও ম্লান কৰিছে। এই মুক্ত আৰু দূৰণিৰ শিক্ষা ব্যৱস্থাৰ প্ৰতিষ্ঠানসমূহে প্ৰযুক্তি সমৰ্থিত দিহা-পৰামৰ্শমূলক মঞ্চৰ মান উন্নত কৰিছে আৰু সেই অনুযায়ী দেশখনত ইয়াৰ সংখ্যাও বৃদ্ধি পাইছে।

**ভাৰতত দূৰণিৰ তথা অন্‌লাইন শিক্ষা**

মুক্ত আৰু দূৰণিৰ শিক্ষা গ্ৰহণ ব্যৱস্থা এতিয়া যেনেদৰে সমাধান কৰা হৈছে তাৰ লক্ষ্য হ'ল যি শিক্ষামূলক প্ৰযুক্তি আছে তাৰ ক্ষমতাক তথ্য আৰু যোগাযোগ পদ্ধতিৰে উন্নত কৰা। প্ৰায় সঠিক তথা অন্‌লাইন শিক্ষা ইণ্টাৰনেট ব্যৱস্থা আৰু আহিলাসমূহ ব্যৱহাৰ কৰি পৰিচালনা কৰা পাঠ্যক্ৰমকে বুজায়। এই সঠিকভাৱে শিক্ষা প্ৰদানৰ পৰিৱেশ জনসাধাৰণৰ ওচৰ গৈ পোৱাৰ ক্ষমতা আছে আৰু তেওঁলোকক গুণমান বিষয়বস্তুৰ সুচলতাও প্ৰদান কৰিব পাৰে। লগতে জনগণৰ ব্যাপক শ্ৰেণীকো শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত সমৰ্থন যোগাব পাৰে। সেই বাবে ইয়াক মুক্ত আৰু দূৰণিৰ শিক্ষা প্ৰদান ব্যৱস্থাৰ এটা বৈশিষ্ট্যপূৰ্ণ অংশ ৰূপে বিবেচনা কৰা হয়।

*লেখক অমিত কুমাৰ দ্বিবেদী এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ ডেভেলপমেণ্ট ইনষ্টিটিউট অৱ ইণ্ডিয়াৰ এগৰাকী ফেকাল্টি

**শিল্প-উদ্যোগ বিষয়ক শিক্ষা**

'এডাল্ট পপুলেচন ছাৰ্ভে'ৰ মতে ভাৰতৰ ৫৮ শতাংশ প্ৰাপ্তবয়স্ক লোকে শিল্প-উদ্যোগ বিষয়ক জ্ঞানৰে আধাৰিত কাম-কাজক এটা পছন্দৰ জীৱিকা ৰূপে গ্ৰহণ কৰিবলৈ আশা কৰে। কিন্তু মাত্ৰ ৬.৬ শতাংশ লোকহে কোনো ধৰণৰ শিল্পদ্যোগ সম্পৰ্কিত কাম-কাজত জড়িত থাকে। ভাৰতৰ দৰে এটা কাৰণৰদ্বাৰা পৰিচালিত অৰ্থনীতিয়ে বাণিজ্যৰ গতি অব্যাহত ৰখাৰ ক্ষেত্ৰত আশংকাৰ সন্মুখীন হয়। তাৰ কাৰণবোৰৰ ভিতৰত অপাৰগতা, বিত্তীয় সুচলতাৰ অভাৱ ইত্যাদিও হ'ব পাৰে। দৃষ্টি নিক্ষেপ কৰা আৰু সুযোগ-সুবিধাও যুৱ প্ৰজন্মৰ মাজত কম— বিশেষকৈ মহিলাৰ মাজত (৪০ শতাংশতকৈ অলপ বেছি)। ৰাষ্ট্ৰীয় বিশেষজ্ঞৰ সমীক্ষাত উদ্যোগ বিষয়ক প্ৰশিক্ষণ আৰু শিক্ষা প্ৰদানৰ উপযুক্ত ব্যৱস্থা নথকাটো এটা বাধাৰ কাৰণ বুলি উল্লেখ কৰিছে— যাৰ ফলত দেশখনত উদ্যোগৰ বিকাশ সীমিত অৱস্থাত আছে। সমীক্ষাত শিল্প-উদ্যোগৰ প্ৰতি আগ্ৰহ থকা ছাত্ৰৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু তেওঁলোকক বাণিজ্যিক ক্ষেত্ৰৰ আগশাৰীৰ ব্যক্তি ৰূপে আত্মপ্ৰকাশ কৰিবৰ অৰ্থে আৱশ্যকীয় দক্ষতা অৰ্জন কৰাৰ ওপৰতো আধিক্য আৰোপ কৰিছে।

মুঠ জনসংখ্যাৰ ভিতৰত যেতিয়া এখন দেশত কৰ্মঠ লোকৰ সমানুপাত অধিক হয়— স্পষ্টকৈ ক'বলৈ গ'লে তৰুণ-তৰুণীৰ সংখ্যা বেছি হয়— তেনে ক্ষেত্ৰত প্ৰাপ্ত মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰে জনগাঁথনিৰ লাভাংশৰ পথ প্ৰশস্ত কৰে আৰু তাৰ ফলস্বৰূপে দেশখনৰ প্ৰকৃত বিকাশ সূচনা কৰে। সেয়েহে ইয়াৰ বাবে আৱশ্যক উদ্যোগ বিষয়ত শিক্ষাৰ বিস্তৃতি সাধন তথা বিকাশ।

কেন্দ্ৰীয় চৰকাৰ আৰু কিছুমান সু-প্ৰতিষ্ঠিত শিক্ষা প্ৰতিষ্ঠানৰপৰা শিল্প-উদ্যোগ বিষয়ক শিক্ষাই বিশেষ মনোযোগ লাভ কৰিছে; কিয়নো সেইবোৰে এটা গোলকীয় অৰ্থনীতিত তৰুণ উদ্যোগীৰ ভূমিকা উপলব্ধি কৰিব পাৰিছে আৰু এনে অৰ্থনীতিৰ গতি প্ৰৱাহত আমাৰ দেশখনো জড়িত আছে।

**দূৰণিৰ তথা অন্‌লাইন উদ্যোগ বিষয়ক পাঠ্যক্ৰম**

ৰাজহুৱা তথা ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ সহায়ত দূৰণিৰ তথা অন্‌লাইন শিক্ষা আহৰণ ব্যৱস্থা বৃদ্ধি পাইছে। ইণ্টাৰনেটৰ এটা জৰীপ মতে দূৰণিৰ তথা অন্‌লাইন পাঠ্যক্ৰমসমূহত ছাত্ৰৰ ভৰ্তিৰ সংখ্যা পৰিচালনামূলক পাঠ্যক্ৰমত শীৰ্ষত আছে। আন এটা কথা হ'ল, যদি আমি উদ্যোগ বিষয়ৰ সন্দৰ্ভত দূৰণিৰ তথা অন্‌লাইন কাৰ্যসূচী সম্পৰ্কে বিচাৰি চাওঁ, তেনেহ'লে তাৰ ছবিখন নিৰুৎসাহজনক। বহু কম প্ৰতিষ্ঠানকহে কিছু ধৰণৰ উদ্যোগ সম্বন্ধীয় বিষয়ৰ ক্ষেত্ৰত জড়িত হৈ থকা দেখা পাওঁ। মাত্ৰ তলত উল্লেখ কৰা পাঁচটা কাৰ্যসূচীহে পোৱা যায়।

(১) **ই ডি আই আই (এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ ডেভেলপমেণ্ট ইনষ্টিটিউট অৱ্ ইণ্ডিয়া), আহমদাবাদ ঃ** উদ্যোগ বিষয়ৰ ক্ষেত্ৰত মুক্ত আৰু দূৰণিৰ শিক্ষা অৰ্জন কাৰ্যসূচী।

(২) **ছিমবায়'ছিছ ইউনিভাৰ্ছিটি, পুণে ঃ** উদ্যোগ বিষয়ৰ বিকাশৰ ক্ষেত্ৰত ছাৰ্টিফিকেট প্ৰদান কাৰ্যসূচী।

(৩) **ইগ্‌ন' ঃ** এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপৰ ক্ষেত্ৰত ছাৰ্টিফিকেট।

(৪) **উইলিংকাৰ ইনষ্টিটিউট, মুম্বাই ঃ** এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ মেনেজমেণ্ট বিষয়ত ডিপ্লোমা।

(৫) **ৱেষ্ট বেংগল নেচনেল ইউনিভাৰ্ছিটি অৱ জুৰিদিকেল চায়েন্সছ (কলকাতা) ঃ** এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ এডমিনিষ্ট্ৰেশ্বন এণ্ড বিজনেছ ল'।

**চলিত অৱস্থা**

দেশত উদ্যোগ বিষয়ক শিক্ষাৰ পৰিসৰলৈ চাই দূৰণিৰ শিক্ষা গ্ৰহণ ব্যৱস্থাই এতিয়া স্বীকৃতি লাভ কৰিবলৈ বাকী আছে। যিবোৰ প্ৰতিষ্ঠানে দূৰণিৰ শিল্প-উদ্যোগ বিষয়ক কাৰ্যসূচী আগবঢ়ায় সেইবোৰে ফল-উন্মেষ সাধনকাৰী কাৰ্যসূচী প্ৰদান কৰিবৰ কাৰণে পাঠ্যক্ৰম আৰু গাঁথনি তৈয়াৰ কৰাৰ প্ৰয়োজন আছে। শিক্ষা প্ৰদান আৰু ধৰণ-কৰণৰ উন্নতি সাধনৰ বাবে সুবিধা থাকিলেও কিছুমান ঘাই বিষয় আছে যিবোৰ বিশ্লেষণ কৰিব লাগে আৰু দূৰণিৰ পৰা উদ্যোগ বিষয়ক শিক্ষা আগবঢ়োৱাৰ ধৰণ-কৰণ সবল কৰা প্ৰয়োজন। সেই বিষয়ে দুটামান বিষয় তলত উল্লেখ কৰা হ'ল—

**বাণিজ্যিকীকৰণ বনাম গুণমান শিক্ষা ঃ**

এইটো দেখা গৈছে কিছুমান বিশ্ববিদ্যালয়ে— সেয়া বেচৰকাৰী কিম্বা ৰাজহুৱাই হওক— ধন অৰ্জনৰ বাবে দূৰণিৰ শিক্ষা আহৰণ ব্যৱস্থাক এটা উপায় ৰূপে গ্ৰহণ কৰিছে। এইটো বৰ দুৰ্ভাগ্যজনক কথা। আমি দেখিবলৈ পাইছো, দূৰণিৰ শিক্ষা পাঠ্যক্ৰম বাণিজ্যিক কাৰণত আৰম্ভ কৰিবলৈ লোৱা হৈছে। তাৰ বাবে উপযুক্ত মান অটুট ৰাখিছে নে নাই সেই বিষয়টোলৈ মনোযোগ দিয়া নাই। এয়া ছপা সামগ্ৰী তথা অন্যান্য সুবিধা প্ৰদান কৰা উভয়ৰ ক্ষেত্ৰতে বিৰাজমান। অন্য সুবিধাৰ ভিতৰত টেলিভিছন, ৰেডিঅ' আদিৰ কথা ক'ব পাৰি; কিন্তু সেয়াই যথেষ্ট

নহয়, ফলস্বৰূপে ই সমস্যাৰ সৃষ্টি কৰে। ছাত্ৰ-ছাত্ৰী উপযুক্ত মানৰ শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হয়। আটাইবোৰ বিশ্ববিদ্যালয়কে বিশেষ পাঠ্যক্ৰম (যেনে এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ পাঠ্যক্ৰম) উপযুক্ত সা-সুবিধা আৰু বিষয় তদাৰক কৰিব পৰা প্ৰশিক্ষিত ফেকাল্টিৰ অবিহনে ব্যৱস্থা কৰিবলৈ দিব নালাগে। তদুপৰি কিছুমান বিশ্ববিদ্যালয় আছে— যিবোৰত মূলতঃ এনে ধৰণৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব নালাগে। এইবোৰ বিশ্ববিদ্যালয় কিছু উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখি স্থাপন কৰা হয়; কিন্তু সেই বিশ্ববিদ্যালয়বোৰে কেৱল অৰ্থ উপাৰ্জনৰ বাবে দূৰণিৰ শিক্ষা পাঠ্যক্ৰম আগবঢ়াবলৈ আৰম্ভ কৰে। এই বিকাশশীল দেশত উচ্চ শিক্ষা সংস্কাৰ সাধনৰ দিশত তেনেদৰে উল্লেখযোগ্য ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। ফলস্বৰূপে মানৱ সম্পদ বিকাশ সাধনৰ বিষয়টো এটা দূৰণিৰ স্বপ্ন হৈ আছে। ভাৰতত বেচৰকাৰী প্ৰতিষ্ঠানসমূহে বিনামূলীয়া পাঠ্যক্ৰম আগবঢ়াবলৈ সহযোগ কৰিছে। পিছে উচ্চ শিক্ষা প্ৰদান কৰা কাম বেচৰকাৰীৰ হাতত থকাৰ বাবে পূৰ্ণকালীন শিক্ষাৰ কাৰ্যসূচী আগতকৈও অধিক খৰচৰ হৈ পৰিছে। সেইদেখি পূৰ্ণকালীন শিক্ষাৰ কাৰ্যসূচীত যোগদান কৰাৰ তুলনাত ছাত্ৰসকলে এখন বিশ্ববিদ্যালয়ত থকা দূৰণি তথা অন্‌লাইন কাৰ্যসূচীত বহুত কম খৰচতে যোগদান কৰিব পাৰে। প্ৰযুক্তিগতভাৱে

১নং তালিকা ঃ **দূৰণিৰ/মুক্তভাৱে শিকিব পৰা শিক্ষা কাৰ্যসূচীত প্ৰৱেশৰ সংখ্যা**

| ৰাজ্য | বৰ্ষ | মুঠ - পুৰুষ | মুঠ - মহিলা | মুঠ |
|---|---|---|---|---|
| সৰ্বভাৰতীয় | ২০১২-২০১৩ | ১৪১৭৯৭৮ | ১১৫৮২৭০৮ | ২৫৭৬১৬৮৬ |
| সৰ্বভাৰতীয় | ২০১১-২০১২ | ১২১৭৯২৪৮ | ৯৬৮১৮৬৮ | ২১৮৬১১১৬ |

**উৎস ঃ** অ'পেন গভৰ্ণমেণ্ট ডাটা প্লেটফৰ্ম ইণ্ডিয়া

প্ৰতিষ্ঠানবোৰৰ কিছুমানত অন্‌লাইন কাৰ্যসূচী চোৱা-চিতা কৰিবৰ কাৰণে প্ৰশিক্ষিত শিক্ষক কিম্বা কৰ্মচাৰী নাই। পাঠ্যক্ৰম আৰু পাঠ্যক্ৰমৰ বিষয় সন্দৰ্ভত অৱলোকন কৰিবলৈও তেনে উপযুক্ত শিক্ষক নাই। দূৰণিৰ আৰু অন্‌লাইন কাৰ্যসূচী কেন্দ্ৰ সাধাৰণতে প্ৰতিষ্ঠিত কলেজসমূহত থাকে। কিন্তু লাইভ টেলি-কনফাৰেন্সিং/ভিডিঅ' কনফাৰেন্সিং/অন্‌লাইন আলাপ/ম'ডল-ভিত্তিক আলোচনা কৰাৰ সুবিধা এতিয়াও সেইবোৰত অভাৱ আছে।

## দূৰণিৰ শিক্ষা অৰ্জনৰ সুবিধা ঃ

দূৰণিৰ শিক্ষা অৰ্জনৰ সা-সুবিধা কামত লগোৱা হোৱা নাই। প্ৰায়ভাগ কম যি বিকাশ সাধন হৈছে তালৈ চাই ছাত্ৰ-ছাত্ৰীসকলে এতিয়া ঘৰতেই থাকি গুণগত শিক্ষাৰ সুচলতা কেৱল লাভ কৰাই নহয়, তদুপৰি মুক্তহস্তে তাক আদৰিব লগা বিষয়। যিকোনো দূৰণিৰ শিক্ষা কাৰ্যসূচীৰ সফলতা নিৰ্ভৰ কৰে ইয়াৰ স'তে জড়িত থকা সকলোবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ নিৰন্তৰ আৰু সঙ্ঘবদ্ধ প্ৰয়াসৰ ওপৰত। তেনে অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি হ'ল, যেনে— ছাত্ৰ-ছাত্ৰী, ফেকাল্টি, সুবিধা প্ৰদান কৰোঁতা, সমৰ্থিত কৰ্মচাৰীবৃন্দ আৰু প্ৰতিষ্ঠান।

## উপযুক্ততাৰ প্ৰয়োজন ঃ

"ইয়াৰ বাবে প্ৰয়োজন এলানি দক্ষতাৰ গুণাৱলী— য'ত থাকিব পাৰে শিকোঁতাসকলৰ বুজিব পৰা শক্তি, ..... ছফ্টৱেৰৰ সম্বন্ধে এটা গভীৰ উপলব্ধি... সমসাময়িক দিহা-পৰামৰ্শদায়ক সূত্ৰ-সমূহৰ সন্দৰ্ভত গভীৰ জ্ঞান আৰু বহু-মাধ্যম উপস্থাপনত সৌন্দৰ্য কলাৰ ৰুচি।"

থেচ আৰু মাৰ্ফিয়ে আমেৰিকা আৰু কানাডাৰ প্ৰায় ১০৩ জন দূৰণিবটীয়া শিক্ষা আয়ত্ত কৰা পেছাদাৰীক সবিশেষ জানিবৰ কাৰণে সোধা-পোছা কৰে। তেওঁলোকৰ দক্ষতা গুণ তথা মুক্ত আৰু দূৰণিৰ শিক্ষা গ্ৰহণ পাঠ্যক্ৰম পৰিচালনা কৰিবলৈ আৱশ্যক হোৱা উপযুক্ততাৰ ওপৰত ঘাইকৈ গুৰুত্ব দিয়া হয়। তেনেদৰে সোধা-পোছা কৰাৰ পৰা তলত উল্লেখ কৰা আৱশ্যকীয় দক্ষতাৰ গুণৰাজি পৰিলক্ষিত হয়—

(১) ইজন-সিজনৰ স'তে কৰা যোগাযোগ; (২) পৰিকল্পনা, সহযোগ আৰু আটায়ে মিলি কৰা কাম; (৩) ইংৰাজীত পাৰদৰ্শিতা আৰু লিখাৰ ক্ষেত্ৰত দক্ষতা; (৪) প্ৰশাসনীয় সমৰ্থন সেৱা; (৫) ফীড্‌বেকৰ দক্ষতা; (৬) মৌলিক জ্ঞান আৰু দূৰণিৰ শিক্ষা তথা প্ৰযুক্তিৰ বিষয়ে উপলব্ধি।

শিল্প-উদ্যোগ সম্পৰ্কীয় শিক্ষা অৰ্জনৰ বিষয়টো হ'ল এটা বিশেষ কৃতী আহৰণ পাঠ্যক্ৰম। ইয়াৰ লক্ষ্য হ'ল ছাত্ৰ-ছাত্ৰীক সম্পদ আৰু বিত্তৰ সৰ্বাধিক ব্যৱহাৰ তথা উদ্যোগ পৰিচালনা, বিপণন, প্ৰশাসন, ব্যৱস্থাপনা ইত্যাদিৰ সন্দৰ্ভত দক্ষতা গুণেৰে সজ্জিত কৰি তোলা। মুক্ত আৰু দূৰণিৰ শিক্ষা আহৰণ ব্যৱস্থাৰ জৰিয়তে এইবোৰ দক্ষতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক শিকোৱাৰ ক্ষেত্ৰত প্ৰত্যাহ্বান আছে। ইয়াৰ বাবে প্ৰয়োজন দূৰণিবটীয়া শিক্ষা প্ৰদান কৰা পেছাদাৰীসকলৰ পাৰদৰ্শিতা আৰু উদ্যোগী ভাৱধাৰা তথা পৰিচালনা সম্পৰ্কীয় জ্ঞান।

**আৱশ্যকতা আৰু সুযোগ-সুবিধা**

শিল্প-উদ্যোগ বিষয়ক জ্ঞান প্ৰদান কৰাৰ ক্ষেত্ৰত ভাৰতত দূৰণিৰ শিক্ষাই কম সঁহাৰি পায়। উদ্যোগী ভাবধাৰাৰ অধিকাৰী কৰিবৰ বাবে দূৰণিৰ শিক্ষা পৰিচালনা কৰা বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহে দূৰণিৰ উচ্চ শিক্ষাত গুণগত বিষয় নিশ্চিত কৰা প্ৰয়োজন। ভাৰতত এনেধৰণৰ দূৰণিৰ গুণমান শিক্ষাৰ বাবে আৱশ্যক হোৱা সা-সুবিধাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

**জনসংখ্যা ঃ** আনুষ্ঠানিক শিক্ষাৰ আৰ্হিয়ে ওপৰলৈ উঠি অহা মধ্যৱৰ্তী শ্ৰেণীৰ লোকৰ আশা-আকাংক্ষ্যাৰ প্ৰতি স্থিতি গ্ৰহণ কৰিব নোৱাৰে। এটা সৃষ্টিমূলক আৰু সুদূৰপ্ৰসাৰী শিক্ষাৰ ক্ষেত্ৰ, যেনে— এম অ' অ' চি জনগণক শিক্ষিত কৰিবলৈ আৱশ্যক। অ-কুশলী আৰু অৰ্দ্ধ-কুশলী শ্ৰমিকক দক্ষ শ্ৰমিকলৈ ৰূপান্তৰ তথা অনানুষ্ঠানিক খণ্ডৰ পৰা মৰ্যাদাপূৰ্ণ নিয়োগৰ সংগঠিত খণ্ডলৈ পৰ্যৱসিত কৰাটো উপযুক্ত উদ্যোগী ভাবধাৰাৰ শিক্ষাৰ জৰিয়তেহে একমাত্ৰ সম্ভৱ।

**শিথিলতা ঃ** মুক্ত দূৰণিৰ শিক্ষা গ্ৰহণ ব্যৱস্থা যদিও নিজৰ বিধি অনুযায়ী পৰিচালিত হয়, তথাপি ই শিকাৰুসকলক সামৰি লয় আৰু শিথিলভাৱে শিকিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰে। ৰামায়াৰ ভাষাত ক'বলৈ গ'লে— "তথ্য আৰু যোগাযোগ পদ্ধতিৰ জৰিয়তে গণ শিক্ষাক সম্ভৱ কৰি তোলা হয়। ইণ্টাৰনেটৰ মাধ্যমত দূৰণিৰ শিক্ষাই বাণিজ্যত জড়িত থকা লোকসকলক নিজৰ দক্ষতাৰ মান উন্নত আৰু বিশ্বায়নৰ পৃথিৱীখনত বাণিজ্য উদ্যোগসমূহৰ ধৰণ-কৰণ পৰিৱৰ্তন কৰিবৰ বাবে খাপ খুৱাই ল'বলৈ সুবিধা আগবঢ়ায়।"

**যুৱকসকলক শিক্ষিত কৰি তোলাঃ** ভাৰতৰ জনসংখ্যাৰ ভিতৰত ২৮ শতাংশ তৰুণ লোক আছে আৰু এইসকলৰ মাজত নিবনুৱাৰ স্থিতি বিৰাজমান হৈ থকাটো এটা চিন্তাৰ বিষয়। সেই বাবে দেশখনে ইয়াক আওকাণ কৰি থাকিব নোৱাৰে। লেখক ছাংঘি আৰু শ্ৰীজাই তেওঁলোকৰ প্ৰবন্ধত (ফেব্ৰুৱাৰী, ২০১৪) এইবুলি মন্তব্য কৰে ঃ "ভাল নিয়োগ সুবিধাৰ অভাৱে যুৱকসকলক স্ব-নিয়োজিত কাম হাতত ল'বলৈ বাধ্য কৰায় আৰু কম দৰমহাৰ ঠিকা-ভিত্তিক চাকৰিও গ্ৰহণ কৰিবলৈ সন্মতি দান কৰিব লগা হয়। তেনে চাকৰিৰ অৱস্থা অধিক শোচনীয় হ'লেও তেওঁলোক উপায়বিহীন হৈ পৰে।" অৱশ্যে এতিয়াৰ যুৱ প্ৰজন্মৰ মাজত— বিশেষকৈ তৰুণীসকলৰ ক্ষেত্ৰত— ভাল নিয়োগ সা-সুবিধাৰ বাবে নিজকে শিক্ষিত আৰু প্ৰশিক্ষিত কৰি তুলিবলৈ বহুলভাৱে অনুভৱ কৰা হয়।

★ **প্ৰশিক্ষিত ব্যক্তিৰ বাবে বৰ্দ্ধিত আৱশ্যকতা ঃ** ভাৰতৰ উদ্যোগ-সমূহে উপযুক্ত কৰ্মচাৰীৰ অভাৱ অনুভৱ কৰে। কিন্তু তেনে অভাৱ পূৰণ কৰিবলৈ উপযুক্ত প্ৰাৰ্থী কমেইহে পোৱা যায়। দুৰ্ভাগ্যবশতঃ আমাৰ এটা বৃহৎ সংখ্যক স্নাতক যুৱক-যুৱতী নিয়োগ উপযোগী নহয়। তেওঁলোকৰ দক্ষ গুণৰ অভাৱ। সেয়ে মুক্ত আৰু দূৰণিৰ শিক্ষা আহৰণ ব্যৱস্থাই উদ্যোগ বিষয়ৰ ক্ষেত্ৰত এই সকল লোকক সৃষ্টিকামী আৰু সফল উদ্যোগী কৰি গঢ়ি তুলিব পাৰে।

★ **স্থান আৰু অস্থায়ী দিশৰ সীমাবদ্ধতা ঃ** প্ৰত্যেক ছাত্ৰই কোনো এখন প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়ৰ নিয়মীয়া পাঠ্যক্ৰমত যোগদান কৰিবলৈ সমৰ্থৱান হ'ব নোৱাৰে। ইয়াৰ কাৰণ হ'ব পাৰে— তেনে ছাত্ৰই পাঠ্যক্ৰমৰ খৰচ বহন কৰিব নোৱাৰে অথবা তেনে প্ৰচলিত কাৰ্যসূচীত উপস্থিত থাকিবলৈ সময় আৰু সুবিধাও উলিয়াব নোৱাৰে। ছাত্ৰ আৰু শিক্ষকৰ মাজত সময় আৰু স্থানৰ প্ৰাপ্তি অমিল হ'ব পাৰে। সেয়ে উদ্যোগী বিষয়ৰ জ্ঞান অৰ্জনৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত মুক্ত আৰু দূৰণিৰ শিক্ষা ব্যৱস্থাই এই বাধাবোৰ নোহোৱা কৰিব পাৰে। কাম কৰি থকা ব্যক্তিয়ে মুক্ত আৰু দূৰণিৰ শিক্ষা ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ পাঠ্যক্ৰম নিজৰ চাকৰিত কোনো ধৰণৰ বেয়া প্ৰভাৱ নপৰাকৈ শিকি-বুজি সমাপ্ত কৰিব পাৰে। কাৰণ এইবোৰ পাঠ্যক্ৰম স্ব-গতিৰ আৰু নিজকে খাপ খুৱাই ল'বলৈ যথেষ্ট স্বাধীনতা প্ৰদান কৰে।

★ **উন্নত অৰ্হতা আৰু পদোন্নতিৰ সুবিধা ঃ** দূৰণিৰ শিক্ষা মঞ্চই— বিশেষকৈ উদ্যোগ বিষয়ক আৰু ব্যৱস্থাপনাৰ দৰে পাঠ্যক্ৰমে কাম কৰি থকা লোকক অতিৰিক্ত দক্ষতা আৰু জ্ঞান আহৰণৰ বাবে সুবিধা আগবঢ়ায় আৰু এনেদৰে ই কেৱল তেওঁলোকৰ জীৱিকা বৃত্তিত অতিৰিক্ত অৰ্হতাৰে পৰিপূৰক কামেই নকৰে, তদুপৰি তেওঁলোকৰ উৎপাদনশীল কাৰ্যক দৃঢ় কৰে আৰু বৰ্তমানে কৰি থকা কামত পদোন্নতি হোৱাৰ সুবিধাও বৃদ্ধি কৰে।

★ **অৱসৰৰ পাছত শিক্ষা ঃ** শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জনৰ ক্ষেত্ৰত দূৰণিৰ শিক্ষা পাঠ্যক্ৰমৰ এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল অৱসৰ

গ্ৰহণ কৰা লোকক নিজৰ সঞ্চয়ৰ ধনখিনি উদ্যোগ বিষয়ৰ কাম-কাজত বিনিয়োগ কৰিবলৈ সক্ষম কৰে আৰু তাৰদ্বাৰাই অৱসৰ গ্ৰহণৰ পিছত ভালদৰে জীৱন অতিবাহিত কৰাত সহায় কৰে।

★ **ক্ষুদ্ৰ উদ্যোগী ভাৱধাৰা অৰ্জন ঃ** ড° বি আৰ আম্বেদকাৰ মুক্ত বিশ্ববিদ্যালয়ৰ শ্ৰীচন্দ্ৰায়াৰে পৰিচালনা কৰা এটা অধ্যয়নত পোৱা হয় যে ক্ষুদ্ৰ উদ্যোগত জড়িত থকা ৯০ শতাংশতকৈ অধিক আত্মসহায়ক গোটৰ মহিলাই ছ'চাইটি ফৰ এলিমিনেটিং ৰুৰেল পভাৰ্টি (অন্ধ্ৰ প্ৰদেশ চৰকাৰৰদ্বাৰা প্ৰতিষ্ঠাপিত) অনুষ্ঠানে আগবঢ়োৱা সমৰ্থন সেৱা আৰু প্ৰশিক্ষণ তেওঁলোকৰ কামত অহাকৈ উপযুক্ত বুলি নাভাবে। সেয়ে ক্ষুদ্ৰ উদ্যোগী ভাৱধাৰা অৰ্জন কৰা বিষয়ত ছাৰ্টিফিকেট কাৰ্যসূচী এই সৰু সৰু শিক্ষিত মহিলা উদ্যোগীসকলক পৰিচালনা কৰিবৰ কাৰণে তৈয়াৰ কৰা হয়। কাৰণ এই মহিলাসকলে তেওঁলোকৰ ব্যৱসায় চলাবৰ কাৰণে বেংকে আগবঢ়োৱা ক্ষুদ্ৰ বিত্ত সেৱা কামত লগায়।

★ **অনানুষ্ঠানিক খণ্ডৰ আনুষ্ঠানিকতাঃ** ভাৰতত চলা নীতি বহিৰ্ভূত শ্ৰমিক বজাৰৰ সন্দৰ্ভত বিশ্লেষণ কৰা শ্ৰীজা আৰু ছিৰকে “পৰিৱেশক সমৰ্থৱান কৰি তোলা' সন্দৰ্ভত অনুমোদন জনায়। তেনে পৰিৱেশে নিয়োগৰ অনানুষ্ঠানিক খণ্ডত নীতিগত কাম কৰিব লগা অভ্যাসৰ পথ মুকলি কৰিব আৰু এনে ব্যৱস্থাই ক্ৰমান্বয়ে ৰূপান্তৰ সাধন কৰাত সহায় কৰিব। উদ্যোগী ভাৱধাৰাৰ জ্ঞান অৰ্জনৰ এটা ভাল পাঠ্যক্ৰমে ক্ষুদ্ৰ ব্যৱসায়ীসকলক শোচনীয় অৱস্থাৰ পৰা এটা সুস্থ ধৰণৰ ব্যৱসায়ৰ পৰিৱেশত কাম কৰাৰ নিশ্চয়তা কৰিব আৰু তেনে উদ্যোগীসকল বৰ্তমানৰ তথা অলপতে আৰম্ভ কৰা লোকো হ'ব পাৰে।

**মিশ্ৰিত দৃষ্টিভঙ্গী— উদ্যোগী ভাৱধাৰা অৰ্জনৰ ক্ষেত্ৰত অনলাইন শিক্ষা গ্ৰহণ কাৰ্যসূচী ঃ**

আহমদাবাদৰ এণ্ট্ৰেপ্ৰেনিয়ৰশ্বিপ ডেভেলপমেণ্ট ইনষ্টিটিউট অৱ ইণ্ডিয়াই জাৰ্মেনীৰ ফ্ৰেডেৰিক ন'ৰমান ফাউণ্ডেচনৰ সহযোগত ব্যাপক আকাৰত নতুন উদ্যোগী সৃষ্টি আৰু প্ৰশিক্ষণ দিয়াৰ লক্ষ্য স্থিৰ কৰিছে। এয়া ঘাইকৈ দেশখনত বিৰাজ কৰা নিবনুৱা বিষয়টো সমাধান কৰাই হ'ল উদ্দেশ্য। বিভিন্ন ভৌগোলিক অঞ্চলত থকা ব্যক্তিসকলৰ শিক্ষা অৰ্জনৰ আৱশ্যকতা পূৰণ কৰিবৰ কাৰণেই উক্ত কাৰ্যসূচীয়ে দূৰণিৰ মুক্ত শিক্ষা গ্ৰহণৰ পথ বাছি লয়। এটা মিশ্ৰিত উপায় অৱলম্বনেৰে অনলাইন কাৰ্যসূচীক দুটা যোগাযোগ ভাগত প্ৰদান কৰিবলৈ লোৱা হয়। এটা ভাগত দক্ষতাৰ বিকাশ আৰু জ্ঞান আহৰণ আৰু আনটোত বিশেষজ্ঞ তথা ই ডি এইচ ফেকাল্টিৰ-দ্বাৰা দিহা-পৰামৰ্শ প্ৰদান কৰা। ৱেব-ভিত্তিক ছফ্টৱেৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সম্পদ, নিৰ্দ্ধাৰণ সূচী আৰু অগ্ৰগতি সাধনৰ পৰ্যবেক্ষণ সম্বন্ধে জনাবৰ বাবে স্থাপন কৰা হয়। পাঠ্যক্ৰমৰ লক্ষ্য হ'ল মিশ্ৰিতভাৱে প্ৰতিষ্ঠান আধাৰিত সম্পদৰাজি তথা সা-সুবিধাৰ লগত মুক্ত শিক্ষা আহৰণৰ মঞ্চৰ সমন্বয় সাধনেৰে হোৱা লাভখিনিক কামত লগোৱা। ই ডি এইচ আদিৰ দৰে প্ৰতিষ্ঠানৰ কাৰ্যকৰণৰ দ্বৈত ভূমিকাই দূৰণিৰ শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত বৰ্দ্ধিত লোকৰ ভেটি গঢ়ি তোলাৰ পথ মুকলি কৰিব, ছাত্ৰ-ছাত্ৰীৰ বাবে উন্নত সেৱা যোগান ধৰিব আৰু বৰ্তমানে যিবোৰ সা-সুবিধা আছে তাৰ অধিক উপযুক্তভাৱে ব্যৱহাৰ হ'ব আৰু এখন বিশ্ববিদ্যালয়ৰ ভিতৰতে বিভিন্ন প্ৰতিষ্ঠানৰ সহযোগো বৃদ্ধি পাব বুলি আশা কৰা হয়।

**আগত থকা পথ**

(ক) **নিয়োগ উন্মেষ সাধক ঃ** সকলো মানৱ বিকাশ সাধন প্ৰতিবেদনত এইটো অধিকভাৱে স্পষ্ট কৰা হৈছে যে যিকোনো ধৰণৰ শিক্ষাই হ'ল এটা বিনিয়োগ। এইটো বিশেষকৈ ভাৰতকে ধৰি দক্ষিণ এছিয়াৰ দেশবোৰৰ কাৰণে প্ৰকৃততেই সত্য। কাৰণ এই দেশবোৰত উচ্চ শিক্ষাত প্ৰৱেশৰ সংখ্যা এতিয়াও কম। লেখত ধৰিব লগা বিধৰ নহয়। আনকি সেই বয়স-গোটৰ ১০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে যি উচ্চ শিক্ষা লাভ কৰা উচিত সেইটো কৰা নহয়। পৰিস্থিতিলৈ লক্ষ্য কৰি আমি এইটো ক'ব পাৰো যে এই প্ৰতিষ্ঠানবোৰৰ পৰা ওলাই অহা প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীৰ যাত্ৰা অন্ত পৰে কাম-কাজত নিযুক্তি নোপোৱাকৈ। সেই কাৰণে এইটো ক'ব পৰা যায় যে যি ধৰণে শিক্ষা প্ৰদান কৰা হয় তাত এটা সমস্যা আছে আৰু এগৰাকী ব্যক্তিৰ পেছাদাৰী কিম্বা জীৱিকা বৃত্তিৰ আশা-আকাংক্ষা তথা তেওঁ বা তাইৰ শিক্ষাৰ মাজত অমিল সম্পৰ্ক আছে; অৰ্থাৎ উভয়ৰ মাজত সামঞ্জস্যৰ অভাৱ। গতিকে এই ক্ষেত্ৰত যিটোৰ আৱশ্যক হয় সেয়া হ'ল শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জন/স্ব-নিয়োজন/বুনিয়াদী শিক্ষা— ইয়াৰদ্বাৰাইহে নিয়োগৰ সা-সুবিধা পোৱাটো নিশ্চিত কৰিব আৰু

তাৰ বাবে শিক্ষা তথা নিয়োগৰ মাজত এটা অৰ্থপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা কৰা দৰকাৰ।

(খ) **প্ৰকৃত দৃষ্টি আৰোপ ঃ** নিৰপেক্ষভাৱে প্ৰকৃত জ্ঞান অৰ্জন আৰু ব্যক্তিগত যোগাযোগৰ মাজত এটা ভাৰসাম্য ৰখা প্ৰয়োজন। দূৰণিৰ জ্ঞান অৰ্জন ব্যৱস্থাৰ জৰিয়তে অন্‌লাইন ব্যৱস্থাপনাৰ সন্দৰ্ভত কৰা এটা অধ্যয়নৰ পৰা এইটো পৰিলক্ষিত হয় যে ছাত্ৰ-ছাত্ৰীয়ে ফেকাল্টিৰ স'তে বিষয়বস্তু সম্পৰ্কে জানিবৰ কাৰণে ব্যক্তিগত যোগাযোগ কৰাটো পছন্দ কৰে; আৰু লগতে শ্ৰেণীকোঠাৰ প্ৰকৃত অভিজ্ঞতাৰ বিষয়েও ভাব বিনিময় কৰিব বিচাৰে।

(গ) **কৃতিত্ব আৰু প্ৰকৃত স্থিতি ঃ** সম্ভাৱনাপূৰ্ণ নিয়োগকৰ্তাসকলৰ মাজত আস্থা প্ৰকাশ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰকৃত স্থিতি অটুট ৰখা প্ৰয়োজন, কিয়নো মুক্ত আৰু দূৰণিৰ জ্ঞান অৰ্জন ব্যৱস্থাত এটা অন্তৰ্নিহিত প্ৰত্যাহ্বানৰ বিষয় আছে। যিহেতু অ' ডি এলৰ জৰিয়তে শিল্প-উদ্যোগ বিষয়ক শিক্ষাক তেনে ধৰণৰ নিয়মীয়া পাঠ্যক্ৰমৰ এটা সুবিধাজনক বিকল্প ৰূপে বিবেচনা কৰা হয় কাৰণে এনে প্ৰশিক্ষণ প্ৰদানৰ কৃতিত্ব সম্ভাৱনাপূৰ্ণ নিয়োগকৰ্তাসকলৰ মাজত নাথাকে। সেয়ে অ' ডি এলৰ জৰিয়তে শিল্প-উদ্যোগ বিষয়ক প্ৰশিক্ষণ আগবঢ়োৱা প্ৰতিষ্ঠানবোৰে প্ৰচলিত পাঠ্যক্ৰমৰ গুণগত দিশৰ সমানেই একেধৰণৰ হোৱাটো নিশ্চিত কৰিব লাগিব আৰু তাৰ বাবে নিৰ্ভৰযোগ্য পাঠ্যক্ৰমৰ বিষয়বস্তু, উপযুক্ত যোগাযোগ আৰু পাঠ্যক্ৰমৰ উদ্দেশ্যক কামত লগোৱা তথা ছাত্ৰৰ শক্তিশালী সমৰ্থন সেৱাৰো প্ৰয়োজন হয়। দূৰণিৰ জ্ঞান অৰ্জন ব্যৱস্থাৰ জৰিয়তে যি শিল্প-উদ্যোগ বিষয়ক প্ৰশিক্ষণ প্ৰদান কৰা হয় তাৰ নিৰন্তৰ গতি আৰু গুণ অটুট ৰাখিব পাৰি একমাত্ৰ ভাবৰাজিক সঘনে প্ৰতিফলন কৰি তথা জড়িত ব্যক্তি আৰু প্ৰতিষ্ঠানৰ মাজত ফীড্‌বেক, অৰ্থাৎ কি ঘটিছে, কিমান আগবঢ়া হৈছে, কিমান উপকৃত হৈছে ইত্যাদি বিষয় সম্বন্ধে নিয়মীয়াকৈ ভাব বিনিময় কৰি।

**সামৰণি**

সাংগঠনিক প্ৰক্ৰিয়াৰে গঢ় লৈ উঠা প্ৰতিষ্ঠানৰ গতিশীল পৰিৱেশত চাকৰি কৰা লোকসকলে তেওঁলোকৰ দক্ষতাৰ মান উন্নত কৰাটো যে আৱশ্যক, তাক প্ৰায়েই অনুভৱ কৰা হয়। সেইবাবে শিল্প-উদ্যোগ বিষয়ক শিক্ষা আৰু প্ৰশিক্ষণত বিনিয়োগ কৰাৰ আৱশ্যক আৰু তাৰ কাৰণে মুক্ত তথা দূৰণিবটীয়া শিক্ষা অৰ্জনৰ মঞ্চক কামত লগোৱা উচিত। আগন্তুক দশকবোৰত জনগাঁথনিয়ে আগবঢ়োৱা সুবিধাৰাজিৰ সুফল উপলব্ধ কৰাৰ আশান্বিত স্বপ্নক যদি ভাৰতে বাস্তৱায়িত কৰিব লাগে, তেনেহ'লে আমি তৰুণ প্ৰজন্মৰ শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জনৰ মানসিকতা অধিকভাৱে গঢ় দিবলৈ প্ৰয়াস কৰিব লাগিব আৰু মনোযোগ দিব লাগিব। শিক্ষাগত আৰু নিয়োগ সুবিধা যোগান ধৰিবৰ কাৰণে শিল্প-উদ্যোগ বিষয়ক জ্ঞান অৰ্জনৰ ক্ষেত্ৰত দূৰণিবটীয়া শিক্ষা কাৰ্যসূচীৰ সম্ভাৱনা প্ৰচুৰ আৰু ইয়াক সফল কৰি তুলিব পাৰিব যদিহে প্ৰতিষ্ঠানবোৰে আগবঢ়োৱা এই পাঠ্যক্ৰমসমূহে সকলো দিশৰ পৰা সৰ্বাধিকভাৱে গুণগত দিশ অটুট ৰাখে আৰু তাৰ গতি অব্যাহত ৰখাৰ নিশ্চিতি দিয়ে। পাঠ্যক্ৰমৰ উপাদানৰ বিষয়বস্তু হ'ল— পাঠ্যক্ৰম, আৰ্হি, অধ্যয়ন বিদ্যা, শিক্ষা অৰ্জনৰ সামগ্ৰী আৰু অন্যান্য সমৰ্থনসূচক সেৱাসমূহ। ❒


**'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী**

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# সেৱা সামগ্ৰী কৰ ঃ এটা পৰিৱৰ্তনকামী ব্যৱস্থা

**ডী এছ মালিক***

দেশত সামগ্ৰী আৰু সেৱা কৰ (জি এছ টী) প্ৰৱৰ্তনৰ সূত্ৰপাত হ'ল ২০০৬ চনৰ ২৮ ফেব্ৰুৱাৰীৰ ঐতিহাসিক বাজেট বক্তৃতাত— য'ত তদানীন্তন বিত্ত মন্ত্ৰীয়ে দেশত জি এছ টি প্ৰৱৰ্তনৰ দিনৰূপে ধাৰ্য কৰে ২০১০ চনৰ ১ এপ্ৰিল। ইয়াৰ পাছৰ পৰাই জি এছ টি প্ৰৱৰ্তনৰ ক্ষেত্ৰত ধাৰাবাহিক প্ৰচেষ্টা অব্যাহত থাকে আৰু ২০১৪ চনৰ ডিচেম্বৰত সংবিধান সংশোধনী (১২২ সংখ্যক)ৰে ইয়াক চূড়ান্ত আৰু কাৰ্যকৰী ৰূপ প্ৰদান কৰা হয়।

**সেৱা সামগ্ৰী কৰ কিয় লাগে ঃ**

সাধাৰণতে জনপ্ৰিয় চৰ্চাসমূহত বাৰম্বাৰ একেটা প্ৰশ্নই উত্থাপিত হয় যে সেৱা সামগ্ৰী কৰ প্ৰৱৰ্তন কৰাৰ আৱশ্যকতা কি? এই প্ৰশ্নটো অনুধাৱন কৰিবলৈ দেশৰ প্ৰচলিত পৰোক্ষ কৰ গাঁথনিটো বুজি উঠা দৰকাৰ। বৰ্তমান প্ৰস্তুতকৰণ (কেন্দ্ৰীয় আবকাৰী শুল্ক), সেৱাৰ সুবিধা (সেৱা কৰ), সামগ্ৰীৰ আন্তঃৰাজ্যিক বিক্ৰীৰ (কেন্দ্ৰৰদ্বাৰা আৰোপিত এই চী এছ টী ৰাজ্যসমূহে আদায় কৰে) ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আৰু খুচুৰা বিক্ৰী (ভেট-মূল্য সংযোজিত কৰ), ৰাজ্যত প্ৰৱেশ কৰা সামগ্ৰী (প্ৰৱেশ কৰ), বিলাসী কৰ, ক্ৰয় কৰ ইত্যাদি ৰাজ্য চৰকাৰে আৰোপ কৰে। এয়া স্পষ্ট যে একেটা যোগান শৃংখলতে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ কৰ আৰোপিত হৈ আহিছে।

কিছু ক্ষেত্ৰত ঘৰে ঘৰে কৰ আৰোপ কৰা হয়; কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰা কৰৰ বাহিৰেও কিছুমান সামগ্ৰীত ৰাজ্য চৰকাৰেও কৰ আৰোপ কৰে। বিভিন্ন ধৰণৰ কৰ পৰিশোধ কৰা সত্বেও কোনো ধৰণৰ কৰৰ বিপৰীতে ৰেহাই প্ৰদান কৰা নহয়। তদুপৰি দেশত প্ৰযোজ্য হৈ থকা বিভিন্ন হাৰ আৰু বিভিন্ন কৰ ব্যৱস্থাৰে ভেট আইনে দেশক পৃথক পৃথক কৰ মণ্ডলত ভাগ কৰে।

প্ৰৱেশ কৰ, নগৰ শুল্ক (অকট্ৰই), তালাচী চকীৰ দৰে বিভিন্ন কৰ প্ৰতিবন্ধকে দেশত মুক্ত আৰু অবাধ বাণিজ্যত অন্তৰায় সৃষ্টি কৰে। তদুপৰি বহু সংখ্যক কৰৰ বাবে কৰদাতাসকলে ধন পৰিশোধ, কৰ আদায় আদিৰ বাবে অধিক ভৰণিৰ সন্মুখীন হয়।

**সেৱা সামগ্ৰী কৰ কি?**

উল্লিখিত সকলো পৰোক্ষ কৰ একেটা কৰৰ অধীনত শ্ৰেণীবদ্ধ কৰাৰ প্ৰস্তাৱ দাঙি ধৰা হৈছে আৰু ইয়েই হ'ল জি এছ টি (সামগ্ৰী আৰু সেৱা কৰ)। ইয়াক সামগ্ৰী বা সেৱা যোগানৰ ক্ষেত্ৰত আৰোপ কৰা হ'ব নাইবা প্ৰস্তুতকৰণ বা আমদানিৰপৰা সামগ্ৰী আৰু সেৱাৰ যোগান শৃংখলৰ প্ৰতিটো স্তৰতে অন্তিম খুচুৰা বিক্ৰীৰ পৰ্যায়লৈ জি এছ টি আৰোপ কৰা হ'ব। গতিকে মূলতঃ কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে সামগ্ৰী বা সেৱা যোগানত আৰোপ কৰা কৰসমূহ জি এছ টিত অন্তৰ্ভুক্ত হ'ব।

সেৱা সামগ্ৰী কৰ হ'ল কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা দ্বৈত কৰ আৰোপ ব্যৱস্থা য'ত কেন্দ্ৰই কেন্দ্ৰীয় জি এছ টী (চী জি এছ টী) আৰু ৰাজ্যই ৰাজ্যিক জী এছ টী (এছ জি এছ টী) আৰোপ কৰে। ৰাজ্যই আন্তঃৰাজ্যিক সামগ্ৰী আৰু সেৱা যোগানত এই এছ জি এছ টী আৰোপ কৰে। কেন্দ্ৰীয় চৰকাৰে সামগ্ৰী আৰু সেৱাৰ আন্তঃৰাজ্যিক যোগানতো সংহত জি এছ টী (আই জি এছ টী) আৰোপ কৰে। এইদৰে জি এছ টীয়ে কৰ ব্যৱস্থাটো একত্ৰীকৰণ কৰি বিভিন্ন কৰক একেটা কৰৰ আওতালৈ আনিবলৈ সক্ষম হয় আৰু দেশখনত অৰ্থনৈতিক একীকৰণ সম্ভৱ কৰি তুলিবলৈ এখন মঞ্চ গঠনৰ সুবিধা প্ৰদান কৰে।

এই কৰ সংস্কাৰে এখন একক ৰাষ্ট্ৰীয় বজাৰ, উমৈহতীয়া কৰ ভিত্তি আৰু কেন্দ্ৰ আৰু ৰাজ্যৰ বাবে উমৈহতীয়া কৰ আইন সৃষ্টি কৰাৰ ক্ষেত্ৰত অগ্ৰসৰ হ'ব। সংবিধানত উল্লেখ থকা অনুসৰি চৰকাৰৰ ফেডাৰেল ব্যৱস্থাক কেনেদৰে বাস্তৱ ক্ষেত্ৰত ৰূপায়ণ কৰা হ'ব সেই প্ৰেক্ষাপটত জি এছ টী হ'ল এনে এটা উদাহৰণ।

জি এছ টীৰ আন এটা অতি গুৰুত্বপূৰ্ণ দিশ হ'ব যোগানৰ প্ৰাৰম্ভিক স্তৰত আদায় দিয়া কৰৰ বাবে যোগানৰ

*লেখক ডী এছ মালিক তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ প্ৰেছ ইনফৰমেশ্বন ব্যুৰ'ৰ অতিৰিক্ত সঞ্চালক প্ৰধান। তেওঁ গণমাধ্যম সংযোগ, কৰ্প'ৰেট পৰিক্ৰমা আদি দিশবোৰ চোৰা-চিতা কৰে।

প্ৰতিটো স্তৰতে ‘ইনপুট টেক্স ক্ৰেডিট’ থাকিব। এই দিশটোৱে প্ৰত্যেক স্তৰতে আৰোপ কৰা কৰ বা দ্বৈত কৰ আৰোপ যথেষ্ট পৰিমাণে হ্ৰাস কৰিব। এই কৰ সংস্কাৰ প্ৰযোজ্য কৰাৰ ক্ষেত্ৰত তথ্য প্ৰযুক্তিয়ে ব্যাপকভাৱে সহযোগিতা আগবঢ়াব (সামগ্ৰী আৰু সেৱা কৰ নেটৱৰ্ক— জি এছ টী এনৰ জৰিয়তে); ইয়াৰ ফলত কৰৰ বোজাৰ ক্ষেত্ৰত অধিক স্বচ্ছতা পৰিলক্ষিত হ’ব আৰু কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৰ প্ৰশাসনৰ বিশ্বাসযোগ্যতা বৃদ্ধি হ’ব। তদুপৰি কৰ আদায় দিয়াটো কৰ দাতাসকলৰ বাবে কম ব্যয়সাপেক্ষ আৰু সহজসাধ্য হৈ পৰিব। অধ্যয়ন অনুসৰি জি এছ টি প্ৰৱৰ্তনৰ ফলত অৰ্থনৈতিক বিকাশ তাৎক্ষণিকভাৱে বৃদ্ধি পাব আৰু ই দেশত মুঠ ঘৰুৱা উৎপাদনৰ অতিৰিক্ত বিকাশ ১ শতাংশৰ পৰা ২ শতাংশলৈ বৃদ্ধি কৰাৰ সম্ভাৱনা আছে।

**জি এছ টীৰ সুবিধাসমূহ ঃ চৰকাৰৰ পক্ষে সুবিধাসমূহ ঃ**

★ ভাৰতৰ বাবে ই এখন একক উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰৰ সৃষ্টি কৰিব। ইয়াৰ ফলত বৈদেশিক বিনিয়োগ আৰু ‘মেইক্ ইন ইণ্ডিয়া’ অভিযান উজ্জীৱিত হ’ব।

★ বিভিন্ন স্তৰত আৰোপিত কৰৰ বিলোপ সাধন কৰি যোগানৰ প্ৰত্যেক স্তৰতে সামগ্ৰী আৰু সেৱাসমূহত ‘ইনপুট টেক্স ক্ৰেডিট’ প্ৰযোজ্য কৰা হ’ব।

★ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত আৰু আন্তঃৰাজ্যিক কৰৰ হাৰ, প্ৰক্ৰিয়া আৰু আইনসমূহৰ সামঞ্জস্য গঢ়ি তুলিব।

★ আয়কৰৰ হিচাপ দাখিল অন্‌লাইন কৰা বাবে কৰ পৰিশোধৰ প্ৰক্ৰিয়া সহজসাধ্য হৈ উঠিব, ইনপুট ক্ৰেডিটৰ অন্‌লাইন পৰীক্ষণ হ’ব, যোগান শৃংখলৰ প্ৰত্যেক পৰ্যায়তে লেনদেনৰ ক্ষেত্ৰত অধিক কাগজী প্ৰক্ৰিয়াক উৎসাহিত কৰা হ’ব।

★ একেধৰণৰ সুষম এছ জি এছ টি আৰু আই জি এছ টি হাৰ হোৱা বাবে চুবুৰীয়া ৰাজ্যসমূহৰ লগতে আন্তঃৰাজ্যিক আৰু অন্তঃৰাজ্যিক তাৎক্ষণিক কৰ আদায়ৰ প্ৰক্ৰিয়াৰ বিলোপ সাধন কৰি কৰ ফাকিক উদগনি যোগাব পৰা কাৰ্য ৰোধ কৰিব পৰা যাব।

★ কৰদাতাসকলৰ পঞ্জীয়ন, কৰ ঘূৰাই দিয়া, কৰৰ হিচাপ দাখিলত সুষম প্ৰক্ৰিয়া, উমৈহতীয়া কৰ ভিত্তি, সামগ্ৰী আৰু সেৱাৰ শ্ৰেণী বিভাজনৰ উমৈহতীয়া পদ্ধতিয়ে কৰ ব্যৱস্থাটোক অধিক নিশ্চয়তা প্ৰদান কৰিব।

★ তথ্য প্ৰযুক্তিৰ অধিক ব্যৱহাৰে কৰদাতা আৰু কৰ প্ৰশাসনৰ সৈতে জড়িত কৰ্মচাৰীসকলৰ মুখামুখি হোৱাটো হ্ৰাস কৰিব আৰু ই দুৰ্নীতি ৰোধত সহায়ক হ’ব।

★ ই ৰপ্তানি আৰু প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত উদগনি জনাব, অধিক নিযুক্তিৰ সুযোগ সৃষ্টি কৰিব আৰু মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি কৰিব। অধিক নিযুক্তিয়ে আৰ্থিক বিকাশত সহায় কৰিব।

★ সৰ্বশেষত ই অধিক নিযুক্তি আৰু অধিক বিত্তীয় সম্পদ সৃষ্টি কৰি দাৰিদ্ৰ্য দূৰীকৰণত সহায় কৰিব।

**বাণিজ্য আৰু উদ্যোগলৈ সুবিধা ঃ**

★ কম ৰেহাইসহ সৰলীকৃত কৰ ব্যৱস্থা।

★ ব্যৱসায় কৰিবলৈ অধিক স্বাচ্ছন্দ্য প্ৰদান।

★ বৰ্তমান আমাৰ পৰোক্ষ কৰ ব্যৱস্থাটো পৰিচালনা কৰি অহা কৰৰ বিভিন্নতা হ্ৰাস পোৱাৰ লগতে ইয়াৰ সৰলীকৰণ আৰু সুষমতা প্ৰদান।

★ কৰৰ বন্দৰস্তি, ছফ্‌টৱেৰ, আতিথ্যয়তা খণ্ড আদিৰ দৰে খণ্ডসমূহত প্ৰযোজ্য হৈ থকা দ্বৈত কৰৰ অৱসান।

★ বিভিন্ন স্তৰত আৰোপিত কৰৰ বিলোপ সাধন কৰি যোগানৰ প্ৰত্যেক স্তৰতে সামগ্ৰী আৰু সেৱাসমূহত ‘ইনপুট টেক্স ক্ৰেডিট’ প্ৰযোজ্য কৰা হ’ব।

★ কৰ পৰিশোধৰ ক্ষেত্ৰত ব্যয় হ্ৰাস— বিভিন্ন ধৰণৰ কৰৰ বাবে বহু প্ৰকাৰৰ খতিয়ানৰ প্ৰয়োজন নোহোৱা হৈ পৰে— গতিকে সম্পদৰ বিনিয়োগ কম হোৱাৰ লগতে খতিয়ান বা হিচাপ ৰখা মানুহৰ সংখ্যাও হ্ৰাস পায়।

★ কৰ বাতিলকৰণৰ ক্ষেত্ৰত অধিক কাৰ্যকৰী ব্যৱস্থা, বিশেষকৈ ৰপ্তানিৰ ক্ষেত্ৰত; গতিকে আন্তঃৰাষ্ট্ৰীয় বজাৰত আমাৰ পণ্য অধিক প্ৰতিযোগিতামূলক হৈ পৰে আৰু ভাৰতীয় অৰ্থনীতিক উজ্জীৱিত কৰি তোলে।

★ পঞ্জীয়ন, কৰৰ হিচাপ দাখিল, কৰ পৰিশোধ, ধন ওভতাই দিয়া আদি বিভিন্ন প্ৰক্ৰিয়া পৰিচালনা কৰিবলৈ সৰলীকৃত আৰু স্বয়ংক্ৰিয় পদ্ধতি প্ৰৱৰ্তন।

★ সামগ্ৰী বা সেৱা যোগান শৃংখলত গড় কৰৰ বোজা কমিব বুলি আশা কৰা হৈছে। ইয়াৰ ফলত উপভোক্তাই অধিক পৰিমাণে সামগ্ৰী বা সেৱা ক্ৰয় কৰিব আৰু তাৰ বাবে উৎপাদনো অধিক কৰিবলগীয়া হ’ব। গতিকে দেশত

প্ৰস্তুতকৰণ উদ্যোগৰ বিকাশ হোৱাত সহায়ক হ'ব।

**উপভোক্তাৰ সুবিধাসমূহ ঃ**

★ প্ৰস্তুতকৰ্তা, খুচুৰা বিক্ৰেতা আৰু সেৱা যোগানকাৰীৰ মাজত 'ইনপুট টেক্স ক্ৰেডিট'ৰ অবিৰাম সোঁত বৈ থকাৰ ফলত সামগ্ৰীৰ সৰ্বশেষ দামৰ ক্ষেত্ৰত স্বচ্ছতা পৰিলক্ষিত হ'ব বুলি আশা কৰা হৈছে।

★ বিভিন্ন স্তৰত কৰ আৰোপ হ্ৰাস হোৱাৰ ফলত অৱশেষত বিভিন্ন পণ্য আৰু সামগ্ৰীৰ দাম কমিব।

★ ক্ষুদ্ৰ খুচুৰা বিক্ৰেতাৰ তুলনামূলক-ভাৱে বৃহৎ অংশক কৰ ৰেহাই প্ৰদান কৰা হ'ব বা বন্দৰস্তি আঁচনিৰ অধীনত বৰ কম হাৰত কৰ আৰোপ কৰা হ'ব— এনে বিক্ৰেতাৰ পৰা সামগ্ৰী ক্ৰয় কৰিলে উপভোক্তাই অধিক দাম ভৰিব নালাগিব।

★ অধিক নিযুক্তি আৰু অধিক বিত্তীয় সম্পদ সৃষ্টিৰদ্বাৰা দাৰিদ্ৰ্য দূৰীকৰণৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰিব পৰা যাব।

**ৰাজ্যসমূহলৈ সুবিধা ঃ**

★ ৰাজ্যসমূহে প্ৰস্তুতকৰ্তাৰ পৰা খুচুৰা বিক্ৰেতালৈ সমগ্ৰ যোগান শৃংখলত কৰ আৰোপ কৰিবলৈ সক্ষম হোৱাৰ ফলত কৰৰ ভিত্তি প্ৰসাৰিত হ'ব।

★ সেৱাসমূহত পূৰ্বে কেৱল কেন্দ্ৰীয় চৰকাৰে কৰ আৰোপ কৰিছিল যদিও এতিয়া ৰাজ্যসমূহেও সেৱা কৰ আৰোপ কৰিব পাৰিব বাবে ৰাজহ বৃদ্ধি পাব। ইয়াৰ ফলত অৰ্থনীতিৰ দ্ৰুতগতিত বিকাশ হোৱা খণ্ডটোৰপৰা ৰাজ্যসমূহ লাভৱান হ'ব।

★ সেৱা সামগ্ৰী কৰ গন্তব্য স্থান ভিত্তিক কৰ হোৱা বাবে সামগ্ৰী ক্ৰয় কৰা ৰাজ্যসমূহে বিক্ৰী কৰ অধিক লাভ কৰিব।

★ দেশৰ সামগ্ৰিক বিনিয়োগৰ পৰিৱেশ উন্নত কৰি তুলিব আৰু ইয়েই স্বাভাৱিকতে ৰাজ্যসমূহৰ উন্নয়ন সাধন কৰিব।

★ সুষম বা একক এছ জি এছ টী আৰু আই জি এছ টীয়ে বহু পৰিমাণে কৰ ফাকিৰ প্ৰৱণতা হ্ৰাস কৰিব। চুবুৰীয়া ৰাজ্যসমূহৰ মাজত আৰু আন্তঃৰাজ্যিক আৰু অন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত থকা তাৎক্ষণিক কৰৰ বিলোপ সাধন কৰাৰ ফলত ৰাজ্যসমূহ লাভাৱান্বিত হ'ব।

★ কৰদাতাসকলৰ বাবে কৰ পৰিশোধৰ ক্ষেত্ৰত উন্নততৰ সুবিধা প্ৰদান কৰা হেতুকে ৰাজ্যসমূহে পূৰ্বতকৈ অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হ'ব।

**বৰ্তমানৰ অৱস্থা ঃ**

★ এই ঐতিহাসিক পৰোক্ষ কৰ সংস্কাৰ প্ৰৱৰ্তন কৰিবলৈ সংসদত ১২২ সংখ্যক সংবিধান সংশোধনী বিধেয়ক (চী এ বি) উত্থাপন কৰা হ'ল। এই বিধেয়ক ২০১৬ চনৰ ৩ আগষ্টত ৰাজ্যসভাত আৰু ২০১৬ চনৰ ৮ আগষ্টত লোকসভাত গৃহীত হ'ল।

★ চী এ বি ১৫ খনতকৈ অধিক ৰাজ্যত গৃহীত হৈছে। ইয়াৰ পাছত মাননীয় ৰাষ্ট্ৰপতি মহোদয়ে ২০১৬ চনৰ ৮ ছেপ্টেম্বৰত 'সংবিধান (১২২ সংখ্যক সংশোধনী) আইন, ২০১৬'ত অনুমোদন জনায়। তেতিয়াৰপৰাই সাংবিধানিক স্বীকৃতিপ্ৰাপ্ত জি এছ টী পৰিষদ সৃষ্টিত অনুমোদন জনোৱাৰ লগতে জি এছ টী সম্পৰ্কীয় বিষয়সমূহ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ক্ষমতা প্ৰদান কৰা হয়।

★ ২০১৬ চনৰ ১৬ ছেপ্টেম্বৰত ভাৰত চৰকাৰে চী এ বিৰ সকলো ধাৰা কাৰ্যকৰী কৰিবলৈ অধ্যাদেশ জাৰি কৰি জি এছ টী প্ৰৱৰ্তনৰ বাট মুকলি কৰি দিয়ে। এই অধ্যাদেশে এবছৰৰ সময়সীমা ধাৰ্য কৰি ২০১৭ চনৰ ১৫ ছেপ্টেম্বৰৰ ভিতৰত জি এছ টী কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ জাৰি কৰে।

**জি এছ টী পৰিষদৰ বৈঠক ঃ**

চী এ বিৰ অধীনস্থ সিদ্ধান্ত গ্ৰহণকাৰী সৰ্বোচ্চ সংস্থা জি এছ টী পৰিষদে গঠন হোৱাৰে পৰা বৰ্তমানলৈ ১৩ খন বৈঠকত মিলিত হৈছে। বৈঠকসমূহত গ্ৰহণ কৰা কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত হ'ল—

★ জি এছ টী পৰিষদৰ নীতি-নিয়ম আৰু আচৰণ-বিধি;

★ জি এছ টী ৰূপায়ণৰ সময়-তালিকা;

★ ৰাজ্যসমূহৰ বাবে জি এছ টীৰ লেভীৰ পৰা ৰেহাইৰ সীমা ২০ লাখলৈকে থাকিব (বিশেষ শ্ৰেণীৰ ৰাজ্যক বাদ দি)। সংবিধানৰ ২৭৯ (ক) ধাৰাত উল্লেখ কৰা ধৰণে বিশেষ শ্ৰেণীৰ ৰাজ্যৰ বাবে এই সীমা হ'ব ১০ লাখ টকা।

★ সংমিশ্ৰিত আঁচনিৰ সুবিধা গ্ৰহণৰ সীমা হ'ব ৫০ লাখ টকা। সেৱা যোগানকাৰী আৰু আন কিছু-সংখ্যকক এই সংমিশ্ৰিত আঁচনিৰ আওতাৰপৰা বাহিৰত ৰখা হ'ব।

★ জি এছ টী ৰূপায়ণৰ বাবে হোৱা ৰাজহ ঘাটি পূৰাবলৈ ৰাজ্যসমূহক ৫ বছৰৰ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব। ইয়াৰ ভিত্তি বৰ্ষ হ'ব ২০১৫-১৬

আৰু ইয়াত স্থিৰ বিকাশ হাৰ ১৪ শতাংশ প্ৰযোজ্য হ'ব।

★ পঞ্জীয়ন, ধন পৰিশোধ, ধন ঘূৰাই দিয়া, ধন আদায় দিয়া আদিৰ খচৰা জি এছ টী নিয়মৰ অনুমোদন আৰু প্ৰয়োজন সাপেক্ষে ইনভইচ, ডেবিট/ক্ৰেডিট নোটত বুজাবুজি সাপেক্ষে কৰিবলগীয়া সাধাৰণ সাল-সলনি আদিৰ বাবে অধ্যক্ষৰ অনুমোদন গ্ৰহণ কৰা হয়। সংশ্লিষ্ট বিষয়ৰ সৈতে জড়িত অংশীদাৰসকল আৰু আইন বিভাগৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি এই সাল-সলনি কৰিব পৰা যায়।

★ সকলো সংস্থাক প্ৰচলিত কৰ ব্যৱস্থাৰ অধীনৰ পৰোক্ষ কৰ আদায় দিয়াৰ পৰা ৰেহাই দি জি এছ টীৰ অধীনলৈ অনা হ'ব। এই সিদ্ধান্ত যিকোনো উৎসাহমূলক আঁচনিৰ বাবে (কেন্দ্ৰ বা ৰাজ্যৰ) প্ৰযোজ্য হ'ব আৰু ই অব্যাহত থাকিব। কেন্দ্ৰ বা ৰাজ্য চৰকাৰে যদি কোনো ক্ষেত্ৰত যিকোনো প্ৰচলিত ৰেহাই বা উৎসাহমূলক আঁচনি অব্যাহত ৰাখিবলৈ বিচাৰে, তেন্তে ই ব্যয় হোৱা ধন উভতাই দিয়া ব্যৱস্থাৰ মাজেৰে কাৰ্যকৰী হ'ব।

★ কৰৰ হাৰৰ গাঁথনি চাৰিটা পৰ্যায়ত স্থিৰ কৰা হৈছে। সেইকেইটা হ'ল ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ। তদুপৰি সামগ্ৰীৰ ওপৰত কৰ ৰেহাই দিব পৰা এটা শ্ৰেণী ৰখা হৈছে আৰু কিছুমান নিৰ্দিষ্ট সামগ্ৰী, যেনে— বিলাসী গাড়ী, ছ'ডাযুক্ত পানীয়, পাণ মচলা আৰু ধঁপাতজাতীয় সামগ্ৰীৰ ওপৰত ২৮ শতাংশ হাৰৰ কৰৰ উপৰি আৰু এটা উপ-কৰ (চেছ) আৰোপ কৰা হৈছে। এই অতিৰিক্ত ৰাজহেৰে ৰাজ্যসমূহক ক্ষতিপূৰণৰ ধন আদায় দিয়া হ'ব।

★ কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ (চী জি এছ টী) বিধেয়ক ২০১৭, সংহত সামগ্ৰী আৰু সেৱা কৰ (আই জি এছ টী) বিধেয়ক ২০১৭, কেন্দ্ৰীয় শাসিত (বিধান সভাবিহীন) অঞ্চল সামগ্ৰী আৰু সেৱা কৰ (ইউটিজ জি এছ টী) বিধেয়ক ২০১৭ আৰু সামগ্ৰী আৰু সেৱা কৰ (ৰাজ্যসমূহলৈ ক্ষতিপূৰণ) বিধেয়ক ২০১৭ লোকসভাই ২০১৭ চনৰ ২৯ মাৰ্চত আৰু ৰাজ্যসভাই ২০১৭ চনৰ ৬ এপ্ৰিলত গৃহীত কৰে। সেৱা আৰু সামগ্ৰী কৰ পৰিষদে ২০১৭ চনৰ ৩১ মাৰ্চত তলত দিয়া ধৰণে খচৰা সেৱা আৰু সামগ্ৰী কৰ বিধিসমূহত অনুমোদন জনায় আৰু এইসমূহ বৰ্তমান ৰাজহুৱাভাৱে প্ৰকাশ কৰা হৈছে।

★ পঞ্জীয়ন বিধি
★ প্ৰত্যৰ্পণ বিধি
★ চালান বিধি
★ ধন আদায় বিধি
★ ধন ঘূৰাই দিয়া বিধি
★ ইনপুট টেক্স ক্ৰেডিট বিধি
★ মূল্যায়ন (সামগ্ৰী আৰু সেৱাৰ মূল্য নিৰ্ণয়) বিধি
★ পৰিৱৰ্তনশীল বিধি
★ সংমিশ্ৰণ বিধি।

সেৱা আৰু সামগ্ৰী কৰ ৰূপায়ণৰ ক্ষেত্ৰত নিম্নোক্ত বিষয়সমূহ প্ৰত্যাহ্বান-ৰূপে থিয় দিছে ঃ

★ ২০১৭ চনৰ ১ জুলাইৰপৰা সেৱা আৰু সামগ্ৰী কৰ প্ৰৱৰ্তন কৰাৰ সময়সীমা।
★ ৰাজ্যৰ বিধান সভাসমূহত খচৰা বিধি গৃহীত হোৱা।
★ আন্তঃগাঁথনিগত আৰু প্ৰযুক্তিগত-ভাৱে কৰ ব্যৱস্থাৰ উন্নীতকৰণ, বিশেষকৈ ৰাজ্যসমূহৰ ক্ষেত্ৰত।
★ বাণিজ্য আৰু তথ্য প্ৰযুক্তি ব্যৱস্থাৰ উন্নীতকৰণ।

সেৱা আৰু সামগ্ৰী কৰে সংশ্লিষ্ট ব্যৱসায়ী আৰু জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবে দেশজুৰি অভিযান চলোৱাৰ ওপৰত এতিয়া গুৰুত্ব দিয়াটো প্ৰধান কৰ্তব্য। সেৱা আৰু সামগ্ৰী কৰ আৰু ব্যৱসায় বাণিজ্যৰ ওপৰত ইয়াৰ সম্ভাব্য প্ৰভাৱ, বিশেষকৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য, নিযুক্তিৰ সুযোগ আদি সন্দৰ্ভত হ'ব পৰা সন্দেহ, আশংকা বা দুৰ্ভাৱনা দূৰ কৰিবলৈ এই সজাগতা সৃষ্টি কৰাটো বিশেষভাৱে প্ৰয়োজনীয়। ক্ষুদ্ৰ ব্যৱসায়ী আৰু খুচুৰা বিক্ৰেতাসকলক সেৱা আৰু সামগ্ৰী কৰৰ বিষয়ে সবিশেষ জনোৱাটো আৱশ্যকীয়। তেওঁলোকে সেৱা আৰু সামগ্ৰী কৰ সম্পৰ্কীয় সকলো বিধি-নিয়ম আৰু প্ৰক্ৰিয়াৰ বিষয়ে সম্পূৰ্ণকৈ অৱগত হ'লে তেওঁলোকৰ আয়কৰৰ হিচাপ দাখিল কৰাৰ লগতে 'ইনপুট টেক্স ক্ৰেডিট' দাবী কৰিবলৈ সুবিধা হ'ব। গতিকে চৰকাৰে ২০১৭ চনৰ ১ জুলাইৰপৰা সমগ্ৰ দেশজুৰি এই বৃহৎ পৰোক্ষ কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ সম্পূৰ্ণ দায়বদ্ধ আৰু আশাবাদী। ❐

# ভাৰতীয় যুৱশক্তি ঃ সবলীকৰণৰ পথে মৌলিক বিজ্ঞান আৰু মানৱতা বিষয়ত গুণগত শিক্ষা

**ড° ৰাকেশ কে ৰাটছ***
**ড° মীনু ৰাটছ***

ভাৰত হ'ল দ্বিতীয় বৃহত্তম জনসংখ্যা থকা ৰাষ্ট্ৰ। লেখৰ হিচাপত ই ৬০০ নিযুত লোকৰ বসতিস্থল। শেহতীয়া হিচাপত ইয়াত ২৫ বছৰ বয়সৰ তলৰ জনসংখ্যা ৫০ শতাংশতকৈও অধিক আছে; আৰু অহা কেইবছৰমানৰ ভিতৰত এই দেশখন বিশ্বৰ ভিতৰত তৰুণতম লোকৰ ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ব; আৰু তেতিয়া ইয়াৰ জনসংখ্যাৰ তিনি-চতুৰ্থাংশতকৈ অধিক লোক ২৫ বছৰ বয়সৰ তলৰ হ'ব। আমাৰ এই জনসংখ্যাৰ বৃহৎ অংশ— যি ভাৰতৰ মুঠ ৰাষ্ট্ৰীয় আয়ৰ ৩৪ শতাংশৰ ভাগীদাৰ— সেই সুবিধাজনক স্থিতিয়ে নিশ্চয়কৈ সঠিক শিক্ষাৰ আন্তঃগাঁথনি, উপযুক্ত কৌশলৰ বিকাশ আৰু চাকৰি পোৱাৰ পৰ্যাপ্ত সুবিধাৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখিব; আৰু কেৱল চাকৰি প্ৰাপ্তিৰ ক্ষেত্ৰতেই নহয়, তৰুণ প্ৰজন্মৰ ব্যক্তিগত, সামাজিক তথা দেশৰ বিকাশ সাধনৰ বাবে নিজাববীয়াকৈ শিল্প-উদ্যোগ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ প্ৰতিও সকীয়াই দিব।

কোনো দেশৰ বাবে জনগাঁথনিৰ লাভাংশ কেতিয়াও এটা বোজাস্বৰূপ নহয়, বৰং ই সা-সুবিধাৰ দুৱাৰ মুকলিহে কৰে। এনে জনসংখ্যাৰ উপস্থিতিয়ে কোৰিয়া গণৰাজ্যৰ দৰে বহু পূব এছীয় দেশসমূহত শেহতীয়াকৈ অৰ্থনৈতিক বিকাশ সাধনৰ ক্ষেত্ৰত উৎসাহ প্ৰদান কৰিছে আৰু আমাৰ বাবেও সেই একেটা বিষয় প্ৰমাণিত হ'ব যদিহে আমি এই জনগাঁথনি সবল আৰু ক্ষমতাশালী কৰি তুলিব পাৰো। সবলীকৰণ কৰা হ'ল কিছুমান মূল্যবোধক আয়ত্ত কৰাৰ এটা প্ৰক্ৰিয়া— যাৰদ্বাৰাই শিকোতাসকলক জীৱনৰ এটা পথ প্ৰশস্ত কৰিবৰ কাৰণে সজ্জিত কৰি তোলা হয়— যিটো পথ ব্যক্তিৰ সন্তুষ্টিৰ বিষয় হ'ব পাৰে আৰু লগতে সমাজৰ আদৰ্শ আৰু মূল্যবোধৰ অনুক্ৰমৰ ভিতৰত থাকে। তৰুণসকলক সবলীকৰণ— বিশেষকৈ ভাৰতীয় প্ৰেক্ষাপটত কেৱল ৰাষ্ট্ৰৰ বাবেই আৱশ্যক নহয়, তদুপৰি ব্যক্তিগত বিকাশ সাধনৰ বাবেও প্ৰয়োজন আৰু ইয়াক যুৱকৰ অধিকাৰ তথা কাম-কাজক প্ৰতিপন্ন কৰা আৰু সমাজৰ সিদ্ধান্ত নিৰ্ণয়ত তেওঁলোকৰ সক্ৰিয় ভূমিকাক উৎসাহিত কৰিব পৰা যায়।

যুৱকসকলক সবলীকৰণ কৰাৰ মূল চাবি-কাঠী হ'ল তেওঁলোকক প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰি গঢ়ি তোলা— যাতে তেওঁলোক সমুচিতভাৱে নিয়োগ লাভ কৰাৰ উপযুক্ত হয়। এই নিয়োগ কেৱল চাকৰি-বাকৰি কৰাৰ ক্ষেত্ৰতেই নহয়, নিজস্বভাৱে কোনো ব্যৱসায়, উদ্যোগ আদি গঢ়ি তোলাৰ ক্ষেত্ৰতো সক্ষম হৈ উঠিব লাগিব। তেওঁলোকৰ নতুন চিন্তাধাৰা আৰু সহযোগৰদ্বাৰাই সেয়া সম্ভৱ। তাৰ অবিহনে আমি নিৰন্তৰ বিকাশ সাধনৰ কথা ক'ব নোৱাৰো। কোনো দেশৰ বাবেই সেয়া সম্ভৱ নহয়। তাৰ বাবে তেনে সুযোগ-সুবিধাৰ এটা পৰিৱেশ গঢ়ি তুলিব লাগিব, তাৰ অবৰ্তমানত তেওঁলোকক সমাজৰ এটা সীমামুৰীয়া অৱস্থাত ৰখোৱাৰ দৰে কথা হয়— ঠিক ৰে'লগাড়ীৰ কাৰণে ৰে'ল পথত বৈ থকাৰ অৱস্থা যাৰ উপস্থিতি তেনেদৰে কেতিয়াও নহ'ব পাৰে।

**যুৱকসকলৰ সবলীকৰণৰ স্তম্ভ**

ভাৰতৰ তৰুণসকলক নিৰন্তৰভাৱে সবলীকৰণৰ ক্ষেত্ৰত ঘাইকৈ চাৰিটা স্তম্ভৰ ওপৰত ভিত্তি কৰি স্থিৰ কৰিব পৰা যায়। সেই স্তম্ভকেইটা হ'ল, যেনে—

★ শিক্ষা
★ দক্ষতা আৰু নিয়োগ
★ সংস্কাৰকামী প্ৰকৃতিগত পৰিৱৰ্তন
★ চৰকাৰৰ নীতি আৰু প্ৰয়াসসমূহ

'ৰূপান্তৰিত ভাৰত'ৰ স্বপ্ন মানৱ সম্পদ আৰু বিকাশ মন্ত্ৰণালয়ৰ মূলমন্ত্ৰৰদ্বাৰাইহে কেৱল বাস্তৱায়িত কৰিব পাৰি। সেই মূলমন্ত্ৰ হ'ল— 'সকলোৰে বাবে শিক্ষা, গুণগত শিক্ষা'। ইয়াৰ জৰিয়তে আমাৰ বিকাশমুখী দেশখনক প্ৰকৃততে পুনৰ আকাৰ দিব পাৰি যদিহে আমাৰ শিক্ষা পদ্ধতিত উপযুক্ত গূঢ়াৰ্থ আছে— তেহেলৈ সেয়া যি পদ্ধতিৰেই শিক্ষা ব্যৱস্থা নহওক। তেনে গূঢ়াৰ্থ বিষয় হ'ল— সুচলতা, সমভাবাপন্ন আৰু গুণগত দিশৰ

*ড° ৰাকেশ কে ৰাটছ হ'ল চণ্ডীগড়ৰ নেচনেল ইনষ্টিটিউট অব টেক্নিকেল টিচাৰ্ছ ট্ৰেইনিং এণ্ড ৰিচাৰ্ছৰ মিডিয়া ছেণ্টাৰ এণ্ড কনটিনিডিং এডুকেচন ছেণ্টাৰৰ অধ্যাপক তথা মুৰব্বী। ড° মীনু ৰাটছ হ'ল চণ্ডীগড় পঞ্জাব বিশ্ববিদ্যালয়ৰ ডি এ ভি কলেজৰ সহকাৰী অধ্যাপক

উন্মোচন। তাৰ পিছতেই মেধা শক্তি প্ৰস্ফুটিত হোৱাৰ সুবিধা আৰু দক্ষতা বিকাশৰ দিশসমূহৰ উত্তৰোত্তৰ বৃদ্ধি সাধন।

সাম্প্ৰতিক দৃশ্যপটত ভাৰতত উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰৱেশ হাৰ বিশ্বৰ গড় হিচাপৰ হাৰতকৈ বহুত কম। ভাৰতত এই হাৰ হ'ল ২২ শতাংশ আৰু আনপিনে বিশ্বৰ হ'ল ২৮ শতাংশ। অন্যান্য উন্নত দেশবোৰৰ তুলনাতো ভাৰতৰ হাৰ কম। তেনে দেশবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— ব্ৰাজিল (৩৬ শতাংশ), চীন (২৮ শতাংশ), ব্ৰিটেইন (৫৯ শতাংশ)। আগন্তুক কেইটামান বছৰৰ ভিতৰত (২০২০) যেতিয়া আমাৰ দেশৰ ২৫ বছৰ বয়সৰ তলৰ জনসংখ্যা বিশ্বৰ ভিতৰত সৰ্বাধিক হ'ব তেতিয়া আমি মাত্ৰ ৩০ শতাংশলৈকে প্ৰতিষ্ঠানসমূহত মুঠ প্ৰৱেশ হাৰ বৃদ্ধিৰ কাৰণে লক্ষ্য কৰিব পাৰো আৰু এইটো সম্ভৱ হ'ব বৰ্তমানে থকা প্ৰতিষ্ঠানসমূহৰ সংখ্যা কমেও দুগুণ কৰি তুলিলে। উচ্চ শিক্ষাৰ সুচলতা প্ৰাপ্তি তেতিয়াহে সম্ভৱ হৈ উঠিব। এতিয়া যি প্ৰভেদ আছে তাক পূৰণ কৰাটো এটা স্বপ্নৰ দৰেই। বেচৰকাৰী অভিযান্ত্ৰিক প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয় যথেষ্টভাৱে গঢ়ি উঠা সত্ত্বেও ভাৰতত বিজ্ঞানী আৰু অভিযন্তাৰ ঘনতা বিশ্বৰ ভিতৰত কম থকা দেশবোৰৰ ভিতৰত অন্যতম। সেয়ে 'সকলোৰে বাবে শিক্ষা' প্ৰদান ব্যৱস্থা কৰিহে 'গুণগত শিক্ষা'ৰ লক্ষ্য লাভ কৰিব পৰা যাব।


ভাৰত ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক দেশ হোৱাৰ হেতুকে জাতি, লিঙ্গ, ভৌগোলিক স্থিতি, বয়স আদি বিভিন্ন বিষয়ৰ ওপৰত ভিন ভিন দৃষ্টিভঙ্গীয়ে ঠাই পায় আৰু সেইটোৱে নাগৰিকসকলৰ প্ৰতি যি শিক্ষাৰ সম্পদৰাজি আছে তাক সমানে লাভ কৰাত বাধা দিয়ে। ফলস্বৰূপে পদ্ধতিবিশেষক ইপ্সিত ফল পোৱাত সন্তম কৰি নোতোলে। সেয়ে গুণগত শিক্ষাৰ বিষয়ে কোৱাৰ আগতে আমি এই ছিদ্ৰবোৰ বন্ধ কৰা আৱশ্যক। অসমতা আনফালৰ পৰাও দেখা দিয়ে যেতিয়া উচ্চ শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰত ছাত্ৰসকলে বিষয় বাছি লয়। তেনে ধৰণৰ অতিকৈ বিচৰা বিষয়বোৰ হ'ল— কলা আৰু মানৱতা (প্ৰায় ৩৫-৪০ শতাংশ)। তাৰ পিছত বাণিজ্য আৰু ব্যৱস্থাপনা (প্ৰায় ২০-২৫ শতাংশ) আৰু অন্তিম গুৰুত্ব প্ৰদান কৰে মূল তথা প্ৰায়োগিক বিজ্ঞানৰ ক্ষেত্ৰত (যথাক্ৰমে প্ৰায় ১৯-২১ শতাংশ আৰু ১৫-১৬ শতাংশ)। ছাত্ৰসকলে বিষয় সন্দৰ্ভত গুৰুত্ব আৰোপ কৰাৰ ক্ষেত্ৰত যি অসমতাই ঠাই পায় তাৰ কাৰণ জানিবৰ কাৰণে কৰা অধ্যয়ন বেছ আশ্চৰ্যজনক; আৰু এয়া চৰকাৰ তথা এই কাম-কাজত ন্যস্ত থকা শীৰ্ষ স্থানীয় সকলো নীতি তৈয়াৰ কৰোঁতাসকলৰ বাবে চকু মেল খোৱা বিষয়। বিষয়সমূহত গুৰুত্ব আৰোপ পাঠ্যক্ৰমৰ শিথিলতাৰ ভিত্তিত কৰা হয়। দক্ষতাৰ দিশত আধিক্য আৰোপ কৰাৰ পৰিসৰ কিমান আছে সেইটোও নিৰ্ভৰ কৰে— তেহেলৈ সেয়া নৰম কিম্বা কঠিন, ছাত্ৰ-ছাত্ৰীয়ে এটা চৌহদৰ পৰা আন এটা চৌহদলৈ সহজে আহ-যাহ কৰিব পৰা দিশ, কৰ্ম জগতত তেনে পাঠ্যক্ৰম প্ৰযোজ্য কিমান আৰু সবাৰো ওপৰত নিয়োগযোগ্য কৰি তোলাৰ গুণাৱলী।

বিগত দুই দশকত এটা পেছাদাৰী ডিগ্ৰীৰ পয়োভৰ দেখা যায় যাৰ ফলত এনে এটা অন্তৰ্নিহিত চক্ৰ গঢ়ি উঠিছে যিটোৱে প্ৰকৃত ৰূপ বিবৰ্দ্ধনৰ দুৱাৰ বলপূৰ্বকভাৱে বন্ধ কৰাৰ অৱস্থাৰ সন্মুখীন হয় আৰু এই ক্ষেত্ৰত নিম্ন গুণৰ পেছাদাৰী শিক্ষাক উপযুক্ত ব্যৱস্থা গ্ৰহণৰ অবিহনে বহুলভাৱে প্ৰচাৰ কৰা হয়। এ আই চী টী ই, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু অন্যান্য নিয়ামক সংস্থাৰ ভূমিকা কম-বেছি পৰিমাণে জগৰীয়া। চৰকাৰৰ প্ৰয়াসতেই দেশখনৰ বিকাশ লক্ষ্যৰ বিষয়টো আগত ৰাখি দেখ দেখকৈ ইয়াক উৎসাহিত কৰা হয়। কাৰিকৰী আৰু পেছাদাৰী নতুন অভিযোজন তথা সৃষ্টিৰ জৰিয়তে তেনে বিকাশ সাধন কৰা ইয়াৰ উদ্দেশ্য আছিল। কিন্তু গুণগত শিক্ষাৰ অভাৱে ইপ্সিত লক্ষ্য লাভ কৰাত দেশখনক সহায় কৰিব নোৱাৰিলে। দেশখনৰ অৰ্থনৈতিক বৃদ্ধি সাধন এতিয়া ঘাইকৈ সেৱা খণ্ডৰ (৬৬.১ শতাংশ) ওপৰত আধাৰিত। ই উচ্চ মানৰ সূক্ষ্ম দক্ষতাক বিচাৰে আৰু প্ৰযুক্তি খণ্ডৰ (৯.২ শতাংশ) আহিব ধৰা বৰঙণিৰ প্ৰতিও সচেষ্ট। তাৰ বাবে সূক্ষ্ম আৰু কঠিন ধৰণৰ দক্ষতা উভয়ৰে প্ৰয়োজন হয়। কিন্তু এই ক্ষেত্ৰত আজিৰ যুৱক-সকল তেওঁলোকৰ নিয়োগকৰ্তাসকলক সন্তুষ্ট কৰিবলৈ সম্পূৰ্ণৰূপে সজ্জিত নহয়। এই কথাটো হজম কৰিবলৈ কঠিন হয় যে একমাত্ৰ এক-তৃতীয়াংশতকৈ কম ভাৰতীয় অভিযান্ত্ৰিক স্নাতক তথা মৌলিক বিজ্ঞান আৰু অন্যান্য বিষয়ৰ প্ৰায় ৫ শতাংশ ছাত্ৰকহে নিয়োগযোগ্য ৰূপে পোৱা যায়। এইটোৱে আমাৰ শিক্ষাৰ দুটা উল্লেখনীয় বিষয়ৰ গুৰুত্ব হেৰুৱাইছে।

সুচলতা আৰু সমতাৰ মাত্ৰা সম্পৰ্কীয় বিষয়ৰ পিছত তৃতীয় বিষয়টো হ'ল শিক্ষাৰ গুণগত দিশ। আমাৰ দেশত নিম্ন গুণৰ যি শিক্ষাৰ মানে ঠাই পাইছে, সেই স্থিতিক কামত লগাবলৈ উন্নত দেশবোৰে তাৰ সুবিধা গ্ৰহণ কৰিবলৈ

ওলাই অহা দেখা যায়। সেয়া কেৱল ভাৰতীয় অৰ্থনীতিক বহিৰ্গামী কৰাই নহয়, তদুপৰি মেধা শক্তিকো প্ৰব্ৰজনৰ বাবে পথ উলিয়াই দিয়াত ন্যস্ত হয়। বছৰৰ পাছত বছৰ ধৰি গুণগত শিক্ষাৰ সন্ধানত বিদেশলৈ যোৱা ভাৰতীয় ছাত্ৰৰ সংখ্যা বৃদ্ধি পাইছে। বৰ্তমানৰ শিক্ষা পদ্ধতিত কিছু সংশোধন কৰি ইয়াক সহজতে হ্ৰাস কৰিব পাৰি। তাৰ বাবে অলপ বেছি পুনৰ আকাৰ প্ৰদান কৰা আৰু সৃষ্টিশীলতাৰ প্ৰয়োজন— যাতে ষ্টেট অব দি আৰ্ট অনুযায়ী পুৰণি শিক্ষা পদ্ধতিক পুনৰ গাঁথনিৰে জীৱিত কৰি তুলিব পাৰি।

বৰ্তমানৰ শিক্ষা পদ্ধতি অনেক বাধা-বিঘিনীৰ মাজেৰে অতিক্ৰম কৰিছে। সেয়া তলত উল্লেখ কৰা হ'ল—



**বাধা আৰু সমস্যাসমূহ**

★ প্ৰত্যয় জন্মাব পৰা গুণৰ শিক্ষক আৰু পৰামৰ্শদাতাৰ অভাৱ— যি আছে সেয়া প্ৰত্যাশাজনক নহয়, কম পাৰিশ্ৰমিক দিয়া হয় আৰু দেশখনত কমেইহে স্বীকৃতি প্ৰদান কৰা পেছা।

★ ফেকাল্টিৰ ক্ষেত্ৰত সমস্যা কিম্বা তদৰ্থ ৰূপত বিবেচনা— আনকি দেশখনৰ সৰহভাগ শীৰ্ষ প্ৰতিষ্ঠানত নিয়মীয়া মুৰব্বীৰ চকী খালী থাকে। সময় সাপেক্ষ ফেকাল্টি আৰু অভিজ্ঞ গৱেষকৰ পদ পূৰণ নোহোৱাকৈ আছে।

★ পুঁজিৰ অভাৱ, বিশেষকৈ ৰাজ্যৰ প্ৰতিষ্ঠানবোৰত ফেডাৰেল প্ৰতিষ্ঠানবোৰতকৈ অধিক সংখ্যক আসন থকা ৰাজ্যিক প্ৰতিষ্ঠানসমূহত অধিক সংখ্যক ছাত্ৰক ভৰ্তি কৰিবলৈ লোৱা হয়— যিটো হ'ল এটা ডাঙৰ ত্ৰুটী।

★ ৰাষ্ট্ৰৰ মুঠ ঘৰুৱা উৎপাদনৰ কম গুৰুত্ব প্ৰাপ্ত বাজেট ব্যৱস্থাই (৩.৩ শতাংশ) বিশ্বৰ বৃহত্তম শিক্ষা পদ্ধতিক প্ৰকৃত ৰূপত দাঙি নধৰে। এয়া ঠিক 'বাহিৰে ৰং চং ভিতৰি কোৱা ভাতুৰি'ৰ দৰে কথা।

★ ৰাজনৈতিক তথা আমোলাতান্ত্ৰিক পদ্ধতি কিম্বা আঁচনিত হস্তক্ষেপ আৰু অধিক ক্ষমতাৰ দখল।

★ জ্যেষ্ঠ শিক্ষাবিদ আৰু গৱেষকসকলে তেওঁলোকৰ কায়াকল্পক বাস্তৱত ৰূপায়ণ কৰাৰ অসমৰ্থতা।

**অচল**

★ পাঠ্যক্ৰমত আওপুৰণি বিষয় আৰু কঠিনতা, আজিৰ যুৱকক কাৰিকৰী জ্ঞানৰ প্ৰতি থকা হাবিয়াসক ধৰি ৰখাৰ ক্ষেত্ৰত প্ৰচলিত শিক্ষণ ব্যৱস্থাৰ অসমৰ্থতা, প্ৰয়োগশালা-ভিত্তিক শিক্ষাৰ কম ব্যৱহাৰ— বিশেষকৈ মৌলিক বিজ্ঞানৰ ক্ষেত্ৰত কৰা ব্যৱস্থাই শিক্ষা প্ৰদানৰ গুৰুত্বক তৰল কৰিছে আৰু তাৰ ফলস্বৰূপে তৰুণসকলে এনে পদ্ধতিক আঁকোৱালি লোৱাৰ প্ৰতি আকৰ্ষিত নহয়। উচ্চ শিক্ষা গ্ৰহণত মৌলিক বিজ্ঞানৰ ক্ষেত্ৰত প্ৰতিষ্ঠানসমূহত ভৰ্তি হোৱাৰ হাৰ খৰতকীয়াকৈ হ্ৰাস পোৱাৰ এই এটা কাৰণ।

★ আকৰ্ষণীয়কৈ তৈয়াৰ কৰি উলিওৱা পাঠ্যক্ৰমৰ পুস্তিকাই তৰুণ প্ৰজন্মক সহজতে সাক্ষৰ কৰি তোলাত বৰঙণি যোগায়, কিন্তু তাৰ পৰৱৰ্তী কালত তেওঁলোকক সৰ্বাত্মক দৃষ্টিভঙ্গীৰ বিকাশ সাধনৰ সন্দৰ্ভত আশানুৰূপভাৱে আলোকিত নকৰে। শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত আন্তঃশৃংখলা অটুট ৰাখিবৰ বাবে যি দৃষ্টিভঙ্গী আৰোপ কৰাৰ প্ৰয়োজন হয় তাৰ অভাৱে বাস্তৱ ক্ষেত্ৰত তেওঁলোকৰ জ্ঞান-ৰাজিক কামত খটাবলৈ সমৰ্থৱান কৰি নোতোলে।

ফ উপযুক্ত পুঁজিৰে পৰিপুষ্ট ফেডাৰেল প্ৰতিষ্ঠানৰ বাহিৰে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সু-সজ্জিত নহয়।

**জড়িতকৰণ নোহোৱা**

নিয়োগ আৰু নিয়োগকৰ্তাৰ অংশগ্ৰহণৰ অভাৱ— পাঠ্যক্ৰম তৈয়াৰ কৰা কাম যুগ যুগৰ পৰা চলি আহিছে আৰু ইয়াক জ্যেষ্ঠ শিক্ষাবিদসকলে তৈয়াৰ কৰে। কিন্তু কেতিয়াবা আমোলাসকলেও এই কাৰ্যত ব্ৰতী হয়। তেওঁলোকৰ শিক্ষা পদ্ধতি সন্দৰ্ভত বিশদ জ্ঞান নথকাটোৱেই স্বাভাৱিক। তদুপৰি এনে পাঠ্যক্ৰম তৈয়াৰ কৰোঁতে সংশ্লিষ্ট মহলৰ স'তে আলোচনা কৰা নহয়। ইয়াৰ ফলত জ্ঞান অৰ্জনত বহু অভাৱ থাকি যায় আৰু সেইটোৱে অধিক সংখ্যক যুৱকক নিয়োগৰ বাবে অনুপযুক্ত কৰি তোলে।

কিন্তু এই সকলোবোৰ অথন্তৰ অৱস্থা সত্ত্বেও আমাৰ যুৱকসকল বিজ্ঞান আৰু প্ৰযুক্তি, কলা তথা মানৱতা সম্পৰ্কীয় বিষয়ত শিক্ষা অৰ্জন কৰি আগুৱাই গৈছে। আমাৰ যিবোৰ প্ৰতিষ্ঠান আছে সেইবোৰ বিশ্বৰ শীৰ্ষ স্থানীয় প্ৰতিষ্ঠানৰ শাৰীত নপৰিলেও ছাত্ৰসকলৰ নিষ্ঠাৱান প্ৰয়াস শলাগিবলগীয়া। অধ্যয়ন কৰা তেনেবোৰ প্ৰতিষ্ঠানৰ ভিতৰত উল্লেখ-যোগ্য হ'ল— আই আই টী, এ আই আই এম এছ, আই আই এছ ই আৰ, আই এম টেক্, আই আই এছ চী, আই

আই এম ইত্যাদি। ২০০২-১৬ বৰ্ষৰ কালছোৱাত বিজ্ঞান বিষয়ৰ পুস্তিকা, গ্ৰন্থ আদি প্ৰায় পাঁচ গুণ বৃদ্ধি পায়। বহু ক্ষেত্ৰত আমি দেশজ প্ৰযুক্তিক শক্তিশালী ৰূপত ৰূপায়িত কৰিছো। তেনে ক্ষেত্ৰবোৰৰ ভিতৰত কেইটামান হ'ল— মহাকাশ যোগাযোগ, তথ্য প্ৰযুক্তি খণ্ড, গৱেষণা আৰু নব্য আকাৰ প্ৰদান কাৰ্য, ফাৰ্মাচিউটিকেল তথা ডায়'গনেষ্টিক ইত্যাদি। এইবোৰত মৌলিক বিজ্ঞানৰ বিষয়বস্তুৱে মূল ভূমিকা গ্ৰহণ কৰিছে। আনপিনে চৰকাৰে নানা ক্ৰিয়া-কলাপ আৰু ৰূপান্তৰ সাধন পদ্ধতিক সহজলভ্য কৰিবৰ বাবে নতুনকৈ গঢ় দিয়াত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে— যাতে যুৱকসকল সক্ষম হৈ উঠিব পাৰে। তাৰ বাবে উপযুক্ত নীতি, সংস্কাৰ, প্ৰয়াস আৰু আঁচনি তৈয়াৰ কৰা হৈছে। দেশখনৰ চুকে-কোণে থকা যুৱকসকলে যাতে গুণগত শিক্ষাৰ সুবিধা লাভ কৰিব পাৰে তাৰ প্ৰতি মনোযোগ দিয়া হয়। এইবোৰ প্ৰয়াস তিনিটা কাৰক শক্তিৰ ওপৰত ভিত্তি কৰি কৰিবলৈ লোৱা হয়। সেয়া হ'ল সুচল প্ৰাপ্তি, সমাৰ্থক ৰূপত সুবিধা গ্ৰহণ ব্যৱস্থা আৰু গুণগত দিশৰ ওপৰত গুৰুত্ব প্ৰদান। এই ব্যৱস্থাবোৰৰ সৰহভাগেই বিজ্ঞান আৰু মানৱতা সম্পৰ্কীয় বিষয় অধ্যয়ন কৰি থকা ছাত্ৰক সমানেই উপকৃত কৰিছে।

**শিক্ষাৰ সম্প্ৰসাৰণ ঃ**

চৰকাৰে যুৱকসকলৰ বাবে শিক্ষাৰ প্ৰসাৰৰ কাৰণে প্ৰতি স্তৰতে ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছে। তাৰ কাৰণে নতুন প্ৰতিষ্ঠান স্থাপনৰ প্ৰয়াস চলি আছে। এনে প্ৰতিষ্ঠানৰ ভিতৰত কেইটামান হ'ল আই আই টি, আই আই এম, কেন্দ্ৰীয় বিশ্ববিদ্যালয়, কলেজ ইত্যাদি।

**গ্লোবেল ইনিচিয়েটিভ অব একাডেমিক নেটৱৰ্ক (জী আই এ এন)ঃ** ইয়াৰ লক্ষ্য হ'ল বিজ্ঞানী আৰু উদ্যোগীসকলক হাতত ৰখা— যাতে আন্তৰ্জাতিকভাৱে উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ স'তে তেওঁলোকক জড়িত কৰিবলৈ উৎসাহিত কৰিব পৰা যায় আৰু তাৰদ্বাৰাই বৰ্তমানে দেশখনৰ যি সম্পদৰাজি আছে তাক উপযুক্তভাৱে উজ্জীৱিত কৰি তুলিব পাৰি। তেনে কাৰ্যৰদ্বাৰা ভাৰতৰ বৈজ্ঞানিক তথা প্ৰযুক্তিমূলক ক্ষমতাক গোলকীয় পাৰদৰ্শিতাৰ মানলৈ উন্নীত কৰাৰ লক্ষ্য আছে।

**ইম্পেক্টিং ৰিচাৰ্চ ইন'ভেচন এণ্ড টেকন'লজী ইণ্ডিয়া (আই এম পী আই আই এন চী) ঃ** ইয়াৰ লক্ষ্য হ'ল আগশাৰীৰ প্ৰতিষ্ঠানবোৰত সামাজিক প্ৰাসঙ্গিকতা থকা বিষয়বোৰত প্ৰত্যক্ষ গৱেষণাৰ দিহা কৰা।

**উচ্চতৰ আৱিষ্কাৰ অভিযান (ইউ এ ৱাই) ঃ** ইয়াৰ লক্ষ্য হ'ল উদ্যোগৰ নিৰ্দিষ্ট প্ৰয়োজনভিত্তিক গৱেষণাক উৎসাহিত কৰা— যাতে গোলকীয় বজাৰত ভাৰতীয় উদ্যোগৰ প্ৰতিযোগিতা-মুখিতাক অটুট ৰাখিব পৰা যায়।

**নেচনেল ইনষ্টিটিউচনেল ৰেংকিং ফ্ৰেমৱৰ্ক (এন আই আৰ এফ) ঃ** ইয়াৰ লক্ষ্য হ'ল গুণবিশিষ্ট মানক উৎসাহিত কৰিবৰ বাবে এটা উদ্দেশ্য আৰু প্ৰামাণীকৰণ শ্ৰেণীৰ ওপৰত আধাৰ কৰি বছৰি উচ্চতৰ শিক্ষা প্ৰতিষ্ঠানসমূহৰ শ্ৰেণীকৰণ কৰা।

**উচ্চতৰ শিক্ষাত বিত্তীয় সংস্থা স্থাপন (এইছ ই এফ এ) ঃ** ইয়াৰ উদ্দেশ্য হ'ল উচ্চতৰ শিক্ষা প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰি গঢ়ি তুলিবৰ বাবে বৃহৎ ধৰণে সামৰ্থ্য প্ৰদানৰ অৰ্থে মূলধনী সম্পদ সৃষ্টি কৰা।

**নেচনেল একাডেমীক ডিপোজিটৰী (এন এ ডী) ঃ** ডিজিটেলভাৱে শিক্ষা বিষয়ক নথি-পত্ৰ আদি জমা কৰি ৰখাৰ সুবিধা আৰু তাক সুৰক্ষিতভাৱে ৰাখি অন্‌লাইনৰ সুচল ব্যৱস্থা কৰা— যাতে ঠগ-প্ৰৱঞ্চকৰ কু-কাৰ্য উৎখাত কৰিব পাৰি। ভুৱা প্ৰমাণ-পত্ৰ আৰু মাৰ্কশ্বীট আদি হ'ল তেনে ধৰণৰ কাৰ্য। সেই ডিজিটেল ব্যৱস্থাই ন্যায্যকৰণক যথাযথভাৱে ৰখাত নিশ্চিতি প্ৰদান কৰিব।

**স্বয়ম প্ৰভা ঃ** ই হ'ল এক প্ৰকল্প— যাৰদ্বাৰাই '২৪×৭ ভিত্তিত' ৩২ ডী টী এইচ চেনেলৰ জৰিয়তে উচ্চ মানৰ শিক্ষামূলক কাৰ্যক্ৰম সম্প্ৰচাৰ কৰা।

**স্বয়ম ঃ** ছাত্ৰ-ছাত্ৰীসকলক সকলো বিষয় তথা পাঠ্যক্ৰম সামৰি লোৱাকৈ উত্তম গুণৰ শিক্ষা প্ৰদান কৰিবৰ বাবে "মেছিভ অ'পেন অন্‌লাইন কোৰ্চেছ" বিষয়ক এটা দেশজ তথ্য প্ৰযুক্তিৰ মঞ্চ।

**নেচনেল ডিজিটেল লাইব্ৰেৰী ঃ** ই হ'ল জ্ঞানৰ ভাণ্ডাৰৰ প্ৰতি সুচলতা প্ৰদানৰ অৰ্থে এটা ৰাষ্ট্ৰীয় সম্পদ গঢ়ি তোলা— য'ত গ্ৰন্থ, ই-লাৰ্ণিং সা-সামগ্ৰী, এনচাইক্লোপেডিয়া, আলোচনী, মনোগ্ৰাম, পৰ্যালোচনা পুথি আদি, গৱেষণাৰ কাম-কাজ, প্ৰবন্ধ-পাতি ইত্যাদি মজুত থাকিব। শিকাৰু/পেছাদাৰী/পণ্ডিত তথা অন্যান্য অনুৰাগী লোকৰ হিতাৰ্থে এই ব্যৱস্থা।

**চৌহদ সংযোগ (কেম্পাছ কনেক্ট) ঃ** বিশ্ববিদ্যালয়সমূহলৈ ১-জি বি পি এইচ সংযোগ তথা কলেজবোৰলৈ ১০-এম বি পি এইচ সংযোগ প্ৰদান কৰা ৱাই-ফাই সমৰ্থিত কেম্পাছ।

**উচ্চতৰ শিক্ষা বিষয়ক সৰ্বভাৰতীয় জৰীপ ঃ** ই হ'ল নীতি বিষয়ক সিদ্ধান্ত-ৰাজি আৰু গৱেষণা সম্পৰ্কে জনাবৰ কাৰণে দেশৰ সকলোবোৰ উচ্চতৰ শিক্ষা প্ৰতিষ্ঠানক সামৰি লোৱা ব্যৱস্থা।

**নেচনেল ইনষ্টিটিউট ফৰ ডিজাইন ইন'ভেচন ঃ** এই ব্যৱস্থা হ'ল ইণ্টাৰনেটৰ জৰিয়তে পাঠ্যক্ৰমসমূহৰ বিষয়ে ভাব বিনিময় বিনামূলীয়াকৈ কৰিবৰ অৰ্থে যুগুতাই উলিওৱা শিক্ষা বিষয়ক তথ্য সম্ভাৰ আৰু অভ্যাসৰাজি সৰ্বাধিক প্ৰাপ্তি নিশ্চিত কৰা।

**পোষ্ট-ডক্টৰেল ফেল'শ্বিপ ঃ** এই ফেল'শ্বিপৰ উদ্দেশ্য হ'ল বিজ্ঞান আৰু মানৱতা সম্পৰ্কীয় বিষয়ত তৰুণ গৱেষক-সকলক উৎসাহিত কৰা— যাতে তেওঁলোকে এটা শিক্ষা কিম্বা গৱেষণাৰ জীৱিকা বৃত্তি আৰম্ভ কৰিব পাৰে আৰু সেই বৃত্তিৰ লক্ষ্য হ'ল নতুন কৌশল আহৰণ, মানসিক চিন্তাধাৰা বিস্তাৰিত কৰা তথা বিভিন্ন জ্ঞানৰ ক্ষেত্ৰত পৰিচয় লাভ কৰা।

**ইউ জি চী - বি এছ আৰ ফেকাল্টি ফেল'শ্বিপ প্ৰ'গ্ৰাম ঃ** যিসকল মেধাৱী বিজ্ঞান তথা প্ৰযুক্তিৰ শিক্ষক অৱসৰ গ্ৰহণৰ ওচৰ চাপিছে তেওঁলোকে গৱেষণাৰ ক্ষেত্ৰত অৱিহণা যোগাবৰ বাবে সুযোগ-সুবিধা আগবঢ়াবলৈ বিশ্ববিদ্যালয়-সমূহত মৌলিক বিজ্ঞান গৱেষণা ব্যৱস্থাৱলীক শক্তিশালী কৰা হ'ল ইয়াৰ উদ্দেশ্য।

**বিশ্ববিদ্যালয় আৰু কলেজসমূহত বিজ্ঞান-ভিত্তিক উচ্চ শিক্ষা তথা গৱেষণা শক্তিশালীকৰণ আঁচনি ঃ** গৱেষণা কাৰ্যসূচীক সমৰ্থন প্ৰদানেৰে উচ্চ শিক্ষাত গৱেষণাৰ ক্ষেত্ৰত পাৰদৰ্শিতাক উৎসাহিত কৰাই হ'ল ইয়াৰ উদ্দেশ্য।


**স্কীল ইণ্ডিয়া ঃ** এয়া হ'ল উপযুক্ত কৌশল প্ৰদান কৰিবৰ বাবে আমাৰ প্ৰধান মন্ত্ৰীৰ এটা অতি সুন্দৰ প্ৰয়াস। এই ক্ষেত্ৰত ঘাইকৈ নিবনুৱা যুৱক, সীমামূৰীয়া অৱস্থাত থকা মহিলা আৰু গ্ৰাম্য সম্প্ৰদায়ক লক্ষ্য নিৰ্দ্ধাৰিত কৰা হৈছে— যাতে তেওঁলোকে জীৱন ধাৰণৰ মান উন্নত কৰিবৰ বাবে নিয়োগ সা-সুবিধা তথা নিৰন্তৰ জীৱিকা-বৃত্তিৰ বিকল্প উদ্ঘাটন কৰিব পাৰে।

**ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান ঃ** শিক্ষাৰ বিষয়টো ৰাজ্যৰ দায়িত্ব হ'লেও শিক্ষা পদ্ধতিৰ গুণগত মান উৎসাহিত কৰিবৰ বাবে এই অভিযানৰ অধীনত ৰাজ্যসমূহক ফেডাৰেল পুঁজি দিয়া হয়— যাতে সফলতাৰ ভিত্তিত শিক্ষা প্ৰদানত উৎসাহিত কৰিব পাৰে।

**বাছনিভিত্তিক ঋণ পদ্ধতি ঃ** পাঠ্যক্ৰমসমূহক পুনৰ আকাৰ প্ৰদান কৰা এয়া এটা সুন্দৰ চিন্তাধাৰা; আৰু ই ছাত্ৰ-ছাত্ৰীকেন্দ্ৰিক হৈ পৰিব— যিটোৱে তেওঁলোকক আন্তঃশৃংখলা অটুট ৰখা শিক্ষাৰ বাবে যথেষ্ট সুবিধা প্ৰদান কৰিব। ৰাজ্য, ৰাষ্ট্ৰ আৰু বিশ্বৰ শিক্ষা পদ্ধতিৰ ভিতৰত বহু দিশৰ গতিময়তাৰ বিষয়েও জ্ঞান আহৰণৰ সুবিধা দিব। এই পদ্ধতিটোৱে মূল্যাংকনৰ ক্ষেত্ৰত থকা চেকা দূৰ কৰাত তথা নিয়োগযোগ্যতাৰ বাধা আঁতৰোৱাত সহায় কৰিব।

উপৰিউক্ত বিষয়বোৰৰপৰা এইটো অনুমান কৰা হয় যে যুৱকসকলক সবলীকৰণ কৰি তুলিবৰ বাবে শিক্ষা পদ্ধতি— বিশেষকৈ কলা, মানৱতা সম্পৰ্কীয় আৰু বিজ্ঞানৰ ক্ষেত্ৰত ভাবি-গুণি সংস্কাৰ সাধন কৰাৰ প্ৰয়োজন আছে। এখন বিকাশশীল দেশৰ সীমিত সম্পদৰাজিৰ ভিতৰত বৰ্তমানৰ পদ্ধতি আৰু নীতিসমূহক উপযুক্তভাৱে সামঞ্জস্য ৰাখি ব্যৱস্থা গ্ৰহণ কৰিলে আচৰিতজনকভাৱে সুফল পাব পাৰে। চৌদিশৰ ইতিবাচক দৃষ্টিভঙ্গী, ছাত্ৰ-কেন্দ্ৰিক শিক্ষা পদ্ধতি, নিয়োগকৰ্তাৰ প্ৰয়োজনভিত্তিক পাঠ্যক্ৰম, নীতি আৰু অভিযানসমূহৰ জৰিয়তে চৰকাৰে আগবঢ়োৱা সহায়ৰ হাত আৰু সমাজ তথা কৰ্ম জগতখনে গ্ৰহণ কৰা এনে প্ৰশিক্ষিত আৰু মেধাৱী ছাত্ৰৰ উপস্থিতিয়ে যুৱ সম্প্ৰদায় তথা ৰাষ্ট্ৰ উভয়কে সবল কৰি তুলিব পাৰে। পৰিশেষত ভাৰতীয় যুৱকসকলৰ সবলীকৰণৰ অৰ্থে আমাৰ জ্ঞানেৰে যিখিনি পৰা যায় তাৰদ্বাৰাই এটা চাৰিকোণীয়া দৃষ্টিভঙ্গীৰ আৰ্হি উপস্থাপন কৰিলোঁ। ❐

**ভাৰতীয় যুৱকসকলৰ সবলীকৰণৰ অৰ্থে চাৰিকোণীয় দৃষ্টিভঙ্গীৰ আৰ্হি**




২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# অসমত যোগ শিক্ষাৰ প্ৰসাৰ

**গায়ত্ৰী চাংকাকতি***

যোগ শব্দটো সংস্কৃত শব্দ Yuj পৰা আহিছে। যোগ শব্দৰ প্ৰকৃত অৰ্থ হৈছে যোগ বা মিলন। দেহৰ লগত মনৰ মিলন ঘটোৱাটোৱে যোগ সাধনাৰ মূল উদ্দেশ্য।

যোগ হৈছে ছটা পৰম্পৰাগত ধ্ৰুপদী ভাৰতীয় দৰ্শনৰ ভিতৰত অন্যতম। ইয়াৰ বাকী পাঁচটা হৈছে— বেদান্ত, মীমাংসা, ন্যায়, বৈশেষিক আৰু সংখ্যা।

শৰীৰ বা স্বাস্থ্য ভালে নাথাকিলে আমি দৈনন্দিন জীৱনত কোনো কামতে সফলতা অৰ্জন কৰিব নোৱাৰোঁ। সমাজত বসবাস কৰা লোকৰ মাজত যোগ বিদ্যাই শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক উন্নতি সাধনৰ যোগেদি সমাজ তথা দেশৰ উন্নতি সাধনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই সৰ্বাংগীন উন্নতি পূৰ্ণ ৰূপত সাধন কেৱল মাত্ৰ যোগ সাধনাৰদ্বাৰা সম্ভৱপৰ। সেয়েহে প্ৰাচীন ভাৰতীয় ঋষি-মনীষীসকলে সৰ্বসাধাৰণৰ মঙ্গলৰ কাৰণে যোগ শাস্ত্ৰ ৰচনা কৰি গৈছে।

প্ৰাচীন ভাৰতীয় ঋষি-মনীষীসকলে ৰচনা কৰি থৈ যোৱা যোগ শাস্ত্ৰ দুটা শাখাত বিভক্ত। যেনে— ৰাজযোগ আৰু হঠযোগ। ৰাজযোগ শাস্ত্ৰত শৰীৰৰ উন্নতি সাধনতকৈ মনৰ উন্নতি সাধনৰ ওপৰত বিশেষৰূপে গুৰুত্ব আৰোপ কৰা হৈছে। সাধনাৰদ্বাৰা মনক বশ কৰিব পাৰিলে মানুহে জীৱনত প্ৰকৃত মাত্ৰা লাভ কৰি শান্তিৰ মাজেৰে অলৌকিক শক্তিৰ অধিকাৰী হৈ উঠিব পাৰে। ৰাজযোগ শাস্ত্ৰত যম, নিয়ম, আসন, প্ৰাণায়াম, ধ্যান, ধাৰণা, প্ৰত্যাহাৰ আৰু সমাধি এই আঠ প্ৰকাৰৰ ক্ৰিয়াৰ উদ্ভাৱন কৰি উলিয়াইছে। এই ক্ৰিয়াসমূহ উপযুক্ত অনুশীলনৰদ্বাৰা বিভিন্ন অলৌকিক শক্তি আহৰণৰ উপৰিও মনক জয় কৰি নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতা লাভ কৰিব পৰা যায়।

হঠযোগ শাস্ত্ৰত বিশেষকৈ শৰীৰ অৰ্থাৎ স্বাস্থ্যৰ উন্নতিৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। এৰিষ্ট'টলে কৈছিল, “সুস্থ দেশতহে সুস্থ মনৰ বিকাশ হয়।” নিৰোগী দেহ আৰু সু-স্বাস্থ্য লাভৰ কাৰণে হঠযোগ শাস্ত্ৰত ছয় প্ৰকাৰ ক্ৰিয়াৰ উদ্ভাৱন কৰা হৈছে। যেনে— আসন, মুদ্ৰা, প্ৰাণায়াম, ধৌতি, বস্তি আৰু নেতি। এই ক্ৰিয়াসমূহ নিয়মিত অনুশীলনৰদ্বাৰা শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক স্বাস্থ্যৰ উন্নতিৰ লগতে দীৰ্ঘায়ু লাভৰ ক্ষমতা অৰ্জন কৰিব পাৰি।

যোগগুৰু শ্ৰীমৎ স্বামী শিৱানন্দ সৰস্বতী মহাৰাজে যোগ সাধনা অৰ্থাৎ যৌগিক চিকিৎসাৰদ্বাৰা এটা সুস্থ-সবল জীৱনৰ অধিকাৰী হ'বলৈ যৌগিক চিকিৎসা প্ৰণালীৰ প্ৰৱৰ্তন কৰিছিল।

স্বামী শিৱানন্দ সৰস্বতীৰ জন্ম হৈছিল ১৮৯৯ খ্ৰীষ্টাব্দৰ ৪ জুলাই তাৰিখে। তেওঁ এগৰাকী মেধাৱী ছাত্ৰ আছিল যিজনে ৰোগাৰ্তৰ যন্ত্ৰণা সহ্য কৰিব নোৱাৰিছিল। তেওঁ জীৱ হত্যা কৰি ভক্ষণ কৰা কাৰ্যৰ বিৰোধিতা কৰিছিল, সেয়েহে তেওঁ বাল্য কালৰ পৰাই নিৰামিষভোজী আছিল। তেওঁক সংসাৰৰ মায়ামোহে বেছিদিনলৈ আবদ্ধ কৰি ৰাখিব নোৱাৰিলে। প্ৰায় ১২ বছৰ বয়সতে অসম-বঙ্গীয় সাৰস্বত আশ্ৰমৰ প্ৰতিষ্ঠাতা পৰমহংস শ্ৰীমৎ স্বামী নিগমানন্দ সৰস্বতীৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। তেওঁৰ সান্নিধ্যতে স্বামী শিৱানন্দই যোগবিদ্যা আয়ত্ব কৰিছিল। ২২ বছৰ বয়সত তেওঁ কোকিলামুখৰ আশ্ৰমৰ পৰা ওলাই আহি ডিব্ৰুগড় ভ্ৰমণ কৰে তাৰ পৰৱৰ্তী সময়ত তেওঁ ভাৰত ভ্ৰমণৰ কাৰণে ওলায় আৰু হিমালয়ত স্বামী উমানন্দ সৰস্বতীৰ পৰা সন্যাস দীক্ষা গ্ৰহণ কৰে আৰু শ্ৰীমৎ স্বামী শিৱানন্দ সৰস্বতী নাম পায়।

১৯২৯ চনত তেওঁৰ ভাৰত ভ্ৰমণ সমাপ্ত কৰি কামাখ্যালৈ আহে আৰু কালীপুৰ আশ্ৰমত কিছুদিন থাকে। ১৯৩২ চনত স্বামী শিৱানন্দ সৰস্বতীয়ে যোগ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰে উমাচল আশ্ৰমত। এই আশ্ৰমত সকলো লোককে বিনামূলীয়া প্ৰশিক্ষণৰ সেৱা আগবঢ়াইছিল।

উমাচলত থাকিয়ে স্বামীজীয়ে কঠোৰ সাধনাৰ বলত এখনি মহৎ গ্ৰন্থ “যোগবলে ৰোগাৰোগ্য' ৰচনা কৰি উলিয়াইছিল। তেওঁৰ এই গ্ৰন্থখন হিন্দী,

*গায়ত্ৰী চাংকাকতী মুক্ত সাংবাদিক।

ইংৰাজী, অসমীয়া, মাৰাঠী, মালয়ালম, ফৰাচী আৰু স্পেনীশ ভাষালৈ অনুদিত হৈছে। তেওঁ এই গ্ৰন্থখন প্ৰকাশিত হোৱাৰ পিছত অসম তথা পশ্চিমবঙ্গৰ শিক্ষিত শ্ৰেণীৰ মাজত বিপুল সমাদৰ লাভ কৰিছিল। "যোগবলে ৰোগাৰোগ্য" ইংৰাজী 'যৌগিক থেৰাপি' প্ৰকাশ পোৱাৰ লগে লগে ইউৰোপ, আমেৰিকাত যোগ সম্বন্ধে গৱেষণা আৰু চৰ্চা আৰম্ভ হয়। কামাখ্যা ধামত উমাচল যোগাশ্ৰম আৰু চিকিৎসালয়, কলকাতাৰ বৰাহনগৰত অনুৰূপ এখন যোগাশ্ৰম আৰু চিকিৎসালয় আৰু মেদিনীপুৰ জিলাৰ মশাগ্ৰামত শিৱানন্দ যোগাশ্ৰম নিৰ্মাণ কৰা হৈছে। খাদ্যনীতি নৱৰূপত সংশোধন কৰি যোগৰ বাটেৰে পৰিচালিত কৰি দীৰ্ঘায়ু তথা নিৰোগী কৰি তুলিবলৈ সক্ষম হৈছে। ১৯৭৯ চনৰ ৭ অক্টোবৰ তাৰিখে তেওঁৰ মৃত্যু হয়।

শিৱানন্দ মথ, উমাচল যোগাশ্ৰম, যোগা মহাবিদ্যালয় আৰু যোগা চিকিৎসালয় স্বাস্থ্যকৰ পৰিৱেশৰ মাজত প্ৰাকৃতিক সৌন্দৰ্যৰে সমৃদ্ধিশালী নিলাচল পাহাৰৰ ওপৰত অৱস্থিত। আশ্ৰমৰ মাটিভাগ আৰম্ভ হৈছে ব্ৰহ্মপুত্ৰ নদৰ পৰা তিনিশ ফুট ওপৰলৈকে। মুঠ ৩০ বিঘা আৰু ১৫ একৰ মাটি যোগা মহাবিদ্যালয় আৰু যৌগিক চিকিৎসালয়ৰ কাৰণে আছে।

স্বামী শিৱানন্দ সৰস্বতীৰ তত্ত্বাৱধানত "ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰ" ১৯৭৯ চনত স্থাপন কৰা হয়। যোগাচাৰ্য শুভাশিষৰ সহযোগিতাত অসমত যোগ চিকিৎসা কেন্দ্ৰ স্থাপন কৰা হৈছে গুৱাহাটীৰ মালিগাঁৱত। কেন্দ্ৰীয় চৰকাৰৰ সহযোগত ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰ স্থাপিত হয় আৰু ১৯৮০ চনৰ পৰা যোগ আৰু প্ৰাকৃতিক চিকিৎসাৰ বিভিন্ন পাঠ্যক্ৰম আগবঢ়োৱা হৈছে। ইয়াৰ শাখা অসমৰ ডিব্ৰুগড়, শিৱসাগৰ, শিলচৰ, নগাঁও, তেজপুৰ, তিনিচুকীয়াত স্থাপন কৰা হৈছে।

যোগ, আসন বা যৌগিক চিকিৎসাৰদ্বাৰা মানৱ জাতিৰ বিভিন্ন ধৰণৰ দুৰাৰোগ্যসমূহৰ চিৰস্থায়ী ৰূপে উপশম ঘটাব পাৰি। ইয়াৰ বাবে কেৱল মাথো ধৈৰ্য আৰু সময়ৰ আৱশ্যক। যোগ আসনৰদ্বাৰা স্নায়ু, পেশী, ধমনী, ৰক্তপ্ৰবাহ, গ্ৰন্থিসমূহ সক্ৰিয় হৈ ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি কৰি দীৰ্ঘায়ু কৰি তোলে। যোগাসনৰদ্বাৰা ৰোগসমূহ আৰোগ্য কৰাৰ বিপৰীতে ৰোগ সৃষ্টি হ'বলৈ নিদিয়াকৈ ৰাখি সুস্থ-সবল জীৱন যাপন কৰাত এটা বিশেষ মাত্ৰা প্ৰদান কৰে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে মানৱ সমাজৰ অতিমাত্ৰা যান্ত্ৰিকতাৰ ওপৰত কৰা নিৰ্ভৰে শাৰীৰিক পৰিশ্ৰম কমাই আনিছে, যিয়ে শৰীৰত বিভিন্ন ধৰণৰ ব্যাধিৰ আৱিৰ্ভাৱ ঘটাইছে। এই ৰোগৰ পৰা আৰোগ্য লাভ কৰিবলৈ আধুনিক চিকিৎসা পদ্ধতি গ্ৰহণ কৰি মাৰাত্মক পাৰ্শ্বক্ৰিয়াৰ সন্মুখীন হ'বলগীয়া হৈছে। এই চিকিৎসা পদ্ধতিৰ নিখুঁত ৰূপত প্ৰয়োগে এটা সুস্থ-নিৰোগী শৰীৰৰ গৰাকী হৈ উঠিব পাৰি। সুস্থ-সবল শৰীৰতহে সুস্থ মনৰ পূৰ্ণ বিকাশ সম্ভৱপৰ। কাৰণ এজন সুস্থ মনৰ ব্যক্তিয়েহে সুস্থ বিকাশমুখী সমাজ গঢ়িব তুলিব পাৰে।

সুখৰ কথা যে, ভাৰতৰ যোগ সংস্কৃতিয়ে বৰ্তমান সমগ্ৰ বিশ্বত সমাদৰ লাভ কৰিছে। ২১ জুন তাৰিখটো সমগ্ৰ বিশ্বতে তৃতীয় বাৰৰ বাবে বিশ্ব যোগ দিৱস হিচাপে পালন কৰা হৈছে। ২০১৫ চনত ৰাষ্ট্ৰসংঘই ২১ জুনৰ দিনটো আন্তৰ্জাতিক যোগ দিৱস ৰূপে ঘোষণা কৰে।

এইবছৰ অসমত ব্যাপক উলাহেৰে শিক্ষানুষ্ঠানসমূহৰ লগতে ৰাজহুৱা-ভাৱেও যোগ দিৱস পালন কৰা হয়। সকলো স্তৰলৈকে যোগৰ সম্প্ৰসাৰণ সফলভাৱে হৈ উঠিলে ৰাজ্যখনত যোগশিক্ষা দানৰ বাবে প্ৰশিক্ষকৰ নিয়োগো আৱশ্যক হ'ব আৰু ইয়ে নিবনুৱা সমস্যা কিছু লাঘৱ কৰিব পাৰিব বুলি আশা কৰিব পাৰি। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# আপুনি জানেনে?

# এঞ্জেল ফাণ্ডিং

এঞ্জেল ফাণ্ডিং বা বিনিয়োজন হ'ল ষ্টার্ট-আপ কোম্পানীসমূহত নিদর্শন-স্বৰূপ আগতীয়া ইকুইটি বিনিয়োগ। এঞ্জেল বিনিয়োগকাৰীয়ে ক্ষুদ্ৰ ষ্টাৰ্ট-আপ বা উদ্যোগত বিনিয়োগ কৰে আৰু তেওঁলোকে সাধাৰণতে ব্যৱসায় ৰূপায়ণ সাধ্যতাতকৈ ব্যৱসায় আৰম্ভ কৰাতহে বিনিয়োগ কৰে। তেওঁলোকে ষ্টার্ট-আপ্‌ৰ প্ৰথম পদক্ষেপত সহায় কৰে আৰু ব্যৱসায়ৰ পৰা হ'ব লগা সম্ভাৱনীয় লাভৰ বিষয়ে মূৰ নঘমায়।

'এঞ্জেল' শব্দ থিয়েটাৰৰ পৰা লোৱা হৈছে, য'ত এই শব্দটো থিয়েটাৰ সম্বন্ধীয় প্ৰযোজনাৰ কামত ধন খৰচ কৰা অভ্যাস বন্ধ কৰি দিয়া ধনী মানুহক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। এঞ্জেল বিনিয়োগকাৰীসকলক প্ৰায় সদায়েই ধনী মানুহ হিচাপে গণ্য কৰা হয় আৰু সাধাৰণতে তেওঁলোকক বিনিয়োগকাৰী নেটৱৰ্কত চিহ্নিত কৰা হয়। এই নেটৱৰ্কসমূহ প্ৰায়েই অতিৰিক্তি উদ্যোগ বা বিদ্যায়তনিক অন্তৰ্ভুক্তভিত্তিক হয়। শেহতীয়া বছৰসমূহত ভাৰত ষ্টাৰ্ট-আপৰ ক্ষেত্ৰত বিশ্বৰ তিনিখন শীৰ্ষ দেশৰ এখন দেশ হিচাপে উদিত হৈছে আৰু ভাৰতীয় ষ্টার্ট-আপ অতি শিহৰণকাৰী দেশ হিচাপে প্ৰতিফলিত হৈছে। ইণ্ডিয়ান ইন্সটিটিউট অৱ টেক্‌ন'ল'জি ইন মাদ্ৰাজ (আই আই টী এম)ৰদ্বাৰা প্ৰস্তুত কৰা। ইণ্ডিয়ান ভে'ন্‌চ্চাৰ কেপিটেল এণ্ড এ প্ৰাইভেট ইকুইটি প্ৰতিবেদন অনুসৰি ২০০৫-১৫ কালছোৱাত ষ্টাৰ্ট-আপত মুঠ সাহসী (ভে'ন্‌চ্চাৰ) বিনিয়োগ ১১১৭ বিলিয়ন (২০১৫ চনক ভিত্তিবৰ্ষ হিচাপে লৈ) টকা হ'ব বুলি ধাৰণা কৰা হৈছে। ভালেসংখ্যক লেনদেনৰ তথ্য উপলব্ধ নোহোৱাৰ বাবে বিতং বিনিয়োগ পৰিমাণ লাভ কৰিব নোৱাৰাৰ হেতু বিনিয়োগৰ পৰিমাণ ইয়াতকৈ অধিক হ'ব পাৰে। ২০০৫-১৫ চনৰ কালছোৱাত বিনিয়োগ প্ৰবাহত বছৰেকীয়া বিকাশৰ হাৰৰ গড় হ'ব প্ৰায় ৪২ শতাংশ। এই সময়ছোৱাত ১০ হাজাৰৰো অধিক ষ্টাৰ্ট-আপে পুঁজি লাভ কৰে। এই কালছোৱাৰ পুঁজি আগবঢ়োৱা। ষ্টাৰ্ট-আপৰ সংখ্যাৰ অধিক বৰ্দ্ধনৰ গড় হাৰ ১৬ শতাংশ। অধিক খণ্ডতে, বিদেশৰ ষ্টাৰ্ট-আপৰ লগতে এটা ভাৰতীয় ষ্টাৰ্ট-আপো আছে। ভালেমান বিদেশী ষ্টাৰ্ট-আপে ভাৰতত কৰ্মপদ্ধতি আৰম্ভ কৰাৰ সময়ত ভাৰতৰ ষ্টাৰ্ট-আপৰ উপস্থিতিৰ অৰ্থ হ'ল ভাৰতত বিদেশী কোম্পানীয়ে কৰ্ম-পদ্ধতি আৰম্ভ কৰালৈকে ভাৰতীয় গ্ৰাহকে অপেক্ষা কৰাৰ প্ৰয়োজন নাই। বৰ্তমান "উত্তম অনুশীলন'ৰ পৰামৰ্শ হ'ল এঞ্জেলসকলে কোম্পানীবোৰৰ বাবে চোৱা তেওঁলোকৰ স্থান উন্নত হ'লেও উত্তমভাৱে থিত লগাব পাৰিব— যিটোৱে ৫-৭ বছৰ কালৰ ভিতৰত অন্ততঃ ২০-৩০ বাৰ লাভ প্ৰদান কৰাৰ সম্ভাৱনা আছে। ব্যৰ্থ বিনিয়োগ আৰু সফল সকলৰ ক্ষেত্ৰতো কেইবা বছৰ কালৰ বাবে সামৰি লোৱাৰ প্ৰয়োজনীয়তাক বিবেচনা কৰাৰ পাছত সি যি কি নহওক, নিদৰ্শনস্বৰূপ সফল এঞ্জেলৰ বিনিয়োগৰ কাৰণে প্ৰকৃত সফল আভ্যন্তৰীণ হাৰ তুলনামূলকভাৱে 'নিম্ন' ২০-৩০ শতাংশ। যি সময়ত প্ৰদান কৰা যিকোনো বিনিয়োগৰ উচ্চ লাভৰ হাৰ বিনিয়োগকাৰীৰ প্ৰয়োজন হয়, এঞ্জেল বিত্ত যোগান পুঁজি খৰচী উৎস, বেংকৰ বিত্ত যোগানৰ দৰে মূলধনৰ সস্তা উৎস বেছিভাগ প্ৰথমছোৱাৰ সাহসী বিনিয়োগত সচৰাচৰ উপলব্ধ নহয়। ভাৰতীয় এঞ্জেল নেটৱৰ্ক ২০০৬ চনতে আৰম্ভ হোৱা এঞ্জেল বিনিয়োগকাৰীৰ এটা পুৰণি নেটৱৰ্ক। যোৱা বছৰ, ১৮ পৃষ্ঠাৰ চৰ্তত স্বাক্ষৰ কৰা হয়, ইয়াৰে ষ্টাৰ্ট-আপ মুকুন্দ ফুড টেক্‌ৰ পৰা আৰম্ভ কৰি সমবায় আৰু সমূহীয়া ভিত্তিক উৎপাদক GoCoopৰ কাৰণে অন্‌লাইন বজাৰ স্থানলৈকে কোম্পানীৰ ব্যাপক ভিত্তিত ১১টা লেনদেন সম্পূৰ্ণ হৈছে। কিছুমান এঞ্জেলছ দলে মুম্বাই এঞ্জেলছ, হাভাৰ্ড এঞ্জেলছ, চেন্নাই এঞ্জেলছ আৰু ইণ্ডিয়া কৰ'শ্বয়েণ্টক অন্তৰ্ভুক্ত কৰিছে।

উচ্চ মাত্ৰাত প্ৰকাশিত সফল কাহিনীয়ে অধিক এঞ্জেল বিনিয়োগকাৰীক ষ্টাৰ্ট-আপ মূলধন বিনিয়োগ কৰিবলৈ উৎসাহিত কৰাৰ পৰিপ্ৰেক্ষিতত যুৱ উদ্যোগীসকলে এঞ্জেল বিনিয়োগকাৰীৰ পৰা বিত্ত যোগান অধিক পাবলৈ আশাবাদী হ'ব পাৰে।

**(৫৫ পৃষ্ঠাত চাওক)**

# ডিজিটেল সাক্ষৰতা

**উৎপলা কোঁৱৰ***

মানবিশিষ্ট, যুগোপযোগী পাঠ্যক্ৰম প্ৰণয়ন আৰু বাস্তৱ জীৱনশৈলীৰ সৈতে ৰজিতা খুৱাই সুসংবদ্ধ শিক্ষণ প্ৰণালী আগবঢ়াবৰ কাৰণে পৰম্পৰাগত কৌশলসমূহ যেনে পঠন, লিখন আৰু গণনা শিকাৰ মৌলিক দক্ষতা আয়ত্ত কৰাৰ উপৰিও মৌলিক প্ৰয়োজনীয়তা হিচাপে চতুৰ্থ যি কৌশলে সমাদৰ আৰু জনপ্ৰিয়তা লভিবলৈ সক্ষম হৈছে, সেইয়া একেষাৰতে ডিজিটেল সাক্ষৰতা বুলি অভিহিত কৰিব পাৰি অৰ্থাৎ প্ৰযুক্তিগত উপকৰণৰ প্ৰয়োগৰে কম্পিউটাৰ সম্বন্ধীয় মৌলিক জ্ঞান আহৰণ কৰিছে। থোৰতে ক'ব পাৰি একৈশ শতিকাত ডিজিটেল সাক্ষৰতাই জনজীৱনত এটা বিপ্লৱৰ অধ্যায়ৰ অৱতাৰণা কৰিছে। বিৱৰ্তনমুখী সমাজ ব্যৱস্থা আৰু যুগৰ উৰ্দ্ধমুখী গতিধাৰাত শিক্ষা ব্যৱস্থাত যিবিলাক নিত্য নতুন দক্ষতা অন্তৰ্নিহিত কৰা হৈছে বা কৌশল বিকাশৰ বাবে নৈপুন্যতাক যি গুৰুত্ব দিয়া হৈছে সেইবিলাকৰ মাজত নিঃসন্দেহে ডিজিটেল সাক্ষৰতাই এটা উল্লেখযোগ্য স্থান লাভ কৰিব পাৰিছে। সমাজ আৰু সভ্যতা গঢ় লোৱাৰ উপক্ৰমনত ক্ৰমশঃ জ্ঞান আহৰণৰ পদ্ধতিগত বিকাশৰ ক্ষেত্ৰত পঢ়া, লিখা আৰু গণনাই জ্ঞানৰ বুনিয়াদ গঢ়াৰ মূল জখলাৰ স্থান ল'লে। আমাৰ দেশৰ জনগণ আমাৰ অতি মূল্যবান সম্পদ, সেয়েহে সকলোটিকে কৌশল-নিপুণ কৰাটো প্ৰয়োজনীয়। জনসাধাৰণ দক্ষতা বৃদ্ধি কৰা মানে সেই দক্ষ-শক্তি জাতীয় জীৱন বা ৰাষ্ট্ৰৰ উন্নয়নৰ মূলাধাৰ স্বৰূপে ৰাষ্ট্ৰক আগুৱাই নিয়া আৰু সমগ্ৰ বিশ্বজুৰি উন্নয়ন কৌশলৰ বা ৰূপায়ণ পদ্ধতিৰ যি দ্ৰুত পৰিৱৰ্তন ঘটিছে, তেনে পৰিস্থিতিত ডিজিটেল দক্ষতাই চমকপ্ৰদ ফল প্ৰদান কৰিবলৈ সক্ষম হৈছে। সংযোজিত হ'ল নিজস্বভাৱে ব্যৱহাৰ কৰিব পৰা যন্ত্ৰচালিত অন্য এটা দক্ষতা। সেই ডিজিটেল সাক্ষৰতাই সহজেই জ্ঞানৰ পৰিসৰ বহল কৰাৰ ক্ষেত্ৰত জ্ঞান আৰু ব্যৱহাৰৰ পৃথিৱীক সকলোৰে ওচৰ চপাই আনিলে; কম্পিউটাৰ, লেপ্‌টপ, টেবলেট, ম'বাইল বা ব্ৰডবেণ্ডে শিক্ষাৰ্থী, ইচ্ছুক ব্যক্তি বা পৰিয়ালৰ সদস্যসকলক বিশ্ব জগতৰ বিভিন্ন দিশ— শিক্ষা/ব্যৱসায়-বাণিজ্য/সমাজ/বিজ্ঞান বা যিকোনো দিশৰ সৈতে পোনপটীয়াকৈ জড়িত কৰি ৰাখিবলৈ সহায় আগবঢ়াইছে।

কিয়নো আমি কি শিকিম আৰু কেনেকৈ ভালদৰে শিকিম বুলি বিচাৰ কৰিলে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাপুষ্ট আধুনিক জগতখনৰ ওপৰত পাৰস্পৰিক নিৰ্ভৰশীলতাৰ দিশটোৰ প্ৰতি সচেষ্ট হ'ব লাগিব, যিহেতু পৰিৱেশগত সমস্যা আৰু সমাধান সূত্ৰ এই দুয়োটা দৃষ্টিকোণে শিক্ষণ-শিকনৰ ক্ষেত্ৰত উল্লেখযোগ্য। এনে শিকন ৰীতি শিক্ষাৰ্থীয়ে শিক্ষানুষ্ঠানৰ মাধ্যমেৰে বা অন্যান্য প্ৰশিক্ষণ ব্যৱস্থাৰ সহায়ত শিকিব পাৰে। ভৱিষ্যতৰ পাৰ্থিৱ জীৱনৰ বা জীৱিকা সম্বন্ধীয় বিজ্ঞানসন্মত সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতেই বা বিবেচনা কৰি তাৰ বাবে প্ৰযোজ্য অন্যান্য দক্ষতা আয়ত্ত কৰিবৰ কাৰণে, আগবাঢ়ি যাবলৈ নানা স্থিতিৰ প্ৰতি জ্ঞাত হ'বৰ কাৰণে বৰ্তমান যুগৰ যোগাযোগ মাধ্যমৰ আধাৰ নিঃসন্দেহে ডিজিটেল সাক্ষৰতা লাভ কৰাৰ ওপৰত নিৰ্ভৰ কৰিছে। শিক্ষণ-শিকন প্ৰণালীত দ্ৰুতভাৱে পৰিৱৰ্তন অহা বাবে শ্ৰেণী-কক্ষত বৈজ্ঞানিক উপকৰণে শিকন-শিক্ষণ সমলৰূপে অধিক ব্যৱহাৰ হৈছে। মাথোন বিদ্যালয় চৌহদেই নহয় জন-জীৱনৰ নানা দিশৰ ক্ষেত্ৰতো ইলেক্‌ট্ৰনিক যোগাযোগ মাধ্যমৰ ব্যৱহাৰ বহু ব্যাপকভাৱে সমাদৰ লভিছে। সামাজিকভাৱে এনে দক্ষতাই আত্ম-বিশ্বাস, আত্ম-সতৰ্কতা, যোগাযোগ নিপুণতা, ব্যক্তিগত সম্পৰ্ক স্থাপন, আত্মপ্ৰকাশ আদিৰ সহায়ক হয়। তদুপৰি সৃজনীমূলক প্ৰতিভা, সমালোচনামূলক চিন্তা, সিদ্ধান্ত ল'ব পৰা যোগ্যতা, সমস্যা আৰু সমাধানমলূক বিবেচনাৰো উন্মেষ ঘটাই, তথ্য-প্ৰযুক্তিৰ জ্ঞানৰ নিপুণতাৰে চাকৰি বা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত সহায়ক হয়, ভাষাগত দক্ষতা বা সিদ্ধান্ত গ্ৰহণ আদি বহু যোগ্যতা বা প্ৰতিভা বঢ়ায়।

অৱশ্যে এইটো মন কৰিবলগীয়া যে ডিজিটেল সাক্ষৰতা আৰু কেইটামান দক্ষতাৰ সৈতে জড়িত, যিবিলাক পাৰস্পৰিক বিষয় নিৰ্ভৰশীল বা আন্তঃবৈষয়িক। ৰাৰশ্বায়াৰ (Warshauer) আৰু মাউচিনাক

*লিখক নতুন দিল্লীৰ পি এইছ ডি চেম্বাৰ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিৰ জ্যেষ্ঠ সচিব তথা এইচ আৰ মুৰব্বী। শিক্ষা, দক্ষতা বিকাশ, চিএছআৰ,

(Matuchniak)ৰ মতে তিনিটা প্ৰধান কৌশলৰ সমষ্টিয়েহে ব্যক্তিক ডিজিটেল সাক্ষৰতা লাভত সহায় কৰে, যেনে— (১) তথ্য, সংবাদ মাধ্যম আৰু প্ৰযুক্তি, (২) শিকন আৰু সৃজনীমূলক দক্ষতা আৰু (৩) জীৱন আৰু কেৰিয়াৰ নিপুণতা। আধুনিক শিক্ষাবিদসকলে নতশিৰে মানি লৈছে যে একৈশ শতিকাৰ শিক্ষা ব্যৱস্থা শিক্ষাৰ্থীকেন্দ্ৰিক, শিক্ষাকেন্দ্ৰিক নহয় য'ত তথ্য আৰু প্ৰযুক্তিবিদ্যাপুষ্ট শিক্ষা ব্যৱস্থাৰে শ্ৰেণীকক্ষত শিক্ষাৰ্থীসকললৈ উন্নত মানবিশিষ্ট শিক্ষা আগবঢ়াইছে, য'ত শিক্ষকসকলে বন্ধু, চিন্তাশীল জ্ঞানী আৰু পথ প্ৰদৰ্শকৰ ভূমিকা ল'বলৈ সুবিধা পাইছে আৰু প্ৰতিজন শিক্ষাৰ্থীয়ে নিজে হাতে-কামে জড়িত হৈ শিকন ক্ষমতা বঢ়াব পাৰিছে আৰু শিক্ষক শিক্ষাৰ্থীক শিকা, জ্ঞানচৰ্চা আৰু ব্যৱহাৰত আগুৱাই যোৱাত সহায়ক হ'ব পাৰিছে।

'সকলোৰে বাবে সাক্ষৰতা' অভিযানত 'ডিজিটেল সাক্ষৰতা'ও শিক্ষাৰ এটা মৌলিক আধাৰ বুলি বিবেচনা কৰি ভাৰত চৰকাৰে তেনেদৰে আগবাঢ়ি যোৱাৰ উদ্দেশ্যৰে নেশ্বনেল ডিজিটেল লিটাৰেচি মিছন (NDLM) প্ৰকল্প হাতত লৈছে যাতে ডিজিটেল নাগৰিকত্বই জনসাধাৰণক এই নতুন পদ্ধতিত দক্ষ কৰি তুলিব পাৰে। ডিজিটেল তথ্য প্ৰযুক্তি (Information Technology)ৰ জৰিয়তে শিক্ষাৰ্থী-সকলে যাতে সাক্ষৰতা আহৰণ কৰাৰ সুবিধা পায় তাৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্দেশনা আগবঢ়োৱা হৈছে। ইয়াৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল— গ্ৰামাঞ্চল, যুৱসমাজ আৰু সকলোৰে ডিজিটেল শিক্ষাৰ মাধ্যমেৰে সুকলমে জ্ঞানভিত্তিক শিক্ষাৰে গ্ৰাম্য অঞ্চলত আৰ্থ-সামাজিক দিশত বিপুল উন্নয়নমূলক পৰিৱৰ্তন অনা, নাৰীক সবলীকৰণ কৰি স্বাৱলম্বী হ'ব পৰাকৈ ক্ষমতা আগবঢ়োৱা। ইয়াৰ বাবে এন ডি এল এমবিলাক জ্ঞানকেন্দ্ৰ হ'ব আৰু ই সম্পূৰক শিক্ষা হ'ব। সকলো প্ৰদেশতে ইয়াৰ কাৰ্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। কেবাখনো ৰাজ্যই তথ্য আৰু প্ৰযুক্তিবিদ্যাক শিক্ষণ-শিকন প্ৰণালীৰ অবিচ্ছেদ্য অংগ হিচাপে শ্ৰেণীকক্ষত প্ৰয়োগ কৰি লাভাৱান্বিত হৈছে। সেই মৰ্মে কাৰ্যকৰীকৰণৰ দ্বিতীয় পৰ্যায়ত অন্য ১০খন ৰাজ্যৰ ভিতৰত অসমকো অন্তৰ্ভুক্ত কৰা হয় আৰু চৰকাৰে 'আনন্দৰাম বৰুৱা' প্ৰকল্পৰ জৰিয়তে স্কুলীয়া শিক্ষা সাং কৰা মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ লেপ্‌টপ আগবঢ়ায়।

একৈশ শতিকাৰ প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিতত মানৱ বিকাশৰ মূল ভেটি সবল কৰিবৰ কাৰণে শিক্ষাৰ অন্যান্য দিশবিলাকৰ সৈতে দক্ষতা বিকাশকো শিক্ষা পদ্ধতিৰ সৈতে সংযোজন কৰাৰ আৰ্হি প্ৰস্তুতকৰণ কৌশল তৈয়াৰ হৈছে যাতে বিস্তাৰিত, লাভপ্ৰদ কৰ্ম নিয়োজনৰ সুব্যৱস্থা হয়। বিকাশকেন্দ্ৰিক জাতীয় জীৱনধাৰাত নৈপুন্যতাৰ শিক্ষা আগবঢ়াওঁতে মাথোন চাকৰিমুখী বা সংগঠিত বাণিজ্যিক এলেকাসমূহকেই নহয়, গাঁওবাসী, দুখীয়া চহৰীয়া জনগোষ্ঠী বা পাহাৰ-ভৈয়ামৰ পিছপৰা সকলৰো দক্ষতা, কৌশলৰ শিক্ষাক গুৰুত্ব দিয়া হৈছে। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত ওপৰঞ্চি ৫ কোটি সুদক্ষ কৰ্মীক কৃষিৰ উপৰিও কাৰিকৰী শিক্ষাকৰ্ম, স্ব-ব্যৱসায় বা কামত নিয়োগ কৰাৰ কাৰ্যকৰী নীতিৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ জৰিয়তে কৰ্মৰতৰ সংখ্যা বঢ়োৱাৰ লগতে বৰ্তমানৰ প্ৰশিক্ষণ সংখ্যাৰ সামৰ্থ্য ৪.৫ নিযুতৰ পৰা বহুত বঢ়াই দিয়া হৈছে।

উন্নত বা উন্নয়নশীল পশ্চিমীয়া/ পূব এছিয়াৰ দেশসমূহত ডিজিটেল শিক্ষা লাভৰ ওপৰত মাথো গুৰুত্ব দিয়া নহয়। গৱেষণা আৰু অধ্যয়নৰ ওপৰত ভৰ দি পুংখানুপুংখকৈ আলোচনা কৰি শিক্ষাৰ মান বঢ়াবলৈ ডিজিটেল প্ৰযুক্তিৰ সুপ্ৰয়োগ কৰিবৰ কাৰণে টনকিয়াল ব্যৱস্থা গ্ৰহণ কৰি শ্ৰেণীকক্ষত ইয়াৰ সহায়ৰে পাঠদান কৰিবৰ বাবে শিক্ষক-সকলক কেনেদৰে আৰু কোনবিলাক ডিজিটেল দক্ষতাৰ প্ৰশিক্ষণ দিব পাৰি, শ্ৰেণীকোঠাত শিক্ষাৰ্থী উপযোগীকৈ কোনবিলাক 'শ্ৰেণীকোঠা সূচী' তৈয়াৰ কৰোঁতে ডিজিটেল উপকৰণ যোগ্যতাৰ জৰিয়তে শ্ৰেণীকক্ষ উপযোগী সূচী/ সূচীপত্ৰ আদি প্ৰস্তুত কৰিব লাগে তাৰ পূৰ্ণ আভাস দি শিক্ষকৰ যোগ্যতা বঢ়াবৰ কাৰণে শিক্ষক/শিক্ষয়িত্ৰীক প্ৰাধান্য দিছে। কিয়নো শ্ৰেণীকোঠাত শিক্ষককেই গুৰি ধৰোঁতা। তেনেদৰেই শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজনীয় ডিজিটেল কৌশল অৰ্জনৰ বাবে তৎপৰতা অৱলম্বন কৰা হৈছে। এই ক্ষেত্ৰত University College London (UCL)ৰ দ্বাৰা প্ৰস্তুত 'ই-লাৰ্ণিং পৰিৱেশ' বা ইণ্টাৰনেটৰ ব্যাপক ব্যৱহাৰৰ কাৰণে শিক্ষকসকলৰ ৩৩টা ডিজিটেল দক্ষতাৰ প্ৰয়োজন বুলি আলোচনা কৰিছে। ("The Digital Department-Workshop at 2012 AUA Conference" Report: 21ST CENTURY KNOWLEDGE AND SKILLS IN EDUCATOR PREPARATION September 2010)। (public research university)

**বিদ্যালয়ৰ ডিজিটেল দক্ষতাৰ প্ৰয়োজনীয়তা ঃ** গুণাৱৰ্তামূলক শিক্ষা

লাভৰ বাবে, শ্ৰেণীকক্ষত শিকন-শিক্ষণ পদ্ধতি শিক্ষাৰ্থীকেন্দ্ৰিক কৰিবৰ কাৰণে ই-লাৰ্ণিং/এম লাৰ্ণিঙৰ ব্যৱহাৰ অতি প্ৰয়োজনীয়। ইউ এন ই এছ চী অ'ৰ দ্বাৰা প্ৰকাশিত প্ৰতিবেদন মতে ডিজিটেল শিক্ষা উপকৰণে শিক্ষাৰ মান বঢ়োৱাত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। বৰ্দ্ধিত জনসংখ্যাৰ বাবে আজিকালি বেছিভাগ বিদ্যালয়ত আহল-বহল বিদ্যালয় প্ৰাংগণ, খেলপথাৰ আদিৰ অভাৱ। বৈদিক যুগত সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত শিক্ষা প্ৰদান কৰা হৈছিল— শিক্ষা আছিল আনন্দদায়ক আৰু স্বতঃস্ফূৰ্ত। প্ৰকৃতিৰ কোমল আবেষ্টনীত তেনেদৰে লাভ কৰা শিক্ষা আমি একৈশ শতিকাত প্ৰদান কৰাতো সম্ভৱ নহয়। সেয়েহে বহু সময়ত বিদ্যালয়ৰ ভৱন বা শ্ৰেণীকক্ষটোতেই কৃত্ৰিমভাৱে প্ৰয়োজন সাপেক্ষে শিক্ষাৰ্থী উপযোগী বাতাবৰণৰ সৃষ্টি কৰিব লগা হয়; এই ক্ষেত্ৰত ডিজিটেল শিকনৰ ভূমিকা মন কৰিবলগীয়া। ইয়াৰদ্বাৰা এহাতে পাঠদান বা পাঠ গ্ৰহণ কাৰ্যৰ গতানুগতিকতা লাঘৱ হয় আৰু আনন্দদায়ক পটভূমিয়ে সহজে শিকাত সহায় কৰিব পাৰে। মন কৰিলে পৰিলক্ষিত হয় যে উন্নত দেশসমূহত ডিজিটেল শিক্ষাৰ মাধ্যমৰে শিক্ষাক শিক্ষাৰ্থীকেন্দ্ৰিক, আনন্দদায়ক, সহজবোধ্য, কৌশলী আৰু সময় সাপেক্ষ কৰি তুলিছে। এনে পদ্ধতিৰে শিশুৰ বিষয়ভিত্তিক জ্ঞান, গণনা জ্ঞান আৰু ভাষাশৈলী আৰু তেওঁলোকৰ সৃজনীমূলক প্ৰতিভাৰ বিকাশত সহায় হয়। সেয়েহে উন্নত দেশসমূহৰ সৈতে খোজ মিলাবলৈ উন্নয়নশীল দেশ বহুতে তথ্য আৰু যোগাযোগ প্ৰযুক্তিক শিক্ষাৰ অন্যতম আহিলা হিচাপে শ্ৰেণীকক্ষত ব্যৱহাৰ কৰিবলৈ লৈছে।

শিক্ষণ পদ্ধতিত নতুন দিশৰ সূচনা কৰোঁতে শিক্ষকসকলৰ পাঠদান ব্যৱস্থাত এইবিলাক উপকৰণ সন্নিবিষ্টকৰণত গুৰুত্ব দিবলগা হৈছে যিহেতু বৃত্তিগতভাৱে ডিজিটেল দক্ষতা বঢ়ালেহে শ্ৰেণীকক্ষত তেওঁলোকে প্ৰয়োজন সাপেক্ষে পাঠদান প্ৰস্তুতিত ই/এম লাৰ্ণিং প্ৰয়োগ কৰি পাঠদান আকৰ্ষণীয়, সহজ, সাৱলীল আৰু আনন্দদায়ক কৰি শিক্ষাৰ্থীৰ বাবে সহজবোধ্য কৰিব পাৰিব। এই ক্ষেত্ৰত উল্লেখনীয় হৈছে— 'তথ্যত প্ৰৱেশ' আৰু 'সামগ্ৰিক প্ৰৱেশ আৰু অভিযোজনা-মূলক সেৱা'' যাতে শিক্ষণ পদ্ধতি শিক্ষাৰ্থীকেন্দ্ৰিক আৰু সময় উপযোগী হয়। ডিজিটেল জ্ঞানপুষ্ট শিক্ষকসকলে পাঠদান কৰোঁতে এই জ্ঞানৰ সদ্ব্যৱহাৰ কৰি শিক্ষাৰ্থীক আমোদজনকভাৱে নতুন নতুন দিশৰ অৱতাৰণা কৰিবৰ বাবে 'সূচী এলেকা' বাচি বহু মাধ্যম শ্ৰেণীকোঠা আদিত ভিডিঅ', অডিঅ', এনিমেশ্যন ছবিৰ সহায়েৰে শ্ৰেণীকোঠাৰ পাঠদানত সন্নিবিষ্ট কৰিব লাগিব। তেতিয়াহে শ্ৰেণীকোঠাত কিতাপত থকা বিষয়সমূহ মূৰ্ত হৈ উঠিব আৰু শিক্ষাৰ্থীয়ে অলাগতিয়ালভাৱে মুখস্থ বিদ্যাৰ সহায় লোৱাৰ প্ৰয়োজন নাথাকিব।

(এটি চমু উদাহৰণ ঃ শেহতীয়াকৈ প্ৰকাশিত বেচলাইন ছাৰ্ভেৰ আধাৰত প্ৰকাশ হৈছে যে চতুৰ্থ/পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ মাতৃভাষাৰ কিতাপ পঢ়িব নোৱাৰে অৰ্থাৎ শ্ৰেণীত পঢ়া গুণটোক গুৰুত্ব দিয়া নহয়, অথচ পৌৰাণিক যুগৰে পৰা পঠনক শিকনৰ মূল আধাৰ হিচাপে লোৱা হৈছিল যদিও আমাৰ সচৰাচৰ স্কুলসমূহত এই দিশটো আওকাণ কৰিছে। আনহাতে পৰিলক্ষিত হৈছে যে উন্নত দেশবিলাকত বহু মাধ্যম শ্ৰেণীকোঠাৰ মাধ্যমেৰে শিক্ষাৰ্থীৰ পঢ়াৰ অভ্যাস বঢ়োৱা হৈছে। আমাৰ শ্ৰেণীকোঠাতো তেনে ব্যৱস্থাৰে বিপুল পৰিমাণৰ শিক্ষাৰ্থীক পঢ়াৰ কৌশল বঢ়াব পাৰি।)

তদুপৰি বহু শিক্ষানুষ্ঠানত শিক্ষাৰ্থীসকলে ভৱিষ্যতে কি দিশত আগবাঢ়িব, যেনে সাধাৰণ শিক্ষা ল'ব নে অন্য ধৰণৰ বিষয় নিৰ্ণয় বা উচ্চ শিক্ষা নলৈ কেনেধৰণৰ কাৰিকৰী বিষয় নিৰ্দ্ধাৰণ কৰিব আদিৰ বুজ ল'বলৈ বিশেষ প্ৰতিভা বাছনি পৰীক্ষা প্ৰয়োগ কৰিবলৈকো ডিজিটেল প্ৰযুক্তি, ম'বাইল ফোন/কম্পিউটাৰ আদিক মথোন আনন্দদায়ক মাধ্যম হিচাপে সীমাৱদ্ধ নাৰাখি শিক্ষা পদ্ধতিৰ অবিচ্ছেদ্য অংগ হিচাপে ল'বৰ কাৰণে শিক্ষকসকলকো প্ৰশিক্ষণৰ দৰকাৰ যাতে পাঠদানৰ সৈতে সম্বন্ধ ৰাখি তেওঁলোকে ভিডিঅ', এনিমেশ্যন চিত্ৰ আদিৰে নিত্য নতুন বিষয় সন্নিবিষ্ট কৰি শিক্ষাৰ্থীয়ে সহজে শিকিব পৰাকৈ আকৰ্ষণীয় আৰু সহজবোধ্য কৰিব পাৰে। শিক্ষকসকলৰ বাবে এতিয়াও আচুতীয়াকৈ ডিজিটেল সাক্ষৰতা প্ৰয়োগ সম্বন্ধীয় শিক্ষা প্ৰদানৰ নিয়মীয়া প্ৰশিক্ষণ ব্যৱস্থা নাই। ইচ্ছুক বা তৎপৰসকলে নিজাববীয়াকৈ শিকিছে যদিও শ্ৰেণীকক্ষত শিকন-শিক্ষণৰ মাধ্যম হিচাপে ভালকৈ কামত লগোৱাৰ সুবিধা নাই। ইয়াৰ প্ৰধান কাৰণসমূহ বিশ্লেষণ কৰিলে জল্‌জল্ পট্‌পট্‌কৈ দৃশ্যমান হৈ উঠে যে এতিয়াও শিক্ষকসকলৰ বাবে প্ৰস্তুত পাঠ্যক্ৰমত গভীৰভাৱে এই দিশ সন্নিৱিষ্ট কৰাৰ পৰিকল্পনা আধৰুৱা হৈ ৰৈছে। শিক্ষকসকলক প্ৰশিক্ষণৰ মাধ্যমেৰে তথ্য আৰু প্ৰযুক্তিবিদ্যা কিমান সহজভাৱে পাঠদান সমল হিচাপে ল'ব পাৰি তাৰ উদাহৰণমূলক শ্ৰেণীকোঠা শিক্ষাৰ আখৰা দিয়াৰ, শিকাবৰ সময়ত পাঠৰ সৈতে সংযোগ ৰাখি প্ৰয়োজনী চাৰ্চ ইঞ্জিন, (গুগল, য়াহু, বিং আদি) বা

সামাজিক ৱেবছাইট (Wikipedia, Face book, YouTube), ছফ্‌টৱেৰ আদিৰ জৰিয়তে বহু মাধ্যম শ্ৰেণীকোঠা আদিত ভিডিঅ', অডিঅ', এনিমেশ্যন, ছবি ইত্যাদিৰ সহায় লৈ শিক্ষকসকলে পাঠ প্ৰস্তুত কৰি পাঠদান মনোগ্ৰাহী আৰু সফল কৰিব পাৰে তাৰ বাবে শিক্ষা বিভাগে বিশেষ গুৰুত্ব দিব লাগে আৰু শিক্ষকসকলক সময়ে সময়ে (হ্ৰস্বকালীন বা দীঘলীয়া) প্ৰশিক্ষণ দিব লাগিব। আজিকালি সুনিপুণ পাঠদানৰ ক্ষেত্ৰত শিক্ষকসকলে তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ বিশাল জগতখনৰ পৰা লাভাৱান্বিত হ'বলৈ নিজ নিপুণতা বঢ়াবলৈ আগবাঢ়ি আহিছে। ই-লাৰ্ণিং পৰিৱেশৰদ্বাৰা আয়োজিত কৰ্মশালাত প্ৰস্তাৱিত দক্ষতাসমূহ (৩৩টা) ক্ৰমশ আমাৰ শিক্ষকসকলেও যাতে আহৰণ কৰিব পাৰে তাৰ বাবে আমাক মাথোন ৰাজনৈতিক তৎপৰতাই নহয়, আমাৰ শিক্ষকসকলৰ বাবে এটা প্ৰত্যাহ্বানস্বৰূপ মনোভাৱ গঢ়িব লাগিব আৰু বিভিন্ন প্ৰতিকূল পৰিৱেশক জয় কৰিব পৰাকৈ বিদ্যালয়ত সজাগতা আৰু মানসিক প্ৰস্তুতি সৃষ্টি কৰিব লাগিব। ডিজিটেল দক্ষতাৰ গুৰুত্ব দি মাইক্ৰছফ্‌টৰ উপসভাপতিজনে উনুকিয়াইছে যে "আধুনিক শিক্ষকসকল মাথোন উদ্ভাৱনীমূলক শিক্ষণ প্ৰক্ৰিয়াৰ মাজতে সীমাৱদ্ধ নহয়। তেওঁলোক শিক্ষাৰ্থীৰ বাবে উৎসাহ, উদ্দীপনাৰো লেখত ল'বলগীয়া উৎস; তেওঁলোকে শ্ৰেণীকোঠাৰ পাৰিপাৰ্শ্বিকতাক নতুনত্বৰ মাধ্যমেৰে বিপুল পৰিৱৰ্তন আনিবলৈ সক্ষম হয়।" বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীসকলক স্কুল বা পাঠ গ্ৰহণত সহায় কৰাৰ উপৰিও ভৱিষ্যৎ চাকৰি জীৱনৰ প্ৰস্তুতিতো ই অতি নিৰ্ভৰযোগ্য এটি কলা। অকল সেয়ে নহয়, গ্ৰাম্যাঞ্চল বা যাতায়াতৰ অসুবিধা থকা দুৰ্গম এলেকাবাসীয়ে ইয়াৰ সুব্যৱহাৰেৰে ঘৰেত বহি কিছুমান কাম কৰিবলৈ সুবিধা পাইছে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে ঘৰতে বহি নেটৰ মাধ্যমেৰে বিদ্যুতৰ বিল দিব পাৰি বা ক'ৰবাত দূৰ-ভ্ৰমণ কৰাৰ আগতে টিকটটোও কিনিব পাৰি। নিঃসন্দেহে মৌলিক দক্ষতাসমূহৰ দ্ৰুত বিকাশত ই সহায়ক ভূমিকা লৈছে। ❒

---

**(৫১ পৃষ্ঠাৰ পৰা)**

**অনুসূচীত জাতিৰ উদ্যোগীলৈ পুঁজি যোগান**

২০১৪-১৫ চনত "ভে'ন্‌চ্চাৰ কেপিটেল ফাণ্ড্‌ ফৰ্‌ শ্বে'ড্‌ইউল কাষ্ট' আঁচনিখন প্ৰৱৰ্তন কৰা হয়। এই আঁচনিৰ লক্ষ্য হ'ল অনুসূচীত জাতিৰ উদ্যোগীসকলক ৫০ লাখ টকাৰ পৰা ১৫ কোটি টকা পৰ্য্যন্ত উচ্চ পৰ্যায়ৰ ঋণ প্ৰদান কৰা। এই পৰ্যন্ত সৌৰ শক্তি, জল পদ্ধতি প্ৰকল্প, খাদ্য সংসাধন আৰু পেয়, হোটেল ইত্যাদি বিভিন্ন ক্ষেত্ৰত ৬৫ জন অনুসূচীত জাতিৰ উদ্যোগীলৈ ২৩৬ কোটি ৬৬ লাখ ঋণ আগবঢ়োৱা হৈছে। ৯টা প্ৰকল্পত হিতাধিকাৰীসকলে পুনৰ পৰিশোধ আৰম্ভ কৰিছে আৰু এই আঁচনিখনৰ অনুসূচীত জাতিৰ উদ্যোগীসকলৰ ওপৰত বহুসংখ্যক প্ৰভাৱ পেলাইছে।

দক্ষতা বিকাশ যতদূৰ জড়িত, অনুসূচীত জাতি উপ-পৰিকল্পনাৰ অধীনত সকলো ৰাজ্য চৰকাৰ আৰু ৰাষ্ট্ৰীয় অনুসূচীত জাতি বিত্তীয় আৰু বিকাশ নিগম (এন এছ এফ ডী চী), ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰীৰ বিত্তীয় আৰু বিকাশ নিগম (এন এছ কে এফ ডী চী) আৰু ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী বিত্তীয় আৰু বিকাশ নিগম (এন বী চী এফ ডী চী)ৰদ্বাৰা প্ৰশিক্ষণৰ কাম হাতত লোৱা হৈছে। ২০১৪-১৫ চনৰ কালছোৱাত ডেৰ লাখৰো অধিক হিতাধিকাৰী ইয়াৰদ্বাৰা উপকৃত হৈছে আৰু ৪৮.৪২ শতাংশই মজুৰি/স্ব-নিয়োজন লাভ কৰিছে।

অনসূচীত জাতিলৈ পৰিকল্পনাৰ অধীনত যোৱা তিনিটা বছৰত শিল্পোদ্যোগৰ অধীনত ঋণৰ বাবে দিয়া ৰাজসাহায্যৰ পৰা ১৭ লাখৰো অধিক লোক উপকৃত হৈছে। এই বছৰকেইটাত শিল্পোদ্যোগৰ বাবে নিগমসমূহৰদ্বাৰা ৮.১২ লাখৰো অধিক লোকক ঋণ প্ৰদান কৰা হয়। ❒

আমাৰ গ্ৰন্থৰ বিষয়ে

# প্ৰকাশন বিভাগৰদ্বাৰা ৰাষ্ট্ৰপতি ভৱন লানিৰ গ্ৰন্থ প্ৰকাশ



বিগত তিনিটা বছৰত প্ৰকাশন বিভাগে, ৰাষ্ট্ৰপতি ভৱনৰ ৰহস্যাবৃত বৈশিষ্ট্য আৰু ৰাষ্ট্ৰীয় অনুষ্ঠান হিচাপে ইয়াৰ ঐতিহাসিক, সাংস্কৃতিক আৰু সামাজিক উত্তৰাধিকাৰ বিষয়ে পাঠক-সকলে জানিবৰ বাবে ৰাষ্ট্ৰপতিৰ কাৰ্যালয় আৰু আবাসিক চৌহদক সামৰি ৰাষ্ট্ৰপতি ভৱন সম্পৰ্কে এলানি উচ্চ মানসম্পন্ন গ্ৰন্থ প্ৰকাশ কৰিছে। এই লানিৰ ১৭ খন গ্ৰন্থ (ইয়াৰে এখন যুগুতাই থকা হৈছে) ব্যাপক ঐতিহ্য মূল্যসম্পন্ন আৰু উত্তৰ প্ৰজন্মৰ বাবে কাহিনীমূলক।

২০১৪-২০১৭ কালছোৱাৰ ভিতৰত গ্ৰন্থ প্ৰকাশৰ পূৰ্ব নিৰ্দ্ধাৰিত সময়সীমাৰ সৈতে সংগতি ৰাখি ২০১৪ চনত ‘ৰাষ্ট্ৰপতি ভৱন গ্ৰন্থ লানি’ৰ প্ৰকাশ আৰম্ভ কৰা হয়।

প্ৰকাশিত এই গ্ৰন্থসমূহ ৰাষ্ট্ৰপতি ভৱনৰ ২০১৫ চনৰ ২৫ জুলাই, ১১ ডিছেম্বৰ, ২০১৬ চনৰ ২৫ জুলাই আৰু ১১ ডিছেম্বৰত আয়োজিত অনুষ্ঠানত উন্মোচন কৰা হয়। সন্মানীয় উপ-ৰাষ্ট্ৰপতি আৰু সন্মানীয় প্ৰধান মন্ত্ৰীয়ে এই উপলক্ষে গ্ৰন্থসমূহৰ প্ৰথম কপী ৰাষ্ট্ৰপতিক উপহাৰ দিয়ে।

এই সন্মানজনক লানিৰ গ্ৰন্থসমূহ হ’ল—

i. Abode under the Dome (State Guests at Raisina Hill : 1947-67)
ii. A Work of Beauty : Art and Architecture of the Rashtrapati Bhavan
iii. Arts and interiors of the Rashtrapati Bhavan
iv. Around India's First Table : Dining and Entertaining at the Rashtrapati Bhavan
v. Discover the Magnificient world of Rashtrapati Bhavan (for children)
vi. Indradhanush – Volume 1
vii. Indradhanush – Volume 2
viii. Life at Rashtrapati Bhavan
ix. Right of the Line : The President's Bodyguard
x. Rashtrapati Bhavan : From Raj to Swaraj
xi. The Presidential Retreats of India
xii. The First Garden of the Republic : Nature in the President's Estate

xiii. Winged Wonders of Rashtrapati Bhavan
xiv. Selected Speeches of the President – Volume 1
xv. Selected Speeches of the President – Volume 2
xvi. Selected Speeches of the President – Volume 3
xvii. Selected Speeches of the President – Volume 4

ইয়াৰে কিছুমান গ্ৰন্থ ৰাষ্ট্ৰপতিৰ সচিবালয় আৰু ইন্দিৰা গান্ধী নেশ্বনেল ছেণ্টাৰ অৱ আৰ্টছ (আই জী এন বী এ)ৰ লগত যুটীয়া দায়িত্বত আছিল আৰু আই জি এন চী এ-ৰ ঠিকাদাৰী সংস্থা ছাহপেডিয়াৰদ্বাৰা গৱেষণা আৰু আৰ্হি যুগুতোৱা হৈছিল। আনবোৰ গ্ৰন্থ সম্পাদনাৰ পৰা আৰম্ভ কৰি ছপা কৰালৈকে প্ৰকাশন বিভাগৰদ্বাৰা সম্পূৰ্ণ কৰা হয়।

এই গ্ৰন্থসমূহ প্ৰকাশন বিভাগৰ মূল কাৰ্যালয় দিল্লী আৰু দেশৰ অন্যান্য ৮টা স্থানৰ বিক্ৰী কেন্দ্ৰৰ পৰা ক্ৰয় কৰিব পাৰিব। গ্ৰন্থসমূহ অনলাইন https//bharatkosh.gov.in/Product/2 বা প্ৰকাশন বিভাগৰ ৱেবছাইট www.publicationsdivision.nic.in. যোগে ক্ৰয় কৰিব পাৰিব।

Selected Speeches of the President : Volume 4ৰ উন্মোচনৰ ফলত বৰ্তমানৰ ৰাষ্ট্ৰপতি ভৱন আৰু প্ৰকাশন বিভাগৰ ফলপ্ৰসু সম্বন্ধই সন্তোষজনক সামৰণিলৈ গতি কৰিব। এই অংশীদাৰত্ব তিনি বছৰীয়া প্ৰকল্পটোত কাম কৰা সমগ্ৰ দলটোৰ মূল্যৱান অভিজ্ঞতা আছিল আৰু লগতে ই দলটোৰ বৃত্তিগত সামৰ্থ্য বৃদ্ধি আৰু ভৱিষ্যতৰ বাবে বিশ্বাসৰ স্তৰ বৃদ্ধি হোৱাত সহায় কৰিছে।

প্ৰকাশন বিভাগৰ দলটোৱে ভাৰতৰ সন্মানীয় ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰাৰ সুযোগো লাভ কৰে।

প্ৰকাশন বিভাগে অনাগত দিনবোৰত এই অতি সন্মানীয় সহযোগিতা অবিৰতভাৱে শক্তিশালী কৰাৰ বাবে উচ্চাভিলাষ পোষণ কৰিছে।

